
# সূত্ৰধাৰ

১–১৫ আগষ্ট, ১৯৯২ ▫ সাত টকা



আধুনিক ভাৰতৰ এজন মহান চিন্তানায়ক

## এম এন ৰয়

মুছলমানৰ সমস্যা ঃ পটভূমি আৰু সমাধান

শ্ৰীকিশোৰ কুমাৰ কলিতা

# সূত্ৰধাৰ

চতুৰ্থ বছৰ, চতুৰ্দশ সংখ্যা
১-১৫ আগষ্ট, ১৯৯২
Vol. IV No. 14.
1-15 August, 1992

সম্পাদক (অবৈতনিক)
হোমেন বৰগোহাঞি
সম্পাদনা সহকাৰী
মালবিকা পাঠক
কলা নিৰ্দেশক
চম্পক বৰবৰা
কাৰ্যাধ্যক্ষ
অনিল কুমাৰ গগৈ
অংগ সজ্জা
মোহন নাথ

পূৰবী প্ৰকাশন প্ৰাইভেট লিমিটেডৰ হৈ অনিল কুমাৰ গগৈৰ দ্বাৰা ইন্টাৰ্ণ প্ৰেছ এণ্ড পাব্লিকেশ্যনচ প্ৰাঃ লিঃ-ত মুদ্ৰিত আৰু মনজেৰা হাউচ, মতিলাল নেহৰু ৰোড, পানবজাৰ, গুৱাহাটী-১-ৰ পৰা প্ৰকাশিত ঃ ▫ ফোন ঃ ৪৪৮৫৪, ৩৩৬১৮

**Calcutta :-**
Mr. Gautam Sengupta.
7/IC Lindsay Street. (1st Floor)
Calcutta-700087
Ph. 449363, 448574

**Delhi :-**
Mr. Ranaji Sen.
B-51, Soami Nagar.
New Delhi-110017
Ph. 642, 8608

## বিষয়-সূচী

সাময়িক প্ৰসঙ্গ
মুছলমানৰ সমস্যা ঃ পটভূমি আৰু সমাধান ▫ ১২
মছউদুল হক

জীৱন-জিজ্ঞাসা
মানবেন্দ্ৰ নাথ ৰয় আৰু নব মানবতাবাদ ▫ ১৯
হিৰণ্য কুমাৰ ভট্টাচাৰ্য্য

ৰাজনীতি
আঞ্চলিক ৰাজনৈতিক দলৰ অন্তৰ্কন্দল আৰু আঞ্চলিক ৰাজনীতি ▫ ২৭
হিতেন মহন্ত

ৰাজনীতি
মুখাবোৰ খোলা সোণহঁত ; এতিয়া কামৰ সময় ▫ ২৮
পাৰ্থসাৰথি বেজবৰুৱা

প্ৰতিবেদন
আপোনাক সুধিছো, এওঁলোকক চিনি পাইনে ? ▫ ৩০
দেবব্ৰত বৰগোহাঞি

ৰাজনীতি
আঞ্চলিক ৰাজনীতিৰ ভৱিষ্যত ▫ ৩২
সনাতন সূত্ৰধাৰ

শিল্প-সংস্কৃতি
মানিক বাবু সত্যজিৎ ৰায় ▫ ৩৪
আবু নাছাৰ চাঈদ আহমদ

অহা সংখ্যাত
ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ নতুন উপাচাৰ্য ডঃ মুকুন্দ মাধৱ শৰ্মাৰ লগত এটা আছুতীয়া সাক্ষাৎকাৰ

গ্ৰন্থজগত
স্বাগত আনন্দ তৰঙ্গ ▫ ৩৮
ৰাজেন শইকীয়া

ব্যক্তি আৰু ঘটনা
আপুনিও ভাবক ▫ ৪৮
মনোৰমা বৰুৱা

আলোকপাত
অসমৰ সাহিত্যত শিশুৰ বঞ্চনা ঃ এটি মুকলি চিন্তা ▫ ৪৯
ভাৰতী বৰুৱা

দৃষ্টিপাত
কৰ্ম-সংস্কৃতি ▫ ৫১
ৰসানন্দ অভাজন

বিশ্ব-পৰিক্ৰমা
চীনৰ বৈদেশিক নীতিৰ আমূল পৰিবৰ্তন ▫ ৫৩
যামিনী ফুকন

নাটক আৰু ৰঙ্গমঞ্চ
পৰম্পৰাগত জাপানী থিয়েটাৰ ঃ নো ▫ ৫৮
তড়িত চৌধুৰী

মাধুকৰী
টিউনিচ-শ্বেল ▫ ৬১
মুখলেছুৰ ৰহমান

একপৃষ্ঠা
দিল্লী ভ্ৰমণ (দ্বিতীয় খণ্ড)
ভূপেন্দ্ৰ নাৰায়ণ ভট্টাচাৰ্য্য

চিঠি ▫ ৪
সম্পাদকৰ টোকাবহী ▫ ১০
ধাৰাবাহিক উপন্যাস ▫ ৩৮
কবিতা ▫ ৪৪

বেটুপাত ▫ চম্পক বৰবৰা

## প্ৰসঙ্গঃ অসম কৃষি বিশ্ববিদ্যালয়

(১)

জনপ্ৰিয় আলোচনী 'সূত্ৰধাৰ'ৰ জুলাই (১-১৫), ১৯৯২ সংখ্যাৰ সাময়িক শিতানত শ্ৰীমতী স্বপ্না বেজবৰুৱাই লিখা "অৱক্ষয়ৰ গৰাহত অসম কৃষি বিশ্ববিদ্যালয়" শীৰ্ষক প্ৰৱন্ধটিৰ সন্দৰ্ভত বিশ্ববিদ্যায়লৰ তৰফৰ পৰা স্পষ্টিকৰণ এটি দাঙি ধৰা হ'ল।

১। অসম কৃষি বিশ্ববিদ্যালয়ত প্ৰচলিত শিক্ষাব্যৱস্থা আৰু পাঠ্যক্ৰম সম্পৰ্কে শ্ৰীমতী বেজবৰুৱাই আগবঢ়োৱা মন্তব্য কিমানদূৰ যুক্তিযুক্ত, সেয়া তলৰ কথাখিনিয়ে প্ৰতীয়মান কৰিবঃ

আৰম্ভণিতে কৃষি কলেজ থকা অৱস্থাত পুথিগত শিক্ষাৰ প্ৰাধান্য আছিল যদিও, সেই সময়তো ছাত্ৰ-ছাত্ৰীসকলে পথাৰত আৰু গৱেষণা-গাৰত প্ৰশিক্ষণ লব লাগিছিল। পৰৱৰ্তী কালছোৱাত বিশ্ববিদ্যালয় প্ৰতিষ্ঠা হোৱাত গোটেই ব্যৱস্থাটোৱে বহুল পৰিৱৰ্তন সাধিত হ'ল। সম্প্ৰতি প্ৰচলিত পাঠ্যক্ৰমৰ ভিতৰতে ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন গৱেষণা পাম আৰু খেতিয়কৰ পথাৰত ব্যৱহাৰিক জ্ঞান আহৰণৰ নিমিত্তে প্ৰেৰণ কৰা হয়। সম্প্ৰসাৰণ শিক্ষা, কৃষি-অৰ্থনীতি, মাটি বিজ্ঞান ইত্যাদি বিষয়ৰ প্ৰাথমিক তথ্য সংগ্ৰহ ও মূল গৱেষণা গ্ৰাম্যঞ্চলতে সমাধা কৰা হয়। শস্যবিজ্ঞান বিভাগত practical crop production আৰু চাহ প্ৰযুক্তি বিভাগে পৰিচালনা কৰা Garden Training কাৰ্যক্ৰমণিকাৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলক প্ৰয়োগিক দিশত সমৃদ্ধ কৰাৰ নিৰৱচ্ছিন্ন প্ৰক্ৰিয়া আৰম্ভণিৰেপৰা অব্যাহত আছে। শেহতীয়াভাৱে পাঠ্যক্ৰমৰ ভিতৰত ছাত্ৰ-ছাত্ৰীসকলে গাঁৱলীয়া পৰিৱেশত ছমাহৰ বাবে থাকি কৃষি অভিজ্ঞতা গোটাবলৈ বাধ্যতামূলকভাৱে 'RAWE' কাৰ্যসূচীও সন্নিৱিষ্ট কৰা হৈছে। এনে পৰিৱৰ্তন আৰু পৰিদৰ্শনৰ পিছতো আজিৰ কৃষি মূলতঃ পুথিগত বুলি আখ্যা দিয়াতো আমাৰ বোধগম্য নহ'ল। ইয়াৰ লগে লগে সম্প্ৰসাৰণ শিক্ষা আৰু প্ৰশিক্ষণৰ বহুল বিস্তৃতিৰ ফলতো কৃষি বিজ্ঞান আৰু কৃষকৰ মাজত ব্যৱধান ক্ৰমাৎ কমিছেহে। সেয়ে, প্ৰকৃত তথ্য নজনাকৈ তেনেকুৱা মন্তব্য প্ৰকাশ কৰাটো সমিচীন বুলি ক'ব নোৱাৰি।

২। লেখিকাই প্ৰৱন্ধটিত সংযোজিত কৰা ড° এম. এছ. স্বামীনাথনৰ উদ্ধৃতিটি নিতান্তই একপক্ষীয় বুলি ভৱাৰ পূৰ্ণ অৱকাশ আছে। সেই একেটা সমাৱৰ্তন ভাষণতে তেখেতে কৈছিল –The AAU has been playing a key role in bringing about agricultural Aruyress and agrarian prosperity in the state. I congratulate the Governor of assam &chancellor, Vice-chancellor and all the staff and scholals of this University or their accomplishments. ইয়াক কিয় উদ্ধৃত কৰা নহ'ল সি সঁচাকৈয়ে ৰহস্যজনক।

৩। প্ৰৱন্ধটিত জেষ্ঠ্য অধ্যাপক এগৰাকীৰ বক্তব্যৰ বিষয়ে উনুকিওৱা হৈছে। এগৰাকী ব্যক্তিৰ মন্তব্যৰ বিষয়ে সম্যক ধাৰণা লাভ কৰাটো নিশ্চয় সহজসাধ্য কথা হ'ব নোৱাৰে।

৪। স্নাতকোত্তৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ লগতে শিক্ষকসকলৰ তত্ত্বাৱধানত গৱেষণাৰ নিমিত্তে বিশ্ববিদ্যালয় চৌহদত এখন পৰীক্ষামূলক পথাৰ আছে আৰু গৱেষণাৰ বাবে প্ৰয়োজনীয় পানীযোগানকে ধৰি আনুষঙ্গিক সকলো সা-সুবিধা নিয়মিতৰূপত যোগান ধৰা হয়। সুবিধাৰ অভাৱত গৱেষণাৰ ব্যাঘাত হোৱা কথাটো কিমান যুক্তিযুক্ত সি সহজেই অনুমেয়।

৫। প্ৰৱন্ধটিত উল্লেখ কৰা জৰাজীৰ্ণ জঁকাটোৰ দৰে থিয় হৈ থকা বুলি কোৱা জলাধাৰটো বৰ্তমান নিৰ্মিয়মান অৱস্থাত আছে। ইয়াৰ অভাৱত গৱেষণা বৈ থকা নাই। অতিৰিক্ত সুবিধা সৃষ্টিৰ বাবেহে জলাধাৰটো নিৰ্মাণ কৰি থকা হৈছে।

৬। ছাত্ৰৰ পৰীক্ষামূলক কাৰ্যত প্ৰয়োগ কৰিবলৈ সময়সীমা পাৰ হোৱা ঔষধৰ কথা লেখনিটোত উল্লেখ কৰা হৈছে। সেয়া নিম্নবৰ্গৰ চাকৰিয়াল এজনে ভুলক্ৰমে দিয়াটো সঁচা, কিন্তু সংশ্লিষ্ট শিক্ষকৰ দৃষ্টিগোচৰ হোৱাৰ লগে লগে তৎকালীন ব্যৱস্থা হাতত লোৱা হয়। এতেকে এইক্ষেত্ৰত কৰ্তৃপক্ষৰ অমনোযোগিতাৰ কথাটো নিত্যান্তই অবান্তৰ।

৭। শিক্ষক নিয়োগ, পদোন্নতি ইত্যাদিৰ ক্ষেত্ৰত শ্ৰীমতী বেজবৰুৱাই বিশ্ববিদ্যালয় কৰ্তৃপক্ষক জগৰীয়া কৰি আগবঢ়োৱা আলোচনাত সংশ্লিষ্ট বিষয়ত লেখিকাৰ ভ্ৰান্ত আৰু সীমিত ধাৰণাৰ বিষয়ে স্পষ্টভাৱে ওলাই পৰিছে। কোনোধৰণৰ প্ৰামাণিক তথ্য নোহোৱাকৈ এইবোৰৰ সৈতে উপাচাৰ্যগৰাকীক সাঙুৰিব বিচৰাটো নিত্যান্তই উদ্বেগজনক। তলত দাঙি ধৰা কথাখিনিয়ে বিষয়টো অধিক সৰু আৰু স্বচ্ছ কৰি তোলাত ৰাইজৰ সহায় হব।

বিশ্ববিদ্যালয়ৰ শিক্ষক নিযুক্তি আৰু পদোন্নতিৰ বাবে নিজস্ব নীতি-নিৰ্দ্ধাৰক সমিতি আছে আৰু এই সমিতিসমূহৰ সিদ্ধান্ত অনুসৰি সময়ে সময়ে যথোপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা হয়।

শিক্ষক নিযুক্তিৰ বাবে যি অৰ্হতাৰ দৰকাৰ সেইটো বিশ্ববিদ্যালয়ৰ বিধি অনুসৰি 'একাডেমিক কাউন্সিল'ত স্থিৰ কৰা হয়। আৰু সেইমৰ্মে জাননী দিয়া হয়। দৰখাস্ত লোৱাৰ পিচত ক্ৰুটিনী কমিটিয়ে বাছি দিয়া প্ৰাৰ্থীক সাক্ষাৎকাৰৰ বাবে মতা হয়। এতেকে অৰ্হতাহীন প্ৰাৰ্থীয়ে সাক্ষাৎকাৰৰ আমন্ত্ৰণ নোপোৱাটোত আচৰিত হবলগীয়া একোৱেই নাই। সেইদৰে বাছনি সমিতিও বিধি অনুসৰি গঠন কৰা হয়। কেৱল অধ্যাপকৰ পদৰ বাবে থকা বাছনি সমিতিত উপাচাৰ্যগৰাকী চেয়াৰমেন হিচাপে থাকে; সহযোগী আৰু সহকাৰী অধ্যাপকৰ বাবে বাহিৰৰ বিশেষ অৰ্হতাসম্পন্ন বিজ্ঞানী/ব্যক্তিক চেয়াৰমেন হিচাপে মনোনীত কৰা হয়। এই সমিতিবোৰত সংশ্লিষ্ট অনুষদৰ ডীন, গৱেষণা সঞ্চালক, সম্প্ৰসাৰণ শিক্ষা সঞ্চালক আৰু বিভাগীয় মুৰব্বীসকল সদস্য হিচাপে থাকে। বাছনিৰ অন্তত বিশ্ববিদ্যালয় বোৰ্ডে অনুমোদন জনালেহে শিক্ষকসকললৈ নিযুক্তি-পত্ৰ প্ৰেৰণ কৰা হয়। স্পষ্টতঃ এনে ঘটনা দীঘলীয়া প্ৰক্ৰিয়াৰ মাজেৰে কৰা বাছনিত সম্ভাব্য স্বজনতোষণৰ বিষয়ে ৰাইজেই বিচাৰ কৰিব।

বিশ্ববিদ্যালয় বিধি (১৯৬৮) অনুসৰি তৈয়াৰ কৰা 'চাৰ্ভিছ ৰুল' (১৯৯০) ত চাকৰিৰ জাননীৰ বাবে কোনো সময়সীমা বান্ধি দিয়া নাই আৰু একাডেমিক কাউন্সিলে সুবিধা অনুযায়ী কোনো সময় ঠিক কৰিলেও 'চাৰ্ভিছ ৰুল' মতে কৰ্তৃপক্ষই বিবেচনা সাপেক্ষে চাকৰিৰ জাননী দিব পাৰে।

শিক্ষকসকলৰ নিযুক্তিৰ বাবে যোৱা মাৰ্চ আৰু এপ্ৰিল মাহত দুবাৰো জাননী দিয়া হৈছিল। তেতিয়া কোনোৱে অনীতি-অনিয়মৰ কথা উত্থাপন কৰা নাছিল। শেষলৈ সাক্ষাৎকাৰৰ বাবে জাননী প্ৰেৰণ কৰাৰ পিচতহে কৃষি অনুষদ শিক্ষক সন্থাৰ তৰফৰ পৰা আপত্তি আহিছিল। বিশ্ববিদ্যালয় কৰ্তৃপক্ষই ইয়াৰ লগতে আন কেতবোৰ দিশ চালি-জাৰি চাই সাক্ষাৎকাৰ বন্ধ ৰাখি পুনৰ সাক্ষাৎকাৰৰ বাবে জুন মাহত নতুন জাননী জাৰি কৰে। অভিযোগ কৰামতে ক্ৰুটিনী কমিটিয়ে কেইজনমান শিক্ষকক আৱশ্যকীয় অৰ্হতা নথকাত অনুমোদন নিদিয়া বাবে বা আন কোনো কাৰণত সাক্ষাৎকাৰ বন্ধ কৰা হোৱা নাছিল। আইন অনুযদৰ পৰা তেনে কোনো আপত্তি ইত্যাদি নথকাত সাক্ষাৎকাৰসমূহ নিয়মিতভাৱেই অনুষ্ঠিত হৈছিল আৰু শেহতীয়াকৈ উক্ত বাছনিসমূহ বোৰ্ডৰ বৈঠকত অনুমোদন জনোৱা হৈছিল। কৃষি অনুযদৰ শিক্ষকবৃন্দৰ অনুৰোধ মৰ্মে পৰৱৰ্তী সাক্ষাৎকাৰ শীঘ্ৰেই পতাৰ বাবেও যোৱা বোৰ্ডে সিদ্ধান্ত গ্ৰহণ কৰে আৰু সেইমৰ্মে যাবতীয় কাৰ্যব্যৱস্থা ইত্যাদি হাতত লোৱা হৈছে।

এইটো সকলোৱে অৱগত যে বিশ্ববিদ্যালয় এটা স্বতন্ত্ৰীয়া অনুষ্ঠান আৰু ই বান্ধি দিয়া কেতবোৰ নীতি-নিয়মৰ মাজেদিহে পৰিচালিত হয়। তেনেক্ষেত্ৰত লেখিকাই মাননীয় আচাৰ্য আৰু মাননীয় মুখ্যমন্ত্ৰীগৰাকীক এনে বিষয়ত জড়িত কৰিব বিচৰাটো নিতান্তই দুৰ্ভাগ্যজনক।

৮। বিশ্ববিদ্যালয়ৰ মুৰব্বীগৰাকীক জড়িত কৰি উপস্থাপন কৰা পোষ্টাৰিঙৰ বিষয়টো একাষাৰেই গৰিহণাযোগ্য। আৰু কোনো ধৰণৰ প্ৰাথমিক তথ্য সম্বলিত বিষয়বস্তু নোহোৱাকৈ এনেধৰণৰ খবৰ প্ৰকাশ কৰাটো শিক্ষানুষ্ঠানটিৰ প্ৰতি সঁচাকৈয়ে হানিকৰ; ইয়াৰ দ্বাৰা দুষ্কৃতিকাৰীক ছল দিয়াৰ ব্যতিৰেকে অইন কোনো কাৰ্যই সিদ্ধি নহয়।

ওপৰৰ স্পষ্টীকৰণৰ জৰিয়তে বিশ্ববিদ্যালয়ৰ বক্তব্য দ্ব্যৰ্থহীনভাৱে দাঙি ধৰিবলৈ প্ৰয়াস কৰা হৈছে। বিশ্ববিদ্যালয়ৰ উন্নতিকল্পে সৃষ্টিমূলক সমালোচনাক আমি সদায়ে আদৰিছো। কিন্তু ব্যক্তিগত স্বাৰ্থসিদ্ধি কৰিব পৰা সমালোচনাই অসমৰ এই বৃহৎ অনুষ্ঠানটিৰ ক্ৰমোন্নয়ণত কোনো অৰিহণাই যোগাব নোৱাৰে বুলি আমি নিশ্চিত।

শ্ৰীলক্ষেশ্বৰ দত্ত, পঞ্জীয়ক
অসম কৃষি বিশ্ববিদ্যালয়
যোৰহাট

(২)

সূত্ৰধাৰৰ ১-১৫ জুলাই ১৯৯২ সংখ্যাত উক্ত শিৰোনামাৰ স্বপ্না বেজবৰুৱাৰ প্ৰতিবেদন খন পঢ়ি দুকলম লিখাৰ হেঁপাহ সামৰিব নোৱাৰিলো। আজি কেৱল অসমে নহয়, সমগ্ৰ ভাৰতেই অৱক্ষয়ৰ গৰাহত। তেনেস্থলত অসম কৃষি বিশ্ববিদ্যালয় তাৰ ব্যতিক্ৰম হব বুলি কল্পনা কৰা অনুচিত। সকলোতে আজি মানৱীয় প্ৰমূল্যবোধৰ অৱক্ষয় হৈছে। প্ৰত্যেক অনুষ্ঠান প্ৰতিষ্ঠানত লক্ষ্য কৰিলে দেখা যায়–নীতি তথা কাৰ্যপন্থাত নৈতিক অৱক্ষয়ে প্ৰকট ৰূপ ধাৰণ কৰিছে। যিদৰে ওপৰোক্ত শিৰোনামাৰ প্ৰতিবেদনখনৰ প্ৰকাশে আমাৰ ভালপোৱা শ্ৰদ্ধেয় বৰগোহাঞিদেৱ সম্পাদিত সূত্ৰধাৰৰ অৱক্ষয়কে সূচনা কৰা নাই জানো?

স্বপ্না বেজবৰুৱাই লিখা প্ৰতিবেদনখন পঢ়ি এনে এটা ধাৰণা হব যেন অসম কৃষি বিশ্ববিদ্যালয়ত কৃষিৰ উন্নয়ন মূলক কোনো কাম কাজ হোৱা নাই। কেৱল প্ৰতিবেদকে লিখাৰ ধৰণে "প্ৰকৃতাৰ্থত এইখন বৰ্তমান ডিগ্ৰী সৃষ্টিকাৰী আৰু চাকৰি সৃষ্টিকাৰী যন্ত্ৰতহে পৰিণত হৈছে"। আৰু অসমত সেউজ বিপ্লৱ কৰিবলৈ যেন অকল অসম কৃষি বিশ্ববিদ্যালয়েহে ঠিকা লৈ বহি আছে!

কৃষি অৰ্থনীতি কি কি বিষয়বস্তুৰ ওপৰত নিৰ্ভৰ কৰে, অসম কিয় কৃষিৰ ক্ষেত্ৰত স্বনিৰ্ভৰশীল হব পৰা নাই, অসমত সেউজ বিপ্লৱ হৈছে নে নাই যদি নাই হোৱা কি কি কাৰণে সম্ভৱ হোৱা নাই, তাৰ বাবে কোনকেইটা অংশীদাৰ মূলতঃ জগৰীয়া আদি বিষয়ত ইতিমধ্যে অসমৰ বিভিন্ন ঠাইত বেলেগ বেলেগ অনুষ্ঠানৰ উদ্যোগত বহুবাৰ বহল ভিত্তিত বৈজ্ঞানিক দৃষ্টিভঙ্গীৰে বিশ্লেষণ কৰি চোৱা হৈছে। প্ৰতিবেদকে উক্ত প্ৰতিবেদনত অতি তৰল মন্তব্য সমূহ দিয়াৰ আগতে সেই আলোচনা চক্ৰ আৰু কৰ্মশালা আদিৰ অনুমোদনৱলী পঢ়ি চোৱাহেঁতেন তেওঁৰ জ্ঞানৰ পৰিসৰ বৃদ্ধি পালেহেঁতেন আৰু উন্নতিমানৰ প্ৰতিবেদন প্ৰস্তুত কৰিব পাৰিলেহেঁতেন।

অসম কৃষি বিশ্ববিদ্যালয়ৰ শিক্ষাব্যৱস্থা' মানদণ্ড আৰু শিক্ষাৰ ভেটি সম্পৰ্কে প্ৰতিবেদকে দিয়া তৰল মন্তব্যৰ বাবে তেখেত সচাঁয়ে পুতৌৰ পাত্ৰী। তেখেতে নিশ্চয় নেজানে যে বৰ্তমান অসম কৃষি বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মানদণ্ড ভাৰতবৰ্ষৰ আটাইতকৈ ভাল নাম থকা দিল্লীৰ I. A. R. I. পাঞ্জাব, হাৰিয়ানা, পন্টনগৰ, কোইম্বাটুৰ আদিৰ কৃষি বিশ্ববিদ্যালয়তকৈ কোনো গুণে নিম্নস্তৰৰ নহয়। অসম কৃষি বিশ্ববিদ্যালয়ৰ শিক্ষা ব্যৱস্থা সময়ৰ লগত খাপখুৱাই ক্ৰমান্বয়ে বিভিন্ন ফৰামত পৰ্যালোচনা কৰি সেই মৰ্মে সাল সলনি ঘটাই অহা হৈছে। সেইক্ষেত্ৰত বিভিন্ন সময়ত ভাৰতীয় কৃষি গৱেষণা পৰিষদৰ অনুমোদন আৰু অসম কৃষি বিশ্ববিদ্যালয়ৰ ছাত্ৰ-শিক্ষক আদি একেলগে বহি পৰ্যালোচনা কৰি সেইমতে সিদ্ধান্ত গ্ৰহণ কৰি শিক্ষাব্যৱস্থাৰ উত্তৰোত্তৰ বিকাশ ঘটোৱা হৈছে। উক্ত প্ৰতিবেদকৰ নিচিনাকৈ অসমৰ প্ৰতিজন নাগৰিকেই কৃষি বিশ্ববিদ্যালয়ৰ শিক্ষাব্যৱস্থাৰ বিষয়ে একো নজনাকৈয়ে যিকোনো মন্তব্য দি দিব পাৰে, একো ডাঙৰ কথা নহয়, কিন্তু ডাঙৰ কথা হ'ল, তেনেকৈ এখন বিশ্ববিদ্যালয়ৰ শিক্ষাব্যৱস্থাই গতি লব নোৱাৰে।

কোনো বিখ্যাত লোকৰ ভাষণৰ কোনো উদ্ধৃতি দিলে মাজৰ এটা বা দুটা বাক্য তুলি আনি নিজৰ ইচ্ছামতে বিশ্লেষণ কৰাটো অনুচিত। প্ৰতিবেদকে অসম কৃষি বিশ্ববিদ্যালয়ৰ অষ্টম সমাবৰ্তনত ডঃ এম. এছ. স্বামীনাথনে দিয়া ভাষণৰ যি দুটা বাক্যৰ উদ্ধৃতি দিছে তাতকৈ সেই গোটেই পেৰাগ্ৰাফটো উদ্ধৃতি দিয়াহেঁতেন সকলোৱে বুজিবলৈ সুবিধা হ'লহেঁতেন। কিন্তু উক্ত সমাবৰ্তনৰ নিজৰ ভাষণত স্বামীনাথনেই তাৰ ঠিক আগমুহূৰ্তত যে কৈছিল–"I am aware that during the last few years many steps have been taken to strengthen agricultural research, extension and development in the state. The Assam Agricultural University has been playing a key role in bringing about agricultural progress and agrarian prosperity in the state. I congratulate the Governor of Assam and Chancellor, Vice-Chancellor and all the staff and scholars of the University on their accomplishments"—এইষাৰ মন্তব্য প্ৰতিবেদকে উক্ত প্ৰতিবেদনত উল্লেখ কৰা নাই কিয়? বেজবৰুৱাৰ উক্ত প্ৰতিবেদন পঢ়ি এটা কথাত স্পষ্ট হব পাৰিছো যে এক বিশেষ স্বাৰ্থত পক্ষপাতিত্বমূলক ভাবে প্ৰতিবেদন প্ৰস্তুত কৰি বিশ্ববিদ্যালয়ৰ উন্নতিক অৱমূল্যায়ন কৰিব বিচাৰিছে আৰু নিজৰ ন্যস্তস্বাৰ্থ চৰিতাৰ্থ কৰাৰ উদ্দেশ্যে হোৱাই নোহোৱাই কিছুমান বিকৃত তথ্যৰে জনসাধাৰণৰ ওচৰত বিশ্ববিদ্যালয়ৰ তথা সমূহ ছাত্ৰ-শিক্ষক-কৰ্মচাৰীৰ ভাবমূৰ্তি ম্লান কৰিব বিচৰা হৈছে; দৰাচলতে প্ৰতিবেদকে অৱক্ষয় অনাৰ উদ্দেশ্যেহে প্ৰতিবেদন লিখিছে, অৱক্ষয় ৰোধ কৰিবলৈ নহয়, কাৰণ উক্ত প্ৰতিবেদনত এটাও গ্ৰহণযোগ্য সৃষ্টি ধৰ্মী পৰামৰ্শ নাই।

এটা কথা ঠিক যে আগতে '৫০ বা '৬০ৰ দশকত সাধাৰণতে অতি মেধাবী ছাত্ৰ-ছাত্ৰী কৃষি কলেজত পঢ়িবলৈ নাহিছিল, ফলত তৃতীয় বিভাগত পাছ কৰা ছাত্ৰই হয়তো ভৰ্তি হৈছিল আৰু কালক্ৰমত কৃষিৰ ওপৰত দিয়া গুৰুত্ব আৰু ইয়াৰ প্ৰসাৰৰ লগে লগে তেনে ব্যক্তিয়েও নিজকে সংশোধন কৰি উন্নতিৰ জখলাত আগবাঢ়ি গৈ অধ্যাপক হৈছে। কিন্তু আজি কিছুবছৰৰ পৰা পৰিস্থিতি সম্পূৰ্ণ সলনি হৈছে। এতিয়া নিযুক্তি বা প্ৰমোচনৰ অৰ্হতা কেৱল চাকৰিৰ কাৰ্যকালৰ জ্যেষ্ঠতাই নহয়। বৰ্তমান প্ৰতিযোগিতাত যোগ্যজনে বয়স কম হলেও উন্নতি কৰিব, কাৰণ প্ৰাৰ্থীৰ কৃষি গৱেষণা, সম্প্ৰসাৰণ বা শিক্ষাৰ ক্ষেত্ৰত যোগোৱা অৰিহণাহে যোগ্যতাৰ মাপকাঠি হিচাপে গণ্য কৰা হয়। প্ৰতিবেদনত লিখা ধৰণে নিযুক্তি প্ৰমোচনত অন্যায়, অনিয়ম, স্বজন, তোষণ হোৱা বুলি হতাশাত নিজৰ আত্মসন্তুষ্টিৰ বাবে চিঞৰ বাখৰ কৰে সেই সকল জ্যেষ্ঠ ব্যক্তিয়ে, যিয়ে বাৰে বাৰে সাক্ষাৎকাৰ দিও যোগ্য বুলি বিবেচিত হব নোৱাৰে। বিশ্ববিদ্যালয়ত শিক্ষকৰ যি কোনো পদত নিযুক্তিৰ বাবে লোৱা সাক্ষাৎকাৰ সমূহৰ বাবে অসমৰ বাহিৰৰ অতি উচ্চ পৰ্যায়ৰ

সেই বিষয়ৰ বিশেষজ্ঞক আমন্ত্ৰণ কৰা হয়, আৰু কোনো ব্যক্তিয়ে সাক্ষাৎকাৰলৈ আমন্ত্ৰণ নেপালে, কি কাৰণে নেপালে বিশ্ববিদ্যালয়ৰ স্ক্ৰুটিনি কমিটিৰ পৰা জানিব পাৰে আৰু সেই যুক্তিত সন্তুষ্ট নহলে পুনৰ উপাচাৰ্যক আবেদন কৰিবও পাৰে, ওপৰোক্ত গোটেই নিযুক্তি প্ৰমোচনৰ ক্ষেত্ৰত থকা প্ৰক্ৰিয়াগত ব্যৱস্থাসমূহ জানিয়ে নে নজনাকৈয়ে প্ৰতিবেদকে কেৱল শিক্ষক নিযুক্তিৰ বিষয়টোৱে বিশ্ববিদ্যালয়ৰ শৈক্ষিক পৰিবেশ ধ্বংস কৰা, দূষিত কৰা, ৰক্ষা কৰিব নোৱৰা আদিৰ কাৰণ হিচাপে পৃষ্ঠাযোৰা যি পৰ্যালোচনা কৰিছে তাৰ দ্বাৰা প্ৰতিবেদক যে প্ৰকৃতাৰ্থত বিশ্ববিদ্যালয়ৰ শৈক্ষিক পৰিবেশ তথা শিক্ষা ব্যৱস্থাৰ লগত জড়িত নহয় আৰু কোনো সম্যক জ্ঞান নোহোৱাকৈ উদ্দেশ্যপ্ৰণোদিতভাৱে প্ৰতিবেদনখন লিখি উলিওৱাটো স্পষ্ট ভাবে ওলাই পৰিছে।

প্ৰতিবেদন সদায় তথ্য ভিত্তিক হোৱা উচিত। বৰ্তমানৰ উপাচাৰ্যই তেখেতৰ কোন কোন "অঙহী বঙহী জ্ঞাতি ভাই"ক অন্যায়, অনিয়মকৈ বিশ্ববিদ্যালয়ৰ কি কি পদবীত তেখেতৰ কাৰ্যকালৰ ভিতৰত নিযুক্তি প্ৰমোচন আদি দিলে তাৰ এখন তালিকা লগতে দিয়াহেঁতেন প্ৰতিবেদকৰ নিৰপেক্ষতা সম্পৰ্কে সন্দেহ নহলহেঁতেন, প্ৰতিবেদনখন পঢ়ি এনে এটা ভাবো আহে যেন প্ৰতিবেদকৰহে কোনোবা অঙহী বঙহী জ্ঞাতি ভাই ককায়ে-হয়তো সাক্ষাৎকাৰলৈ আমন্ত্ৰণ নেপালে বা কোনোবাই বোধকৰো বহুবছৰ ধৰি প্ৰমোচন আদি পোৱা নাই বাবে, আক্ৰোশতে সেয়েহে উপাচাৰ্যক সকলোৰে বাবে জগৰীয়া কৰি জনসাধাৰণৰ আগত হেয় প্ৰতিপন্ন কৰিবলৈ চৰিত্ৰহননৰ প্ৰচেষ্টাও চলাইছে, এনেধৰণৰ হীন প্ৰচেষ্টা সঁচাকৈয়ে নিন্দনীয় তথা দুৰ্ভাগ্যজনক।

যদিহে প্ৰতিবেদক প্ৰকৃতাৰ্থত বিশ্ববিদ্যালয়ৰ শুভাকাংক্ষী আৰু বিশ্ববিদ্যালয় সম্পৰ্কে প্ৰতিবেদন প্ৰস্তুত কৰি ৰাইজক জনাব বিচাৰিছে তেন্তে বিশ্ববিদ্যালয়ৰ প্ৰত্যেকটো গৱেষণাকেন্দ্ৰত গৈ কি কি গৱেষণা চলিছে চাওক আৰু সেইবোৰ অসমৰ কৃষকৰ সমস্যাৰ লগত জড়িত হয় নে নহয়, অসম কৃষি বিশ্ববিদ্যালয়ৰ এতিয়ালৈকে কৃষিৰ উন্নতিৰ বাবে অৰিহণা কি কি, সেয়া কৃষকৰ ওচৰ পাইছেগৈ নে নাই, যদি পোৱাগৈ নাই তেন্তে কিয়, আৰু যদি পাইছে তেন্তে কৃষকৰ সেই সম্পৰ্কে মতামত কি, উপকৃত হৈছে নে নাই আদিৰ ওপৰত তথ্য ভিত্তিক প্ৰতিবেদন এখনহে প্ৰস্তুত কৰিবলৈ স্বপ্না বেজবৰুৱাক আহ্বান জনালো।

ৰাজেন বৰুৱা
অসম কৃষি বিশ্ববিদ্যালয়
যোৰহাট

## প্ৰসঙ্গ ঃ সম্পাদকৰ টোকাবহী

আমাৰ দৰে নিতান্তই অন্তঃসাৰ-শূন্য সাধাৰণ শিক্ষক নামধাৰী এচাম লোকক জীৱনলৈ উভতি চোৱাৰ সুযোগ দিলে সম্পাদকৰ টোকাবহীয়ে [চতুৰ্থ বছৰ, দ্বাদশ সংখ্যা, ১-১৫ জুলাই, ১৯৯২]। কিছু উন্নত গাওঁ বিলাকত য'ত দোকান বজাৰ আদি হৈছে; মাধ্যমিক বিদ্যালয় আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয় আছে তাত সূত্ৰধাৰৰ গ্ৰাহক কিছু দেখিছো। বহু পলমকৈ হলেও ডঃ হীৰেণ গোঁহাই [বেদনাত-"তেজৰ আখৰেৰে লেখা"] আৰু হোমেন বৰগোহাঞিদেৱক শ্ৰদ্ধা জনাই চিঠি পত্ৰ লেখা; প্ৰবন্ধ পাতিত নামোল্লেখ কৰাৰ আমাৰো দৃষ্টি গোচৰ হৈছে। প্ৰকৃতাৰ্থত প্ৰতিভাৰ প্ৰতি আগবঢ়োৱা শ্ৰদ্ধা সেয়া নিশ্চয়। আবেগৰ দ্বাৰা পৰিচালিত হোৱা [কৃষ্টি-সংস্কৃতি-তথা অপসংস্কৃতি প্ৰদৰ্শনেৰে; সাংবাদিক বুলি জাহিৰ কৰোঁতা সকলৰ লেখনীয়ে; আনকি ৰেডিঅ'টো আওপকীয়াকৈ বহুখিনি নাট নাটিকা প্ৰচাৰ; অসমীয়া জাতিৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামৰে পৰা যাৰ ঢৌ আজিও মাৰ যোৱা নাই] সকলে আজি নীৰৱে চিন্তা কৰোঁহক, আবেগত সৃষ্টি হোৱা কোনো বস্তুৱেই স্থায়ী হ'ব নোৱাৰে। আবেগ উত্তেজনাই সমাজ তথা মানৱ জীৱনৰ, ৰাজনৈতিক জীৱনৰ; সাংস্কৃতিক জীৱনৰ অনৰ্থৰ মূল। সেয়া যুক্তি সমৃদ্ধ ভাবে যুগৰ ইতিহাস; শ্ৰেষ্ঠ মানৱৰ শ্ৰেষ্ঠ সাহিত্য সম্পদৰাজীত আছে। আমাৰ অনুৰোধ জাতিৰ অস্তিত্ব ৰক্ষা কৰিবলৈ বিচৰা বীৰ সকলে; নিজকে সাংবাদিক বুলি ভবা সকলে অন্ততঃ ডঃ হীৰেণ গোহাঁইৰ আৰু হোমেন বৰগোহাঞি দেৱৰ জীৱন জিজ্ঞাসা আৰু জীৱন বোধেৰে উদ্বুদ্ধ হওক। ই এটা শুভলক্ষণ। গাঁওত সাপ্তাহিক দৈনিক অসমীয়া কাকত কেইখনৰ চাহিদা বৃদ্ধি পাইছে। সৰ্বসাধাৰণ মানুহে [বেদৰ বাণী বুলি কোৱা বুলি সকলেও; সাংবাদিকতালৈ যচা সন্মান] সন্ধিয়া পৰত দোকানত বহি; গৰমৰ দিনত গছৰ ছাঁত বহি আঠ দহজনে বাতৰি পঢ়া; আলোচনা কৰা; সেইবোৰেৰে আকৌ এজনে সৰ্বসাধাৰণ গাঁৱৰ মানুহক উদ্বুদ্ধ কৰা শুনিছো; দেখিছো। প্ৰসংগত কিছু বিদ্যালয়ৰ শিক্ষক-জিৰণি কোঠাবোৰৰ কথাও উল্লেখ কৰিব পাৰি। প্ৰকৃত সত্যৰ অপলাপেৰে বাতৰি পৰিবেশন কৰি অসমীয়া জাতিটোক আত্মহত্যা কৰিবলৈ উদ্গনি দিয়াৰ পৰিৱৰ্তে, সস্তীয়া জনপ্ৰিয়তা অৰ্জনৰ মানসিকতা পৰিহাৰ কৰি লঘু-লাঞ্ছনা দুৰ্ভোগ যাতনা ভুগিও সাংবাদিকতাত অচল অটল হৈ ৰোৱাৰ যি আদৰ্শ দৰ্শালে সেয়াহে অসমৰ সংবাদ জগতৰ অনুকৰণীয়। সত্য, সত্যই। ভুল ভুলেই। সাধু মহন্তয়ো ভুল কৰে, স্বীকাৰোক্তি আৰু অনুশোচনাৰে পৱিত্ৰ হয়। আহক! আমিও আমাৰ ভুল-ক্ৰটীৰ মুকলি স্বীকাৰোক্তিৰে অসমভূমিক পৱিত্ৰ কৰো, আকৌ আমি প্ৰত্যেকজন অসমীয়াই অসমৰ জাতীয় অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত অৱতীৰ্ণ হওঁ, কিন্তু ইতিহাসক গচকি নহয়, সংস্কৃতিক নেওচা দি নহয়, সমন্বয় আৰু সংহতিৰে আৰু ব্যক্তিগত স্বাৰ্থ বিসৰ্জনেৰে॥

"এজন শিক্ষক"
জাগীৰোড

## মানসিক বাধাগ্ৰস্ততা

আপোনাৰ আলোচনী সূত্ৰধাৰৰ চতুৰ্থ বছৰ, দশম সংখ্যা (১-১৫ জুন)ত প্ৰকাশ পোৱা "মানসিক বাধাগ্ৰস্ততা ঃ আলোকপাত" আৰু "মানসিক প্ৰতিবন্ধীৰ কাৰণে আশাৰ ৰেঙণি" শীৰ্ষক সাক্ষাৎকাৰটিৰ বাবে ডঃ ৰণেন পাঠক আৰু মালবিকা পাঠকলৈ আমাৰ ধন্যবাদ জ্ঞাপন কৰিলো। বেটুপাতত প্ৰকাশ পোৱা তলৰ ছবি দুখন বেছ চিত্তাকৰ্ষক হৈছে। এনেকুৱা uncommon বিষয়ৰ ওপৰত প্ৰবন্ধ প্ৰকাশ কৰা বাবে সম্পাদক হিচাপে আপুনি ধন্যবাদৰ পাত্ৰ। প্ৰবন্ধটোৰ পৰা আমি আগেয়ে চিন্তা নকৰা অথচ আমাৰ চাৰিওফালে বিৰাজ কৰি থকা এই সমস্যাটোৰ সম্পৰ্কত আমি যথেষ্ট নতুন কথা জানিব পাৰিলো। আমাক এনে এটি শিক্ষানুষ্ঠানৰ দৰকাৰ য'ত সকলো স্তৰৰ মানসিক বাধাগ্ৰস্ত সকলৰ শিক্ষা, চিকিৎসা তথা প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব পাৰি। গতিকে আমি আশা কৰো অন্য পাঠক সকলেও এই বিশেষ বিষয়টোৰ ওপৰত চিন্তা-ভাবনাৰ খোৰাক পাব। গতিকে সচেতন নাগৰিক তথা মনোবিদ সকলে এই বিষয়ৰ ওপৰত গুৰুত্ব আৰোপ কৰি এনেকুৱা শিক্ষামূলক আৰু চিন্তাপ্ৰদ প্ৰবন্ধ আগবঢ়াব বুলি আশা ৰাখিলো।

ইৰাণী দাস
নিভা কাকতি
মণিকা দাস
অঞ্জলি দাস
শিলপুখুৰী, গুৱাহাটী-৩

## আহোম হওক! আহোম !!

(১)

যোৱা ১৬-৩০ জুন '৯২ সংখ্যা সূত্ৰধাৰৰ বিতৰ্ক শিতানত বান্ অক্ পাপলিক ম্যুণ্ডতাইৰ সম্পাদক চাও পুষ্প গগৈয়ে আগবঢ়োৱা মন্তব্য সম্পৰ্কত আমাৰ মনত খুন্দুৱাই থকা কথা কেইটিমান বিনম্ৰভাবে ব্যক্ত কৰিছো-

(১) এই অনুষ্ঠানৰ উদ্দেশ্য মহান বুলি কই দেখোন কৰ্মকৰ্তাজনে অসমৰ খিলঞ্জীয়া উচ্চ বংশজাত সম্প্ৰদায়টোৰ প্ৰতি থকা বিদ্বেষৰ অগনিকহে কানিমুনি বাই বুলি জোকাৰি দিছে। তাই ভাষা সংস্কৃতিৰ আপুৰুগীয়া সম্পদৰাজি উদ্ধাৰ কৰি অসমীয়া ভাষা সংস্কৃতিৰ ভঁৰাল টনকিয়াল কৰাত কাৰো দ্বিমত থাকিব নোৱাৰে। সেইখিনি উদ্ধাৰ কৰিবলৈ গই যদি কোনোবাই একালত বঞ্চনা কৰাৰ কথা খুচৰি খুচৰি সেই সম্প্ৰদায়টোৰ প্ৰতি বিদ্বেষ ভাব পোষণ কৰে তেনেহলে সেই মহান উদ্দেশ্যৰ প্ৰতি সৰ্বসাধাৰণৰ মনত সন্দেহ ওপজাতো স্বাভাৱিক। অসমীয়া ভাষা কেৱল এমুঠি উচ্চ বংশজাত লোকৰ পৈত্ৰিক সম্পত্তি নহয়; আৰু ই তেওঁলোকৰ দ্বাৰাই সৃষ্টি হৈছিল বুলি কোৱাটোও যুক্তি সঙ্গত নাই হোৱা বুলি ভাবো। অসমীয়া ভাষা মানে উজনি অসমৰ ভাষাটোকে নুবুজায়। কামৰূপী, দৰঙী, গোৱালপৰীয়া এইবোৰ ভাষা কোৱা মানুহখিনি অসমীয়া নহয় নেকি? তেন্তে এইখিনি ভাষা কোৱা মানুহৰ ভাষাটোকনো চলন্তি ভাষা নকৰিলে?

(২) উচ্চবংশজাত সম্প্ৰদায়ৰ লোক সকলে প্ৰথম সুবিধা আদায় কৰি শিক্ষা দীক্ষা লাভ কৰাৰ অন্তত প্ৰতিষ্ঠা কৰা শিক্ষানুষ্ঠান বোৰতে জানো অসমৰ পিছপৰা শ্ৰেণীৰ সম্প্ৰদায়ৰ ব্যক্তি সকলে শিক্ষা গ্ৰহণ কৰাত কিবা অসুবিধা হৈছিল? এই উচ্চ বংশজাত সম্প্ৰদায়টোৰ লোক সকলে শিক্ষা দীক্ষা ল'ই মূৰ ঠিয় কৰা বাবেই শালৰ মাজত শিঙি হৈ থাকিব লাগিবনেকি? অনুন্নত শ্ৰেণীৰ যি সকল ব্যক্তি শিক্ষা-দীক্ষা লৈ সমাজত উচ্চস্থান অধিকাৰ কৰিবলৈ সক্ষম হৈছিল সেইসকল নিশ্চয় মাটি ফুটি ওলোৱা নাছিল। প্ৰথম অসমৰ কেন্দ্ৰীয় মন্ত্ৰী গৰাকীও এই আহোম সম্প্ৰদায়ৰ পৰাই হৈছিল।

(৩) কৰ্মকৰ্তা গৰাকীয়ে যিমানেই যুক্তি দাঙি অনুষ্ঠানটোৰ মহান উদ্দেশ্যৰ কথা নকওক- মনিকূটত সোমাই কল নাই খোৱা বোলা কথাৰ নিছিনা তেখেতৰ বক্তব্যত প্ৰকাশ পাইছে। তেখেতৰ আঁহে আঁহে উচ্চ বংশজাত সম্প্ৰদায়টোৰ প্ৰতি থকা বিদ্বেষৰ ভাব প্ৰকট হৈছে। প্ৰসঙ্গক্ৰমে তেখেতে অসমৰ বৰ্তমান মুখ্যমন্ত্ৰী গৰাকী আহোম সম্প্ৰদায়ৰ হোৱাৰ বাবে সকলো অনুন্নত সম্প্ৰদায়ৰলোকে সন্তুষ্টি লাভ কৰা কথা উনুকিয়াইছে। তাৰ মানে অসমৰ বিগত অনা আহোম মুখ্যমন্ত্ৰী সকলে অসমৰ উচ্চবংশজাত সম্প্ৰদায়টোৰ উত্তৰোত্তৰ কামনা কৰাৰ বাহিৰে সামগ্ৰিকভাবে অসমৰ বাকী সম্প্ৰদায় সমূহক মূৰ দাঙিব নোৱাৰাকৈ চেপি ৰাখিছিল? প্ৰয়াত লোকপ্ৰিয় বৰদলৈ ডাঙৰীয়াৰ বেলিকাও চাগৈ একেই মন্তব্য (?) তেখেতৰ মতে অসমৰ অনুন্নত শ্ৰেণীটোক (আহোম) এই উচ্চবংশজাত শ্ৰেণীটোৱেই পদে পদে নিষ্পেষণ কৰি আহিছে। - অসমৰ জাতিসত্তা কাৰ দ্বাৰা নিষ্পেষিত হৈছে সেই কথা এতিয়া কাকো বুজাই কব নেলাগে। শোষকৰ কোনো জাতি ধৰ্ম ভাষা নাই। এমুঠিমান অসমীয়া উচ্চবংশজাত লোকৰ সতি সন্ততিয়ে দুশ্ৰেণী পঢ়ি শুনি আগবাঢ়ি যোৱাৰ বাবেই গৰিষ্ঠ সংখ্যক অসমৰ অনুন্নত সম্প্ৰদায়টো নিষ্পেষিত হোৱা নাই। এইবোৰ আঁহ ফলা কথা। ভাষা সংস্কৃতি বোৱতী নৈৰ দৰে- ই এদিনতে কোনোবা বিশেষ সম্প্ৰদায়ৰ দ্বাৰা সৃষ্টি হোৱা বস্তু নহয়। সময়ৰ লগে লগে ইয়াৰ ৰূপ সলনি হয়। অসমীয়া ভাষা সংস্কৃতিৰো গঠন প্ৰক্ৰিয়া ইয়াতে শেষ হৈ যোৱা নাই। কোনোবা পিতৃ পুৰুষৰ দিনত কিবা কোনোবাই ভুল কৰিছিল যদি সেইবোৰ জাৰি জোকাৰি পৰিষ্কাৰ কৰি লবলৈ উত্তৰ পুৰুষে যত্ন কৰা উচিত। তাকে নকৰি নিজৰ নিজৰ আভিজাত্য প্ৰকাশ কৰাৰ মানসেৰে বিশেষ বিশেষ সম্প্ৰদায়ৰ লোক সকলে সংগঠিত হৈ অতীত খুচৰি পৰস্পৰ পৰস্পৰে বিদ্বেষ সৃষ্টি কৰাত কাৰ লাভ হব।

আমাৰ নিচিনা ক্ষুদ্ৰ মগজুৱে ইয়াকে ভাবো- আমাৰ সকলোৰে জোৰ পুৰি হাত পালেহি অসম মানে কেতিয়াও অ-বিভক্ত শিৱসাগৰ জিলাখনেই নহয়। মৰি হজি যি কেইটা অসমীয়া মানুহ আছেগৈ সেইকেইটাৰো ভৱিষ্যত কি হব তাৰ শুভ চিন্তা কৰাটো প্ৰত্যেকজন অসমীয়াৰে দায়িত্ব আহি পৰিছে। আৰ্থিক সামাজিক ক্ষেত্ৰত যেনেদৰে বিহ মেটেকাৰে আবৰি ধৰিছে তাৰ পৰা আহোম বামুণ হৈ সুকীয়া সুকীয়াকৈ পৰিত্ৰাণ পোৱাৰ অৱকাশ নেথাকিবগৈ।

হেম বৰুৱা
হোজাই

(২)

অসমীয়া জাতিটোক লৈ এচাম সুবিধাবাদী শ্ৰেণীয়ে যে অহৰহ ষড়যন্ত্ৰত লিপ্ত হৈ আছে তাত সন্দেহ নাই। এই সুবিধাবাদী শ্ৰেণীটোৰ একমাত্ৰ লক্ষ্য অসমীয়া সমাজৰ সমূহ উচ্চ সুযোগ সুবিধা লাভ কৰা। যেতিয়াই এই কাৰ্যত তেওঁলোক বাধাপ্ৰাপ্ত হয়, তেতিয়াই তেওঁলোকৰ চকুৰ টোপনি নোহোৱা হয়।

যোৱা ১৬ মে'ত প্ৰকাশিত সূত্ৰধাৰৰ "আহোম হওক! আহোম !!" নামৰ লেখাটো তাৰে এক বিষফল। সত্য কথা অন্তঃকলহৰ ফলত অসমীয়া জাতিটোৰ বিপদ আহিব পাৰে। কিন্তু এই বিপদৰ কাৰণ কি তাক চোৱাৰো প্ৰয়োজন নাইনে? এই কথাৰ মুকলিকৈ যোৱা ৩০ জুনৰ "সূত্ৰধাৰ" ত প্ৰকাশ কৰা বাবে "বান অক্ পাপ্লিক্ ম্যুণ্ড তাই"ৰ সম্পাদক চাও পুষ্প গগৈলৈ ধন্যবাদ তথা শ্ৰদ্ধা জ্ঞাপন কৰিছো। ধন্যবাদৰ পাত্ৰ "সূত্ৰধাৰো"। আমি পাহৰিলে নহব বড়োসকলৰ আন্দোলন আমাৰ উচ্চ জাত্যাভিমানৰে ফলশ্ৰুতি। গগৈদেৱৰ বিতৰ্কমূলক প্ৰবন্ধটো পঢ়াৰ আগতে "তাই" ভাষাটোৰ ওপৰত আমাৰ কোনো জ্ঞানেই নাছিল। কিন্তু বৰ্তমান ভাষাটোৰ প্ৰতি আমি বিশেষ ভাবে আগ্ৰহী। সত্য কথা আহোম সকলৰ চৰাইদেউৰ অৱিহনে হয়তো আজি আমি অসমীয়া বুলি পৰিচয় দিবলৈ কষ্টকৰ হ'লহেঁতেন। সমগ্ৰ অসমখনৰ বাবে যিটো জাতিয়ে সংগ্ৰাম কৰিছিল এই জাতি সমূহৰ ভাষাক কি কাৰণত স্বীকৃতি দিয়া হোৱা নাই জানিব পাৰোনে? বৰ্তমান অসমৰ উগ্ৰজাতীয়তাবাদী সকলে নিশ্চয় লক্ষ্য কৰিছে যে আহোম স্বৰ্গদেউ সকলৰ ৰাজত্বৰ কালছোৱাত অসমখন এনে ক্ষুদ্ৰ নাছিল। কিন্তু শাসনৰ বাঘজৰি আনৰ হাতলৈ অহাৰ লগে লগে কি হ'ল? প্ৰত্যেক বছৰে সাহিত্যৰ উন্নতিৰ নামত টকাৰ শ্ৰাদ্ধ পতা অসম সাহিত্য সভাই অসমৰ প্ৰকৃত অধিবাসী সকলৰ বাবে কিছুটকা খৰচ কৰিলে অসমীয়া সাহিত্যৰ বাবেই মঙ্গল নহবনে? লজ্জাজনক কথা যে আমাৰ মাজত এনে উচ্চভাবাপন্ন মানুহৰো অভাৱ নাই যিজনে বিষ্ণুৰাভাৰ দৰে এজন ব্যক্তিৰ ফটো এখনৰ তলেদি যাবলৈ দ্বিধা কৰে- কছাৰী বুলি! এইটো আমাৰ বাবে মঙ্গলজনকনে? এনে প্ৰমাণো এই প্ৰতিবেদকৰ হাতত আছে।

সময় কম যদিও নোহোৱা নহয়, এনেবোৰ বৈষম্যমূলক কাৰ্যকলাপ বন্ধ কৰি অসমৰ প্ৰকৃত অধিবাসী সকলৰ মৰ্যাদাক স্বীকৃতি নিদিলে, এই ক্ষোভৰ যে এদিন সামূহিক বিস্ফোৰণ ঘটিবই সি ধ্ৰুৱ।

অৰূপ কলিতা।
মহাভৈৰৱ, তেজপুৰ

(৩)

যোৱা ১৬ মে তাৰিখে ছদ্মবেশীয়ে "আহোম হওক! আহোম" শিৰোনামাৰে লিখা লেখাটিৰ ওপৰত 'বান অক্ পাপলিক্ ম্যুণ্ড তাই'ৰ সম্পাদক গৰাকীয়ে কৰা বিতৰ্কৰ অৱতাৰণাই আমাৰ মনতো কেইটামান কথাৰ পোখা গজালে।

উপৰোক্ত সাহিত্য অনুষ্ঠানটিৰ সম্পাদক গৰাকীয়ে অসমৰ 'এচাম উচ্চ বৰ্ণৰ লোক' বা 'বৰ্ণহিন্দু' সকলক আক্ৰমণ কৰিছে। সাম্প্ৰতিক পৰিস্থিতিত বৰ্ণ হিন্দু সকলেই বেছিকৈ সমালোচনাৰ সমুখীন হৈছে। আৰ্জিলে ভুঞ্জিব লাগে। বৰ্ণ হিন্দু সকলে একালত আৰ্জিছিল আজি ভুঞ্জিব লগা হৈছে।

কিন্তু প্ৰশ্ন হয়, আহোম সকল নো ইমানেই ভেলেঙা আছিল নে



OKDISCD

যে অসমৰ মুঠ জন সংখ্যাৰ মাত্ৰ সোতৰ শতাংশ তথাকথিত উচ্চবৰ্ণৰ মানুহখিনিৰ 'জবৰদস্তি' বা 'দাদাগিৰি'ৰ ওচৰত তেওঁলোকৰ সংস্কৃতি লুপ্তপ্ৰায় হ'ল ! ইতিহাস মেলি চালে দেখা যায় যে যি সকল ৰাজশক্তিয়ে বিশ্বত শক্তিশালী ৰাজ্য গঠন কৰি গৈছিল– সেই ৰাজশক্তি সমূহৰ সংস্কৃতি আৰু ভাষাই ভৱিষ্যতৰ বাবে বহুখিনি সাঁচি থৈ যাব পাৰিছিল। কিন্তু অসমৰ সুদীৰ্ঘ ছশ বছৰকাল মহা প্ৰতাপেৰে ৰাজত্ব কৰি যোৱা আহোম সকল সাংস্কৃতিক ভাবে কিম্বা মানসিক ভাবে ইমানেই দুৰ্বল আছিল নে যে এমুঠি মান বৰ্ণ হিন্দুৰ বা উচ্চ বৰ্ণৰ লোকৰ হেঁচাত তেওঁলোকৰ ভাষা কৃষ্টি চেপেটা লাগি গ'ল !

আমাৰ দৃষ্টিত ই কেতিয়াও সত্য নহয়। আহোম সকলৰ সাংস্কৃতিক বিচক্ষণতা থকা বাবেই অসমৰ বিভিন্ন জনগোষ্ঠীক একেলগ কৰি শাসন কৰা ক্ষমতা তেওঁলোকে অৰ্জন কৰিব পাৰিছিল। ভাৰতবৰ্ষৰ ৰাজবংশ সমূহৰ ভিতৰত আহোম সকলেই আছিল প্ৰথম– যি সকলে জাতীয় বুৰঞ্জী প্ৰণয়নৰ কাম আৰম্ভ কৰিছিল। আহোমসকলৰ শাসন ব্যৱস্থাও আছিল কটকটীয়া তেনেক্ষেত্ৰত তাই ভাষাৰ প্ৰয়োজনীয়তা অনুভৱ কৰা হ'লে তেওঁলোকে ইয়াক ৰাজভাষা ৰূপে স্বীকৃতি দি বহুখিনি কৰি থৈ যাব পাৰিলেহেঁতেন। কিন্তু নকৰিলে। কাৰণ তেওঁলোকে জানিছিল যে অসমৰ সৰ্বসাধাৰণৰ মাজত যিটো ভাষা চলি আছে, তাৰ জৰিয়তেহে তেওঁলোকৰ প্ৰশাসনীয় কাম-কাজ চলোৱাটো সম্ভৱপৰ হ'ব। অৰ্থাৎ ৰাইজৰ সমূহীয়া স্বাৰ্থ আৰু প্ৰশাসনৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখিয়েই তেওঁলোকে অসমীয়া ভাষাক আঁকোৱালি লৈছিল। ড° হীৰেণ গোঁহাইদেৱে কোৱাৰ দৰে কোনো উচ্চবৰ্ণৰ লোকে তেওঁলোকৰ ভাষা কৃষ্টিক আহোম বা পিছপৰা (?) জনগোষ্ঠীৰ ওপৰত 'জবৰদস্তি' জাপি দিয়া নাছিল। অসমীয়া ভাষা কৃষ্টিৰ বিকাশ স্বতঃ স্ফূৰ্ত ভাবে, গ্ৰহণ-বৰ্জনৰ মাজেৰে হৈ আহিছিল। এই অসমীয়া কৰণৰ কামো প্ৰথমতে আহোম সকলেই আৰম্ভ কৰিছিল।

আন এক উল্লেখযোগ্য কথা হ'ল– আহোম ৰজাই, সুদূৰ বাংলাদেশৰ পৰা ব্ৰাহ্মণ মাতি আনি হিন্দু ধৰ্মত দীক্ষীত হৈছিল। তেওঁলোকৰ শিক্ষা গ্ৰহণ কৰিছিল। এই ব্ৰাহ্মণ সকল কোনো কালেই অসমীয়া নাছিল। আহোমসকলৰ ছত্ৰছায়াতহে তেওঁলোক অসমীয়ালৈ ৰূপান্তৰিত হৈছিল। তেনেক্ষেত্ৰত, উচ্চ বৰ্ণৰ লোক সকলে তেওঁলোকৰ ধৰ্ম, কৃষ্টিক আহোম বা তেনেকোনো জনগোষ্ঠীৰ ওপৰত জাপি দিয়াৰ প্ৰশ্নই উঠিব নোৱাৰে। অৱশ্যে উচ্চবৰ্ণ (?)ৰ লোক সকল কিছু পৰিমাণে শিক্ষিত বা আক্ষৰিক জ্ঞান থকা লোক হোৱা বাবে ৰাজকীয় ভাবে তেওঁলোকে কিছু সা-সুবিধা আদায় কৰিব পাৰিছিল আৰু ৰজায়ো তেওঁলোকক সমীহ কৰি চলিছিল।

ৰজাই যিহেতু এইচাম উচ্চবৰ্ণৰ লোকক সন্মান কৰি চলা হ'ল প্ৰজাবৰ্গইও তেওঁলোকক সন্মান কৰিবলৈ ললে। তেওঁলোকেও এই সকল লোকৰ ধ্যান-ধাৰণা আৰু ৰীতি নীতিক অনুসৰণ কৰি তেনে এক পৰ্যায় পোৱাৰ আখৰা চলালে। ফল স্বৰূপে বৰ্ণ হিন্দু সকলৰ প্ৰভাৱ প্ৰতিপত্তি কিছু বাঢ়িল। কিন্তু এই প্ৰতিপত্তি ইমান বেছি শক্তিশালী নাছিল যে আহোম সকলৰ সুকীয়া ভাষা কৃষ্টিৰ বিকাশৰ ওপৰত ই কিবা বিৰূপ প্ৰভাৱ পেলাব পাৰে।

আধুনিক কালত এই সকল উচ্চ বৰ্ণৰ লোকৰ পৰাই সৰহ সংখ্যক অসমীয়া ভাষা সাহিত্যৰ পণ্ডিত ওলাইছে। কিন্তু আহোম সকলৰ মাজৰ পৰাও কৃষ্ণকান্ত সন্দিকৈ, ড° হীৰেণ গোহাঁই, হোমেন বৰগোহাঞি আদিৰ দৰে বিখ্যাত পণ্ডিত লোক ওলাইছে। তৎসত্বেও নিবাৰণ বৰাৰ দৰে লোকে কিয় কয় যে এনে জনগোষ্ঠীসমূহৰ গণমাধ্যমত দখল নাই ? বৰ্তমান অসমত চলি থকা বহু কেইখন কাকতৰ মালিক আহোমলোক। (উদাহৰণ স্বৰূপে জীৱকান্ত গগৈৰ নাম লব পাৰি।) তথ্যভিত্তিক নোহোৱাকৈ, সঁচা-মিছা নজনাকৈ কেৱল নিবাৰণ বৰাই কলে বুলিয়েই কথা এযাৰ 'যুক্তি' হৈ যাব পাৰেনে ?

বৰ্ণ হিন্দু সকলে এসময়ত কিছু ভুল কৰিছিল। কিন্তু অসমীয়া জাতিৰ সামগ্ৰিক বিকাশৰ ক্ষেত্ৰত তেওঁলোকৰো অৱদান কম নহয়। কেৱল তৰ্কৰ খাতিৰত এইখিনি মানুহক হকে বিহকে গালি পাৰি থাকিলে অসমীয়া জাতিৰ একতা থাকিবনে ? বা 'বান্ অক্ পাপলিক্ ম্যুঙতাই' ৰ দৰে অনুষ্ঠানৰ কিবা লাভ হবনে ? চাও পুষ্প গগৈ দেৱে লিখিছে– "আহোম হবলৈ আহ্বান জনোৱাৰ অৰ্থই হৈছে বিভেদৰ বিপৰীতে সমন্বয়ৰ সংস্কৃতিক উৰ্দ্ধত তুলি ধৰি বৃহৎ অসমীয়া জাতি গঠনৰ প্ৰক্ৰিয়াক ত্বৰান্বিত কৰা। ইয়াৰ উপৰিও তাই আহোম সংস্কৃতিৰ অন্যান্য বৈশিষ্ট্য সমূহ হ'ল– সাংস্কৃতিক সহিষ্ণুতা , ধৰ্মনিৰপেক্ষতা, বৰ্ণ বৈষম্য হীনতা, উদাৰতা, স্ব-নিৰ্ভৰশীলতা, প্ৰগতিশীলতা ইত্যাদি।" কিন্তু লেখাটোৰ মাজত, লেখক নিজে আহোম হিচাপে সেই বৈশিষ্ট্যখিনি আমি দেখা নাপালো।

জাতিগত চিন্তাই কেতিয়াও মানুহক উদাৰ বা প্ৰগতিশীল নকৰে। ই এক পশ্চাদগামী চিন্তা। 'আহোম হওক !' বাক্যটোৰ তাৎপৰ্য যিয়েই নহওক কিয়, ই এক সাম্প্ৰদায়িক আহ্বান। এনে আহ্বানে 'বান অক্ পাপলিক্ ম্যুঙতাই'ৰ প্ৰকৃত লক্ষ্য সাধন নকৰে।

এগৰাকী লোক প্ৰথমতে আহোম, তাৰ পিছত অসমীয়া, তাৰ পিছত ভাৰতীয় আৰু তাৰ পিছতহে বিশ্ব নাগৰিক বা মানুহ– এই ভাবধাৰাৰ পক্ষপাতী আমি নহয়। প্ৰথমতে মানুহ হ'ব লাগিব। মানৱীয় ধ্যানধাৰণাৰে এজন লোক প্ৰথমতে মানুহ হোৱাৰ পিছত তেওঁ যি হয় হওক। কাৰণ মানুহ হোৱাৰ পাছত তেওঁৰ জাতীয়তাবাদী চিন্তাত সাম্প্ৰদায়িক অনুভৱৰ সলনি উদাৰ ভাতৃত্ববোধহে থাকিব।

আমি আশাকৰো, সাম্প্ৰদায়িক আক্ৰমণ প্ৰতি আক্ৰমণবোৰ বন্ধ হওক। অন্যথা ই বান্দৰৰ ঘাৰ দৰে হ'ব। কাৰণ এবাৰ বান্দৰৰ ঘা হ'লে ই আৰু নুশুকায়। বান্দৰবোৰৰ এক বেয়া স্বভাৱ আছে– সেয়া হ'ল– এটা বান্দৰৰ ক'ৰবাত ঘা হলে তাৰ লগৰবোৰে সেই ঘা লিৰিকি বিদাৰি বহল কৰি দিয়ে। ঘা যিমানে বহল হয়, বান্দৰটোৰ লগৰীয়া বোৰে সিমানেই আমোদ পায়। কাৰণ ঘা খোচৰাৰ সুযোগটো সিহঁতে বেছিকৈ পায় ! এনেদৰে এটা সময়ত গোটেই গাতেই ঘা টুকুৰা বিয়পি পৰি বান্দৰটোৰ মৃত্যু হয়।

অসমীয়া জাতিৰ যাতে সেই মুমূৰ্ষ অৱস্থাটো নহয়, আমি তাকেই কামনা কৰিছো।

সদৌ শেষত 'বান অক্ পাপলিক্ ম্যুঙতাই' লৈ আমাৰ শুভেচ্ছা জনাইছো। অনুষ্ঠানটিৰ মহৎ লক্ষ্য সমূহ সাধিত হওক।

হৰিচৰণ দাস।
মীন মহাবিদ্যালয়, ৰহা।
নগাওঁ ;

## "মটক-মৰাণৰ দেশত দুটা দিন"

সূত্ৰধাৰৰ দশম আৰু একাদশ সংখ্যাত (১-১৫ জুন,১৫-৩০ জুন) প্ৰকাশিত সম্পাদকীয় দুটি পঢ়ি দুআষাৰ লিখিলো। দশম সংখ্যাৰ সম্পাদকীয়ত সম্পাদক শ্ৰীযুত হোমেন বৰগোহাঞি চাৰে তেখেতৰ stage fright সম্পৰ্কে উল্লেখ কৰিছে। তথাপিতো বৰগোহাঞি চাৰে মটক-মৰাণৰ দেশৰ পানীতোলাত অনুষ্ঠিত সদৌ অসম মটক যুৱ ছাত্ৰ সন্মিলনৰ একবিংশতিতম সন্মিলনত মুখ্য আতিথ্য গ্ৰহণ কৰি মটক-মৰাণ জনগোষ্ঠীলৈ আন্তৰিকতা প্ৰদৰ্শন কৰিলে তাৰ বাবে তেখেতলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো। তেখেতৰ চমু অথচ বহমূলীয়া ভাষণ মটক-মৰাণ জনগোষ্ঠীলৈ প্ৰেৰণাৰ থল হৈ ৰ'ব।

বৰগোহাঞি চাৰে উল্লেখ কৰাৰ দৰে সকলো অসমবাসীয়ে জানে যে সম্প্ৰতি অসমৰ বিপ্লৱী সংগঠনে আলফাৰ তিনিজন শীৰ্ষনেতা মটক-মৰাণ জনগোষ্ঠীৰ পৰাই ওলাই আহিছে। মোৱামৰীয়া গণবিপ্লৱৰ দিনৰ পৰাই সম্প্ৰতি এই জনগোষ্ঠীটোৱে শোষণ, অন্যায় আৰু নায্য অধিকাৰৰ হকে বিপ্লৱ সূচনা কৰি আহিছে। এই জনগোষ্ঠীৰ আত্মত্যাগৰ বহুতো জলন্ত দৃষ্টান্ত অসম বুৰঞ্জীত বিচাৰিলে পোৱা যাব। তথাপিতো সাম্প্ৰতিক কালত আলফা সংগঠনটিৰ ৰাজনৈতিক দৰ্শন আৰু কৰ্মসূচীৰ প্ৰতি সদৌ অসম মটক যুৱ ছাত্ৰ সন্মিলনৰ আস্থাহীনতাৰ যি বিশ্লেষণ সম্পাদক বৰগোহাঞি চাৰে আগবঢ়াইছে ই অতি তাৎপৰ্যপূৰ্ণ।

সূত্ৰধাৰৰ একাদশ সংখ্যাৰ সম্পাদকীয়ত সম্পাদকে অসমৰ প্ৰাচীন ঐতিহ্যমণ্ডিত জনগোষ্ঠীটোৰ যিখন প্ৰতিচ্ছবি অংকন কৰিছে কেৱল সেয়াই যথেষ্ট নহয়। বৰগোহাঞি চাৰলৈ এটি মাত্ৰ অনুৰোধ তেখেতে যেন এই ঐতিহ্যমণ্ডিত জনগোষ্ঠীটোৰ বিষয়ে সম্পূৰ্ণ তথ্যভিত্তিক গ্ৰন্থ এখন ৰচনা কৰাৰ প্ৰচেষ্টা লয়।

সম্পাদকীয়ৰ শেহত তেখেতে চৰকাৰলৈ আগবঢ়োৱা পৰামৰ্শাৱলী প্ৰশংসনীয়। তেখেতৰ মতে, "সাংস্কৃতিকভাবে অতি চহকী কিন্তু আৰ্থিকভাবে সম্প্ৰতি পিছপৰা সম্প্ৰদায়টোৰ ন্যায্য অভাৱসমূহ দূৰীকৰণৰ বাবে চৰকাৰে জৰুৰী ব্যৱস্থা লোৱা উচিত আৰু তাৰ আগতে মটক-মৰাণ সম্প্ৰদায়ৰ আৰ্থ সামাজিক অৱস্থা খৰচি মাৰি অধ্যয়নৰ বাবে চৰকাৰে এখন বিশেষজ্ঞ কমিটি গঠন কৰিব লাগে।" বৰগোহাঞিদেৱৰ এই মহান পৰামৰ্শ অসম চৰকাৰে গ্ৰহণ কৰিলে মটক-মৰাণ জনগোষ্ঠীটোৰ বহুতো সমস্যা সমাধান হ'ব।

প্ৰকাশ ফুকন
লেজাই ডিব্ৰুগড়

## গৰুড় পক্ষী

২০ জুন '৯২ তাৰিখে বৰপেটা সাহিত্য সভাই কেন্দ্ৰীয়ভাৱে বিষ্ণুৰাভা দিৱস'ৰ আয়োজন কৰিছিল ভৱানীপুৰত। আমন্ত্ৰণ ক্ৰমে আমিও গৈছিলো নিৰ্দিষ্ট বক্তাৰ ভাষণ দিবলৈ। মুখ্য অতিথি হিচাপে আহিছিল প্ৰবীণ লেখক শ্ৰীতিলক দাস আৰু ৰাভাদেউৰ সহকৰ্মী বিপ্লৱী শ্ৰীযুত পূৰ্ণানন্দ খেৰকটাৰী থূলন্তৰ পুৰুষ। সুন্দৰ স্বাস্থ্য। টপটপীয়া মুখখন তামোল খোৱা বাবে আৰু বেছি উজ্জ্বল হৈছে। কেকোৰা চুলি। হাঁহিভৰা মুখ। ভাব হ'ল যেন অন্য এজন "বিষ্ণু ৰাভা" সভাত আছে। ধুতি পাঞ্জাবী পৰিহিত শ্ৰীযুত খেৰকটাৰীৰ কান্ধত বড়ো গামোচা। ঘৰ বজালী মহকুমাৰ বিজনী মৌজাৰ অন্তৰ্গত শালবাৰী ৰূপহীৰ ওচৰৰ মাজ্ৰাবাৰীত। সভাত প্ৰথম ভাষণ ৰাখিলে তেখেতে প্ৰায় ৪৫ মিনিট সময়, সমবেত ৰাইজক মন্ত্ৰমুগ্ধ কৰি ৰাখিলে। বৰ্ণাই গ'ল কিদৰে ৰাভাৰ প্ৰেমত পৰি তেখেতে বিপ্লৱ ব্ৰত আৰু ৰাজনীতিত যোগ দিলে, কিদৰে ৰাভাই তেখেত সকলক সৈনিক প্ৰশিক্ষণ দিছিল, কিদৰে ৰাভাই ৰাইজৰ লগত মিলিছিল, মাছ মাৰিছিল সৰু ল'ৰা ছোৱালীয়ে বালিৰ ভাত ৰান্ধি থাকোতে মিছা জুই ফুৰাই সিহঁতৰ লগত ধেমালি কৰিছিল, কিদৰে পাৰ্টিয়ে ৰাভাক ৰক্ষা কৰাৰ ভাৰ তেখেতৰ ওপৰত ন্যস্ত কৰিছিল, কিদৰে ১৮ কিঃ মিঃ ৰাস্তা খোজ কাঢ়ি তেখেতে ৰাভাক ভূটান পাহাৰলৈ পলুৱাই নি ভূটীয়া সাজ পিন্ধাই ৰাভাক "লামা" কৰিছিল, বোকাই পানীয়ে ৰাভাক কেনেকৈ লৈ ফুৰিছিল ইত্যাদি। ৰাভাৰ ছদ্ম নাম হেনো আছিল "জুমাই' সকলোৱে তেখেতক হেনো 'আবৈ" অৰ্থাৎ আতৈ বুলি মাতিছিল। শিশুৰ পৰা বৃদ্ধলৈ তেখেত হেনো "সকলোৰে মৰমৰ" আবৈ আছিল। ভূটানলৈ গৈ থাকোতে হেনো বাটত জ্বৰণি লৈছিল। সেই অৱস্থাতে প্ৰকাণ্ড শিল এটাত ৰাভাই চক পেন্সিলেৰে "বুদ্ধ"ৰ এটা ছবি আঁকিছিল। তাকে দেখি ভূটীয়া সকলে মোহিত হৈছিল। আৰু দুদিনতে ভূটীয়া ভাষা কব পৰা হোৱাত ৰাভাক বুকুত সাবটি লৈছিল। আত্মগোপন কৰি থকা অৱস্থাতো তেখেতে সদায় সন্ধিয়া 'বৈঠকী'ৰ আয়োজন কৰিছিল। শ্ৰীযুত খেৰকটাৰী দেৱে এনে সু-ললিত ৰূপত প্ৰত্যক্ষ উক্তিত সুন্দৰ আৰু সজীৱ কথন ভংগীৰে ভাষণ ৰাখিছিল যে তাৰ বৰ্ণনা দিয়া মস্কিল। এনে মনোমোহা ভাষণ ৰাভাৰ ওপৰত শুনা নাছিলো।

ৰাভাৰ কাহিনীবোৰ এনেয়েই বিস্ময়কৰ, তাতে শ্ৰীযুত খেৰকটাৰীৰ কথনভঙ্গীয়ে তাকে এটা নতুন ৰূপ দিছিল, তেখেতৰ গাওঁখন বজালী মহকুমাৰ একেবাৰে সীমান্তত আৰু ভূটানৰ পাদদেশত। বৰ ভিতৰুৱা। বাছত যাবগৈ। বৰ লৰা-লৰিকৈ তেখেত গ'ল। আমাৰ দৰে বক্তাৰ কথা কোৱাৰ আৰু শ্ৰোতাৰ শুনাৰ আগ্ৰহ নোহোৱা হৈছিল যেন ভাব হৈছিল। ৰাভাৰ জীৱনী কাৰ শ্ৰীতিলক দাসে সভাৰ মাজতে শ্ৰীযুত খেৰকটাৰীক বুকুত সাবটি ৰাইজক কৈছিল–"মোৰ জীৱনত ৰাভাৰ বিষয়ে ইমান সজীৱ মৰ্মস্পৰ্শী ভাষণ শুনা নাছিলো। তেখেতে আৰু কৈছিল সেই সময়ত শ্ৰী খেৰকটাৰীক ৰাইজে হেনো "গৰুড় পক্ষী" বুলিছিল॥ ভগৱান বিষ্ণুৰ বাহন গৰুড় পক্ষীৰ দৰে শ্ৰীখেৰকটাৰীও হেনো বিষ্ণু ৰাভাৰ বিপদৰ সাৰথি গৰুড় পক্ষী আছিল। ৰাভাক হেনো প্ৰয়োজন সাপেক্ষে "কান্ধত তুলি" হাতত ধৰিও নিছিল, পলুৱাই ৰাখিছিল বিভিন্ন স্থানত ! শ্ৰীখেৰকটাৰীক এটি সাৰ্থক নাম দিয়া হৈছিল বুলি আমি ভাবো।

যি সকলে ৰাভাৰ ওপৰত অধ্যয়ন বা গৱেষণা কৰিছে বা কৰি আছে সেই সকলে শ্ৰী খেৰকটাৰীৰ দৰে ব্যক্তিৰ মুখৰ কথা 'টেপ' কৰাৰ আৰু তেখেত সকলৰ বক্তব্য লিপিবদ্ধ কৰি ৰখা উচিত। লগতে এনে ব্যক্তিক ৰজা ঘৰে প্ৰজা ঘৰে যথাযোগ্য সকলোৱে পুৰস্কৃত কৰা উচিত। এনে লোক সকলৰ ত্যাগৰ কাহিনীবোৰ সংকলন কৰিলে একোখন ইতিহাস হব। এই প্ৰসঙ্গতে আমি দুটামান কথা কব বিচাৰিছো। ৰাভাক লৈ আজি বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰা হয়। "ৰাভা দিৱস" আজি অসমৰ এক জাতীয় সোৱৰণি" দিনত পৰিণত হৈছে। কিন্তু ৰাভাক জানো এনেদৰে জীয়াই ৰাখিব পাৰি ? ৰাভাৰ নামত শংকৰ দেৱ বঁটাৰ দৰে "বিষ্ণু ৰাভা বঁটা"ৰ ব্যৱস্থা কৰিব নোৱাৰি জানো। বিশ্ববিদ্যালয় বা অসম ট্ৰাইবেল ৰিচাৰ্চ ইন্সটিটিউটত বিষ্ণু ৰাভাৰ নামত আসনৰ ব্যৱস্থাও কৰিব পাৰি। বিষ্ণু ৰাভাৰ নামত বিশেষ জলপানি বা আৰ্থিক সাহায্য দি গৱেষণাৰ ব্যৱস্থা কৰিব পাৰি। কলাগুৰুৰ নামত 'ৰবীন্দ্ৰ ভৱন'ৰ লেখিয়া প্ৰেক্ষাগৃহ তৈয়াৰ কৰিব পাৰি। অন্য এটা কথালৈ আঙুলিয়াব পাৰি। 'ৰাভা দিৱস'টো চৰকাৰী পৃষ্ঠ পোষকতাত উদযাপিত হোৱাত বহুতে ক্ষোভ কৰা শুনিছো আৰু বহুতে তাত ৰাজনীতি আৰু ন্যস্ত স্বাৰ্থৰ গোন্ধ পোৱাও দেখিছো। কিন্তু ৰাইজে আয়োজন কৰা বা সাহিত্য সভাই আয়োজন কৰা অনুষ্ঠানবোৰৰ কথা কোনে কয় ? তাত ৰাইজৰ সহযোগ, উপস্থিতি আৰু আন্তৰিকতা বঢ়াৰ পৰিবৰ্তে টুটা দেখা গৈছে। ৰাইজে ইচ্ছা কৰিলে বৰ্ণাঢ্য অনুষ্ঠানৰ আয়োজন কৰিব পাৰে। কিন্তু আমি আজি "শ্লো গান"ত বেছি জোৰ দিছো। "ফোপোলা নীতি" আৰু নৈতিকতাৰ দাস হৈ পৰিছো। কতোৱেই আমাৰ আন্তৰিকতা নাই, কি ৰাভা দিৱস, কি গান্ধী জয়ন্তী, কি শংকৰদেৱৰ তিথি। আত্ম সমালোচনাৰ বাবে 'ৰাভা দিৱস'ৰ দৰে দিন বোৰেই উপযুক্ত সময় নহয় জানো ?

থানেশ্বৰ মালাকাৰ
পাঠশালা

## পাশ্চাত্য জগতৰ

# চৌসত্তৰজন সৰ্বশ্ৰেষ্ঠ লেখক

১৯৪৩ চনৰ কথা। দ্বিতীয় বিশ্বযুদ্ধৰ দাবানলে তেতিয়া গোটেই পৃথিৱী ছাটি ধৰিছে। এনে অৱস্থাত যুদ্ধৰ বাহিৰে আন কথা ভাবিবলৈ মানুহৰ আহৰি নথকাটোৱেই অতি স্বাভাৱিক। কিন্তু মহাযুদ্ধৰ সেই তুৰ্যনাদৰ মাজতে ৰবাৰ্ট হাছিনচ্ আৰু মৰ্টিমাৰ এডলাৰে আমেৰিকাত আৰম্ভ কৰিছিল Great books movement; 'মহৎ গ্ৰন্থ আন্দোলন'। এই বিষয়ে বেছি কথা কবলৈ যোৱাৰ আগতে এইখিনিতে মই মোৰ নিজৰ এটা প্ৰবন্ধৰ পৰা ('লেখকৰ সামাজিক দায়িত্ব': ৰচনাকাল-১৯৬৬) কেইটামান প্ৰাসঙ্গিক বাক্য উদ্ধৃত কৰিব খোজো ঃ

'এনে এটা দাবী প্ৰায়েই শুনা যায় যে জাতিৰ বা সমাজৰ সঙ্কটৰ সময়ত শিল্পী-সাহিত্যিকে কল্পনাৰ গজদন্তমিনাৰত বহি কেৱল গান গালেই নহব। মাটিলৈ নামি আহি তেওঁলোকে সংগ্ৰামী জনতাৰ লগত সমানে খোজ মিলাব লাগিব; কলম এৰি বন্দুক তুলি লব লাগিব। দ্বিতীয় মহাযুদ্ধৰ সময়ত জাৰ্মানীয়ে ফ্ৰান্স অধিকাৰ কৰোতে জাঁ পল ছাৰ্ত্ৰে আদিয়ে তাকেই কৰিছিল। স্পেইনৰ গৃহযুদ্ধত হেমিংৱে আদিয়ে গণতন্ত্ৰৰ হৈ প্ৰত্যক্ষ সংগ্ৰামত ভাগ লৈছিল। কিন্তু বহুতো লেখক আৰু বুদ্ধিজীৱীয়ে সমসাময়িক সামাজিক সংঘাতৰ পৰা বিৰত থাকিও সমাজৰ প্ৰতি তেওঁলোকৰ দায়িত্ব পূৰাভাবেই পালন কৰে। 'ডাউন দেয়াৰ অন এ ভিজিট' নামৰ কিতাপত ক্ৰিষ্টফাৰ ইশ্বাৰউদে অগষ্টাছ পাৰ্ (অল্ডছ হাক্সলি) আৰু তেওঁৰ সতীৰ্থসকলৰ কথা উল্লেখ কৰি লিখিছে যে দ্বিতীয় মহাযুদ্ধই যেতিয়া এফালৰ পৰা পৃথিৱীখন পুৰি ছাই কৰি আনিছিল, তেতিয়া তেওঁলোকে কেলিফৰ্ণিয়াত আশ্ৰম পাতি এনেকৈ জীৱন কটাইছিল যেন পৃথিৱীত একো ঘটাই নাই। কিন্তু সেই বুলি জাঁ পল ছাৰ্ত্ৰেতকৈ হাক্সলিয়ে সমাজৰ কাৰণে কম কাম কৰিছে বুলি ভাবিলে ভুল কৰা হ'ব। পৃথিৱীৰ সৰহভাগ মানুহে যেতিয়া অতীত-ভৱিষ্যত পাহৰি অন্ধভাবে যুদ্ধত লিপ্ত আছিল, সেই সময়ত এওঁলোক নীৰৱে মানুহৰ শ্বাশ্বত আধ্যাত্মিক সম্পদ প্ৰহৰা দিয়া আৰু বৃদ্ধি কৰাৰ কামত নিযুক্ত আছিল। ৰণক্লান্ত মানুহে এদিন যুদ্ধক্ষেত্ৰৰ পৰা ঘূৰি আহি দেখিছিল যে তেওঁলোকৰ ঘৰৰ আশ্ৰয় অক্ষত হৈয়েই আছে।'

১৯৪৩ চনত দ্বিতীয় বিশ্বযুদ্ধৰ দাবানলৰ মাজত ৰবাৰ্ট হাছিনচ্ আৰু এডলাৰ মৰ্টিমাৰে 'মহৎ গ্ৰন্থ আন্দোলন' আৰম্ভ কৰি ঠিক এই কামটোকেই কৰিছিল ঃ তেওঁলোক নীৰৱে মানুহৰ শ্বাশ্বত আধ্যাত্মিক সম্পদ প্ৰহৰা দিয়া আৰু বৃদ্ধি কৰাৰ কামত নিযুক্ত আছিল।

এওঁলোক দুজনে যি সময়ত এই কাম হাতত লৈছিল সেই সময়ত ৰবাৰ্ট হাছিনচ আছিল চিকাগো বিশ্ববিদ্যালয়ৰ প্ৰেছিডেণ্ট আৰু এডলাৰ মৰ্টিমাৰ আছিল Institute for Philosophical Research নামৰ অধ্যয়ন কেন্দ্ৰৰ সঞ্চালক। ৰবাৰ্ট হাছিনচৰ নাম মই ইতিমধ্যে মোৰ একাধিক প্ৰবন্ধত আৰু আনকি দূৰদৰ্শনৰ আলোচনাতো উল্লেখ কৰিছো, কাৰণ তেওঁ উচ্চ শিক্ষাৰ সংস্কাৰৰ কাৰণে কৰা কেইটামান কামে মোৰ মনত দকৈ ৰেখাপাত কৰিছে। চিকাগো বিশ্ববিদ্যালয়ৰ প্ৰেছিডেণ্টৰ কাৰ্যকাল তেওঁ আৰম্ভ কৰিলে এনে এটা ঘোষণাৰে যে The principal job of a university is to teach a student how to think for himself, not merely to cram him full of assorted dates, formulae, and statistics। যিহেতু সকলো ছাত্ৰৰে প্ৰতিভা বা বুদ্ধিবৃত্তি সমান নহয়, সেই কাৰণে তেওঁ নিয়ম কৰিলে যে ছাত্ৰসকলে প্ৰত্যেকটো শ্ৰেণীতে উপস্থিত থাকিবই লাগিব এনেকুৱা কোনো বাধ্যবাধকতা নাই। যাৰ যিটো শ্ৰেণীত উপস্থিত থাকিবলৈ মন যায় থাকিব; মন নগলে নাথাকিব। তাতেই ক্ষান্ত নাথাকি তেওঁ আৰু এটা নিয়ম কৰিলে যে স্নাতক উপাধি পাবলৈ ছাত্ৰসকলে নিৰ্ধাৰিত চাৰিটা বছৰ অপেক্ষা কৰাৰ একো দৰ্কাৰ নাই। কোনোবা ছাত্ৰই যদি চাৰিবছৰৰ পাঠ্যক্ৰম এবছৰ বা দুবছৰতে অধ্যয়ন কৰি শেষ কৰি স্নাতক উপাধি লব খোজে, তেন্তে তেওঁ কেইটামান পৰীক্ষা দি সেই উপাধি লব পাৰিব। কিন্তু বিশ্ববিদ্যালয়ৰ প্ৰেছিডেণ্ট হিচাপে ৰবাৰ্ট হাছিনচে কৰা যিটো কামে আমেৰিকাৰ শিক্ষা জগতত আলোড়ন সৃষ্টি কৰিছিল আৰু যাৰ কাৰণে তেওঁ আজিও স্মৰণীয় হৈ আছে সেইটো হ'ল বিশ্ববিদ্যালয়ৰ প্ৰত্যেকজন ছাত্ৰকে পাশ্চাত্য জগতৰ ৪৩২ খন Great book তথা মহৎ গ্ৰন্থ পঢ়িবলৈ বাধ্য কৰি তেওঁ প্ৰবৰ্তন কৰা নিয়ম।

তিনিহাজাৰ বছৰ ধৰি পাশ্চাত্য জগতৰ সভ্যতা-সংস্কৃতিয়ে সৃষ্টি কৰা কোনবোৰ কিতাপ প্ৰত্যেকজন শিক্ষিত মানুহৰে অৱশ্য-পাঠ্য বুলি বিবেচ্য হোৱা উচিত সেই কথা নিৰ্ণয় কৰিবলৈ ৰবাৰ্ট হাছিনচে প্ৰধান সহযোগী হিচাপে ললে এডলাৰ মৰ্টিমাৰক। এই বিষয়ে আলোচনা কৰিবলৈ তেওঁলোকে সমাজৰ বিভিন্ন শ্ৰেণীৰ মানুহক আমন্ত্ৰণ কৰিলে। এনেকুৱা আমন্ত্ৰিত লোক সকলৰ লগত ৰবাৰ্ট হাছিনচ আৰু এডলাৰ মৰ্টিমাৰে তেওঁলোকৰ সম্ভাব্য তালিকাৰ বিভিন্ন কিতাপ পাঠ কৰে আৰু আলোচনা কৰে। কিন্তু এই আমন্ত্ৰিত লোকসকল কেৱল শিক্ষক, পণ্ডিত বা বুদ্ধিজীৱী নাছিল। ১৯৪৩ চনত চিকাগোত বহা এনেকুৱা এটা আলোচনা চক্ৰত উপস্থিত আছিল চল্লিশজন ব্যৱসায়ী আৰু শিল্পপতি। দ্বিতীয় মহাযুদ্ধৰ উন্মাদনা তেতিয়া শীৰ্ষবিন্দুত উপনীত হৈছে। ব্যৱসায়ী আৰু শিল্পপতিসকলৰ মৰিবলৈ সময় নাই। কিন্তু তেনে অৱস্থাতো তেওঁলোকে সময় উলিয়াইছিল 'মহৎ গ্ৰন্থ পাঠৰ' আলোচনা চক্ৰত উপস্থিত থাকিবলৈ !

ৰবাৰ্ট হাছিনচৰ 'মহৎ গ্ৰন্থ আন্দোলনৰ' কাৰণে এটা ডাঙৰ সৌভাগ্যৰ কথা হৈছিল এইটোৱেই যে ওপৰত উল্লেখ কৰি অহা চিকাগোৰ আলোচনা চক্ৰত (Fat Men's Class) উপস্থিত থকা চল্লিশজন ব্যৱসায়ীৰ ভিতৰত এজন আছিল বিশ্ববিখ্যাত এনচাইক্লোপিডিয়া ব্ৰিটেনিকাৰ প্ৰকাশক উইলিয়াম বেণ্টন। যাইকৈ তেওঁৰ উদগনিতে ৰবাৰ্ট হাছিনচ আৰু এডলাৰ মৰ্টিমাৰে বাছি উলিওৱা ৪৪৩ খন মহৎ গ্ৰন্থ ৫৪ টা খণ্ডত Great Books of the Western World নামেৰে প্ৰকাশ কৰিবলৈ সিদ্ধান্ত লোৱা হ'ল। প্ৰকাশক হবলৈ আগবাঢ়ি আহিল এনচাইক্লোপিডিয়া ব্ৰিটেনিকা কোম্পানী। ১৯৫১ চনত যেতিয়া এই গ্ৰন্থাৱলী প্ৰকাশ হৈ ওলাল, তেতিয়া এজন পণ্ডিতে মন্তব্য কৰিলে ঃ'An intellectual enterprise which has no parallel in the history of Western man'.

এই গ্ৰন্থাৱলীৰ বিষয়ে আৰু কিছু কথা পিছত কোৱা হ'ব। মাত্ৰ যি চৌসত্তৰজন লেখকৰ ৪৪৩ খন গ্ৰন্থক পাশ্চাত্য সভ্যতাৰ তিনিহাজাৰ বছৰৰ সৰ্বশ্ৰেষ্ঠ গ্ৰন্থ বুলি কোৱা হৈছে সেই চৌসত্তৰ জন লেখকৰ নাম তলত দিয়া হ'ল ঃ-

হোমাৰ, ইস্কাইলাছ, ছফোক্লিছ, ইউৰিপাইদিছ, এৰিষ্টফানিছ, হিৰ'ডটাছ, থুচিডাইডিছ, প্লেটো, এৰিষ্টটল, হিপ্পক্ৰেটিছ, গেলেন, ইউক্লিড, আৰ্কিমিদিছ, এপলনিয়াছ, নিক'মেকাছ, লুক্ৰেটিয়াছ, এপিক্টেটাছ, মাৰ্কাছ অৰেলিয়াছ, ভাৰ্জিল, প্লুটাৰ্ক, টেচিটাছ, ট'লেমি, কোপাৰ্ণিকাছ, কেপলাৰ, প্লটিনাছ, অগষ্টাইন, টমাছ একিনাছ, ডাণ্টে, চচাৰ, মোকিয়াভেলি, হবছ, ৰাবেলা, মতাঁই, শ্বেকছপীয়েৰ, গিলবাৰ্ট, গেলিলিও, হাৰ্ভে, চাৰ্ভেণ্টিছ, ফ্ৰান্সিছ বেকন, ডেকাৰ্টে, স্পিনোজা, মিল্টন, পাস্কেল, নিউটন, হুইগেনছ, লক, বাৰ্কলে, হিউম, ছুইফট, ষ্টাৰ্ণ, ফিল্ডিং, মঁটেস্কু, ৰোছো, আডাম স্মিথ, গিবন, কাণ্ট, হেমিল্টন, মেডিছন, জে (Jay) জন ষ্টুৱাৰ্ট মিল, বছৱেল, লেভোইছিয়া, ফ'ৰিয়ে, ফাৰাডে, হেগেল, গোয়েথে, মেলভিল, ডাৰউইন, মাৰ্ক্স, এঙ্গেলছ, তলস্তয়, ডষ্টয়েভস্কি, উইলিয়াম জেমছ, ফ্ৰয়েড।

অসমৰ আলোচনী জগতত অদ্বিতীয় বৈশিষ্ট্যৰ অধিকাৰী

শাৰদীয়

সূত্ৰধাৰ

২৫ ছেপ্টেম্বৰত প্ৰকাশ হৈ ওলাব

# মুছলমানৰ সমস্যাঃ

## পটভূমি আৰু সমাধান

মছউদুল হক

সমস্যা সমস্যাই। সমস্যাৰ হিন্দু, মুছলমান নাথাকে। ভাৰতৰ সকলো পিছ পৰা মানুহৰ সমস্যাই মুছলমানৰো সমস্যা। কিন্তু যোৱা কিছু বছৰত ধৰ্মত ৰাজনীতি আৰু ৰাজনীতিত ধৰ্মীয় চৰিত্ৰ আৰোপ কৰিব খোজাৰ ফলত এটা বিশেষ অৱস্থাৰ সৃষ্টি হৈছে। দেশ বিভাজনে সৃষ্টি কৰা বিচ্ছিন্নতা, মোল্লাৰ পৰিচালনা আৰু সাম্প্ৰদায়িক তত্ত্ববোৰে সৃষ্টি কৰা সমস্যা কিছুমানো আছে। মুছলমান নেতাসকলৰ স্বাৰ্থপৰতা আৰু মোল্লাৰ স্থিতাৱস্থা বজাই ৰখাৰ চিন্তাই অৱস্থাটো জটিল কৰিছে। ধৰ্মীয় পৰিচিতিৰে সৰ্বসাধাৰণ মুছলমানক আছুতীয়া শোষণৰ (exclusive exploitation)ৰ কাৰণে বিচ্ছিন্ন কৰি ৰখাৰ যড়যন্ত্ৰ চলা যেনহে অনুমান হয়।

### আভ্যন্তৰীণ সমস্যা

সম্প্ৰদায় হিচাপে মুছলমানৰ ভালেমান আভ্যন্তৰীণ সমস্যা আছে। শিক্ষাৰ অভাৱ। সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক, ৰাজনৈতিক দৃষ্টিৰ অভাৱ। এফালে নেতা আৰু মোল্লাৰ শোষণ, আনফালে বুদ্ধিজীৱীৰ দুমুখীয়া চৰিত্ৰ। মোল্লাই সাধাৰণতে গাই থকা বা প্ৰচাৰ কৰি থকা কথা দুটা ঃ (১) প্ৰত্যেকেই খাটি মুছলমান নোহোৱা পৰ্যন্ত আৰু (২) সকলো মুছলমান ঐক্যবদ্ধ নোহোৱালৈকে মুছলমানৰ উন্নতি সম্ভৱ নহয়। এনে প্ৰচাৰ বা অপপ্ৰচাৰে শিক্ষিত যুৱ-ছাত্ৰকো পতিয়ন নিয়াব পৰাটো বিপদৰ কথা। সঁচা, খাটি বা প্ৰকৃত মুছলমাননো কেনেকুৱা হ'ব তাৰ কোনো স্পষ্ট সৰ্বজন-স্বীকৃত মাপ নাই। ইচলামৰ ভিতৰত থকা চাৰিটা ঠাল বা শাখাৰ বাহিৰেও বিভিন্ন সময়ত বিভিন্ন ধৰ্মগুৰুৱে বেলেগ বেলেগ চিল্‌চিলা (পন্থা) সৃষ্টি কৰিছে। গুৰুতকৈ ভকত বেছি ভকতীয়া হোৱাৰ ফলত অসংখ্য বিভেদ। ইয়াৰ ভিতৰত কি খাই, কি পিন্ধি, কোনখন ভৰি আগতে ধুই, কোনটো প্ৰাৰ্থনা কোন সময়ত গাই প্ৰকৃত মুছলমান হ'ব পাৰি এই সম্পৰ্কে যুক্তি তৰ্কৰ শেষ নাই। অন্যহাতে মুছলমানৰ ঐক্য, মুছলমানী পৰিবেশ আদিৰ অন্তৰ্নিহিত চূড়ান্ত ভেটিটো হ'ল মুছলমান বা ইচলামী ৰাষ্ট্ৰ। এনে ৰাষ্ট্ৰই কিন্তু পাকিস্তানৰ পৰা চোমালিয়ালৈকে ক'তো মুছলমানৰ সমস্যা সমাধান কৰিব পৰা নাই। আনহাতে যদি কোৱা হয় যে ধৰ্মৰ প্ৰতি ভক্তি-বিশ্বাস কমাৰ ফলত (ঈমান কমজোৰ হোৱা) মুছলমানৰ সমস্যা বাঢ়িছে, তেনে স্বীকাৰ কৰি লোৱা হ'ব যে অতীতত মুছলমানৰ অৱস্থা জয়-জয় ময়-ময় আছিল আৰু তাৰ কাৰণ আছিল ধৰ্মৰ প্ৰতি অচলা ভক্তি। কিন্তু বুৰঞ্জীয়ে এই তথ্য সমৰ্থন নকৰে।

### ইচলামৰ ভেটি

গণতন্ত্ৰ, সাম্য, মৈত্ৰী আৰু ন্যায় হ'ল ইচলামৰ ভেটি। ইচলামৰ সৰ্বোচ্চ পদ খলিফা মজলিচে (জনসভা) নিৰ্বাচন কৰিছিল। ৰজা খলিফা নহয় আৰু উত্তৰাধিকাৰ সূত্ৰেও খলিফা নহয়। খিলাফতৰ নামত যেতিয়াই ৰাজতন্ত্ৰ আৰম্ভ হ'ল, তাৰ লগে লগে বিলাসিতা আৰু অমিতব্যয়িতা আহিল। লোকৰ পৰিশ্ৰমৰ ওপৰত খোৱা মনোভাব (parasitism) আহিল, যিটো ইচলামৰ নীতিৰ সম্পূৰ্ণ বিৰোধী। পুৰণি কথা নকওঁৱেই, এই কুৰি শতিকাতো ভাৰতীয় মুছলমানৰ এইবোৰ বিষয়ত কোনো স্পষ্ট ধাৰণা নাই। ১৯২০ চনৰ খিলাফত আন্দোলন আৰু ১৯৯১ চনৰ ইৰাকৰ যুদ্ধত স্পষ্ট দৃষ্টিভংগী ল'ব নোৱাৰাটো তাৰ প্ৰমাণ। এইবোৰ ঘটনাই দেখুৱায় ভাৰতৰ মুছলমান বাস্তৱতাৰ পৰা কিমান আঁতৰত আছে।

আলজিৰিয়াৰ পৰা ইন্দোনেচিয়ালৈকে আমি ইচলামী দেশ বুলি কোৱা দেশবোৰত গণতন্ত্ৰ নাই। আছে সামৰিক একনায়কত্ব বা ৰজাৰ শাসন। যি তিনিখন দেশত নিৰ্বাচিত চৰকাৰ আছে সিও বৰ্তি আছে সেনাবাহিনীৰ মৰ্জিত। এনে ধৰণৰ মাত্ৰ কেইজনমান মানুহৰ খেয়াল-খুছিত বৰ্তি থকা দেশক ইচলামী দেশ বোলাটোৱেই ভুল। জনসাধাৰণৰ শিক্ষা বা উন্নতিৰ ঠাইত অস্ত্ৰ কিনা আৰু প্ৰয়োজনত দেশ এৰি পলাব পৰাকৈ বিদেশত ধন জমা কৰাটোৱেই এনে দেশৰ ৰাষ্ট্ৰ নায়কবোৰৰ লক্ষ্য। বৰ্ণ আৰু গোষ্ঠীগত খৰিয়াল, অশিক্ষা আৰু দাৰিদ্ৰ্যত এইবোৰ দেশ নিমজ্জিত। বিজ্ঞান আৰু প্ৰযুক্তিৰ এইবোৰ দেশত সঁচেই নোহোৱাৰ নিচিনা।

ইজ্‌তিহাদ (সমাজ বিৱৰ্তন)ৰ আহিলা হিচাপে ইচলামৰ গুৰুত্ব আছে। সমতা, ন্যায় আৰু সামাজিক দায়বদ্ধতাৰ শিক্ষাৰে, সম্পদ জমা কৰা আৰু পৰৰ পৰিশ্ৰমৰ ওপৰত খোৱাৰ বিৰোধীতাৰে ইচলামে সামাজিক সম্পৰ্কত বিপ্লৱ আনিছিল। ৰাজতন্ত্ৰৰ বিপ্লৱী চৰিত্ৰ থাকিব নোৱাৰে। ৰাজতন্ত্ৰ প্ৰতিষ্ঠাৰ লগে লগে ইচলামৰ বিপ্লবী চৰিত্ৰ লোপ পালে। ইউৰোপৰ শিল্প বিপ্লৱে জগতজোৰা পৰিৱৰ্তন আনিলে। বিজ্ঞান-প্ৰযুক্তি ৰূপান্তৰৰ চালিকা শক্তি হ'ল। কিন্তু ঠেক চিন্তাৰ গণ্ডিত আৱদ্ধ হৈ মুছলমান ৰজা আৰু নেতাই বিজ্ঞান-প্ৰযুক্তি গ্ৰহণ কৰিব নোৱাৰিলে। এতিয়াও পৰা নাই। আন্তৰ্জাতিক ক্ষেত্ৰত সহ অৱস্থান আৰু পৰস্পৰ নিৰ্ভৰশীলতাৰ শিক্ষা লব নোৱাৰি ভাতৃঘাতী সংগ্ৰামত সময়, অৰ্থ, শক্তি নষ্ট কৰি আছে। ইফালে বিজ্ঞান প্ৰযুক্তিৰ বাবে ইউৰোপ-আমেৰিকাৰ বহতীয়া হৈ পৰিছে।

### ৰজা আৰু মোল্লাৰ ভূমিকা

পৰিবৰ্তনৰ লগত খাপ খাবৰ ক্ষমতা ভাৰতৰ মুছলমান নেতা আৰু মোল্লাৰ নাই। শিক্ষিত ইলাইট সকল হ'ল পশ্চিমমুখী আৰু তাৰ ফলত সমাজৰ পৰা বিচ্ছিন্ন। আনফালে নেতা আৰু মোল্লাৰ লক্ষ্য আপামৰ জনসাধাৰণক জিহালত (অজ্ঞানতা)ৰ অন্ধকাৰত ৰাখি শোষণ চলোৱা। বৰ্তমানৰ লগত খাপখোৱা সামাজিক, আৰ্থিক, ৰাজনৈতিক আলোচনা-বিলোচনাৰ ঠাইত আজিও ধৰ্মৰ নামত ঘন্টাৰ পাছত ঘন্টা গাজাখুৰী অবাস্তৱ কাহিনী পাগুলি থকাকে ধৰ্মৰ কাম বুলি তেওঁলোকে বিশ্বাস জন্মায়ে আছে।

ৰজা হ'ল শোষক। শোষকক লৈ গৌৰব কৰাৰ আচলতে কোনো থল নাই। দুই-এক উজ্বল ব্যতিক্ৰম বাদ দিলে সৰহভাগ ৰজা, নবাব, চুলতান, সম্ৰাট মুছলমান হবৰ অযোগ্য। ৰজা আৰু মোল্লাৰ মাজত হোৱা বুজা-বুজিৰ যোগেদি শোষণৰ পকা ব্যৱস্থা হৈছিল। শ্বৰীয়তৰ নীতি-নিয়ম ৰজা আৰু সহচৰ সকলৰ বাবে আছিল অতি শিথিল আৰু প্ৰজা সাধাৰণৰ বাবে অতি কঠোৰ। ৰজা আৰু মোল্লাক প্ৰত্যাহ্বান জনাব পৰা বিদ্বানক হাৰাশাস্তি কৰাৰ অসংখ্য উদাহৰণ বুৰঞ্জীত আছে। সম্ৰাট মুতৱক্কিলে অল্‌কিন্দিৰ বিখ্যাত পুথিভঁৰাল ধ্বংস কৰিছিল। ইব্‌নে চিনা আৰু ইব্‌নে ৰোশ্বদে প্ৰাণৰক্ষাৰ বাবে পলাই ফুৰোতে তেওঁলোকৰ জগত বিখ্যাত গ্ৰন্থবোৰ ৰচনা কৰিছিল। ইব্‌নে হাইথামে কাজীৰ আগত পগলা ভাও জুৰিব লগা হৈছিল। আল ৰাজীয়ে বিজ্ঞানৰ ধাৰণা প্ৰচাৰ কৰাৰ অপৰাধত দিনটো বেলিমুখীয়াকৈ থাকি অন্ধ হৈছিল। ইব্‌নে ৰোশ্বদৰ সৰহ ভাগ গ্ৰন্থ পুৰি পেলোৱা হৈছিল।

নিজকে পবিত্ৰতাৰ প্ৰতিমূৰ্তি বুলি ভবা মোল্লাসকলে ৰজাৰ লগলাগি জ্ঞান-বিজ্ঞানৰ কি সাংঘাতিক ক্ষতি কৰিছিল বহলাই আলোচনা হোৱা উচিত। কৌতুহল আৰু জ্ঞানৰ চাকিটো নুমুৱাই দিয়াটোৱেই আছিল তেওঁলোকৰ উদ্দেশ্য। তাৰ কাৰণ দুটা। (১) মোল্লাৰ মতে জ্ঞান মানে ধৰ্মশাস্ত্ৰৰ আলোচনা, টিকা, টিপ্পনী। বিজ্ঞান সন্মত জ্ঞানৰ বিকাশত তেওঁলোকৰ স্থিতি দুৰ্বল হোৱাৰ, গুৰুত্ব কমাৰ ভয়। সেইবাবে তেওঁলোকে প্ৰতিটো নতুন তত্ত্ব আৰু আৱিষ্কাৰক আখ্যা দিছিল ধৰ্ম বিৰোধী বুলি। (২) ৰজাৰ বাবে জ্ঞানৰ বিকাশ মানে ক্ষমতাৰ প্ৰতি প্ৰত্যাহ্বান। অক্সফ'ৰ্ডৰ ইচলামী বিষয়ৰ পণ্ডিত পাৰভেজ হুডবয়ৰ Muslims and Science গ্ৰন্থত ৰজা আৰু মোল্লাৰ যুক্তিবাদৰ বিৰোধীতাৰ ভালেমান উদাহৰণ আৰু বিশ্লেষণ আছে।

### শিল্প বিপ্লৱ আৰু মুছলমান

শিল্প-বিপ্লৱে উৎপাদনৰ পদ্ধতি সলনি কৰি মানুহৰ জীৱনটোকে সলাই পেলালে। মানুহৰ দৃষ্টিভংগীৰ আমূল পৰিবৰ্তন ঘটিল। মুছলমানৰ ওপৰত এনে অধৰমী কাৰবাৰৰ প্ৰভাব পৰিবলৈ ৰজা, মোল্লা আৰু নেতাই অকণো সুযোগ নিদিলে। শিল্প বিপ্লৱৰ বিশালতা উপলব্ধি কৰি জনসাধাৰণৰ মাজলৈ নিয়াৰ চিন্তা কৰা ভাৰতীয় মুছলমান ১৯ শতিকাত আছিল মাত্ৰ চাৰিজন। (১) কবি গালিবে পাৰ্চীত লেখা আচবাব-এ-ভগবতী-হিন্দ-ত হিন্দুৰ দেৱ-দেৱীৰ প্ৰতি ভক্তি দেখুৱাটো যে ইচলামৰ বিৰোধী নহয় তাক স্পষ্ট কৰি দিয়াৰ সাহস দেখুৱাইছিল। জুইৰ প্ৰভাৱৰ কথা কবলৈ গৈ তেওঁ লিখিছে যে অনাগত দিনবোৰত শিলৰ (কয়লা) বুকুৰ জুয়ে জীৱন ধাৰণৰ পদ্ধতি সলাই দিব। (২) এংলো ওৰিয়েন্টেল কলেজৰ প্ৰতিষ্ঠাতা চৈয়দ আহমদ আৰু গুৰু আব্দুৰ ৰহমানে পশ্চিমীয়া শিক্ষাৰ প্ৰচাৰত কি পৰিমাণ বিৰোধিতাৰ সমুখিন হৈছিল আজি কল্পনা কৰাও টান। ধৰ্মবিৰোধী নাস্তিক বুলি তেওঁলোকক সহযোগী সকলৰ সৈতে এঘৰীয়াও কৰা হৈছিল। (৩) মৌলানা হালিয়ে জমিমা-এ-মুকদ্দচ গ্ৰন্থত প্লেটো – এৰিষ্টটলৰ তত্ত্ব আল্লাৰ বাণী বুলি মন্তব্য কৰি তেওঁলোকক মহাপুৰুষ আখ্যা দিছে। বিজ্ঞানৰ ক্ষমতা আৰু সম্ভাৱনাৰ কথা কবলৈ গৈ তেওঁও অপ-প্ৰচাৰৰ বলি হৈছিল। শেষ বয়সত তেওঁ লিখিছিল–

খুদা নে আজ তক উচ কৌম কি হালত নহী বদলী
ন হ' জিচকো থায়াল হালাত আপ অপনি কো বদলনে কা।

### চাৰি মজহব আৰু ঐক্য

ইচলামৰ চাৰিটা মজহব বা শাখাৰ কথা আমি আগতে কৈছো। তাৰ ভিতৰত চিয়া-চুন্নিৰ সংঘাত সদায় চলি থকা ঘটনা। ইফালে আহমদীয়া, ইচমাইলিয়া, বোহ্‌ৰা, ৱাহাবি, কাদিয়ানী, ৰামপুৰী, বৰেলৱী আৰু কত কি নতুন ঠাল-ঠেঙুলি ওলাইছে হিচাপ দিয়াই টান। বিভিন্ন ঠাল বা ফৈদৰ পাৰ্থক্যবোৰ নিচেই সামান্য। কিন্তু মনৰ প্ৰভেদ গভীৰ। এই বিভেদবোৰে ঐক্যৰ ধাৰণাটোকে উপলুঙা কৰিছে। প্ৰতিটো ফৈদৰ গুৰুৱে ঐক্যৰ কথা কওঁতে সকলোকে নিজৰ শিবিৰত ভৰ্তি কৰাৰ কথাহে ভাবে। যোৱা হাজাৰ বছৰৰ বুৰঞ্জীয়ে ঐক্যৰ কোনো সম্ভাৱনা দেখুৱা নাই। ঐক্যৰ কথালৈ মূৰ ঘমোৱাৰ কিবা প্ৰয়োজন আছে বুলি মনে নধৰে। যিহেতু মূল কথাবোৰত সকলো ফৈদৰে তাত্ত্বিক ধাৰণা একে গতিকে ব্যৱহাৰিক ক্ষেত্ৰখন ব্যক্তিগত হৈ থাকিবলৈ দিয়াই মংগল।

### ভাৰতত মুছলমান আক্ৰমণকাৰী

আক্ৰমণকাৰীক ধৰ্মৰ দ্বাৰা চিনাক্ত কৰাৰ ব্যৱস্থা আচলতে ভুল ব্যৱস্থা। কিন্তু বৃটিছ বুৰঞ্জীবিদ সকলে সচেতন ভাবেই তুৰ্কী, পাঠান, মোগল আদি বিভিন্ন জনগোষ্ঠীৰ আক্ৰমণকাৰীক মুছলমান আক্ৰমণকাৰী বুলি পৰিচয় দি বুৰঞ্জীৰ সাম্প্ৰদায়িক ব্যখ্যাৰ ব্যৱস্থা কৰি থৈ গ'ল। সি যি কি নহওক বিভিন্ন সময়ত বিভিন্ন ৰজা, চুলতান আদিয়ে ভাৰত আক্ৰমণ কৰিছিল, লুটপাট কৰিছিল, অত্যাচাৰ চলাইছিল – এইবোৰ ৰাজতন্ত্ৰৰ ঐতিহ্য। পাছত দিল্লীত পাঠান বা মোগল সম্ৰাট বা চুলতান থাকোতেও বিদেশী মুছলমান আক্ৰমণকাৰীয়ে সমানে অত্যাচাৰ উৎপীড়ন চলাইছিল, হিন্দু বুলি, মুছলমান বুলি অত্যাচাৰ বেলেগে কৰা নাছিল। এই কথাটো স্পষ্ট নহলে বুৰঞ্জীৰ সাম্প্ৰদায়িক ব্যাখ্যা চলিয়ে থাকিব। আক্ৰমণকাৰী সৈন্যবাহিনীত হয়তো কেই হাজাৰমান মুছলমান আহিছিল আৰু তাৰ একাংশই ভাৰততে স্থায়ী ভাবে থাকি গৈছিল। তেওঁলোকে ভাৰতত যি সভ্যতা-সংস্কৃতিৰ মুখা-মুখি হৈছিল সেয়া তেওঁলোকতকৈ উন্নত আছিল। ভাৰতত ৰাজ্য বিস্তাৰ সহজ হৈছিল অন্তৰ্দ্বন্দ্বৰ বাবে। ব্যক্তিগত স্বাৰ্থৰ বাবে ভাৰতীৰ ৰজাই বিদেশী ৰজাক আমন্ত্ৰণ কৰি অনাৰ অজস্ৰ ঘটনা বুৰঞ্জীত আছে। ভাৰতীয় সভ্যতাৰ দুৰ্দিন স্বত্বেও সেই সভ্যতা বহিৰাগতৰ সভ্যতাতকৈ বহুত উন্নত আছিল এই কথাটো মোল্লাই মানি লব নোখোজাও দেখা যায়। এই প্ৰবণতা বেয়া। ভাৰতীয় দৰ্শন, বিজ্ঞান, কলা-কৃষ্টি, সংগীত-নৃত্য সকলোৰে প্ৰভাৱ পৰিছিল বহিৰাগতৰ ওপৰত। তেওঁলোকৰ নিজস্ব অভিজ্ঞতা আৰু সভ্যতা-সংস্কৃতিৰ লগত

সংমিশ্ৰণ হৈ আদান্-প্ৰদানৰ মাজেদি ভিত্তি পত্তন হৈছিল সবল নতুন ভাৰতীয় সংস্কৃতিৰ।

মোগল বা পাঠান ৰজা/চুলতানে সামন্তবাদৰ স্বাৰ্থত এচামক শক্তিৰে পৰাভূত কৰিছিল, আন এচামক সুবিধা আৰু তোষনেৰে সন্তুষ্ট কৰিছিল। তেওঁলোকৰ লগত অহা মুছলমান সন্ত আৰু পণ্ডিতসকলে আৰম্ভ কৰিছিল সমন্বয়ৰ প্ৰক্ৰিয়াটো। বৰ্ণবাদী ব্যৱস্থাৰে বিভাজিত ভাৰতীয় সমাজত খাটি খোৱা শ্ৰমিক-কৃষক, শিল্পী-কাৰিকৰৰ সামাজিক অৱস্থান আছিল অতি নিম্ন। ইচলামৰ সাম্য-মৈত্ৰী-ভাতৃত্ববোধৰ বাণীয়ে তেওঁলোকক সহজে আকৰ্ষণ কৰিছিল। এইদৰে আৰম্ভ হৈছিল ধৰ্মান্তিৰকৰণৰ প্ৰক্ৰিয়া। ধৰ্মান্তিৰকৰণৰ পৰা তেওঁলোকে পাইছিল স্বীকৃতি আৰু সামাজিক প্ৰতিষ্ঠা। অন্য এখিনি ভাৰতীয়ই ৰাজ অনুগ্ৰহ আৰু সুবিধাৰ বাবেও ধৰ্মান্তিৰিত হৈছিল। ক'ৰবাত সামন্তবাদৰ স্বাৰ্থত ৰজাই জোৰ কৰি ধৰ্মান্তিৰিত কৰাৰ ঘটনাও ঘটিছিল, কিন্তু তেনে ঘটনা নিচেই তাকৰ। সৰহখিনি মানুহে স্বতঃস্ফুৰ্তভাবে ধৰ্মান্তিৰিত নোহোৱা হলে বিদ্ৰোহৰ কোবত ৰজা উফৰি গ'লহেঁতেন। মুঠতে সিন্ধু আৰু পাঞ্জাবৰ পৰা বংগদেশলৈকে নিম্ন বৰ্গৰ মানুহ ইচলামৰ প্ৰতি আকৰ্ষিত হৈছিল আৰু তাৰ মূলত আছিল চুফি সন্ত সকল। চুফি সন্তসকলে সৃষ্টি কৰা ধল ৰোধ কৰিবলৈকে নব বৈষ্ণৱ আন্দোলন সৃষ্টি হৈছিল।

## সমন্বয়ৰ সংস্কৃতি

ইচলামৰ প্ৰচাৰ আৰু প্ৰসাৰৰ লগে লগে ভাৰতীয় সংস্কৃতিৰো নতুনকৈ বিকাশ হৈছিল। সাহিত্য-নাটক, নৃত্য-গীত, স্থাপত্য-ভাস্কৰ্য, সাজ-সজ্জা, হস্তলিপি-চিত্ৰকলা, অংগসজ্জা-অলংকাৰ, কাঠ-ধাতু-হাতীদাঁতৰ সূক্ষ্ম কাম আদি ক্ষেত্ৰত মুছলমানৰ অৱদান প্ৰচুৰ। স্থানীয় অভিজ্ঞতাৰ লগত বহিৰাগতৰ অভিজ্ঞতাৰ সংমিশ্ৰণত সৃষ্টি হৈছিল উন্নত ৰচনা। এই নতুন শক্তিশালী ভাৰতীয় সংস্কৃতিক ইচলামী সংস্কৃতি বুলি চলাব খোজাটো ভুল। এয়া মহান ভাৰতীয় সংস্কৃতিৰ নতুন ৰূপ।

## মুছলমানৰ জ্ঞানৰ অন্বেষণ

কোৰাণ আৰু হদিছে জ্ঞান আহৰণৰ ওপৰত প্ৰচণ্ড গুৰুত্ব দিছে। জ্ঞানী মানুহক ৰছুলৰ প্ৰকৃত উত্তৰাধিকাৰী বুলি স্পষ্টকৈ কোৱা হৈছে। কেচুৱা কালৰ পৰা কবৰলৈকে জ্ঞানৰ সন্ধানৰ স্পষ্ট নিৰ্দেশ আছে। জ্ঞান আহৰণৰ বাবে প্ৰয়োজন হলে চীনলৈকো যোৱাৰ উদগনি দিছে। তাৰ ফলত সপ্তম শতিকাৰ পৰা মুছলমান পণ্ডিতে জ্ঞানৰ সাধনাত উঠি-পৰি লগাৰ বুৰঞ্জী আছে। তাৰ আগতেও আৰব ব্যৱসায়ীসকলে পূবে চীন, পশ্চিমে ইউৰোপৰ গ্ৰীচ পৰ্যন্ত ভ্ৰমণ কৰি সেইবোৰ দেশৰ সভ্যতা আৰবলৈ কঢ়িয়াই অনাৰ বুৰঞ্জী আছে। ইচলামৰ অভ্যুদয়ৰ পাছত জ্ঞানৰ সন্ধানত আত্মনিয়োগ কৰা পণ্ডিতৰ সংখ্যা বাঢ়িছিল। তেওঁলোকে নিজে কৰাৰ লগতে অ-মুছলমান পণ্ডিতকো ভূগোল, বুৰঞ্জী, জ্যোতিৰ্বিদ্যা, অঙ্ক, চিকিৎসা আদিৰ ক্ষেত্ৰত বৰঙণি আগবঢ়াবলৈ উৎসাহ দিছিল। গ্ৰীক, ৰোমান, ফৰাচী, চীনা আৰু সংস্কৃত ভাষাৰ বহু উল্লেখযোগ্য গ্ৰন্থ আৰবী আৰু পাৰ্চী ভাষালৈ অনুবাদ কৰিছিল মুছলমান পণ্ডিতসকলে। ষষ্ঠদশ শতিকাৰ পাছৰ লেখকসকলে বিশেষকৈ বাবৰ, আমিৰ খুছৰো, শ্বেখ চাদি, আলবেৰুণি, জাহানাৰা, দাৰা শ্বিকো আদিৰ লেখাত প্ৰাচীন ভাৰতীয় দৰ্শন আৰু সংস্কৃতিৰ প্ৰতি অগাধ ভক্তি-শ্ৰদ্ধা প্ৰদৰ্শন কৰা হৈছে।

## বৃটিছৰ মুছলমান বিদ্বেষ

ভাৰতত বৃটিছ বণিকে তুলাদণ্ড এৰি ৰাজদণ্ড হাতত লওঁতে বংগৰ পৰা সিন্ধু, অৱধৰ পৰা শ্ৰীৰংগপট্টমলৈ দেশখনৰ সৰহ অংশ মুছলমান ৰজাৰ অধীনত আছিল। স্বাভাৱিকতে মুছলমান জনসাধাৰণ বৃটিছ বিৰোধী হৈ পৰিছিল আৰু বহু যুদ্ধ-বিগ্ৰহত লিপ্ত হৈছিল। ফলত বৃটিছৰো মুছলমানৰ ওপৰত প্ৰতিশোধ লোৱাৰ চিন্তা আছিল। আৰম্ভণিতে শাসন আৰু শোষণত বৃটিছে উচ্চ বৰ্ণৰ সহযোগ পাইছিল। তাৰো কাৰণ আছিল উচ্চবৰ্ণৰ মুছলমান বিৰোধী অৱস্থান। বৃটিছৰ প্ৰত্যক্ষ সাহায্যত হিন্দু-মুছলমানৰ মাজত বিভেদ সৃষ্টি অ-লিখিত চৰকাৰী নীতি হৈ পৰিছিল। বুৰঞ্জীৰ পৰা সাহিত্যলৈকে সকলোতে বহুত ভেজাল তথ্য ভৰোৱা হ'ল এইবোৰৰ কুফল ভাৰতীয়ই আৰু বহু বছৰলৈ ভুগিব লাগিব।

বৃটিছে শাসনত সহায় কৰিব পৰা ঔপনিবেশিক শিক্ষা ব্যৱস্থা কৰিছিল। কিছু উদাৰ, মানৱতাবাদী বৃটিছ বিষয়াৰ পৃষ্ঠপোষকতাত ইউৰোপীয় শিক্ষাৰ সৰ্বোৎকৃষ্ট অংশও অল্প সংখ্যক ভাৰতীয়ৰ আয়ত্তলৈ আহিছিল। কিন্তু উগ্ৰ বৃটিছ বিৰোধিতাৰ বাবে মুছলমানৰ মাজত ইংৰাজী শিক্ষা পোৱা মানুহৰ সংখ্যা আছিল তেনেই নগণ্য। তাৰ কেইবাটাও কাৰণৰ ভিতৰত প্ৰধান হ'ল (১) বৃটিছৰ মুছলমানক বঞ্চিত কৰাৰ অ-লিখিত নীতি, (২) মুছলমান মোল্লা আৰু উলেমা (পণ্ডিত)ৰ ইংৰাজী শিক্ষাৰ প্ৰবল বিৰোধীতা। ঊনৈশ শতিকাৰ শেষতো মুছলমানৰ বাবে ইউৰোপীয় আৰ্হিৰ শিক্ষাৰ বাবে এংলো ওৰিয়েন্টেল কলেজ (আলিগড়ত) পাতিবলৈ গৈ চৈয়দ আহমদ আৰু আব্দুৰ ৰহমানৰ কেনে দুৰ্গতি হৈছিল আগতেই কৈছো। চৈয়দ আহমদে সাহায্য পাইছিল ৰামমোহন ৰায়, বিদ্যাসাগৰ, বাৰানসীৰ ৰজা, দ্বাৰভাংগাৰ মহাৰজাৰ পৰা।

## শিক্ষিত মুছলমানৰ অৱস্থা

পশ্চিমীয়া শিক্ষাৰ প্ৰতি পিঠি দিয়াৰ ফলত খুব কম সংখ্যক মুছলমানে এনে শিক্ষা পালে। এই আশ্ৰফ (সম্ভ্ৰান্ত) সকলে শিক্ষা আৰু সংস্কৃতিৰে পুৰা-পুৰি চাহাব হৈ পৰিল। কবি ইকবালৰ ভাষাত 'More English than the English'। তেওঁলোকে বাকী শতকৰা ৯৯ জন মুছলমানক ঘৃণা আৰু পুতৌৰ দৃষ্টিৰে চাবলৈ ললে। এওঁলোক চাকৰি আৰু সংস্কৃতিৰে বৃটিছ সমৰ্থক আৰু আনফালে মোল্লাৰ নেতৃত্বত গৰিষ্ঠ সংখ্যক মুছলমান শ্ৰমিক-কৃষক-কাৰিকৰ হ'ল বৃটিছ বিৰোধী। ইতিমধ্যে প্ৰতিষ্ঠা হোৱা জাতীয় কংগ্ৰেছে মুছলমান সকলক হিন্দুসকলৰ সমানে মৰ্যাদা দিয়াৰ অংগীকাৰৰ ভিত্তিত মুছলমান শ্ৰমিক-কৃষক জাতীয় মুক্তি সংগ্ৰামত কংগ্ৰেছৰ অংশীদাৰ হৈ পৰিল। ১৯৩০ চনৰ পাছত কংগ্ৰেছত হিন্দুবাদে গা কৰা আৰু চল্লিশৰ দশকত বৃটিছৰ অনুগত মুছলমান সম্ভ্ৰান্তই উত্তেজনাৰ ঢৌত সাধাৰণ মুছলমানক উটাই নি দেশ বিভাজন দাবী কৰা সুকীয়া আলোচনাৰ বিষয়। যি এমুঠি মুছলমানে পশ্চিমীয়া শিক্ষা পালে তেওঁলোকৰ ভিতৰত আভিজাত্যৰ অহংকাৰ সৃষ্টি হ'ল, কিন্তু বৈজ্ঞানিক দৃষ্টিভংগী নাহিল। বিজ্ঞান-প্ৰযুক্তিৰ প্ৰতি কোনো আকৰ্ষণ সৃষ্টি নহ'ল। ভাৰতীয় সকলো ধৰ্মীয় গোষ্ঠীয়েই বিজ্ঞান-প্ৰযুক্তি আৰু উদ্যোগৰ গুৰুত্ব বুজি কম-বেছি পৰিমাণে উদ্যোগৰ ভেটি গঢ়িলে। কিন্তু মুছলমানৰ মাজত এই চেতনাটো কেতিয়াও নাহিল। শিক্ষিত মুছলমানে আমোলা-বিষয়া হোৱাটোকে শেষ লক্ষ্য হিচাপে ললে। ফলত মুছলমান শ্ৰমিক-কৃষক, কাৰিকৰ হস্তশিল্পীয়ে যান্ত্ৰিক কৌশল নেপালে; বংশানুক্ৰমিক বা গুৰুৰ পৰা পোৱা বিদ্যা (শাৰ্গিদ পেশা) সম্বল হৈ থাকিল। অৱস্থাটো আজি প্ৰায় একে অৱস্থাতে আছে। মধ্যবিত্তীৰ ঈৰ্ষা আৰু বৃটিছৰ পৰোক্ষ উচটনিত শিক্ষিত মুছলমানে বিচাৰিলে দেশ বিভাজন। খৰ-খেদাকৈ ক্ষমতা দখলৰ আশাত দুয়ো পক্ষৰ নেতাসকলে লগোৱা খেলি-মেলিত লাখ-লাখ নিৰীহ মানুহৰ তেজৰ সোঁত বৈ গ'ল।

ধৰ্মৰ ভিত্তিত গঠিত ৰাষ্ট্ৰৰ অৰ্থনীতি, ৰাজনীতি কি হ'ব কাৰো ধাৰণা নাছিল। আজিও নাই। শিক্ষিত সম্ভ্ৰান্ত মুছলমান গ'ল পাকিস্তানলৈ। সংখ্যা গৰিষ্ঠ শ্ৰমিক-কৃষক, খাটি খোৱা মানুহ থাকি গ'ল ভাৰতত। দেশ বিভাজনৰ বাবে কথাই-কথাই দায়ী কৰা হয় এই অজ্ঞ মানুহেখিনিক। ভাৰতীয় মুছলমানৰ মাজত হীনমন্যতা আৰু বিচ্ছিন্নতাবোধ জগাবলৈ হিন্দু সাম্প্ৰদায়িক দলবোৰে চলোৱা চেষ্টা তেওঁলোকে ভবাতকৈও বেছি সফল হৈছে। তাৰে ফলশ্ৰুতি হিচাপে মোল্লা আৰু মুছলমান সম্প্ৰদায়িকতাবাদীহঁতৰো প্ৰভাব বাঢ়ি আহি ভাৰতীয় মুছলমানে গতিহীন পিতানিত সোমাই পৰা যেন হৈছে। বৃটিছ বিৰোধী সংগ্ৰামত মুছলমানৰ বৃহত অৱদানক তেনেই ক্ষুদ্ৰ কৰি দেখুৱাৰ প্ৰৱণতা চলি আছে। ইও হীনমন্যতা বঢ়াইছে। জাতীয় মুক্তি সংগ্ৰামত মুছলমানৰ অৱদানৰ বিষয়ে শান্তিময় ঘোষৰ প্ৰামান্য গৱেষণামূলক গ্ৰন্থ MUSLIM CONTRIBUTION TO BREEDOM MOVEMENT, PEOPLES PUBLISHING HOUSE, DELHI, কৌতুহলী পাঠকৰ বাবে অৱশ্য পাঠ্য।

## ৰাষ্ট্ৰ আৰু জাতি গঠনত ধৰ্মৰ ভূমিকা নাই

ধৰ্মই ব্যক্তিৰ দৃষ্টিভংগীত হয়তো প্ৰভাব পেলাব পাৰে, কিন্তু জাতি আৰু ৰাষ্ট্ৰ গঠনত সহায় কৰিব নোৱাৰে। পাকিস্তানৰ পৰা বাংলাদেশ ফাটি অহা, আৰব ৰাষ্ট্ৰ সমূহৰ পৰস্পৰ খোৱা-কামোৰা আৰু ইউৰোপৰ খৃষ্টিয়ান ৰাষ্ট্ৰ সমূহলৈ চালেই কথাটো পৰিষ্কাৰ হ'ব। পাকিস্তানৰ ভিতৰতে পাঞ্জাবী, সিন্ধী, বেলুচী, পাঠান আৰু ভাৰতৰ পৰা যোৱা মোহাজিৰ (প্ৰব্ৰজনকাৰী)ৰ মাজৰ সংঘাত বিস্ফোৰক অৱস্থাত আছে। পাকিস্তানৰ জন্মৰ পৰাই বাস কৰা স্বত্বেও ভাৰতৰ পৰা যোৱা সকলক কোনেও পাকিস্তানী নোবোলে, বোলে মোহাজিৰ অৰ্থাৎ প্ৰব্ৰজনকাৰী। এই কথাটোৱেই সাংঘাতিক অৰ্থব্যঞ্জক আৰু তাৰ ব্যাখ্যা অপ্ৰয়োজনীয়। তুৰ্কী, আৰব, ইৰাণ, কুৰ্দ, তাজিক, উজবেক, পাঠান, পাখতুন প্ৰত্যেকেই নিজৰ জনগোষ্ঠীৰ স্বকীয়তা (ethnicity)ক লৈ গৌৰৱ কৰে, মুছলমান হিচাপে নহয়। গোষ্ঠীগত স্বকীয়তা ৰক্ষাৰ বাবে যুদ্ধও হৈছে, গৃহযুদ্ধও হৈছে। ইৰাক, চোমলিয়া আৰু বৰ্তমানৰ আফগানিস্তানলৈ চালেই হ'ল। আচলতে ধৰ্মীয় ৰাষ্ট্ৰ বোলা কথাটোৱেই অৰ্থহীন। বৃটিছৰ বিভেদ নীতি, নেতা সকলৰ পৰস্পৰ অবিশ্বাস আৰু সহজে ক্ষমতাত অধিষ্ঠিত হোৱাৰ বাসনাৰ ফলত ধৰ্মৰ ভিত্তিতে বিভাজন হ'ল ভাৰতবৰ্ষৰ। খৰ-খেদাকৈ ব্যৱস্থাটো মানি লোৱা সকলেই আজি ওলোটাত খৰ মাৰি জগৰীয়া কৰে অজ্ঞ শ্ৰমিক-কৃষকক।

মুছলমানৰ বাবে সাধাৰণ শিক্ষা, কাৰিকৰী শিক্ষা, বিজ্ঞান-প্ৰযুক্তিৰ কৌশল আয়ত্ত কৰা, উদ্যোগৰ ভিত্তি পত্তন কৰা, শ্ৰমিক-কৃষকৰ অৱস্থা উন্নত কৰিব পৰা অৰ্থনৈতিক কাৰ্যসূচী আদিৰহে প্ৰয়োজন আছিল। বেলেগ ৰাষ্ট্ৰ, বেলেগ জাতীয়তাৰ দাবীৰে চমক সৃষ্টি কৰি মুছলমানসকলক মধ্যযুগীয় ব্যৱস্থাৰ মাজতে ৰাখি থোৱাৰ ষড়যন্ত্ৰ কৰিলে নেতা সকলে। আজি আঢ়ৈ কুৰি বছৰৰ পাছত পুনৰ ধৰ্মীয় কথাবোৰক ইচু কৰি, আবেগৰ জোৱাৰত উটাই নি আৰ্থ-সামাজিক দুৰৱস্থাৰ কথা পাহৰাই অন্ধকাৰ ভৱিষ্যতলৈ নিয়াৰে ষড়যন্ত্ৰ চলিছে।

## চুফিবাদৰ প্ৰভাৱ

ভাৰতত ইচলাম ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰৰ মূল কামটো কৰিছিল চুফি সন্ত সকলে। উদাৰতা, সহ-অৱস্থান, মিলা-প্ৰীতি আৰু সমন্বয়ৰ বাণীৰে তেওঁলোকে বৰ্ণবিভাজনেৰে দুৰ্বল হৈ পৰা ভাৰতীয়ক সাম্য-মৈত্ৰী-ভাতৃত্বৰ ডোলেৰে বান্ধিছিল। নিজামুদ্দিন, মঈনুদ্দিন, বাবা ফৰিদ (শংকৰগঞ্জ), গেচু দৰাজ, বন্দে নৱাজ, গিয়াচুদ্দিনৰ পৰা আমাৰ শ্বাহ মিলাণলৈকে অসংখ্য চুফি সন্তৰ অনুগামীৰ মাজত সকলো ধৰ্মৰে মানুহ আছিল। আজিও আছে। ভাৰতৰ নিচিনা দেশত আজিৰ পৰিস্থিতিত সেই সন্তসকলৰ সমন্বয়ৰ বাণীৰ প্ৰাসংগিকতা বাঢ়িছেহে। মোল্লাসকলৰ বাবে সমন্বয়ৰ বাণীয়ে আৰ্থিক লাভ, সামাজিক প্ৰতিপত্তি নবঢ়ায়। জাত-পাতৰ বিভাজন নাথাকিলে নেতা সকলৰ নেতৃত্ব নাথাকে। গতিকে তেওঁলোকে চুফিবাদক একেষাৰতে নাকচ কৰে হিন্দুবাদৰে নামান্তৰ বুলি। কিন্তু সাধাৰণ মানুহৰ বাবে চুফিবাদ মহান সমন্বয়ৰ প্ৰতীক। আজিৰ পৰিস্থিতিত চুফি সন্তসকলৰ জীৱন আৰু বাণী বহলাই আলোচনা কৰাৰ প্ৰয়োজন আছে।

## ইচলামী পৰিচয় আৰু পৰম্পৰা

আভ্যন্তৰীণ শৃংখলা ৰক্ষাৰ বাবে ইচলামৰ পাঁচটো মূল বিশ্বাস বা আৰ্কান আছে। মন আৰু শৰীৰৰ কলুষতা আঁতৰাবলৈ কলিমা, নামাজ (লগত ৱজু), সময়ানুবৰ্তিতা শিকাবলৈ নামাজৰ নিৰ্দিষ্ট সময়, লোভ এৰি মিতব্যয়ী হবলৈ আৰু অভাৱ অনাটন ভগাই লবলৈ ৰোজা (লগত ফিটৰা), জাকাত, বিভিন্ন ঠাইৰ মানুহৰ লগত ভাবৰ আদান-প্ৰদান কৰি মনটো বহল আৰু উদাৰ কৰিবলৈ হজ। এই সুন্দৰ ব্যৱস্থাবোৰৰ অন্তৰ্নিহিত যুক্তিবাদী ধাৰণাটো উপলব্ধি নকৰাকৈ কেৱল কৰিব লাগে বাবে কৰি থকাৰ ফলত উদ্দেশ্যই হেৰাই গৈছে।

ইচলামী বিপ্লৱৰ প্ৰধান হাতিয়াৰ হ'ল জিহালত্ (অজ্ঞানতা)ৰ বিৰুদ্ধে যুদ্ধ। অথচ আজিৰ মুছলমানৰ শিক্ষাৰ অৱস্থা পুতৌলগা। প্ৰাথমিক বিদ্যালয়লৈ মাত্ৰ ১২% মুছলমান ছাত্ৰ-ছাত্ৰী যায়। মজলীয়া বিদ্যালয়লৈ প্ৰায় ১০%, উচ্চ বিদ্যালয়লৈ ৪%, মহাবিদ্যালয়লৈ ২.৫%, স্নাতকোত্তৰ বা তাতকৈ ওপৰৰ বিদ্যায়তনলৈ ১.২%। বাকী শিশু আৰু কিশোৰে ৪/৫ বছৰ বয়সৰ পৰাই চাকৰ, মগনিয়া, বিড়ি আদি হস্তশিল্প, গেৰেজ, মাল কঢ়িউৱা আদি অসংখ্য ক্ষেত্ৰত শ্ৰমিক হিচাপে জীৱন আৰম্ভ কৰে। অঞ্চল বিশেষে কিছু তাৰতম্য থাকিলেও অৱস্থাটো যে ভাৰতীয় পৰিবেশতো অত্যন্ত পিছ পৰা তাক

অস্বীকাৰ কৰাৰ উপায় নাই ।

যুক্তিবাদী শিক্ষাৰ অভাৱত সাধাৰণ মুছলমান অন্ধবিশ্বাসী আৰু অন্ধঅনুকৰণকাৰী । মোল্লাই নিজৰ গুৰুত্ব বজাই ৰাখিবলৈ মাদ্রাছা পতাত জোৰ দিয়ে । মাদ্রাছাত বাস কৰা আৰু শিক্ষা দিয়া ব্যৱস্থা মধ্যযুগতকৈ অকণো আগবঢ়া নাই । পাঠ্যক্রমত না আছে বিজ্ঞান-প্রযুক্তিৰ ধাৰণা, না ধৰ্মৰ বুৰঞ্জী, না আছে ভূগোল আৰু ইচলামী আৰু আন সংস্কৃতিৰ অধ্যয়ন, না সামাজিক; ৰাজনৈতিক, অৰ্থনৈতিক অৱস্থা বিশ্লেষণ কৰিব পৰা জ্ঞান । মাদ্রাছাৰ পৰা ওলাই অহা ছাত্র মোল্লা হোৱাত বাদে আন কোনো কামৰে উপযুক্ত নহয় । তেওঁলোকেও সেই একে ঠেক চিন্তা, অন্ধ বিশ্বাস, অন্ধ অনুকৰণ শিকোৱাৰ বাহিৰে গঠনমূলক একো কৰিব নোৱাৰে । তাবিজ, ভূত, প্রেত, জিনৰ দ্বাৰা ভাইৰাচ-বেক্টেৰিয়াৰ লগত যুঁজিব বা চান্দাৰ বহী হাততলৈ পেট প্রৱতাব । আনৰ কথা নাই নিজৰ পৰিয়ালটোকে প্রগতিশীল ধ্যান-ধাৰণা দিব পৰা ক্ষমতা তেওঁলোকৰ নাই ।

## শ্বৰীয়তৰ ব্যাখ্যা আৰু অপব্যাখ্যা

সাধাৰণ মানুহৰ ধাৰণাত শ্বৰীয়ত মানে বহু বিবাহ কৰাৰ, যধে-মধে তালাক দিয়াৰ অধিকাৰ । বিষয় বস্তুৰ অধ্যয়ন নথকা বাবে কলেজীয়া দিনত বিষয়টো ওলালেই আমি নীচাম্খিকা বোধত ভুগিছিলো । আচলতে শ্বৰীয়ত মানে নীতি-নিয়ম (সংহিতা/civil code) । মধ্যযুগৰ ইচলামী সমাজখন চলিবলৈ সৃষ্টি হৈছিল এই নীতি-নিয়মবোৰ । ইচলামী সমাজখন পোণতে প্রতিষ্ঠা হৈছিল আৰবৰ আটাইতকৈ বৰ্বৰ মানুহখিনিৰ মাজত । সেই অৱস্থাৰ পৰিপ্ৰেক্ষিতত এইবোৰ আছিল বিপ্লৱী নীতি-নিয়ম । মাত্র দুশ বছৰ আগতে আমেৰিকাত দাস প্রথা বন্ধ কৰিবলৈ গৈ গৃহযুদ্ধ হৈছিল । চৈধ্যশ বছৰৰ আগতে আৰবত তিৰোতা বেচা-কিনা বন্ধ কৰাটো তাতকৈ বহু গুণে টান কাম আছিল । য'ত ধনী আৰু বলীয়ে কুৰিয়ে কুৰিয়ে নাৰী দাসী সংগ্ৰহ কৰিছিল । তাত সামাজিক ভাবে স্বীকৃতি পোৱা চাৰি গৰাকীত সীমা বান্ধি দিয়াটো, মন গলেই বেচি বা খেদি দিয়াৰ ঠাইত নিৰ্দিষ্ট নিয়মেৰে তালাক দিয়া ব্যৱস্থাটো কিমান বিপ্লৱী পদক্ষেপ আছিল আজি অনুমান কৰাটো টান হ'ব ।

শ্বৰীয়তৰ নিয়মমতে বিয়াৰ আগতে নাৰী গৰাকীৰ সন্মতি ৰাজহুৱা ভাবে লোৱা, বিয়াৰ পাছত নাৰী গৰাকীৰ হাতত নিৰ্দিষ্ট পৰিমাণৰ ধন-সম্পত্তি (মেহেৰ) জমা দিয়া, ভৰণ-পোষণ, সন্তানৰ দায়িত্ব, বৃদ্ধ-বৃদ্ধাৰ দায়িত্ব, নাৰীক সম্পত্তিৰ অধিকাৰ দিয়া ব্যৱস্থা চৈধ্যশ বছৰৰ আগতে অতি প্রগতিশীল ব্যৱস্থা আছিল । এই নিয়মবোৰ ভংগকাৰীৰ শাস্তিৰ ব্যৱস্থাও আছিল লক্ষ্যনীয় । আজি ইমান বছৰৰ ব্যৱধানৰ পৰা ব্যৱস্থাটোৰ হাস্যকৰ যেন লাগিলেও তেতিয়া এই নিয়মবোৰ চলোৱা কম কথা নাছিল ।

দেশ, কাল, স্থানীয় ৰীতি-নীতি আৰু পৰম্পৰাৰ লগত সংগতি ৰাখি শ্বৰীয়তৰ ব্যাখ্যা বেলেগ হোৱাৰ অজস্র উদাহৰণ আছে । ইচলামী দেশবোৰত বহু বিবাহ কাহানিবাই নিষিদ্ধ হৈছে । এসময়ত শ্বৰীয়তৰ বিৰোধী বুলি ভবা পৰিয়াল পৰিকল্পনা ব্যৱস্থা প্রায়বোৰ দেশে চৰকাৰী ভাবে গ্রহণ কৰিছে । আলজিৰিয়াৰ পৰা চীনলৈকে বিভিন্ন দেশত শ্বৰীয়তৰ ব্যাখ্যা বেলেগ হৈছে । বিখ্যাত দাৰ্শনিক আৰু শ্বৰীয়তৰ ব্যাখ্যাকাৰী ইব্‌নে আৰাবীৰ ভাষাত 'Posterity has left us only words. It is for us to give them a meaning.' ঠেক পিতনিৰ ঢৌ আৰু সাগৰৰ ঢৌ একে নহয় । আখৰে আখৰে চৈধ্যশ বছৰ পুৰণি নীতি খামুচি ধৰি থকাটো ইচলামী ইজ্‌তিহাদ (বিবৰ্তন/ৰূপান্তৰ)ৰ ধাৰণাৰ পৰিপন্থী ।

ইচলামে নাৰীক যথেষ্ট গুৰুত্ব আৰু সন্মান দিছে । খদিজা, আয়েশা, ফাতেমাৰ স্থান কিমান উচ্চ আছিল সেই সম্পৰ্কে বহল আলোচনা হলেহে সাধাৰণ মুছলমানে সেই কথাটো বুজি পাব । শ্বৰীয়ত সম্পৰ্কীয় ব্যাখ্যাত নাৰীৰ মতামত সংগ্ৰহো প্রয়োজনীয় কথা । মুঠতে শ্বৰীয়ত সম্পৰ্কীয় দৃষ্টিভংগী উদাৰ আৰু যুগৰ লগত খাপখোৱা হ'ব লাগিব । নহলে শ্বৰীয়তৰ দোহাই দি অসংখ্য অপকৰ্ম চলি থাকিব ।

## আজিৰ মুছলমানৰ অৱস্থা

আজিৰ মুছলমানৰ সামাজিক চেতনা মুঠেই নাই । নাই সংস্কৃতি, সাহিত্য চৰ্চা আৰু গঠনমূলক দষ্টিভংগী । নৃত্য আৰু সংগীত মন্দিৰৰ চৌহদৰ বাহিৰলৈ আনি ধৰ্ম নিৰপেক্ষ ৰূপ দিয়া মুছলমান সংগীতজ্ঞসকলৰ কথা জনা মানুহ খুব কম । এইবোৰ কথাৰো আলোচনাৰ প্রয়োজন আছে । মোল্লাসকলে নৃত্য-গীত, কলা-কৃষ্টি সকলো (নিষিদ্ধ) কৰি বহি আছে । মানুহে মুছলমানৰ সংস্কৃতি মানে লক্ষ্ণৌৱী পোচাক পিন্ধি কাৱালি গোৱা বুলিহে ভাবে । স্থাপত্যৰ ক্ষেত্রত এসময়ত গম্বুজ নিৰ্মাণ পদ্ধতি আছিল উন্নত কাৰিকৰী কৌশলৰ নমুনা । যোৱা ৪/৫ শ বছৰত কত নতুন আহিলা আৰু কৌশল আহিল, অথচ মুছলমানৰ কাৰিকৰী জ্ঞান সেই মধ্যযুগৰ গম্বুজ নিৰ্মাণতে থাকিল । একেই স্থবিৰতা বিৰাজ কৰিছে আজিৰ মুছলমানৰ ধ্যান-ধাৰণাৰ প্রতিটো স্তৰতে ।

উৰ্দু মুছলমানৰ ভাষা নহয়, ভাৰতীয় ভাষা । কিন্তু বৰ্ণমালা আৰবী হোৱা বাবে বহুতৰে ধাৰণা ই মুছলমানী ভাষা । মোগল সৈন্যবাহিনীত ব্যৱহাৰিক কাম-কাজ চলাবলৈ স্থানীয় ভাষাৰ লগত আৰবী আৰু পাৰ্চী শব্দ সংযোগ কৰি উৰ্দু ভাষা সৃষ্টি হৈছিল । মিৰ্জা গালিবৰ পৰা প্রেমচান্দলৈকে বিখ্যাত উৰ্দু কবি-সাহিত্যিকে ভাষাটোৰ মানদণ্ড উচ্চ স্থানলৈ নিছিল । আজি মুছলমানৰ ভাষা বুলি পৰিচয় দিব খোজাৰ ফলত, বিশেষকৈ পাকিস্তানৰ ৰাষ্ট্রভাষাৰ স্বীকৃতি পোৱাৰ পাছত, আহিল স্থবিৰতা । নতুন চিন্তা, নতুন জ্ঞান, সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক বিকাশৰ অভাৱত এই শক্তিশালী ভাষাটো মৰহি গৈছে । ঠিক একেদৰে নৃত্য-গীত, কবিতা-সাহিত্য আদিৰ অভাৱত সাধাৰণ মুছলমানৰ জীৱনো নিৰস আৰু নিৰানন্দ হৈ পৰিছে । এনে স্থবিৰ অৱস্থাত মানৱীয় গুণ সমূহৰ বিকাশ স্তব্ধ হৈ পৰিবলৈ বাধ্য ।

## সাম্প্রদায়িক সংঘৰ্ষবোৰৰ প্ৰভাৱ

দেশ বিভাজনে সৃষ্টি কৰা ভুল বুজা-বুজিৰ সুযোগ গ্রহণ কৰিবলৈ ৰাজনৈতিক দলবোৰ সদা তৎপৰ । ৰাজনৈতিক উদ্দেশ্যৰে সাধাৰণ সামাজিক ঘটনাক (মেদাহী-জুৱাৰীৰ কাজিয়া, গুণ্ডামি, আন্তঃসাম্প্রদায়িক বিয়া আদিক) সাম্প্রদায়িক সংঘৰ্ষলৈ ৰূপান্তৰ কৰাৰ চেষ্টা আৰম্ভ হ'ল । মোৰাদাবাদ, মিৰাট, হাশিমপুৰ, মালিয়ানা, আলিগড়, ভিৱাণ্ডি, ভাগলপুৰ, নাৱাদা, জামশেদপুৰ, বাদাউন, বাৰানসী, হাইদৰাবাদ আদিত ঘনাই হৈ থকা সাম্প্রদায়িক সংঘৰ্ষবোৰ আৰম্ভ হয় সাধাৰণতে হিন্দু আৰু মুছলমান উভয় সম্প্রদায়ৰ মদাহী-জুৱাৰীৰ কাজিয়াৰ পৰা । এইবোৰত লক্ষ্যনীয় কথা দুটা হ'ল – (১) এইবোৰ ঠাইত মুছলান কাৰিকৰ, হস্তশিল্পী আদিয়ে ভাৰতৰ অন্য ঠাইৰ তুলনাত অৰ্থনৈতিক ভাবে যথেষ্ট আগ বাঢ়িছে । (২) ঘনাই হৈ থকা সাম্প্রদায়িক সংঘৰ্ষবোৰত ক্ষতিগ্রস্ত হয়গৈ মুছলমানসকল । প্রাণহানি, অংগহানিৰ উপৰিও চকুত পৰি যোৱা কথাটো হ'ল পৰিকল্পিতভাবে মুছলমানৰ সম্পত্তি, অৰ্থনৈতিক ভেটি, জীৱিকাৰ উপায়বোৰ ধ্বংস কৰাৰ প্রচেষ্টা । দুষ্কৃতিকাৰীয়ে শাস্তিও নাপায়, ক্ষতিগ্রস্তই উপযুক্ত ক্ষতিপূৰণ আৰু পুনৰ সংস্থাপনৰ সুবিধাও নাপায় । বাতৰি কাকতবোৰ যিহেতু মোটা-মুটি উচ্চ বৰ্গৰ দখলত, গতিকে বাতৰি পৰিবেশনো এনেদৰে হয় যে সাধাৰণ মানুহে বিশ্বাস কৰিবলৈ বাধ্য হয় পাকিস্তানৰ পৰা অস্ত্ৰ আনি, আৰবৰ পৰা টকা আনি মুছলমানবোৰে ধ্বংসলীলা চলাইছে । সত্যটো উদ্‌ঘাটিত হয়গৈ মানে হিংসা অন্য ঠাইলৈ বিয়পে আৰু ক্ষতিগ্রস্ত হয় মুছলমানেই । চৰকাৰী তদন্তৰ ৰিপৰ্টবোৰতে পোৱা যায় ৰাজনৈতিক নেতাৰ পৰা শান্তিৰক্ষক পৰ্যন্ত দুষ্কৃতিকাৰীৰ পক্ষত থিয় হোৱাৰ কথা । এইবোৰ ঘটনাই মুছলমান মৌলবাদীক সহায় কৰে । আক্রান্তৰ মনৰ ভয় সংশয়ৰ পৰা ৰাজনৈতিক সুবিধা আদায় কৰিবলৈকো নেতাসকলে চেষ্টা কৰে ।

হূলেৰে হূল কঢ়াৰ মধ্যযুগীয় ব্যৱস্থা কোনো যুক্তিৰেই সমৰ্থন কৰিব নোৱাৰি । সকলো সম্প্রদায়ৰে যুক্তিবাদীসকলে আগবাঢ়ি আহি অশান্তি আৰম্ভ হোৱাৰ লগে লগে আৰু আগজাননী পাওঁতেই গণতান্ত্রিক উপায়েৰে সমাধানৰ পথ উলিওৱাৰ বাহিৰে গত্যন্তৰ নাই । চৰকাৰী ব্যৱস্থাই অমানবীয়তা আৰু পশুত্ব নাইকিয়া কৰিব নোৱাৰে ।

## শিক্ষিত মুছলমানৰ কৰ্তব্য

শিক্ষা আৰু সামাজিক প্রতিষ্ঠাৰে পিতনি সদৃশ স্থবিৰ অৱস্থাৰ পৰা যি এমুঠি মুছলমান ওলাই আহিছে তেওঁলোক সাধাৰণতে অহংকাৰী আৰু স্বাৰ্থপৰ । তেওঁলোকৰ জাতীয় পৰিচয়, ঐতিহ্য, পৰম্পৰা আৰু সংস্কৃতিৰ জ্ঞান নথকা বাবে পশ্চিমৰ অনুকৰণ আৰু অন্ধবিশ্বাসৰ মাজত দোদুল্যমান হৈ থাকে । বাকী সকলক উদ্ধাৰ কৰাৰ ক্ষেত্রত, সেই সকলৰ মাজত জ্ঞান-বিজ্ঞানৰ বিকাশৰ ক্ষেত্রত শিক্ষিত সকলৰ যে বিৰাট দায়িত্ব আছে এই কথাটো বুজি নোপোৱাটো বা অস্বীকাৰ কৰাটো দুৰ্বল পলায়নবাদী মানসিকতাৰ লক্ষণ ।

জ্যোতিৰ্বিজ্ঞান মুছলমান বৈজ্ঞানিকৰ দানেৰে ভৰপূৰ । অথচ আজিও খালি চকুৰে জোন বিচৰাৰ মূৰ্খামিটো চলি আছে । নৱম শতিকাতে মুনে খেৱিতে ক'ত কিমান সময়ত চন্দ্ৰ দৃশ্যমান হ'ব তাৰ তালিকা প্রস্তুত কৰিছিল । নামাজৰ সময় ঠিক কৰিবলৈ আছিল অল্ মুৱক্কিত (সময় নিৰ্ণয় কৰিব জনা মানুহ) । মছজিদৰ মিণাৰটো সজাৰ উদ্দেশ্য আছিল ছাঁ চাই সময় নিৰূপণ কৰা । আজি বিজ্ঞানৰ ইমান অগ্রগতি হৈছে যে পাৰ হৈ যোৱা আৰু আহি থকা হাজাৰ বছৰৰ দিন, ঘন্টা, মিনিটত চন্দ্ৰৰ অৱস্থান ক'ব পৰা যায় । এতিয়াও মোল্লাৰ পৰা চন্দ্ৰৰ খবৰ শুনিবলৈ ৰৈ থকাটোৱেই জনাই দিয়ে যে শিক্ষিত মুছলমানে নিজৰ সম্প্রদায়ৰ পিছ পৰা অৱস্থাৰ আচল কাৰণবোৰ বুজাই নাই আৰু তেওঁলোকো আচলতে অন্ধ অনুকৰণকাৰীহে । কা'বাৰ অৱস্থান মেপ চাই ঠিক নকৰি বেলি ডুব যোৱা চাই নিৰ্ণয় কৰিবলৈ মোল্লাৰ মুখলৈ চাই ৰৈ থকা মানুহে ভূগোলৰ শিক্ষা ক'ত খটাব ? ওখ মিণাৰটো যদি শিশু আৰু কিশোৰক সময়ৰ ধাৰণা দিবলৈকে ব্যৱহাৰ কৰিলেহেঁতেন তেতিয়া হলেও বিদ্যা-শিক্ষাৰ সামান্য হলেও ব্যৱহাৰ হ'লহেঁতেন ।

## সামাজিক চেতনাৰ বিকল্প নাই

খৃষ্টিয়ান, পাৰ্চী, জৈন, শিখ আদি সম্প্রদায়ৰ সামাজিক সংগঠনবোৰ আৰু তেওঁলোকৰ সামাজিক দায়বদ্ধতাৰ পৰা শিক্ষা ল'বলগীয়া আছে । এইবোৰ সম্প্রদায়ৰ মানুহ চাৰিওফালে সিঁচৰতি হৈ আছে, জনসংখ্যাও কম আৰু আন ভালেমান সীমাৱদ্ধতা স্বত্তেও শিক্ষা, সামাজিক চেতনা আৰু অৰ্থনৈতিক প্রতিষ্ঠাৰ ক্ষেত্রত আনুষ্ঠানিক ভাবে যথেষ্ঠ আগবাঢ়িছে । অভাবগ্রস্ত মুছলমান ছাত্র-ছাত্রীক বিদ্যালয়লৈ পঠাবলৈ, উচ্চ শিক্ষাৰ বাবে উদগনি আৰু জলপানিৰ ব্যৱস্থা কৰিবলৈ ক'ৰবাত মুছলমানৰ সংগঠন আছে জানো ? ভাল মোল্লা হবলৈকো যে আধুনিক শিক্ষা, আধুনিক ধ্যান-ধাৰণা অপৰিহাৰ্য এই কথাটোকে অনুভৱ কৰিবলৈ যিকণ সচেতনতা লাগে সেইকণেইনো দিয়ে কোনে ?

মুছলমান নাৰীৰ ওপৰত শ্বৰীয়ত আৰু ধৰ্মৰ নামত যাতে শোষণ আৰু অবিচাৰ নহয় তাৰ বাবে সজাগ প্রচেষ্টাৰ প্রয়োজন । সাধাৰণ শিক্ষা আৰু কাৰিকৰী শিক্ষাত নাৰীৰ অংশগ্রহণ সম্প্রদায়টোৰ উন্নতিৰ বাবে অপৰিহাৰ্য । ঘৰুৱা কামৰ লগত জড়িত বিদ্যা – ৰন্ধা, গোথা, চিলাই, ফুল তোলা, ৰঙৰ কাম, ইস্ত্রী, মোনা, পুতলা আদি সজাৰ দৰে সহজ কামৰ প্রশিক্ষণ পালেও নাৰীৰ অৱস্থা আৰু জীৱন ধাৰণৰ মানদণ্ড উন্নত হ'ব । শিশুৰ যত্ন আৰু শিক্ষাত সহায় হ'ব । আমি আগতে উল্লেখ কৰা শিক্ষিত অহংকাৰী মুছলমানৰ ঘৰৰ জীয়াৰীৰ টপলেচ বটমলেচ লিবাৰ্টিৰ শিক্ষা অৱশ্যে বৰ্জনীয় । এইবোৰ কামৰ তদাৰক আৰু ব্যৱস্থাপনাৰ বাবেও সামাজিক সচেতনতা লাগে, সংগঠন লাগে ।

গাঁৱৰ মুছলমান কৃষক আৰু কৃষি শ্রমিকৰ ওপৰত চৰকাৰী আমোলা আৰু স্থানীয় নেতাৰ শোষণৰ (শোষকৰ জাতি-ধৰ্ম অৰ্থহীন) বিস্তৃত অধ্যয়ন প্রয়োজন । এনে অধ্যয়ন চলাই প্রতিকাৰৰ ব্যৱস্থা কৰিবলৈকো তৃণমূল পৰ্যায়তে মজবুত সংগঠন প্রয়োজন । দৰিদ্র কৃষকে উৎপাদিত সামগ্ৰী বেচি লাভবান হবলৈকো সাংগঠনিক প্রচেষ্টা লাগে । যি সামান্য চৰকাৰী সুবিধাৰ ব্যৱস্থা আছে সেয়া যাতে তেওঁলোকে পায় তালৈকো সজাগ দৃষ্টি থাকিব লাগিব ।

নগৰীয়া মুছলমানৰ ৮০ শতাংশই দৰ্জী, মেকানিক, ড্ৰাইভাৰ, যোগালি, মুটিয়া, ফেৰিৱালা, ৰিক্সা-ঠেলা চালক, শ্রমিক বা অতি ক্ষুদ্ৰ পাৰিবাৰিক ব্যৱসায়ত স্ব-নিয়োজিত । তেওঁলোকৰ বিষয়ে তথ্য-পাতি সংগ্ৰহ কৰা, সতি-সন্ততিৰ শিক্ষা, জীৱন ধাৰণৰ মানদণ্ড আৰু বাসস্থানৰ অৱস্থা উন্নত কৰাৰ কথা চিন্তা কৰিব পৰা সংগঠন অতি প্রয়োজন ।

ৰেল, বেংক, বৃহৎ উদ্যোগ, প্রশাসনিক সেৱা, পুলিচ, প্রতিৰক্ষা, চৰকাৰী-বেচৰকাৰী প্রতিষ্ঠান ইত্যাদিৰ চাকৰি-বাকৰিত মুছলমানৰ সংখ্যা অতি নগণ্য, ২-ৰ পৰা ৫ শতাংশ মাত্র । তাৰো সৰহ ভাগেই নিম্ন স্তৰত । গৱেষণা, কাৰিকৰী বিভাগ, চিকিৎসা, শিক্ষা আদি বিভাগৰ উচ্চ স্তৰত এক শতাংশৰো কম । এইবোৰ তথ্য-পাতি

সুন্দৰভাবে সংগ্ৰহ কৰাটোও এটা প্ৰয়োজনীয় কাম।

কাৰিকৰ, দক্ষ শ্ৰমিক, হস্তশিল্পী আদিয়ে বেংকৰ ঋণ আৰু প্ৰচলিত চৰকাৰী ব্যৱস্থাবোৰৰ সাহায্য কাচিৎহে পায়। এইবোৰৰ কাৰণবোৰ অনুসন্ধান কৰিবলৈ আৰু গঠনমূলক আঁচনি লবলৈকো তৃণমূল পৰ্যায়ত সংগঠন লাগিবই। তথ্য-পাতি নোগোটোৱাকৈ আৰু কাৰণবোৰ অধ্যয়ন নকৰি কেৱল বৈষম্য আৰু বঞ্চিতকৰণৰ কথা চিঞৰি থাকিলে কাৰো লাভ নহয়।

## অনুপ্ৰবেশৰ সমস্যা

বাংলাদেশ আৰু নেপাল আমাৰ নিচেই ওচৰতে থকা দেশ, অতি দুখীয়া দেশ। ভাৰতৰ অৱস্থা সামান্যহে উন্নত। কিন্তু দালালৰ প্ৰচাৰ হ'ল – ভাৰতলৈ গলেই পাব পাচুৰ্যই প্ৰাচুৰ্য। ডাল-দৰিদ্ৰ মানুহবোৰে লাল-লাকটু বেচি দালাল, সীমান্তৰক্ষী, চৰকাৰী বিষয়াক ভেটি দি ভাৰতলৈ আহে। অনেক লেই-লেই চেই-চেই পাৰ হৈ কুকুৰ-মেকুৰীৰ দৰে থাকি দিন হাজিৰা কৰি বা কৃষি শ্ৰমিক, গৃহভৃত্য হিচাপে পেট প্ৰবৰ্তায়। দুই-চাৰি ভাগ্যবানে নৈৰ পাৰত বা ৰেল আলিৰ দাতিৰ ডোবা পিতনিত কৃষি কৰ্ম কৰি বা মাছ ধৰি বাস কৰাৰ সুযোগ পায়। বুজন সংখ্যক নাৰী আৰু শিশু মগনিয়া হয়। মন কৰিলেই দেখিব মুছলমানৰ মাজত জনসংখ্যা অনুপাতে মগনিয়াৰ সংখ্যা বহুত বেছি। তাৰ কাৰণবোৰ অধ্যয়ন কৰাৰো প্ৰয়োজন আছে।

অনুপ্ৰবেশৰ সুবিধা দি এচাম আমোলা-বিষয়াই ধন ঘটে। আন এচামে অনুপ্ৰবেশকাৰী চিনাক্তকৰণৰ নামত মুছলমান শ্ৰমিক-কৃষকক হাৰাশাস্তি কৰি, ভয় দেখুৱাই ধন ঘটে। সঁচা-সঁচিকৈ অনুপ্ৰবেশ বন্ধ হলে বহুতৰে সান্দহ খোৱা বালি তল যাব। সকলো মুছলমান সংগঠনেই অনুপ্ৰবেশ বন্ধ কৰিবলৈ সম্ভৱপৰ সকলো ব্যৱস্থা যাতে সীমান্ততে হয় তাৰ বাবে হেঁচা দিয়া উচিত। লোভী, ঠেকমনৰ ৰখিয়া-পৰীয়া-বিষয়া সকলে নিজৰ দোষ ঢাকিবলৈ নীৰিহ মুছলমানক কেৱল মুছলমান বুলিয়ে অত্যাচাৰ কৰিব, সেইটো কোনো পধ্যেই সমৰ্থনযোগ্য নহয়। এইবোৰ বিষয়ত সবল প্ৰতিবাদ কৰিবলৈ, প্ৰতিকাৰ বিচাৰিবলৈকো মজবুত সংগঠন লাগে।

## জীৱন যাপনৰ মান উন্নয়ন

স্বাস্থ্য ৰক্ষাৰ সাধাৰণ বিধিবোৰ, পৰিষ্কাৰ-পৰিচ্ছন্নতা, খোৱা পানীৰ ব্যৱস্থা, দুৰ্ঘটনা গ্ৰস্তৰ সাহায্য, পৰিয়াল পৰিকল্পনা ব্যৱস্থা আৰু শিশুৰ যত্ন লবলৈ নিখৰছে বা খুব কম খৰছতে ব্যৱস্থা ল'ব পাৰি। চৰকাৰী আঁচনিৰ সুবিধা ল'বলৈকো সচেতনতা লাগে। বিধবা আৰু বিচ্ছেদ হোৱা মহিলা, অনাথ শিশু আদিক পতিতা, মগনিয়া, চোৰ, জেপলুকা হোৱাৰ পৰা ৰক্ষা কৰিবলৈকো উপযুক্ত সংগঠন গঢ়িব লাগিব। ফিটৰা, জাকাত আদিৰ যোগেদি বৰ্তমান যি ধন সংগ্ৰহ হয় তাতকৈ বহুত বেছি সংগ্ৰহৰ থল আছে। এনেদৰে সংগৃহীত ধন দুৰ্নীতিপৰায়ণ নেতা, মোল্লা আৰু ব্যৱসায়ীৰ ভোগত লগাৰ ঘটনা বৰ কম নহয়। আনুষ্ঠানিক ভাবে আঁচনি কৰি, দুৰ্নীতি মুক্ত ভাবে খৰচ কৰিলে মাত্ৰ এই সংগৃহীত ধনেৰেও কিছুমান সমস্যা সমাধানৰ প্ৰাথমিক কামখিনি কৰিব পৰা যায়।

আখ্‌লাক অৰ্থাৎ চৰিত্ৰ (character and temperament) গঠনত ইচলামে যথেষ্ঠ গুৰুত্ব দিছে। কিন্তু আজিৰ মুছলমানৰ মাজত শৃংখলাৰ অভাৱ প্ৰতিশ্ৰুতি ৰক্ষাৰ অসমৰ্থতা, নৈতিক অধঃপতন, চোৰাং কাৰবাৰৰ পৰা আৰম্ভ কৰি আন আন অ-সামাজিক কাৰ্যকলাপেৰে পেট প্ৰবৰ্তোৱা অৱস্থাটো আহিছে। সামাজিক আৰু অৰ্থনৈতিক সংকট, শিক্ষা-দীক্ষা আৰু সাংস্কৃতিক কাৰ্যসূচীৰ অভাৱৰ পৰা এই অৱস্থা হৈছে। এই দোষ-ত্ৰুটিবোৰ আঁতৰাবলৈ সাংগঠনিক ভাবেই চিন্তা কৰিব লাগিব। সাংস্কৃতিক কাৰ্যকলাপ, নৃত্য-গীত, খেলা-ধূলা, চাৰু-কলা, নাটক, সাহিত্য, কবিতা – প্ৰতিটো ক্ষেত্ৰতে জনসংখ্যা অনুপাতে মুছলমানৰ অংশ গ্ৰহণ তেনেই কম। দৈনন্দিন জীৱন নিৰস নিৰানন্দ হোৱাৰ ফলত অপৰাধ প্ৰৱণতা বৃদ্ধি পায়। ইফালে কাজিয়া-পেচাল, মামলা-মোকৰ্দমাও মুছলমানৰ মাজত বেছি। ইচলামৰ প্ৰচাৰৰ সময়ত আৰব বিলাকে সামান্য কথাতে তৰোৱাল উলিয়াই দ্বন্দ্বযুদ্ধ কৰিছিল। পৰস্পৰক দেখিলে চালাম কৰা (শান্তিৰ আশীৰ্বাদ) প্ৰথাটো সেইবাবেই সৃষ্টি হ'ল। এতিয়াও চালাম কৰা প্ৰথা আছে কিন্তু অন্তৰ্নিহিত উদ্দেশ্য (spirit) বুজিব নোৱৰা বাবে চালামে হাই-কাজিয়া, মৰা-মৰি ৰোধ কৰিব পৰা নাই। গঠনমূলক কামত মুছলমানৰ অংশ গ্ৰহণ বৃদ্ধি কৰিবলৈকো সাংগঠনিক ভাবেই ব্যৱস্থা ল'ব লাগিব।

সাম্প্ৰদায়িক অশান্তি সৃষ্টিকাৰী, হত্যা, লুণ্ঠন আদিত জড়িত সকলে যাতে শাস্তি পায়, মহাজনী চৰকাৰী বৈষম্য আৰু অন্যায়ৰ যাতে সবল প্ৰতিবাদ কৰিব পাৰি, প্ৰয়োজনত যাতে আইনৰ ব্যৱস্থা ল'ব পাৰি, সংসদ আৰু বিধানসভাত প্ৰতিবাদ কৰিব পাৰি, গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিবলৈ প্ৰয়োজন হলে আন্দোলনৰ পথ লব পাৰি তাৰ বাবে সাংগঠনিক সবলতা অপৰিহাৰ্য।

## প্ৰথম আৰু শেষ কথা

ইচলামী ঐক্যৰ অবাস্তৱ আলোচনাৰে সামাজিক চেতনা নাহে। বৰং বিচ্ছিন্নতাবাদী মানসিকতা বাঢ়িব, বৈৰী ভাব সৃষ্টি হ'ব, আক্ৰমণ আৰু মিছা প্ৰচাৰৰ বলি হ'ব লাগিব। ভাৰতৰ ইতিহাস সমন্বয় আৰু সংহতিৰ ইতিহাস। ধৰ্মৰ নামত বলিয়ালি কৰি, সংঘৰ্ষৰ জুই জ্বলাই পাশবিক আনন্দ পোৱা মানুহ মুষ্টিমেয়। মহান ভাৰতীয় সংহতিৰ ঐতিহ্য ৰক্ষাৰ বাবে মুছলমান সকলেও আগ্ৰহ দেখুৱাব লাগিব। দ্বিতীয়তে মনত ৰাখিবলগীয়া কথা হ'ল মুছলমান বুদ্ধিজীৱী-চিন্তাবিদতকৈ অ-মুছলমান বুদ্ধিজীৱী-চিন্তাবিদে মুছলমানৰ সমস্যাবোৰ দাঙি ধৰাত, সমাধান বিচৰাত, অতি প্ৰতিকূল পৰিবেশতো সহায়ৰ হাত আগবঢ়োৱাত সদায় আগভাগ লৈ আহিছে। ভাৰতীয় জনগণৰ ইমান বিৰাট অংশ এটাক বাদদি ভাৰতৰ উন্নতিৰ কথা যে ভাবিব নোৱাৰি সেইটো সকলোৱে অনুভৱ কৰে। মুছলমানৰ সমস্যা সকলো শোষিত, নিপীড়িত মানুহৰ সমস্যা। সমগ্ৰ ভাৰতবাসীৰ সমস্যা। অনেক খলা-বমা, ঘাত-প্ৰতিঘাতৰ পাছতো মুছলমান সকলক উদ্ধাৰ কৰাত আগ্ৰহ দেখুওৱা অ-মুছলমান বুদ্ধিজীৱী আৰু সংগঠন এতিয়াও আছে। তেখেত সকলৰ সহায় আৰু পৰামৰ্শ সদায় বিচাৰিব লাগিব। তাৰ বাবে কৃতজ্ঞতা স্বীকাৰ কৰিবলৈকো শিকিব লাগিব। তেহে মুছলমানৰ বাবে প্ৰকৃততে কামত অহা কাৰ্যসূচীৰ সফল ৰূপায়ণ সম্ভৱ হ'ব। Good intention লাগে ঠিকেই। কিন্তু Good deed বেছি প্ৰয়োজন। বক্তৃতাৰে মঞ্চ কঁপোৱাতকৈ হাতে-কামে সামান্য ত্যাগ স্বীকাৰ কৰি সাংগঠনিক ভাবে আগবাঢ়ি যাওঁ আহক। ■





# মানবেন্দ্ৰ নাথ ৰয় আৰু নবমানবতাবাদ

হিৰণ্য কুমাৰ ভট্টাচাৰ্য্য

এটা নিবিড় সন্ধিয়া। সূত্ৰধাৰৰ সম্পাদক শ্ৰীহোমেন বৰগোহাঞিৰ লগত বহুতো কিৰাকিৰি আলোচনা কৰি আছিলো। হঠাতে প্ৰসঙ্গ সলনি হৈ মৌলিক চিন্তাচৰ্চাৰ কথা ওলাল। বৃটিছে ভাৰতবৰ্ষ নিজৰ অধীনলৈ নিয়াৰ পিছত ভাৰতবৰ্ষত মৌলিক চিন্তাচৰ্চ্চা কৰা মুষ্টিমেয় ব্যক্তিৰ কথা ওলোৱাত আমি চাৰি গৰাকী বিশিষ্ট, চিৰনমস্য ব্যক্তিৰ কথা কলো। ব্যক্তি চাৰি গৰাকী হ'ল–স্বামী বিবেকানন্দ, মহাত্মা গান্ধী, মানবেন্দ্ৰ ৰয় আৰু দীনদয়াল উপাধ্যায়। (শ্ৰীঅৰবিন্দ আৰু জয়প্ৰকাশক বাদ দিয়াৰ কাৰণ উল্লেখ এতিয়া ইয়াত নকৰো।) মানবেন্দ্ৰ ৰয়ৰ কথা কবহে পালো–বৰগোহাঞিক পায় কোনে। সদায় নতুন নতুন বিষয়বস্তু আলোচনা আৰু নতুন নতুন লেখক সৃষ্টি কৰিবলৈ উদগ্ৰীৱ হৈ থকা বৰগোহাঞিয়ে ততালিকে প্ৰস্তাৱ দিলে যে সূত্ৰধাৰত মানবেন্দ্ৰ ৰয়ৰ ওপৰত এলানি আলোচনা কৰিব লাগে। আমি আমাৰ সীমিত অধ্যয়ন আৰু জ্ঞানৰ কথা কোৱাঁ সত্বেও বৰগোহাঞিয়ে নামানিলে। ইমান বিশাল আৰু গভীৰ বিষয়বস্তু এটাৰ ওপৰত আলোচনা আৰম্ভ কৰিবলৈ আমাৰ এই প্ৰয়াস ধৃষ্ঠতা বুলি জানিও কলম হাতত তুলি লৈছো!



মানবেন্দ্ৰ নাথ ৰয়

কলেজীয়া জীৱনতে পঢ়া কথাবোৰ আৰু মাৰ্ক্সবাদী আন্দোলন। বিপ্লৱৰ কথাবোৰ মনতে জুকিয়াই চালো। স্বাধীনোত্তৰ কালত জে পি আৰু দীনদয়ালে কৰা চিন্তাচৰ্চাবোৰৰ লগত ৰয়ৰ চিন্তাধাৰাৰ বহতো মিল দেখি তবধ মানিলো আৰু বুজিলো কোনো সহায় সাৰথি নোহোৱাকৈ এয়া মহাসমুদ্ৰত সাঁতোৰাৰ প্ৰয়াস; কিন্তু এটা কথা নিশ্চিত ভাবে হৃদয়ঙ্গম কৰিলো যে ৰয়, জে পি আৰু দীনদয়াল–তিনিও মানবতাবাদৰ পূজাৰী, তিনিও ব্যক্তিৰ পূৰ্ণ বিকাশ অবিহনে সমাজৰ পূৰ্ণ বিকাশ হ'ব নোৱাৰা কথাটো অখণ্ডনীয় যুক্তি আৰু ঐতিহাসিক তথ্যৰ ওপৰত প্ৰতিষ্ঠিত কৰিছে।

নামটো আদিতে মানবেন্দ্ৰ নাথ ৰয় নাছিল। দেউতাকে দিয়া নাম আছিল নৰেন্দ্ৰ নাথ ভট্টাচাৰ্য্য। প্ৰখ্যাত বিপ্লৱী আৰু মৌলিক চিন্তাবিদ হিচাপে নিজকে প্ৰতিষ্ঠিত কৰা প্ৰক্ৰিয়াটো তেখেতৰ জীৱনৰ তিনিটা সুকীয়া সুকীয়া অধ্যায়ৰ মাজেৰেহে সম্পূৰ্ণ হৈছিল। তেখেতৰ বিশিষ্ট শিষ্য তাৰকুণ্ডেৰ ভাষাত কবলৈ গলে–"His practical experience and evolring thought led him through three distinct phases of political life. He started as an ardent nationalist, became an equally ardent communist and ended as a creatively active radical humanist."

ৰয়ৰ জন্ম হৈছিল বঙ্গদেশৰ ২৪ পৰাগনা জিলাৰ আৰবেলিয়া গাৱত। ১৮৮৭ চনৰ মাৰ্চ মাহৰ ২১ তাৰিখে। ১৪ বছৰ বয়সতে বিখ্যাত বাঘা যতীনৰ শিষ্য হৈ অনুশীলন সমিতিত যোগদান কৰে আৰু উক্ত সমিতি বে আইনী ঘোষনা কৰাৰ লগে লগে "যুগান্তৰ গ্ৰুপ" নামৰ সন্ত্ৰাসবাদী বিপ্লৱী অনুষ্ঠানটো সংগঠিত কৰাত বাঘা যতীনক সহায় কৰে। গোপনীয় সন্ত্ৰাসবাদত লিপ্ত হৈ কেবাটাও ৰাজনৈতিক ডকাইতি আৰু ষড়যন্ত্ৰৰ গোচৰত ৰয় অভিযুক্ত হয়; কেবাবাৰো পুলিচৰ হাতত গ্ৰেপ্তাৰ হয় আৰু "হাৱৰা ষড়যন্ত্ৰ গোচৰ'ত ৰয় অভিযুক্ত হয়? কেবাবাৰো পুলিচৰ হতত গ্ৰেপ্তাৰ হয় আৰু "হাৱৰা ষড়যন্ত্ৰ গোচৰ"ত বিচাৰাধীন হৈ থকা অৱস্থাতে যতীন মুখাৰ্জী আৰু আন কিছুমান সন্ত্ৰাসবাদীৰ লগত আলোচনা কৰি ভাৰতবৰ্ষক স্বাধীন কৰিবলৈ এক সসস্ত্ৰ বিদ্ৰোহৰ ষড়যন্ত্ৰ কৰে। এবছৰ পিচত মুক্তি পাই সন্ন্যাসীৰ ভেশচনত দেশৰ বিস্তীৰ্ণ অঞ্চল ভ্ৰমণ কৰি ৰয়ে ওপৰোক্ত সসস্ত্ৰ বিদ্ৰোহৰ বাবে সংগঠন টনকিয়াল কৰি তোলে আৰু লগতে আৱশ্যকীয় পূঁজি আহৰণত ব্যস্ত হৈ পৰে। অথচ ৰয়ৰ বয়স তেতিয়াও ২৫ৰ দেওনা অতিক্ৰম কৰা নাছিল। ইতিমধ্যে প্ৰথম মহাসমৰ আহিল আৰু ৰয় আৰু বাঘা যতীনে জাৰ্মানিৰ সহায় লৈ দেশক স্বাধীন কৰাৰ কথা চিন্তা কৰিলে। জাৰ্মানিৰ সহায় বিচাৰি ৰয়ে বিদেশ যাত্ৰা কৰিলে। ইন্দোনেচিয়া, জাপান, চীন আদি দেশত জাৰ্মানিৰ ৰাষ্ট্ৰদূত বোৰৰ লগত আলাপ আলোচনা কৰি থকা অৱস্থাতে পুলিচৰ লগত হোৱা সংঘৰ্ষত বাঘা যতীনৰ মৃত্যু হ'ল। নিৰুৎসাহিত নহৈ আজন্ম বিপ্লৱী ৰয়ে জাৰ্মানিৰ উদ্দেশ্য চীনদেশ এৰিলে আৰু আমেৰিকাৰ যুক্ত ৰাষ্ট্ৰত উপস্থিত হ'ল গৈ আৰু পুলিচৰ তীব্ৰ নজৰ এৰাবলৈ নৰেন্দ্ৰনাথ ভট্টচাৰ্য্য ডাঙৰীয়াই মানবেন্দ্ৰ নাথ ৰয় নাম ধাৰণ কৰিলে আৰু জীৱনৰ বাকীছোৱা কাল উক্ত নামেৰেই জনাজাত হৈ ৰল। আমেৰিকাত থকা অৱস্থাতে "হিন্দু-জাৰ্মান ষড়যন্ত্ৰ গোচৰত" ৰয় গ্ৰেপ্তাৰ হৈছিল যদিও জাৰ্মানিত মুক্তি পোৱাৰ পিচত মেক্সিকোলৈ পলাই গ'ল আৰু আৰম্ভ হ'ল ৰয়ৰ জীৱনৰ এটা নতুন অধ্যায়।

আমেৰিকাত থকা সময়তে মাৰ্ক্সবাদ

আৰু সমাজবাদৰ ওপৰত গভীৰ অধ্যয়ন কৰিলে আৰু মাৰ্ক্সৰ বস্তুবাদী দৰ্শনৰ লগত একমত নোহোৱা সত্ত্বেও সমাজবাদৰ আদৰ্শ ৰয়ে গ্ৰহণ কৰিলে। কিন্তু তেখেতৰ পৰৱৰ্ত্তী কালৰ চিন্তাচৰ্চাৰ ওপৰত–বিশেষকৈ "নব মানবতাবাদ"ৰ (Radical Humanism) সূত্ৰ উদ্ভাবন কৰা প্ৰক্ৰিয়াত তেখেত মাৰ্ক্সৰ বস্তুবাদী দৰ্শনৰ লগত একমত নোহোৱা কথাটোৱে বাৰুকৈয়ে প্ৰভাৱ বিস্তাৰ কৰিব। সেয়া অৱশ্যে বহু পিচৰ কথা!

মেক্সিকোলৈ আহি প্ৰথমতে টকা পইচাৰ অভাৱত যথেষ্ট কষ্টৰ সন্মুখীন হবলগীয়া হৈছিল যদিও তাৰ প্ৰধান দৈনিক বাতৰি কাকত "এল পাবলোৰ" সম্পাদক গৰাকীৰ লগত চিনাজনা হোৱাৰ পিচত আৰু পিচলৈ উভতি চাবলগীয়া নহ'ল। অতি সোনকালে স্পেনিচ ভাষাটো শিকি লৈ স্পেনিচ ভাষাতে দুখন কিতাপ লিখি প্ৰকাশ কৰিলে আৰু ভাৰতবৰ্ষৰ ওপৰতো এলানি প্ৰবন্ধ লিখি জনাজাত হৈ পৰিবলৈ ৰয়ক বেছি দিন নালাগিল। মেক্সিকোত সেই সময়ত যুক্তৰাষ্ট্ৰৰ সাম্ৰাজ্যবাদৰ বিৰুদ্ধে জনমত প্ৰকাশ হৈ উঠিছিল আৰু সেই সুযোগ গ্ৰহণ কৰি ৰয়ে মেক্সিকোৰ চালুকীয়া সমাজবাদী দলটোক সুসংগঠিত কৰি তুলিলে। ৰয়ৰ নেতৃত্বত দলটোৰ শক্তি দিনে দিনে বৃদ্ধি পাবলৈ ধৰিলে আৰু ১৯১৮ চনৰ ডিচেম্বৰ মাহত অনুষ্ঠিত দলৰ অভিবৰ্ত্তনত ৰয় দলৰ সাধাৰণ সম্পাদক নিৰ্বাচিত হ'ল। এই সময়ৰ ৰয়ৰ জীৱনৰ উল্লেখযোগ্য ঘটনা হ'ল সাম্যবাদী নেতা বৰোদিনৰ লগত সাক্ষাত আৰু বন্ধুত্ব স্থাপন আৰু মেক্সিকোত কমিউনিষ্ট পাৰ্টি গঠন। বৰোদিনৰ লগত হোৱা ঘনিষ্ঠতাই পৰৱৰ্তী কালত ৰয়ক ষ্টেলিনৰ কোপদৃষ্টিৰ পৰা বচোৱাত বিশিষ্ট ভূমিকা পালন কৰিব। সময়ৰ কথা সময়ত হ'ব বাৰু। এতিয়া মেক্সিকোলৈ উভতি যাওঁ।


বৰোদিনে ৰয়ৰ আতিথ্য গ্ৰহণ কৰিলে আৰু এই আপাহতে দুয়োৰো মাজত মাৰ্ক্সীয় দৰ্শনৰ ওপৰত বিস্তৃত আলোচনা হ'ল;–ইয়াৰ ফলশ্ৰুতি হ'ল যে ৰয় এতিয়াৰ পৰা এজন কমিউনিষ্ট হিচাপে পৰিগণিত হ'ল। অৰ্থাৎ ৰয়ৰ ৰাজনৈতিক জীৱনৰ দ্বিতীয় অধ্যায়টো আৰম্ভ হ'ল। কাৰ্যতঃ এই সন্ধিক্ষণৰ পৰা ৰয়ে তেখেতৰ জীৱনৰ তৃতীয় অধ্যায় আৰম্ভ নোহোৱালৈকে মাৰ্ক্সৰ বস্তুবাদী দৰ্শনৰ পৃষ্ঠপোষক হ'ল। উল্লেখযোগ্য যে ৰয়ৰ 'নব মানবতাবাদৰ' দৰ্শনৰ ওপৰত পশ্চিমীয়া দৰ্শনৰ প্ৰভাৱ স্পষ্ট আৰু আনহাতে দীনদয়ালৰ একাত্ম মানৱতাবাদৰ দাৰ্শনিক ভিত্তি হ'ল ভাৰতীয় সংস্কৃতি আৰু দাৰ্শনিক পৰম্পৰা। কিন্তু লক্ষ্য দুয়োৰো একে। ইয়াৰ তুলনামূলক ছবি এখন পিচলৈ দিয়া হ'ব। তাৰ আগতে ৰয়ৰ মেক্সিকো বাস সম্পূৰ্ণ হ'ব লাগিব।

ইতিমধ্যে ৰুছ বিপ্লৱৰ ফলশ্ৰুতি হিচাপে পৃথিৱীত প্ৰথমখন কমিউনিষ্ট ৰাষ্ট্ৰৰ আবিৰ্ভাৱ হোৱাৰ লগে লগে বহুতো উপনিবেশিক দেশত কমিউনিষ্ট পাৰ্টিৰ আবিৰ্ভাৱ হ'ল আৰু মেক্সিকোও ইয়াৰ ব্যক্তিক্ৰম নাছিল। তদুপৰি আন্তৰ্জাতিক মঞ্চত ৰুচিয়াৰ আবিৰ্ভাৱৰ ফলত সাম্ৰাজ্যবাদ বিৰোধী কণ্ঠস্বৰ পৃথিৱীৰ চুকে কোণে তীব্ৰ হৈ উঠিল। ফলত, আন্তৰ্জাতিক কমিউনিষ্ট আন্দোলনৰ মঞ্চত ৰয়ে নিজৰ বাবে এখন নিগাজী আসন স্থাপন কৰিলে। ইয়াৰ পিচৰ কাহিনী বহু বিস্তাৰিত–বহু বিতৰ্কিত। কিন্তু প্ৰতিটো স্তৰতে ৰয়ে ৰাখি গৈছে নিজৰ মৌলিক চিন্তা চৰ্চাৰ স্পষ্ট প্ৰভাব। মেক্সিকোৰ কমিউনিষ্ট পাৰ্টিৰ নিৰ্দ্দেশক্ৰমেই ৰয়ে ১৯২০ চনৰ জুলাই মাহত মস্কোত অনুষ্ঠিত হ'বলগীয়া 'কমিণ্টাৰণৰ" দ্বিতীয় অধিবেশনত মেক্সিকান প্ৰতিনিধি দলৰ নেতাহিচাপে যোগদান কৰিবলৈ এইবাৰ মস্কোমুৱা হ'ল। ইতিমধ্যে অৱশ্যে উক্ত অধিবেশনত যোগ দিবলৈ ৰয়ে 'কমিণ্টাৰণৰ' পৰাও নিমন্ত্ৰণ পাইছিল–কিয়নো চোভিয়েট ৰুছিয়াৰ বাহিৰত প্ৰথমটো কমিউনিষ্ট পাৰ্টিৰ প্ৰতিষ্ঠাতা হিচাপে তেতিয়া 'কমিউনিষ্ট বিশ্বত' ৰয়ৰ ভাবমুৰ্ত্তি খুব উজ্বল হৈ উঠিছিল আৰু লেনিন হৈ পৰিছিল উত্ৰাৱল। অৱশ্যে মস্কোত ৰয়ৰ ভাবমুৰ্ত্তি উজ্বল কৰি তোলাত বৰোদিনৰ অৱদান অনস্বীকাৰ্য। সি যি নহওক সম্পূৰ্ণ এমাহ ধৰি চলা 'কমিন্‌টাৰণৰ' অধিবেশনত যোগদিয়াৰ আগতে ৰয়ৰ লগত লেনিন'ৰ কেবালানিও আলোচনা হৈছিল আৰু বিভিন্ন ঔপনিবেশিক দেশসমূহৰ স্বাধীনতা সংগ্ৰামৰ ক্ষেত্ৰত দেশীয় বুৰ্জোৱাসকলৰ ভূমিকাৰ সন্দৰ্ভত লেনিনৰ লগত মত দ্বৈধতা হৈছিল যদিও লেনিনে ৰয়ৰ মতামত আগ্ৰাহ্য কৰা নাছিল। এই বুৰ্জোৱা শ্ৰেণীৰ পৰা সহায় লবলৈ ৰয় মান্তি হোৱা নাছিল আৰু উদ্দেশ্য সাধনৰ বাবে লেনিনে এই বুৰ্জোৱাসকলৰ লগত সহযোগিতা কৰিবলৈ প্ৰস্তুত আছিল। এটা হ'ল কৌশলৰ কথা আৰু আনটো হ'ল আদৰ্শৰ। ৰয়ে সন্দেহ কৰিছিল যে বিতৰ্কিত বুৰ্জ্জোৱা সকলে সাম্ৰাজ্যবাদীৰ লগত আপোচ কৰা সম্ভাৱনা নুই কৰিব নোৱাৰি। সেয়েহে ৰয়ে জাতীয় মুক্তি সংগ্ৰামসমূহ বুৰ্জোৱাৰ সহায় নোলোৱাকৈ শ্ৰমিক আৰু কৃষকৰ সহায়ত গঢ়ি তোলাৰ পক্ষপাতী আছিল। উল্লেখযোগ্য যে পৰৱৰ্তী কালত মাৱে ঘাইকৈ অকল কৃষকৰ সহায়তে জাতীয় মুক্তি সংগ্ৰামৰ সফল ৰূপায়ন কৰিছিল। অৱশ্যে ৰয়ে শ্ৰমিক আৰু কৃষকৰ জাতীয় মুক্তি সংগ্ৰামত অংশ গ্ৰহণ কমিউনিষ্ট নেতৃত্বত হোৱাটোহে বিচাৰিছিল। পিচে লেনিন আছিল মহানুভৱ ব্যক্তি; ঔপনিবেশিক দেশসমূহৰ পৰিস্থিতি সম্পৰ্কে সম্পূৰ্ণ ওৱাকিবহাল নোহোৱা কথাটো স্বীকাৰ কৰি লবলৈ অকণো কুণ্ঠাবোধ নকৰিছিল আৰু তেখেতে উপনিবেশ আৰু জাতীয় মুক্তি সংগ্ৰামৰ ওপৰত এটা তাত্বিক টোকা অধিবেশনত দাখিল কৰিবলৈ প্ৰস্তুত কৰা সত্ত্বেও ৰয়কো এই বিষয়টোৰ ওপৰত এটা টোকা প্ৰস্তুত কৰিবলৈ নিৰ্দ্দেশ দিলে। এই কথাটোৰ পৰায়ে ষ্টেলিন আৰু লেনিনৰ চাৰিত্ৰিক আৰু আদৰ্শগত পাৰ্থক্যৰ কথা ওলাই পৰে। আনৰ মতামতৰ প্ৰতি ষ্টেলিনৰ ইমান সন্মান থাকিলে আজি হয়তো চোভিয়েট ৰুচিয়াৰ ইতিহাসেই বেলেগ হ'লহেঁতেন। আনহাতে, ৰয়ৰ অন্তৰ্দ্দৃষ্টি, ঐতিহাসিক প্ৰক্ৰিয়া আৰু তাত্বিক দিশৰ ওপৰত থকা অধিকাৰ যে লেনিনে সমীহ কৰি চলিছিল তাকে সূচায়। ৰয়ে প্ৰস্তুত কৰা টোকাটো পঢ়ি লেনিনে নিজৰ আৰু ৰয়ৰ দুয়োটা টোকা 'কমিন্‌টাৰণৰ' অধিবেশনত দাখিল কৰাৰ পৰামৰ্শ দিলে; কমিন্‌টাৰণে' পিচে দুয়োটা টোকাকে গ্ৰহণ কৰিলে। লেনিন আৰু ৰয়ৰ এই মতদ্বৈধতাই ভৱিষ্যতেও বহুতো তৰ্ক-বিতৰ্ক সৃষ্টি কৰিছিল যদিও ইতিহাসে পিচে ৰয়ৰ সপক্ষেহে ৰায় দিছিল।

ইয়াৰ পিচত এছিয়াৰ দেশবোৰত বিপ্লৱৰ কৌশল উদ্ভাৱন কৰিবলৈ যিখন তিনিজনীয়া কমিটি কমিন্‌টাৰণে নিয়োগ কৰিছিল ৰয়কো তাৰ সদস্য কৰা হ'ল আৰু লগতে কমিন্‌টাৰণৰ কাম-কাজ চলাবলৈ নিয়োগ কৰা সৰু কমিটিখনতো ৰয় এজন মূখ্য সদস্য হ'ল। সি যি নহওক, ৰয়ে এতিয়া ঘাইকৈ ভাৰতবৰ্ষলৈ মন দিবলগীয়া হ'ল আৰু তাছখণ্ডত নিজৰ মুখ্য কাৰ্যালয় পাতি লৈ ১৭/১০/২০ তাৰিখে তাছখণ্ডতে ভাৰতীয় কমিউনিষ্ট পাৰ্টিৰ জন্ম দিলে। বৈপ্লবিক আঁচনিৰ সফল ৰূপায়নৰ বাবে ৰয় বাৰ্লিনলৈ গৈ তাৰ পৰায়ে ভাৰতীয় স্বাধীনতা সংগ্ৰাম টনকিয়াল কৰি তুলিবলৈ চেষ্টা কৰিছিল যদিও তেখেতক অৱশেষত জাৰ্মানিৰ পৰা নিৰ্বাসিত কৰা হ'ল। ইয়াৰ পিচত ৰয়ে চুইজাৰলেণ্ড আৰু ফ্ৰান্সৰ পৰা বৈপ্লবিক সংগঠনৰ কাম চলাই থাকিল আৰু ভাৰতবৰ্ষত থকা তেখেতৰ সহযোগী সকলে ১৯২৫ চনৰ শেষৰ পিনে ভাৰতৰ মাটিত আনুষ্ঠানিক ভাবে ভাৰতীয় কমিউনিষ্ট পাৰ্টিৰ জন্ম দিলে।

চীনদেশত কৃষক সকলৰ অৰ্থনৈতিক চাহিদাৰ ওপৰত ভিত্তি কৰি তাত বিপ্লৱৰ সূচনা কৰিব লাগে বুলি ৰয়ে ইতিমধ্যে আন এটা টোকা প্ৰস্তুত কৰিছিল আৰু কমিন্‌টাৰণৰ কাৰ্যবাহী কমিটিয়ে ৰয়ৰ এই অনুমোদন গ্ৰহণ কৰাৰ পিচত ১৯২৭ চনত ৰয় আৰু বৰোদিনক চীনদেশলৈ পঠোৱা হয়। কিন্তু ইতিমধ্যে লেনিনৰ মৃত্যু হোৱাৰ ফলত, চীনত অনুসৰণ কৰিবলগীয়া কৌশলৰ ক্ষেত্ৰত ৰয়ৰ ষ্টেলিনৰ লগত গুৰুতৰ মতভেদ হ'ল। আনহাতে চীনদেশৰ ৰাজনৈতিক অস্থিৰতাও বৃদ্ধি পালে আৰু লগতে বৃদ্ধি পালে চিয়াং কাই শ্বেকৰ কমিউনিষ্ট বিৰোধী কাৰ্যকলাপ; এনে এটা অৱস্থাত ৰয় আৰু বৰোদিন মস্কোলৈ উভতি আহিবলগীয়া হ'ল যদিও বহুবছৰ পিচত মাও-ছে-টুঙে ৰয়ৰ সূত্ৰৰ যথাৰ্থতা প্ৰমাণ কৰি সংগঠিত কৃষকসকলৰ বিদ্ৰোহৰ ভিত্তিতে চৈনিক বিপ্লব সম্পন্ন কৰিলে।

ৰয়ে ইতিমধ্যে কমিন্‌টাৰণৰ চাৰিওটা সৰ্ব্বোচ্চি নীতি নিৰ্দ্দেশক কমিটিৰ ( The Presidium, the Political Secratariat, the Executive Committee আৰু World Congress) সদস্য নিৰ্বচিন হৈছিল যদিও লেনিনৰ মৃত্যুৰ পিচত ষ্টেলিনৰ অভ্যুদয় ৰয়ৰ মুক্ত চিন্তা-চৰ্চাৰ প্ৰধান প্ৰতিবন্ধক হিচাপে দেখা দিলে। ষ্টেলিনে অইন কাৰো মতবাদ, প্ৰাধান্য, বা পৰিস্থিতিৰ বিশ্লেষণ মানি লব নুখুজিছিল বাবে মস্কোৰ ৰয়ৰ প্ৰাধান্য লাহে লাহে কমি আহিল। চীনদেশত প্ৰয়োগ কৰিবলগীয়া কৌশলক কেন্দ্ৰ কৰি যি মতান্তৰৰ আৰম্ভ হৈছিল সেই মতান্তৰে, ইউৰোপত কমিউনিষ্ট আৰু সমাজবাদী শক্তি সমূহৰ মাজত আৰু ভাৰতবৰ্ষত



চাৰ্লচ মাৰ্টিন ছদ্মনামত মানবেন্দ্ৰ নাথ

কমিউনিষ্ট আৰু জাতীয় আন্দোলনৰ মাজত সহযোগিতা গঢ়ি তোলাটো ৰয়ে কামনা কৰিছিল আৰু ষ্টেলিন এই কৌশলৰ বিৰোধী আছিল বাবে, চূড়ান্ত পৰ্যায় পালে–যাৰ ফলত ষ্টেলিনে ৰয়ক কমিন্‌টাৰণৰ পৰা বহিষ্কাৰ কৰালে। ৰয় অসুস্থ হোৱা সত্ত্বেও তেখেতৰ যথাযৰ্থ চিকিৎসাৰ ব্যৱস্থা কৰা নহ'ল। ষ্টেলিনৰ কোপৰ হাত সাৰিবলৈ অৱশেষত বুখাৰিণ আৰু বৰোদিনৰ সহায় লৈ ৰয় জামানিলৈ পলাই আহিবলৈ বাধ্য হ'ল। অৱশেষত ১১/১২/৩০ তাৰিখে ছদ্মবেশত ভ্ৰমণ কৰি ৰয় আহি ভাৰতবৰ্ষৰ কৰাচীত নামিল। আত্মগোপন কৰি থকা অৱস্থাতে বহুতো ডেকা বিপ্লবীক ৰয়ে সংগঠিত কৰি ঠায়ে ঠায়ে শ্ৰমিক আন্দোলন গঢ়ি তুলিলে আৰু ইয়াৰ মাজতে পণ্ডিত নেহেৰুৰ লগত দেখা কৰি কৰাচী কংগ্ৰেছত মৌলিক অধিকাৰ আৰু জাতীয় অৰ্থনৈতিক আঁচনিৰ ওপৰত গৃহীত হোৱা প্ৰস্তাৱ দুটা প্ৰস্তুত কৰাত সহায় কৰিলে।

পিচে বেচি দিন আত্মগোপন কৰি নিৰাপদে থকা সম্ভৱ নহ'ল আৰু ২৬/৭/৩১ তাৰিখে বোম্বাইত পুলিচৰ হাতত ধৰা পৰিল। 'কানপুৰ-ষড়যন্ত্ৰ' গোচৰত তেখেতক দহ-বছৰ কাৰাবাস দিয়া হ'ল। (প্ৰথমতে ১২ বছৰ জেল দিয়া হৈছিল; কিন্তু তেখেতে কৰা আপীলৰ ফলত এলাহাবাদ উচ্চ ন্যায়ালয়ে এই কাৰবাস দহ বছৰলৈ হ্ৰাস কৰে)। এই কাৰাবাসৰ সময়তে তেখেতে কেবাখনো মৌলিক চিন্তাপুষ্ট কিতাপ লেখি উলিয়ায়।

জেলৰ পৰা মুক্তি পোৱাৰ পিচত আৰু দ্বিতীয় মহাযুদ্ধ আৰম্ভ নোহোৱালৈকে, ৰয়ে তেখেতৰ অজস্ৰ গুণমুদ্ধ অনুগামীৰ সহায়ত গাৱেঁ-ভূঞে ভাৰতীয় জাতীয় কংগ্ৰেছৰ সংগঠন শক্তি শালী কৰি তোলাত মনোনিবেশ কৰিছিল যদিও কংগ্ৰেছৰ নৰমপন্থী সকলৰ লগত তেখেতৰ চৰমপন্থী মতাদৰ্শৰ বাবে প্ৰায়ে মতবিৰোধ ঘটিছিল–বিশেষকৈ শ্ৰমিক আৰু কৃষকসকলৰ চৰমপন্থী দাবীবোৰৰ সন্দৰ্ভত। আনকি তেখেতে চৰমপন্থী কংগ্ৰেছীসকলৰ বাবে এটা সুকীয়া লীগো (League) গঠন কৰিছিল আৰু তেখেতৰ আঁচনিৰ প্ৰতি অতি উৎসাহজনক সহাৰি পাইছিল; কিন্তু দ্বিতীয় মহাসমৰৰ আবিৰ্ভাবে কংগ্ৰেছৰ পৰা ওলাই আহিবলৈ তেখেতক বাধ্য কৰিলে। অৱশ্যে এই ক্ষেত্ৰতো তত্বগত আৰু পৰিস্থিতিৰ বিশ্লেষনগত বিৰোধৰ বাবেই তেখেতে এই চূড়ান্ত সিদ্ধান্ত লৈছিল।

ৰয়ে অকাট্য যুক্তি দি ঘোষণা কৰিলে যে দ্বিতীয় মহাসমৰখন সাম্ৰাজ্যবাদী যুদ্ধ নহয়–বৰঞ্চ ফেচীবাদৰ বিৰুদ্ধেহে এই যুদ্ধ কৰা হৈছে। তদুপৰি এই যুদ্ধই সাম্ৰাজ্যবাদী আৰু ফেচীবাদী–দুয়োকো দুৰ্বল কৰি বৈপ্লবিক পৰিবৰ্ত্তনৰ পথ মুকলি কৰিব। সেয়েহে গণতন্ত্ৰৰ উজ্বল ভবিষ্যতৰ বাবে ৰয়ে মিত্ৰ শক্তিৰ লগত সহযোগিতা কৰাৰ বাবে আহ্বান জনালে। তেখেতৰ নিজৰ ভাষাত কবলৈ গলে–"If Fascism Succeeds in establishing its domination over the whole of Europe, then good-bye to revolation and good-bye to Indian Freedom as well ....."। ৰয়ৰ এই মতৰ বাবেই ৰয়ৰ কংগ্ৰেছৰ নীতিৰ লগত প্ৰত্যক্ষ বিৰোধ হ'ল। কংগ্ৰেছ ত্যাগ কৰি ১৯৪০ চনৰ ডিচেম্বৰ মাহত তেখেতে ৰেডিকেল ডেমোক্ৰেটিক পাৰ্টি (Radical democratic party) গঠন কৰিলে।

নিৰপেক্ষ ভাবে বিচাৰ কৰিলে পিছে এইটো কথা মানিবই লাগিব যে মিত্ৰপক্ষই জয়লাভ কৰাৰ ফলতহে বহুতো উপনিবেশে স্বাধীনতা লাভ কৰিলে আৰু গণতান্ত্ৰিক জীৱন পদ্ধতিৰ পথ প্ৰশস্ত হৈ পৰিল। কিন্তু যদি জাৰ্মানি, ইটালী, জাপানৰ ফেচীবাদী গোষ্ঠীয়ে জয়লাভ কৰিলেহেঁতেন তেনেহ'লে গণতন্ত্ৰৰ ভবিষ্যত কি হ'লহেঁতেন ভাবিবলৈও ভয় লাগে দেখোন।

ৰয়ে ফেচীবাদৰ নিশ্চিত পৰাজয় ধৰি লৈ ইতিমধ্যে ভাৰতবৰ্ষৰ বাবে এখন খচৰা সংবিধান প্ৰস্তুত কৰি উলিয়ালে। দেশৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক সমস্যা সমূহ সমাধানৰ বাবে ৰয়ে এই খচৰা সংবিধানখনত তেখেতৰ মৌলিক চিন্তা-চৰ্চাৰ নিশ্চিত স্বাক্ষৰ ৰাখি গৈছে। তেখেতে ভবামতে নিম্নতম পৰ্যায়ত গণ-সমিতি (People's Committees) গঠন কৰি ৰাজনৈতিক আৰু অৰ্থনৈতিক ক্ষমতা বিকেন্দ্ৰীকৰণৰ বাবে পৰবৰ্তী কালত জে পিয়েও অসাধ্য-সাধনা কৰি গৈছে। অৰ্থনৈতিক ক্ষেত্ৰত জনতাৰ প্ৰাথমিক প্ৰয়োজনবোৰৰ ওপৰত তেখেতে বাৰে বাৰে গুৰুত্ব দিছে। তদুপৰি আজি সমগ্ৰ ভাৰতবৰ্ষতে কেৱাখনো পাচবছৰীয়া পৰিকল্পনাই দাৰিদ্ৰ্যৰ সমস্যা সমাধান কৰিব নোৱাৰাৰ পিচত কৃষি আৰু ক্ষুদ্ৰ উদ্যোগৰ দ্ৰুত উন্নয়নৰ ওপৰত গুৰুত্ব দিবলৈ কেন্দ্ৰীয় চৰকাৰসমুহ আৰু পৰিকল্পনা আয়োগ আগবাঢ়িছে; কিন্তু দেশৰ দাৰিদ্ৰ্যৰ সমস্যা সমাধানৰ বাবে মহাত্মা আৰু ৰয়ে এই পৰামৰ্শ আৰম্ভণিৰ পৰায়ে দি আহিছিল। স্বৰ্গীয় দীনদয়াল উপাধ্যায়ৰ অনুমোদন সমূহতো একেসুৰীয়া কথাকে পোৱা যায়। ৰয়ে লগতে নিৰ্বচিত গণ প্ৰতিনিধি নিজৰ কৰ্ত্তব্য পালনত ব্যৰ্থ হলে গণ প্ৰতিনিধিত্ব বাতিল (Recall) কৰাৰ বাবেও প্ৰস্তাব দিছিল–যিটো কথা প্ৰৱৰ্ত্তী কালত জে পিয়েও দাবী কৰিছিল। ৰয় আৰু জে পিয়ে ব্যক্তিৰ আত্মা চিনি পাইছিল আৰু দীনদয়ালে ভাৰতবৰ্ষৰ।

ৰয়ে দেশক স্বাধীন কৰাৰ সপোন দেখিছিল ১৪ বছৰ বয়সতে। তাৰ পিচত দেশ আৰু ব্যক্তিৰ স্বাধীনতাৰ বাবে প্ৰায় ৪৫ বছৰ কাল দেশেবিদেশে অনাই বনাই ঘূৰি ফুৰিছে, বহুতো সঙ্কটৰ সন্মুখীন হৈছে; কেতিয়াবা পাইছে জয়মাল্য, কেতিয়াবা নিৰ্ম্মম পৰিহাস আৰু কেতিয়াবা কাৰাবাস। বিচিত্ৰ অভিজ্ঞতা আৰু ঘাত-প্ৰতিঘাতৰ কষটি শিলত নিজকে ঘঁহি ঘঁহি আমাৰ তাহানিৰ নৰেন্দ্ৰনাথ ভট্টাচাৰ্য্য আজি তেখেতৰ ৰাজনৈতিক জীৱনৰ তৃতীয় আৰু শেষ পৰ্যায়টোৰ দুৱাৰদলিত উপস্থিত হৈছেহি। অৰ্থাৎ তেখেতৰ নব 'মানবতাবাদৰ' (Radical humanism) দৰ্শনে মুক্তি লাভ কৰিবলৈ আৰু বেছি দিন নাই।

দিনটো আছিল ১৯৪৬ চনৰ মে মাহৰ ৮ তাৰিখ। সিদিনা তেখেতৰ চৰমপন্থী গণতান্ত্ৰিক দলৰ (Radical Democratic Partry) প্ৰায় দুশ সক্ৰিয় সদস্যৰ উপস্থিতিত দেৰাদুনৰ ওচৰৰ গাধীত এখন অধ্যয়ন চক্ৰৰ আয়োজন কৰা হৈছিল। এই অধ্যয়ন চক্ৰ চলিছিল মে মাহৰ ১৮ তাৰিখলৈ। ইয়াতে ৰয়ে পোন প্ৰথমবাৰৰ বাবে ৰাজহুৱাভাবে ঘোষণা কৰিছিল যে মানুহৰ স্বাধীনতা আৰু উত্তৰণ নিশ্চিত কৰাত কমিউনিজম ব্যৰ্থ হৈছে আৰু বিবৰ্ণ হৈ পৰা কমিউনিজমৰ পতাকাখনৰ তলত মানুহৰ মুক্তিৰ সপোন কোনোদিনেই বাস্তৱায়িত নহব। মাৰ্ক্সবাদ নিশ্চয় এটা উচ্চ স্তৰৰ, বৈপ্লবিক আদৰ্শ; কিন্তু ইয়াতকৈও বেছি চহকী বেছি দৰদী আৰু অধিক সম্ভাবনাময় আদৰ্শৰ আৱশ্যক। এতিয়াহে মানবেন্দ্ৰৰ দাৰ্শনিক চিন্তাচৰ্চাৰ পূৰ্ণ বিকাশ হব আৰু ইমানদিনে স্বতঃসিদ্ধ বুলি বহুতে গণ্য কৰা কিছুমান দাৰ্শনিক তত্বক তেওঁ প্ৰত্যাহ্বান জনাব। গতিকে আমাৰ অনিচ্ছা সত্বেও, পঢ়ুৱৈ সমাজক তাত্বিক কথাৰ মাজলৈ আহ্বান কৰিবলৈ বাধ্য হলো। তত্ববোৰ আমাৰ নহয়।– নিজৰ সীমিত জ্ঞানবুদ্ধিমতে দিয়া বিশ্লেষণহে আমাৰ।


মানুহৰ পাৰ্থিৱ অস্তিত্বৰ লগত মানুহৰ চিন্তাৰ বা ভাবধাৰাৰ ওতঃপ্ৰোত সম্বন্ধ আৰু মানব সভ্যতাৰ ইতিহাসত চিন্তাৰ ভূমিকা বস্তুবাদৰ বিৰোধী হ'ব নোৱাৰে। মানৱ সভ্যতাৰ উত্তৰোত্তৰ প্ৰগতিৰ ক্ষেত্ৰত মানুহৰ চিন্তাৰ যি মহত্বপূৰ্ণ ভূমিকা, তাক অস্বীকাৰ কৰা বাবেই কমিউনিজমৰ নিম্নগামী যাত্ৰা আৰম্ভ হৈছে। সন্দেহ নাই যে ষ্টেলিনৰ ফেচীবাদী আস্ফালনে ৰয়ক নতুনকৈ চিন্তা কৰিবলৈ বাধ্য কৰিছিল আৰু তেখেতৰ চিন্তাৰ কেন্দ্ৰবিন্দু আছিল মানুহক সঁচাকৈয়ে কিদৰে সৰ্বাত্মকভাবে স্বাধীন কৰি সভ্যতাৰ বা সমাজৰ নিম্নতম পৰ্যায়ক গোটসমূহক ৰাজনৈতিক আৰু অৰ্থনৈতিক ক্ষমতা দিয়া সম্ভৱ হয়–যিটো ব্যৱস্থাত ৰাষ্ট্ৰৰূপী দৈত্যটোৰ নিষ্পেষণৰ চিন মোকাম নাথাকিব। ১৯৪৬ ৰ ডিচেম্বৰত অনুষ্ঠিত হ'বলগীয়া তেখেতৰ দলৰ সৰ্বভাৰতীয় সম্মিলনৰ বাবে ৰয়ে ওপৰোক্ত পটভূমিত তেখেতৰ 'নব মানবতাবাদৰ' বিখ্যাত ২২ দফীয়া গবেষণা পত্ৰখন (22 Thesis of Radical humanism) প্ৰস্তুত কৰিলে। মানুহৰ স্বাধীনতা আৰু বিজ্ঞান ভিত্তিক বিশ্লেষণৰ চিৰন্তন বা সনাতন মূল্য আৰু বিজ্ঞানভিত্তিক বিশ্লেষণ কৰি তেখেতে দেখুৱালে যে ৰাজনৈতিক আৰু অৰ্থনৈতিক স্বাধীনতা পৰস্পৰৰ অবিচ্ছেদ্য অঙ্গ আৰু এই স্বাধীনতা অৰ্জ্জনৰ বাবেও নিশ্চিত, নিৰ্দ্দিষ্ট পথৰ অনুমোদন কৰিলে। ইয়াৰ বিশদ বিৱৰণ পিচত দিয়া হ'ব। যি নহওঁক দলৰ অধিবেশনে ৰয়ৰ ২২–দফীয়া থেছিচ গ্ৰহণ কৰিলে আৰু সেয়াই হ'ল 'নব মানবতাবাদৰ' ভেটি। বিভিন্ন মতাদৰ্শৰ বা দৰ্শনৰ অসম্পূৰ্ণতা আৰু কমিউনিজমৰ তাত্বিক আৰু প্ৰায়োগিক স্খলন উদঙাই দি তেখেতে তেখেতৰ দাৰ্শনিক সূত্ৰৰ ওপৰত প্ৰতিষ্ঠিত মানবতাবাদৰ নতুন সংস্কৰণ মানব সভ্যতাক উপহাৰ দিলে; কিন্তু মাৰ্ক্সৰ মৌলিক চিন্তাচৰ্চা আৰু মানুহৰ প্ৰগতিৰ বাবে মাৰ্ক্সে দি যোৱা অৱদানৰ প্ৰতি মানবেন্দ্ৰই কেতিয়াও, ক'তো অশ্ৰদ্ধা প্ৰকাশ কৰা নাই– কাৰণ মানুহৰ চিন্তাশক্তিয়ে আছিল তেখেতৰ দৰ্শনৰ কেন্দ্ৰবিন্দু। যি নহঁওক, এতিয়াৰ পৰা পিচে আমাৰ বিপ্লবী নৰেন্দ্ৰ বোপা সাম্যবাদ্য মানবেন্দ্ৰ ডাঙৰীয়া মাৰ্ক্সবাদী চিনাকি লোপ পালে।

নব মানবতাবাদৰ চূড়ান্ত অনুশীলনে দলীয় ৰাজনীতিক আগ্ৰাহ্য কৰিছে আৰু ভাৰতবৰ্ষৰ আজিৰ অস্থিৰ স্বাৰ্থান্বেষী আৰু ব্যক্তি কেন্দ্ৰিক ৰাজনীতিৰ পৰিপ্ৰেক্ষিতত মানবেন্দ্ৰ আৰু জে পিৰ দলবিহীন গণতান্ত্ৰৰ দৰ্শন বেছি প্ৰাসঙ্গিক হিচাপে ভুমুকি মাৰিছে–যদিও সেয়া সাম্প্ৰতিক সভ্যতাৰ উন্নত স্তৰতহে সম্ভব হ'ব যেন অনুমান হয়। যি নহঁওক নতুন বৈপ্লবিক চিন্তা এটাৰ জন্ম ইতিমধ্যে হৈছে। নিশ্চয় বাস্তৱায়িত হোৱাৰ দিন এটাও আহিব। নতুন বিজ্ঞানসন্মত চিন্তাৰ জন্ম এটা কঠিন প্ৰক্ৰিয়া আৰু তাৰ বাস্তৱায়ণ লেহেম প্ৰক্ৰিয়া কিন্তু নিশ্চিন্ত। প্ৰকৃত গণতন্ত্ৰ বিকশিত হ'বলৈ দলীয় ৰাজনীতি নিশ্চিদ্ৰ হ'ব লাগিব। অন্যথায় মানবেন্দ্ৰই কোৱাৰ দৰে দলীয় ৰাজনীতিৰ ভেটিত বৰ্ত্তি থকা গণতান্ত্ৰিক ৰাজনীতি ক্ষমতাৰ ৰাজনীতিলৈ অৱনমিত হোৱাটো কোনেও ৰুধিব নোৱাৰে। আজি আমাৰ নিজৰ দেশৰ ৰাজনীতিয়ে তাকেই প্ৰমাণ কৰিছে। ৰয়ৰ মতে ৰাজনৈতিক ক্ষমতা সৰ্বসাধাৰণ ৰাইজৰ প্ৰাথমিক অনুষ্ঠান বোৰৰ হাতত ন্যস্ত হ'ব লাগে আৰু এই প্ৰাথমিক অনুষ্ঠানসমূহে গণ-সমিতিৰ (Peoples Committee) ৰূপ লব লাগে। ৰাজনৈতিক দলবোৰে এই ক্ষমতা বেদখল কৰাৰ কোনো সুযোগ থাকিব নালাগে। নিজৰ এই আদৰ্শৰ প্ৰতি আনুগত্য প্ৰমাণ কৰিবলৈ নিজে স্থাপন কৰা 'ৰেডিকেল ডেমোক্ৰেটিক পাৰ্টিটো' তেখেতে ১৯৪৮ চনৰ ডিচেম্বৰ মাহত কলিকতাত অনুষ্ঠিত হোৱা দলৰ সৰ্বভাৰতীয় সন্মিলনত ভাঙি দিলে আৰু "নব মানবতাবাদী আন্দোলন" শীৰ্ষক নামৰ অনুষ্ঠানটোৰ তেখেতৰ অনুগামী সকলে জন্ম দিলে।

ইয়াৰ পিচত এই অনুষ্ঠানটোৰ মঞ্চৰ পৰায়ে উৎপাদন আৰু উৎপাদনৰ আহিলাৰ মালিকী স্বত্বৰ ওপৰত, তেখেতে, সমাজক শোষণ মুক্ত কৰিবলৈ, "সমবায় অৰ্থনীতিৰ" সূত্ৰ দাঙি ধৰিলে। এই ক্ষেত্ৰত তেখেতৰ প্ৰধান বক্তব্য হ'ল যে উৎপাদনৰ আহিলাৰ মালিকী স্বত্ব ৰাষ্ট্ৰ বা পুজিবাদী কোনেও নাপাব। এই মালিকী স্বত্ব শ্ৰমিকসকলৰ নিজৰ হাতত থাকিব। চোভিয়েট ৰুচিয়াত এককেন্দ্ৰী স্বৈৰতন্ত্ৰী ৰাষ্ট্ৰই শ্ৰমিক সকলক এই অধিকাৰৰ পৰা বঞ্চিত কৰা দেখিয়ে যে ৰয়ে এই সূত্ৰ উদ্ভাবন কৰিছিল সন্দেহ নাই। পুজিবাদ আৰু জাতীয়কৰণ পদ্ধতি দুয়োটাকে অগ্ৰাহ্য কৰি ৰয়ে সমগ্ৰ উৎপাদন পদ্ধতিটোক শোষণমুক্ত কৰিবলৈ তেখেতৰ "সমবায় অৰ্থনীতিৰ" সূত্ৰ যুক্তিৰ ভিত্তিত বিজ্ঞান সন্মত বুলি প্ৰতিপন্ন কৰিছিল আৰু প্ৰকৃত উৎপাদনকাৰীক ৰাষ্ট্ৰ আৰু পুজিবাদীৰ শোষণৰ পৰা মুক্তি দিবলৈ এক নিশ্চিত পথৰ সন্ধান দিছিল।

## নব মানবতাবাদৰ দাৰ্শনিক ভেটি

'নব মানবতাবাদ'ৰ দৰ্শন এটা মাথোন বৌদ্ধিক প্ৰাচুৰ্যৰ প্ৰতিফলন নহয়–ই এক ইতিবাচক আৰু ধাৰাবাহিক সক্ৰিয় প্ৰক্ৰিয়াৰ বিধান। দৈনন্দিন জীৱনত ইয়াৰ প্ৰতিফলন ঘটোৱাটো ইয়াৰ সাফল্যৰ মাপকাঠি। মাৰ্ক্সবাদৰ মহান উদ্দেশ্য সাধন হোৱাৰ পিচতো মানুহৰ প্ৰকৃত মুক্তি আৰু সামাজিক প্ৰয়োজনীয়তাৰ বাবে আৰু কিমান কি প্ৰয়োজন হব সেই বিষয়ে গভীৰ চিন্তা চৰ্চা কৰিয়ে মানবেন্দ্ৰই মানুহক দৈনন্দিন জীৱনত প্ৰয়োগ কৰিব পৰা এটা সক্ৰিয় দৰ্শনৰ জন্ম দি গ'ল। তেখেতৰ ৰাজনৈতিক জীৱনৰ তৃতীয় পৰ্যায়ত আৰু মৃত্যুৰ আগে আগে–অৰ্থাৎ কমিউনিজম সম্পূৰ্ণভাবে অগ্ৰাহ্য কৰাৰ পিচত–লিখি উলিওৱা এখন বিশ্ববিখ্যাত কিতাপত (Reason, Romanticism and Revolution) তেখেতে তেখেতৰ 'নব মানবতাবাদৰ' দৰ্শনৰ মাৰ্ক্সবাদৰ লগত থকা সম্বন্ধ বা আত্মীয়তাৰ বিষয়ে নিজেই এনেদৰে লিখিছে– " ---- The positive elements of Marxim, freed from its fallacies and clarified in the light of greater Scientific knowledge, are consistent with a more comprehensive philosophy, which can be called Integral or Radical humanism : a philosophy which combines mechamistic cosmology, materialist metaphysics, secular rationalism and rationalist ethics to satisfy man's urge for freedom and quest for truth, and also to guide his future action in parsuit of the ideals.---- " (Volume II, page 220).। আন আন উদ্দেশ্যৰ ভিতৰত ৰয়ৰ এই দৰ্শনৰ এটা প্ৰধান উদ্দেশ্য হ'ল যে যিসকলে ক্ষমতাৰ ৰাজনীতিত জড়িত নোহোৱাতকৈও শোষিত, বঞ্চিতসকলৰ বাবে নিজক উছৰ্গা কৰিব খোজে তেখেত সকলৰ বাবে এটা ব্যৱহাৰিক দিশৰ পৰা সফল হ'ব পৰা নিশ্চিত পথৰ নিৰূপন। এই ক্ষেত্ৰত মহাত্মাৰ লগত ৰয়ৰ মিল দেখা যায়– যদিও ৰয় মহাত্মাৰ কঠোৰ সমালোচক আছিল। উল্লেখযোগ্য যে ৰয়ে তেখেতৰ মানবতাবাদৰ দৰ্শন উদ্ভাবন কৰোতে ঘাইকৈ পশ্চিমীয়া দৰ্শনৰদ্বাৰা প্ৰভাৱান্বিত হৈছে বুলি কোৱাৰ থল থাকি গৈছে; কিন্তু ভাৰতীয় দৰ্শন আৰু সংস্কৃতিৰ দ্বাৰা প্ৰভাৱান্বিত হৈ দীনদয়ালেও একে



মস্কোত মানবেন্দ্ৰ নাথ ১৯২৪চনত

একাত্ম মানবতাবাদৰ আদৰ্শত উপনীত হৈছিল। বিশেষকৈ প্ৰণিধানযোগ্য যে মানবেন্দ্ৰইও আৰম্ভণিতে একাত্ম মানবতাবাদৰ কথাকে কৈছিল আৰু একাত্ম মানবতাবাদ বা নব মানবতাবাদৰ মাজত কোনো পাৰ্থক্য দেখা নাছিল; বৰঞ্চ দুয়োটা প্ৰকাশভঙ্গী একেটা দৰ্শনৰ বাহক বুলিহে ধাৰণা হয়।

'নব মানবতাবাদৰ' ৰাখ্যা আগবঢ়াবলৈ গ'লে বহুতো জনপ্ৰিয় মতাদৰ্শৰ ব্যৰ্থতা আৰু সমসাময়িক পৰিস্থিতিত মানবতাবাদৰ আদৰ্শৰ প্ৰাসঙ্গিকতাৰ বিষয়ে উল্লেখ কৰাটো নিতান্ত প্ৰয়োজনীয়। বিভিন্ন মতাদৰ্শৰ ব্যৰ্থতাৰ বিষয়ে তৰ্ক যুদ্ধত লিপ্ত হৈ পৰিল আমাৰ আৰু শ্ৰীবৰগোহাঞিৰ জীৱনদ্দশাত উক্ত তৰ্কযুদ্ধৰ সামৰণি পৰাৰ সম্ভৱনা নাই বাবে আমি অকল মানবতাবাদৰ প্ৰাসঙ্গিক দিশবোৰহে আমাৰ সাধ্যানুসাৰে নিবেদন কৰিবলৈ চেষ্টা কৰিম।

মানুহক কিবা এটা উদ্দেশ্য সাধনৰ বাবে ব্যৱহাৰ কৰটো মানবতাবাদ হব নোৱাৰে–তেহেলৈ লাগে সেয়া ব্যক্তিগত বা জাতীয় বা আন্তৰ্জতীয় পৰ্যায়তে নহওক কিয়। মানুহ এটা আহিলা নহয়; পূৰ্ণ বিকশিত মানুহ এজন মানব অস্তিত্বৰ চৰম লক্ষ্যহে। এই পূৰ্ণ বিকাশৰ বাবে আৱশ্যক সৰ্বাত্মক স্বাধীনতা–যিটো কোনো অধিভৌতিক, অদৃশ্য দৈৱিক শক্তি বা আনকি যথাৰ্থবাদৰ লগত সম্বন্ধ নথকা কোনো শক্তিয়ে বাস্তৱায়িত কৰিব নোৱাৰে; কাৰণ মানুহে নিজৰ ভৱিষ্যত নিজেই নিৰূপন কৰিব লাগিব। পিচে এই লক্ষ্যত উপস্থিত হবলৈ গৈ ব্যক্তিয়ে কোনোবা কাল্পনিক বা অবাস্তৱ অস্তিত্বৰ লগত– (যেনে, জাতীয়, শ্ৰেণীগত বা সাম্প্ৰদায়িক অস্তিত্ব)–বা এনে' ধৰণৰ অস্তিত্বৰ দাম্ভিক সত্বাৰ লগত নিজকে মিলাই বা নিশ্চিদ্ৰ কৰি দিবলৈ কোনো বাধ্যবাধকতাৰ সন্মুখীন হ'ব নালাগিব; অন্যথায় নিৰ্দ্দিষ্ট আদৰ্শৰ মৃত্যু হব আৰু স্খলিত আদৰ্শৰ জয়।

সমাজ এখনত থাকিলেহে স্বাধীনতাৰ প্ৰশ্ন উঠে–অকলে হাবি বননিত থাকিলে এই প্ৰশ্ন অবান্তৰ সমাজত নিজৰ স্বাধীনতা উপভোগ কৰিব লাগিলে স্বতঃস্ফুৰ্ত্ত ভাবে কিছুমান নৈতিক প্ৰমূল্যবোধক স্বীকাৰ কৰি লব লাগিব–যাতে সমাজে পুলিচৰ ভূমিকা লবলগীয়া নহয়। কোটি কোটি বছৰৰ

জৈৱিক ক্ৰমবিকাশৰ ফলতে মানুহে আজি নিজৰ বৈজ্ঞানিক দৃষ্টিভঙ্গী আৰু নৈতিক প্ৰৱণতা আহৰণ কৰিছে আৰু এয়া এক স্বাভাৱিক, প্ৰাকৃতিক প্ৰক্ৰিয়া। ক্ৰমবিকাশৰ বিজ্ঞানভিত্তিক ইতিহাস স্বীকাৰ কৰি ললে লগতে এই কথাও স্বীকাৰ কৰিব লাগিব যে আজিৰ মানুহ এটা বস্তুবাদী অস্তিত্বৰ লগতে এটা নৈতিক সত্বাও–আৰু এই দুটা পৃথক বা খণ্ড অস্তিত্ব হ'ব নোৱাৰে বৰঞ্চ ক্ৰমবিকাশৰ ফলশ্ৰুতি হিচাপে দুয়ো এটা সুসংহত গোটৰ অংশবিশেষ।

ৰয়ৰ মানবতাবাদৰ সামাজিক পৰিধিৰ মাজত নৈতিক মানবিশিষ্ঠ স্বাধীন স্ত্ৰী-পুৰুষৰ মুক্তি বিকাশেই প্ৰধান লক্ষ্য আৰু লক্ষ্য নিৰূপন কৰা হৈছে সম্পূৰ্ণভাৱে বৈজ্ঞানিক ভিত্তিক ঃ জৈবিক ক্ৰমবিকাশৰ ফলশ্ৰুতিয়ে হ'ল মানুহে আহৰণ কৰা যুক্তিৰে বিচাৰ কৰিব পৰা সামৰ্থ্য, ঐচ্ছিক শক্তি আৰু ভাবাবেগ–তাত কোনো অধিভৌতিক, ঐশ্বৰিক শক্তিৰ বা বিজ্ঞানে বাখ্যা কৰিব নোৱাৰা শক্তিৰ স্থান নাই। আদিম মানুহৰ অস্তিত্বৰ সংগ্ৰামখনৰে যুক্তিগত পৰিণতি হ'ল এখন মুক্ত সমাজ আৰু ব্যক্তিৰ স্বাধীনতাৰ পূৰ্ণ বিকাশৰ বাবে যুগ যুগ ধৰি চলাই অহা সংগ্ৰাম; অথাৎ ই এটা নিৰৱচ্ছিন্ন স্বাভাৱিক প্ৰক্ৰিয়া। এই প্ৰক্ৰিয়াৰ চালিকা শক্তি হ'ল স্বাধীনতা আৰু সত্যৰ প্ৰতি থকা মানুহৰ স্পৃহা আৰু এই স্পৃহাৰে স্বাভাবিক পৰিণতি হ'ল গণতন্ত্ৰৰ বিকাশ; কিন্তু এই গণতান্ত্ৰিক পদ্ধতিক অকল ৰাজনৈতিক ক্ষেত্ৰতে আৱদ্ধ কৰি ৰাখিলে মানবতাবাদৰ মূল লক্ষ্য ব্যাহত হয়। সেয়েহে মানুহৰ সামাজিক অস্তিত্বৰ ৰন্ধ্ৰে ৰন্ধ্ৰে স্বাধীনতা সমতা আৰু একাত্মবোধৰ গণতান্ত্ৰিক প্ৰমূল্য স্থাপিত হোৱাটো নব মানবতাবাদৰ অপৰিহাৰ্য উপাদান। তদুপৰি এই মূল্যবোধৰ স্পষ্ট আৰু নিৰ্ভুল প্ৰতিফলন সমাজৰ অৰ্থনীতি, সংস্কৃতি, শিক্ষা পদ্ধতি, বিভিন্ন জনগোষ্ঠীৰ মাজৰ সম্বন্ধ, স্ত্ৰী-পুৰুষৰ পাৰস্পৰিক সমন্ধ ইত্যাদিবোৰ যাবতীয় ক্ষেত্ৰত হলেহে মানবতাবাদৰ দৰ্শন বাস্তবায়িত হোৱা বুলি দাবী কৰিব পৰা যাব।

চৰম মানবতাবাদৰ আধাৰত প্ৰতিষ্ঠিত ৰাষ্ট্ৰত ক্ষমতা কেইজনমান নেতাৰ হতত কেন্দ্ৰীভূত হৈ থাকিব নোৱাৰে আৰু যিহেতু জনতাই ৰাষ্ট্ৰ পৰিচালনাত নিজেই অংশ গ্ৰহণ কৰিব লাগিব, গতিকে জনতাৰ নিজৰ হাততে ক্ষমতা থাকিব। অৰ্থনৈতিক অসমতা দূৰ কৰি প্ৰতিজন ব্যক্তিয়ে উপকৃত হ'ব পৰাকৈ বিনিয়োগৰ ব্যৱস্থা কৰিব লাগিব–যাতে ৰাষ্ট্ৰখন হৈ পৰে সকলোৰে বাবে এক বিৰাট অৰ্থপূৰ্ণ সমবায় সমিতি। কিন্তু এনেধৰণে ব্যক্তিৰ জীৱনৰ সকলো দিশ সামৰি লব পৰা ব্যৱস্থা এটা প্ৰবৰ্তন কৰিবলৈ হ'লে সমাজৰ আৰু ঘুণে ধৰা অনুষ্ঠান বোৰৰ চূড়ান্ত পৰিবৰ্তনৰ আৱশ্যক হ'ব আৰু সেয়েহে অকল মানবতাবাদ যথেষ্ট নহয়–আৱশ্যক 'নব মানবতাবাদৰ'। যুগ যুগ ধৰি দাৰিদ্ৰ্য, শিক্ষাৰ অভাব আৰু শোষণৰ বলি হৈ থকা মুক জনতাৰ উত্তৰণৰ বাবে ওপৰোক্ত চূড়ান্ত পৰিবৰ্তন মানি লবলৈ নৈতিকভাৱে যুক্তিৰ ভিত্তিত প্ৰস্তুত হলেহে এই মানবতাবাদী দৰ্শনৰ সমৰ্থক সকলে নব মানবতাবাদ বাস্তবায়িত কৰিবলৈ সক্ষম হ'ব; কিন্তু এই আমূল সামাজিক পৰিবৰ্তনৰ পূৰ্বচৰ্ত্ত হ'ব লাগিব সাংস্কৃতিক বিবৰ্ত্তন আৰু যেতিয়ালৈকে সাংস্কৃতিক দিশত প্ৰতিজন ব্যক্তিয়ে আনজন ব্যক্তিৰ বা প্ৰতিটো অনুষ্ঠানে প্ৰতিজন ব্যক্তিৰ স্বাধীনতা, সমান অধিকাৰ, আত্মানুশাসন যুক্তিবাদৰ প্ৰতি সন্মান দেখুৱাবলৈ প্ৰস্তুত নহয় তেতিয়ালৈকে নব মানবতাবাদৰ লক্ষ্য পূৰণ হ'ব নোৱাৰে। ইয়াৰ বাবে বিভিন্ন অনুষ্ঠান সমূহৰো যথোপযুক্ত সংস্কাৰ হ'ব লাগিব। অৱশ্যে স্বৈৰতন্ত্ৰী একনায়কত্ব বাদৰ দ্বাৰা এনে ধৰণৰ পৰিবৰ্ত্তন অনা সম্ভৱ নহয়। দেখদেখকৈ চোভিয়েট ৰুচিয়াৰ অভিজ্ঞতাৰ ভিত্তিতে ৰয়ে এই সাৱধানবাণী শুনাবলগীয়া হৈছে আৰু ক্ষমতাৰ ৰাজনীতিক দূৰৈত ৰাখিবলৈ চৰম মানবতাবাদৰ ভিত্তিত প্ৰতিষ্ঠিত গণতন্ত্ৰত ৰয়ে দলীয় ৰাজনীতিৰ বাবে কোনো স্থান ৰখা নাই–সেয়া লাগে বহুদলীয় বা একদলীয় ৰাজনীতিয়ে নহওক কিয়। নবমানবতাবাদী সকলৰ প্ৰধান ধৰ্ম্ম হ'ব ৰাইজক শিক্ষিত কৰি তোলা–যাতে আটায়েৰে সাংস্কৃতিক বা শৈক্ষিক বিকাশে সমাজ ব্যৱস্থাৰ ভাৰসাম্য বিহীনতা দূৰ কৰিব পাৰে। অথাৎ চৰম মানবতাবাদীসকলে ৰাষ্ট্ৰৰ পৰিচালনাত শাসকৰ ভূমিকা লব নোৱাৰিব–লব লাগিব ৰাইজৰ দিশ নিৰ্ণায়ক, বন্ধু আৰু দাৰ্শনিকৰ ভূমিকা। যিহেতু ব্যক্তিৰ আৰু সমাজৰ ভূমিকা আৰু স্বাৰ্থৰ মাজত কোনো বিৰোধ নাথাকিব গতিকে নব মানবতাবাদৰ দৰ্শন ব্যক্তি আৰু সমাজৰ জীৱনত সমানে প্ৰয়োজ্য হ'ব; কিন্তু গতিশীল হ'ব লাগিব। অথাৎ গোঁড়ামিয়ে আনি দিয়া স্থবিৰতাৰ এই দৰ্শনত স্থান নাই। পৰিবৰ্ত্তনশীল জগতত নতুন নতুন জ্ঞানৰ উন্মেষণে উদ্ৰেক কৰা নতুন পৰিস্থিতিত নব মানবতাবাদীয়ে গতিশীল ভূমিকা লবলৈ আৰু নতুন পৰিবৰ্তনৰ বাবে সদায় প্ৰস্তুত থাকিব লাগিব।

## ২২- দফীয়া 'থেছিচৰ' চমু আভাষ ঃ

উল্লেখযোগ্য সমসাময়িক পৃথিবীত আৰু বিশেষকৈ ভাৰতবৰ্ষত মানুহৰ মৌলিক স্বাধীনতা বাস্তৱক্ষেত্ৰত অলীক কল্পনাৰ স্তৰতে ৰৈ যোৱা বাবেহে ৰয়ে চৰম মানবতাবাদৰ দৰ্শন উদ্ভাবন কৰিবলগীয়া হৈছিল। গতিকে এই খিনিতে এই দৰ্শনৰ ২২-দফীয়া মৌলিক আঁচনিখনৰ চমু আভাষ দিয়াটো পৰবৰ্ত্তী আলোচনা বোধগম্য হোৱাৰ বাবে প্ৰাসঙ্গিক হ'ব। এগৰাকী স্বাধীন, মৰ্যতাসম্পন্ন ব্যক্তিয়ে এখন সুসংহত, সাংস্কৃতিকভাবে পূৰ্ণ বিকাশিত সমাজত মানবীয় স্থিতি নিশ্চিত কৰিবলৈ আৱশ্যকীয় আঁচনিখন খুব সহজ ভাষাত এনেধৰণৰ হ'ব লাগিব ঃ

(১) ব্যক্তিৰ বিকাশে সমাজৰ বিকাশৰ মাপকাঠি। ব্যক্তিৰ মাজত নিহিত থকা সম্ভাবনাৰ পূৰ্ণ বিকাশ ব্যক্তিৰ সমাজৰ লগত থকা সম্বন্ধই নিৰ্ণয় কৰে। ব্যক্তিৰ স্বাধীনতা আৰু কল্যাণ অবিহনে, সমাজৰ বা সমূহৰ স্বাধীনতা আৰু প্ৰগতি মাথোন এটা আদৰ্শ হৈ থাকে। সামূহিক সত্বাৰ সজাগতা শ্ৰেণী, জাতি আদিৰ দৰে অৱস্থানৰ লগত সাঙুৰি লোৱাটো ভূল–কাৰণ তেতিয়া হ'লে ব্যক্তিক বলি দিয়াৰ তুল্য হয়।

(২) স্বাধীনতা আৰু সত্যৰ অন্বেষণেই হৈছে মানব-প্ৰগতিৰ মূল চালিকা শক্তি। বুদ্ধি আৰু আবেগৰ উচ্চ স্তৰত, তিষ্ঠি থাকিবলৈ যি জৈৱিক সংগ্ৰাম তাৰেই নিৰৱচ্ছিন্ন প্ৰক্ৰিয়া হ'ল স্বাধীনতাৰ অন্বেষণ। এই প্ৰক্ৰিয়াৰে অনুসিদ্ধান্ত হ'ল সত্যৰ অন্বেষণ। প্ৰকৃতিৰ সম্বন্ধে লাভ কৰা ক্ৰমবৰ্দ্ধমান জ্ঞানেই মানুহক প্ৰকৃতিৰ অত্যাচাৰৰ পৰা ৰক্ষা কৰে–লগতে 'সামাজিক পৰিবেশৰ অত্যাচাৰৰ পৰাও। জ্ঞানৰ আত্মা হ'ল সত্য।

(৩) ব্যক্তি আৰু সমাজৰ পৰ্যায়ত যুক্তিবাদী মানুহৰ আটাইবোৰ প্ৰয়াসৰ লক্ষ্য হৈছে স্বাধীনতাৰ ক্ৰমবৰ্দ্ধমান ৰূপ বাস্তবায়িত কৰা। ব্যক্তিৰ পূৰ্ণ বিকাশৰ পথত থকা হেঙাৰবোৰ দ্ৰুতৰ পৰা দ্ৰুততৰ গতিত নিশ্চিহ্ন কৰিব পৰাটোৱে স্বাধীনতা। অৰ্থাৎ ব্যক্তিৰ স্থিতিয়ে হৈছে প্ৰগতি আৰু মুক্তিলাভৰ আৰু সামুহিক অনুষ্ঠানৰ কৃতিত্ব মাপকাঠি।

(৪) নিয়মবদ্ধাৰা নিয়ন্ত্ৰিত প্ৰকৃতিৰ পাৰ্থিব পটভূমিত জন্ম হৈছে বাবে, মানুহ স্বভাবতে যুক্তিবাদী। যুক্তি এটা জৈৱিক গুণবাবে ইচ্ছাৰ বিৰোধী নহয়। ফলত ঐতিহাসিক নিৰ্ণায়কে ইয়াৰ স্বাধীনতা অস্বীকাৰ নকৰে। বৰঞ্চ মানুহৰ ইচ্ছা শক্তিয়ে আটাইতকৈ শক্তিশালী নিৰ্ণায়ক (Determining factor)। অন্যথায় যুক্তিৰ দ্বাৰা নিৰ্ণয় কৰা ঐতিহাসিক প্ৰক্ৰিয়াত বিপ্লবৰ বাবে কোনো ভূমিকা নাথাকিব। কিন্তু যুক্তিগত বিজ্ঞানসন্মত নিৰ্ণায়কৰ ভূমিকাক ধৰ্মীয় দৰ্শনে উল্লেখ কৰা অৱধাৰিত বা আগতে নিৰ্ণয় হৈ থকা তথাকথিত ভাগ্যৰ লগত সান-মিহলি কৰিব নালাগিব।

(৫) ইতিহাসৰ অৰ্থনৈতিক বাখ্যাৰ উৎস হ'ল বস্তুবাদৰ ভূল বাখ্যা; ই দ্বৈতবাদক স্মৰণ কৰায়–অথচ বস্তুবাদ হ'ল অদ্বৈতবাদী দৰ্শন। ইতিহাস সৃষ্টি বা সংঘটনৰ উপাদান একাধিক আৰু মানুহৰ ইচ্ছা তাৰেই এটা; কিন্তু মানুহৰ এই ইচ্ছাক সকলো ক্ষেত্ৰতে অৰ্থনৈতিক আকাঙখাৰ লগত জড়িত কৰা সম্ভব নহয়।

(৬) পৰিবেশৰ সজাগতাৰ পৰা জন্ম পোৱা চিন্তাও এটা জৈৱিক প্ৰক্ৰিয়া; কিন্তু এবাৰ জন্ম পোৱাৰ পাছত চিন্তাই নিজৰ নিয়মমতে নিজৰ স্থিতি নিশ্চিত কৰে। সামাজিক বিকাশৰ লগে লগে চিন্তাই নিজৰ গতিশীলতা নিৰ্দ্ধাৰণ কৰে আৰু দুয়ো দুয়োকো প্ৰভাবান্বিত কৰে। মানুহৰ সংহত বিকাশৰ যি প্ৰক্ৰিয়া, সেই প্ৰক্ৰিয়াৰ কোনো স্তৰতে ঐতিহাসিক ঘটনা আৰু চিন্তাৰ প্ৰগতিৰ মাজত প্ৰত্যক্ষ আত্মীয়তা চিনাক্তকৰণ কৰিব নোৱাৰি। প্ৰচলিত অৰ্থনৈতিক সম্বন্ধৰ বাবে সাংস্কৃতিক পৰম্পৰা আৰু প্ৰমূল্যবোধ আদৰ্শগতভাবে মাথোন এটা ওপৰৰ আৱৰণ নহয়; ইয়াকো চৈন্তিক ইতিহাসৰ যুক্তিয়ে ঐতিহাসিক ভাবেই নিৰ্ণয় কৰে।

(৭) এখন নতুন স্বাধীন পৃথিবী তৈয়াৰ কৰিবলৈ হ'লে সমাজৰ অৰ্থনৈতিক পুনৰ সংগঠনৰ লক্ষ্য ভেদ কৰিও বিপ্লব বহুদুৰ আগুৱাই যাব লাগিব। নিৰ্যাতিত আৰু শোষিত শ্ৰেণীৰ দোহাই দি ৰাজনৈতিক ক্ষমতা দখল কৰি ব্যক্তিগত সম্পত্তিৰ ব্যৱস্থা বাতিল কৰিলেই স্বাধীনতাৰ লক্ষ্য পূৰণ নহবও পাৰে।

(৮)সাম্যবাদ বা সমাজবাদ স্বাধীনতাৰ লক্ষ্য পূৰণৰ আহিলা হিচাপে দাবী কৰা হয় যদিও ই কিমান ফলপ্ৰসু তাক অভিজ্ঞতাৰদ্বাৰাহে নিৰ্ণয় কৰা উচিত। যি ৰাজনৈতিক ব্যৱস্থা আৰু অৰ্থনৈতিক পৰীক্ষা-নিৰীক্ষাই ৰক্ত মাংসৰ ব্যক্তিক এক কাল্পনিক সামূহিক সত্বাৰ সমুখত অৱনত কৰায়–লাগিলে জাতিয়েই হওঁক বা শ্ৰেণীয়েই–সিঁ কেতিয়াও স্বাধীনতাৰ লক্ষ্য ভেদ কৰাৰ উপায় হব নোৱাৰে। একহাতে স্বাধীনতাক অস্বীকাৰ কৰি স্বাধীনতাৰ লক্ষ্য ভেদ কৰিবলৈ ওলোৱাটো এটা উদ্ভত পৰিস্থিতি আৰু আনহাতে প্ৰকৃত স্বাধীনতাই কেতিয়াও এটা কাল্পনিক সামূহিক সত্বাৰ বেদীত ব্যক্তিক বলি নিদিয়ে। যি কোনো সামাজিক দৰ্শন বা সমাজৰ পুনৰ গঠনৰ আঁচনিয়ে যদি ব্যক্তিৰ প্ৰাধান্য স্বীকাৰ নকৰে আৰু স্বাধীনতাৰ আদৰ্শক ফোপোলা অপাৰ্থিব চৰিত্ৰৰ বুলি গণ্য কৰে, তেনেহলে এই দৰ্শন বা আঁচনিয়ে মাথোন অতি সীমিত প্ৰগতি আৰু বৈপ্লবিক পৰিবৰ্ত্তনৰ বাবেহে প্ৰাসঙ্গিক।

(৯) ৰাষ্ট্ৰ সমাজৰ ৰাজনৈতিক সংগঠন; এই ৰাষ্ট্ৰ সাম্যবাদী ব্যৱস্থাত লাহে লাহে নাইকিয়া হৈ যাব বুলি কৰা বিশ্বাস এটা অলীক কল্পনা (Utopia)–যিটো কল্পনাক অভিজ্ঞতাই নাকচ কৰিছে। জাতীয়কৃত উদ্যোগৰ ভিত্তিত ৰচনা কৰিবলৈ ওলোৱা পৰিকল্পিত অৰ্থনীতিৰ পূৰ্ব্বচৰ্ত্ত হ'ল এক অতি শক্তিশালী ৰাজনৈতিক যন্ত্ৰৰ প্ৰবৰ্ত্তন; কিন্তু এই ৰাজনৈতিক ব্যৱস্থাক গণতান্ত্ৰিক ভাবে নিয়ন্ত্ৰণ কৰিলেহে স্বাধীনতাৰ নিশ্চিতকৰণ হোৱা সম্ভৱ। ৰাজনৈতিক গণতন্ত্ৰ আৰু ব্যক্তিৰ স্বাধীনতাৰ ভিত্তিত অৱশ্যে ব্যৱহাৰৰ বাবে উৎপাদন কৰা প্ৰক্ৰিয়া পৰিকল্পিত হ'ব পাৰে।

(১০) ৰাষ্ট্ৰৰ মালিকী স্বত্ব আৰু পৰিকল্পিত অৰ্থনীতিয়ে নিজে নিজে শ্ৰমিকৰ শোষণ নিৰ্মূল নকৰে আৰু সম্পদৰ সম-বিতৰণো নিশ্চিত নকৰে। যিদৰে ৰাজনৈতিক গণতন্ত্ৰ অৰ্থনৈতিক গণতন্ত্ৰ অবিহনে বৰ্ত্তি থাকিব নোৱাৰে, ঠিক একেদৰে অৰ্থনৈতিক গণতন্ত্ৰ ৰাজনৈতিক গণতন্ত্ৰ অবিহনে বৰ্ত্তি থাকিব নোৱাৰে।

(১১) একনায়কত্ববাদ নিগাজী হৈ বহি লোৱাৰ প্ৰবণতা থাকে। পাৰদৰ্শিতা, সামূহিক প্ৰচেষ্টা আৰু সামাজিক প্ৰগতিৰ দোহাই দি ৰাজনৈতিক একনায়কত্ববাদে ব্যক্তি স্বাধীনতা উলাই কৰে। ফলত সমাজবাদী ৰাষ্ট্ৰত বা সমাজত গণতন্ত্ৰৰ উন্নততৰ সংস্কৰণ অসম্ভব হৈ পৰে। একনায়কত্ববাদে নিজে বিশ্বাস কৰা আদৰ্শৰে মৃত্যু ঘটায়।

(১২) অভিজ্ঞতাই সংসদীয় গণতন্ত্ৰৰ দুৰ্ব্বলতাও স্পষ্ট কৰিছে। ক্ষমতাৰ হস্তান্তৰেই ইয়াৰ বাবে দায়ী। গণতন্ত্ৰক কাৰ্যকৰী কৰি ৰাখিব খুজিলে ক্ষমতা সদায় ৰাইজৰ হাতত থাকিব লাগিব আৰু ৰাইজে সাৰ্ব্বভৌম ক্ষমতা কাৰ্যকৰীভাবে ব্যৱহাৰ কাৰৰ ব্যৱস্থা থাকিব লাগিব–পিচে সাময়িকভাবে নহয়–কিন্তু দৈনন্দিন ভিত্তিত। বেছি ভাগ সময়তে ব্যৱহাৰিক উদ্দেশ্যৰ দৃষ্টিকোণৰ পৰা, গাইগুটীয়াভাবে অকলশৰীয়া নাগৰিকজন ক্ষমতাহীন–সাৰ্ব্বভৌম ক্ষমতা ব্যৱহাৰ কৰাৰ বাবে তেওঁৰ হাতত কোনো উপায় নাই আৰু ৰাষ্ট্ৰযন্ত্ৰৰ ওপৰত নিয়ন্ত্ৰণ ৰখাৰো ব্যৱস্থা তেওঁৰ বাবে নাই।

(১৩) আনুষ্ঠানিক সংসদীয় গণতন্ত্ৰত উদাৰপন্থী ভাবধাৰাক ভূল বাখ্যা দিয়া হয় বা ছদ্মবেশৰ সহায়ত বিকৃত কৰা হয়। অনিয়ন্ত্ৰিত অৰ্থনৈতিক স্বাধীনতাৰ (Laissez faire) নীতিয়ে মানুহে মানুহক শোষণ কৰা প্ৰক্ৰিয়াক আইনগত অনুমোদন জনায়। মানুহক অৰ্থনৈতিক গোট হিচাবে বিবেচনা কৰা সংজ্ঞাই ব্যক্তিবাদৰ স্বাধীনতাপ্ৰয়াসী নীতি নিস্ক্ৰীয় কৰে। অৰ্থনৈতিক গোট হিচাপে বিবেচিত মানুহ হয় দাস হব–নহয় দাসসকলৰ ৰক্ষী হ'ব। সজ্ঞাগত ভাবে যুক্তিবাদী মানুহজন নৈতিক; নৈতিক কাৰণ তেওঁ যুক্তিবাদী। গতিকে অৰ্থনৈতিক গোটৰ ওপৰোক্ত অশালীন বা অসভ্য সংজ্ঞাটোৰ স্থান সজ্ঞাজাত যুক্তিবাদে লব লাগিব। নৈতিকতা বিবেকৰ প্ৰতি এটা আহ্বান, আৰু বিবেক হ'ল পৰিবেশৰ প্ৰতি সজ্ঞাজাত সজাগতা আৰু প্ৰতিক্ৰিয়া; সজাগতাৰ পৰ্যায়ত ই এক যান্ত্ৰিক জৈৱিক ক্ৰিয়া। সেইবাবে ই যুক্তিগত।

(১৪) সংসদীয় গণতন্ত্ৰৰ বিকল্প একনায়কত্ববাদ নহয়; সংগঠিত গণতন্ত্ৰহে–অৱশ্যে ক্ষমতাহীন গাইগুটীয়া নাগৰিকজনৰ আনুষ্ঠানিক গতানুগতিক গণতন্ত্ৰ নহয়। সমগ্ৰ দেশকে সামৰি লোৱা গণ-সমিতিসমূহে (Peoples' Committes) সংগঠিত গণতন্ত্ৰ ৰচনা কৰিব–আৰু ইয়ে পিৰামিদ সদৃশ ৰাষ্ট্ৰৰ অবয়বৰ ভেটি হ'ব আৰু পিৰামিদৰ

শীৰ্ষবিন্দুটোৱে হ'ব সংসদ। ৰাষ্ট্ৰৰ ৰাজনৈতিক সংগঠন সমগ্ৰ সমাজত সৰ্ব্বব্যাপ্ত হব–যাৰ ফলত ৰাষ্ট্ৰ এক সক্ৰিয় গণতান্ত্ৰিক নিয়ন্ত্ৰণত থাকিব।

(১৫) বৈপ্লবিক আৰু স্বাধীনতাপ্ৰয়াসী সমাজ দৰ্শনৰ কাম হ'ল ইতিহাসৰ মৌলিক তথ্যৰ ওপৰত গুৰুত্ব দিয়া আৰু ইতিহাসৰ মৌলিক তথ্য হল ঃ (ক) মানুহ নিজৰ পৃথিবীখনৰ নিৰ্মাতা; (খ) মানুহ চিন্তাশীল; (গ) এই দুটা ভূমিকা ব্যক্তি হিচাপেহে পালন কৰিব পাৰে। মানুহৰ মগজু উৎপাদনৰ এটা আহিলা আৰু ই আটাইতকৈ বেছি বৈপ্লবিক সামগ্ৰীটো উৎপাদন কৰে। বিপ্লবৰ পূৰ্ব্বচৰ্ত্ত হ'ল সুপ্ৰতিষ্ঠিত, পৰম্পৰাগত ভাবধাৰাৰ পৰিবৰ্ত্তন বা বিনাশ। নিজৰ সৃজনী শক্তিৰ প্ৰতি সজাগ হৈ উঠা ক্ৰমবৰ্দ্ধমান সংখ্যাৰ মানুহ যদি পৃথিবীখন নতুনকৈ গঢ়াৰ অদম্য ইচ্ছাশক্তি দুঃসাহসিক ভাবধাৰা আৰু মুক্ত মানুহৰ বাবে এখন মুক্ত সমাজৰ আদৰ্শেৰে অনুপ্ৰাণিত হয় তেনেহলে গণতন্ত্ৰ সম্ভৱ কৰি তোলা পৰিস্থিতিৰ সৃষ্টি হ'ব।

(১৬) সামাজিক বিপ্লবৰ পদ্ধতি আৰু আঁচনিৰ ভিত্তি হব লাগিব সামাজিক প্ৰগতিৰ মৌলিক নীতিসমূহৰ পুনৰ উত্থান। স্বাধীনতা আৰু যুক্তিবাদী সমবায় জীৱনৰ নীতি সম্পৰ্কে ৰাইজক শিক্ষিত কৰিবলৈ দৃঢ় আৰু ব্যাপক প্ৰচেষ্টা চলালেহে সমাজৰ নৱজাগৰণ অহা সম্ভৱ। বিপ্লবোত্তৰ সামাজিক আৰু ৰাজনৈতিক ভেটি নিৰ্মাণৰ বাবে জনতাক সক্ৰিয় গণতান্ত্ৰিক অনুষ্ঠানৰ ভিত্তিত সংগঠিত কৰিব লাগিব। উক্ত নৱজাগৰণে দ্ৰুতগতিত প্ৰস্তুত কৰা মানুহক সামাজিক বিপ্লৱে বাট চাই থাকে–মহাযাত্ৰী হিচাপে বিচাৰে ওপৰোক্ত গণ-সমিতিসমূহৰ ক্ৰমবৰ্দ্ধমান হোৱাৰ প্ৰৱণতা আৰু দুয়োটা উৎপাদনৰ মাজত জৈৱিক সমন্বয়। বিপ্লবৰ আঁচনিত ঠিক একেদৰে স্বাধীনতা যুক্তি আৰু সামাজিক ঐক্যতানৰ ভিত্তিৰ ওপৰতে নিশ্চিত হব লাগিব; আৰু এই ব্যৱস্থাই সমাজৰ জীৱন নিয়ন্ত্ৰিত কৰিবৰ বাবে একচেটীয়া মালিকিস্বত্ব আৰু ন্যাস্তস্বাৰ্থ বিনাশ কৰিব লাগিব।

(১৭) অৰ্থনৈতিক পুনৰ সংগঠন প্ৰক্ৰিয়াত মানহে মানুহক শোষণ কৰা সম্ভৱনা নিমূল কৰাটো 'নব মানবতাবাদৰ' পূৰ্ব্বচৰ্ত্ত। ব্যক্তিৰ ভিতৰত নিহিত থকা বৌদ্ধিক আৰু আন আন সুক্ষ্ম সুকুমাৰে সম্ভাৱনা বিকশিত কৰাৰ পূৰ্ব্বচৰ্ত্ত হ'ল উত্তৰোত্তৰ ভাবে বস্তুবাদী প্ৰয়োজনীয়তাৰ সন্তুষ্টি সাধন, জীৱনৰ মানদণ্ডৰ উত্তৰোত্তৰ উন্নতি সাধন কৰিব পৰা অৰ্থনৈতিক পুনৰ্গঠনেই হ'ল চৰম গণতান্ত্ৰিক ৰাষ্ট্ৰৰ ভেটী। জনসাধাৰণৰ অৰ্থনৈতিক মুক্তিসাধন স্বাধীনতাৰ লক্ষ্য ভেদ কৰাৰ এক অত্যাৱশ্যকীয় চৰ্ত্ত।

(১৮) মানুহৰ প্ৰয়োজনৰ ভিত্তিত ব্যৱহাৰ আৰু বিতৰণৰ বাবে কৰা উৎপাদনেই হ'ব নতুন সমাজ ব্যৱস্থাৰ ভেটি। এই নতুন সমাজ ব্যৱস্থাই ক্ষমতা হস্তান্তৰ মানি নলয়–কাৰণ কাৰ্যতঃ এই ব্যৱস্থাই জনসাধাৰণক সক্ৰিয় ক্ষমতাৰ পৰা বঞ্চিত কৰে; গণ-সমিতিৰ জৰিয়তে সমগ্ৰ জনসাধাৰণৰ প্ৰত্যক্ষ অংশ গ্ৰহণে এই ব্যৱস্থাৰ মূল কথা। জ্ঞানৰ সাৰ্ব্বজনীন প্ৰচাৰ বৈজ্ঞানিক আৰু সৃজনধৰ্মী ক্ৰিয়াৰ ক্ষেত্ৰত নুন্যতম নিয়ন্ত্ৰণ, অধিকতম সুবিধা আৰু প্ৰেৰণা দানেই হ'ব এই ব্যৱস্থাৰ সংস্কৃতি, যুক্তি আৰু বিজ্ঞানৰ ভেটিত স্থাপিত হ'ব বাবেই নতুন সমাজখন অপৰিহাৰ্যভাবেই পৰিকল্পিত হ'ব লাগিব; কিন্তু ব্যক্তিস্বাধীনতা নিশ্চিত কৰাৰ প্ৰধান লক্ষ্য আগত ৰাখিহে এই পৰিকল্পনা তৈয়াৰ কৰা হ'ব। ৰাজনৈতিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক দিশত নতুন সমাজখন গণতান্ত্ৰিক হ'ব। ফলত, এই গণতন্ত্ৰই নিজক ৰক্ষা কৰিবলৈ সক্ষম হ'ব।

(টোকা ঃ ১৯৪৮ চনত সংশোধিত কৰা ১৯ আৰু ২০ নম্বৰ থেছিচ দুখনৰ অনুবাদহে তলত দিয়া হ'ল) ঃ

(১৯) মুক্ত সমাজ এখন সৃষ্টি কৰিবলৈ দৃঢ় সংকল্প হোৱা আধ্যাত্মিক ভাবে স্বাধীন মানুহৰ সামুহিক প্ৰচেষ্টাৰ জৰিয়তেহে চৰম গণতন্ত্ৰৰ লক্ষ্য সাধন হ'ব। তেওঁলোকে শাসকৰ ভূমিকাৰ পৰিবৰ্ত্তে জনসাধাৰণৰ বন্ধু, দাৰ্শনিক আৰু দিক-নিৰ্ণায়কৰ ভূমিকাহে পালন কৰিব। স্বাধীনতাৰ লক্ষ্যৰ লগত সমন্বয় ৰক্ষা কৰি তেওঁলোকৰ ৰাজনৈতিক আচৰণ যুক্তিসঙ্গত–আৰু ফলত নৈতিকতাবিশিষ্ট হ'ব। জনসাধাৰণৰ মুক্তিৰ স্পৃহাই তেওঁলোকৰ প্ৰচেষ্টা শক্তিশালী কৰি তুলিব। অৱশেষত 'জনসাধাৰণৰ বুদ্ধিমতাপ্ৰসুত ক্ৰিয়া আৰু শিক্ষিত জনমতৰ সমৰ্থনৰ ভেটিত চৰম গণতান্ত্ৰিক ৰাষ্ট্ৰৰ আবিৰ্ভাব হ'ব। ক্ষমতাৰ কেন্দ্ৰীকৰণ যে স্বাধীনতা বিৰোধী–এই উপলব্ধিৰ বাবেই চৰম গণতন্ত্ৰবাদীসকলে ক্ষমতাৰ বহুল বিকেন্দ্ৰীকৰণৰ লক্ষ্য আগত ৰাখি কাম কৰিব।

(২০) চূড়ান্ত বিশ্লেষণত, ব্যক্তি স্বাধীনতা খৰ্ব্ব নকৰাকৈ সামূহিক প্ৰগতি আৰু ঐশ্বৰ্য নিশ্চিতকৰণ কৰিবৰ বাবে নাগৰিকক শিক্ষিত কৰি তোলাটোৱে সমাজৰ এনেধৰণৰ পুনৰ্গঠনৰ চৰ্ত্ত। নাগৰিকক ৰাজনৈতিক আৰু নাগৰিকত্ববোধৰ শিক্ষা দিবলৈ গণ-সমিতিবোৰেই স্কুলৰ ভূমিকা পালন কৰিব। চৰম গণতন্ত্ৰবাদী ৰাষ্ট্ৰৰ গাঁথনি আৰু ভূমিকাই পক্ষপাতদুষ্ট নোহোৱা ব্যক্তিক ৰাজহুৱা ক্ৰিয়া কলাপত আঁগভাগ লবলৈ সমল যোগাব। এনে ধৰণৰ ব্যক্তিৰ দ্বাৰা পৰিচালিত হ'লে আনৰ ওপৰত বল প্ৰয়োগ কৰিবলৈ ৰাষ্ট্ৰ কোনো বিশেষ শ্ৰেণীৰ হাতৰ যন্ত্ৰ নহব। আধ্যাত্মিকভাৱে মুক্ত ব্যক্তিয়ে ক্ষমতা পালেহে সকলো ধৰণৰ দায়িত্বৰ শিকলি নিৰ্ম্মুল কৰা আৰু সকলোৰে মুক্তি সাধন সম্ভৱ।

(২১) নব মানবতাবাদে বিজ্ঞানক সামাজিক সংগঠনৰ লগতে আত্মীয়কৰণ কৰে আৰু ব্যক্তিগত জীৱনত সামাজিক জীৱনৰ লগত সমাহিত কৰে; ই স্বাধীনতাক নৈতিক বৌদ্ধিক আৰু সামাজিক সত্বা দান কৰে ঃ অৰ্থনৈতিক নিৰ্ণয়ৰ দ্বন্দ্ববাদ আৰু চিন্তাশক্তিৰ ক্ৰিয়াপদ্ধতিক প্ৰাপ্য স্বীকৃতি দি সামাজিক প্ৰগতিৰ এক সৰ্ব্বাত্মক সূত্ৰ উলিয়ায়; আৰু একে উৎসৰ পৰায়ে আমাৰ সময়ৰ সামাজিক বিপ্লবৰ বাবে এটা পদ্ধতি আৰু এখন আঁচনি আহৰণ কৰে।

(২২) নব মানবতাবাদৰ প্ৰাৰম্ভিক সূত্ৰ হ'ল যে সকলো কথাৰে মাপকাঠি হ'ল মানুহ বা "মানুহেই মানবজাতিৰ শিক্ষা" ("Man is the root of mankind" Marx) আৰু পৃথিৱীখনক আধ্যাত্মিক স্বাধীনতা অৰ্জ্জন কৰা নৈতিকতাসম্পন্ন মানুহৰ দ্বাৰা স্বাধীন ব্যক্তিৰ সম্প্ৰদায় আৰু সামূহিক ৰাষ্ট্ৰহিচাপে পুনৰ্গঠন কৰাৰ পৃষ্ঠপোষকতা কৰে।

*(টোকা ঃ পৰিভাষাৰ সীমিত জ্ঞানৰ বাবে ২২ খন থেছিচৰ আক্ষৰিক অনুবাদ কৰা সম্ভৱ হোৱা নাই; কিন্তু ভাবাৰ্থৰ হীন ডেঢ়ি যাতে নহয় আৰু তাৰ বাবে লক্ষ্য ৰখা হৈছে। ১৯ আৰু ২০ নং থেছিচ সংশোধন কৰাৰ আগতে ৰয়ে ৰাজনৈতিক দলৰ ভূমিকাক স্বীকৃতি দিছিল; কিন্তু নব মানবতাবাদৰ পূৰ্ণ বিকাশৰ ক্ষেত্ৰত দলীয় ৰাজনীতি আগ্ৰাহ্য কৰিলে, তাৰ প্ৰধান কাৰণ হ'ল– দলীয় ৰাজনীতিয়ে ক্ষমতাৰ ৰাজনীতিৰ জন্ম দিয়ে।)*

(অহা সংখ্যাত)





# আঞ্চলিক ৰাজনৈতিক দলৰ অন্তৰ্কন্দল আৰু আঞ্চলিক ৰাজনীতি

হিতেন মহন্ত

অসম গণ পৰিষদ দল আৰু নতুন অসম গণ পৰিষদ দলে পুনৰ ৰাজনৈতিক যুদ্ধত অৱতীৰ্ণ হৈছে। যোৱা কিছুদিনত ইটোৰ বিপক্ষে সিটোৱে বিভিন্ন আক্ৰমণ আৰু প্ৰতি আক্ৰমণেৰে স্থানীয় বাতৰি কাকতৰ পৃষ্ঠা গৰম কৰিছে। ৰাজনৈতিক দল দুটাৰ মাজত এই কন্দলে ৰাজ্যখনৰ আঞ্চলিক ৰাজনীতি মনোভাবাপন্ন ৰাইজৰ মাজত স্বাভাৱিকতে হতাশাৰ সৃষ্টি কৰিছে।

ইতিমধ্যে দুয়োটা আঞ্চলিক দলৰ পৰা কেইজনমান নেতৃস্থানীয় লোকে পদত্যাগ কৰিছে। অ.গ.পৰ পৰা প্ৰাক্তন সংসদ সদস্য ডঃ নগেন শইকীয়া আৰু ন.অ.গ.পৰ পৰা সংসদ সদস্য ডেভিড লেজাৰৰ পদত্যাগ এইক্ষেত্ৰত বিশেষভাবে উল্লেখযোগ্য। দুয়োজন নেতাই পদত্যাগৰ সন্দৰ্ভত পৃথক কাৰণ দৰ্শাইছে। ডঃ নগেন শইকীয়াই প্ৰধান আৰু গুৰুতৰ অভিযোগ উত্থাপন কৰি কৈছে যে অ.গ.প দলৰ ভিতৰত গণতন্ত্ৰ নাই আৰু সেইটোৱেই তেওঁ পদত্যাগ কৰাৰ মূল কাৰণ। এইক্ষেত্ৰত তেওঁ ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থীক সমৰ্থন জনোৱাৰ বিষয়ত দলৰ কেইজনমান নেতাৰ দুমুখীয়া নীতিৰ বিষয়েও উল্লেখ কৰে। আনহাতে ডেভিদ লেজাৰে অভিযোগ উত্থাপন কৰি কৈছে যে বহু প্ৰচেষ্টা চলোৱাৰ পিছতো আঞ্চলিক দল দুটাৰ মাজত একত্ৰীকৰণৰ প্ৰক্ৰিয়া সফল নহ'ল। এইক্ষেত্ৰত তেওঁ দুয়োটা দলৰ কেইজনমান নেতাৰ আঁকোৰগোজ মনোভাবকে দায়ী কৰে আৰু সেইটোৱে তেওঁ পদত্যাগ কৰাৰ মূল কাৰণ।

পদত্যাগৰ মূল কাৰণ হিচাপে ডঃ নগেন শইকীয়াই উত্থাপন কৰা অভিযোগটো নতুন নহয়। কিয়নো বিগত নিৰ্বাচনৰ আগমুহূৰ্তত দলৰ ভিতৰত গণতন্ত্ৰ নথকাৰ অভিযোগ উত্থাপন কৰিয়েই অ.গ.প দল দুটা ভাগত বিভক্ত কৰা হৈছিল। উক্ত অভিযোগ উত্থাপন কৰিয়েই ভৃগু কুমাৰ ফুকন, পুলকেশ বৰুৱা, ডেভিদ লেজাৰ আৰু প্ৰয়াত দীনেশ গোস্বামীয়ে নতুন অসম গণ পৰিষদ দলৰ জন্ম দিছিল। কিন্তু ফুকনহঁতে সেই সময়ত উক্ত অভিযোগ উত্থাপন কৰাৰ সময়ত ডঃ নগেন শইকীয়াই নীৰৱতা অৱলম্বন কৰিছিল। তেতিয়া তেওঁ অ.গ.প দলতে থকাৰ সিদ্ধান্ত কৰিছিল। অৰ্থাৎ প্ৰকাৰান্তৰে তেওঁ ফুকন হঁতৰ অভিযোগৰ বিৰোধিতা কৰিছিল।

> ক্ষমতাচ্যুত হোৱাৰ পিছতেই ৰাজনৈতিক দলৰ মাজত ভাঙোনৰ সৃষ্টি হোৱাটো নতুন কথা নহয়। সৰ্বভাৰতীয় আৰু আঞ্চলিক উভয় ৰাজনৈতিক দলতেই ক্ষমতাচ্যুত হোৱাৰ পিছৰে পৰাই হতাশা নামি আহে। ৰাজনৈতিক নেতাবোৰৰ ক্ষমতাৰ প্ৰতি অদম্য লোভে এনে হতাশা প্ৰকট কৰি দিয়ে।

মাত্ৰ এবছৰৰ পিছতেই ডঃ শইকীয়াই সেই একেই অভিযোগ উত্থাপন কৰাটো ৰাজনৈতিক বাটুলতা নহয়নে ?

ডেভিদ লেজাৰে উত্থাপন কৰা অভিযোগ অৱশ্যে নতুন আৰু প্ৰাসঙ্গিক। কিয়নো নিৰ্বাচনৰ পিছৰে পৰাই দুয়োটা আঞ্চলিক দল পুনৰ একেটা দলতে চামিল কৰাৰ বাবে জোৰ প্ৰচেষ্টা চলোৱা হৈছিল। কিন্তু এবছৰ ধৰি বিভিন্ন আলোচনা বিলোচনাৰ পিছতো সেই প্ৰচেষ্টা সফল নহ'ল। কিন্তু উল্লেখনীয় বিষয়টো হ'ল এয়ে যে অ.গ.প. দল ভাঙোনত ডেভিদ লেজাৰেও আগ-ভাগ লৈছিল। আন এটা কথা হ'ল এয়েযে লেজাৰে কেইজনমান নেতাৰ আঁকোৰগোজ মনোভাবৰ বাবেই চামিলকৰণ সম্ভৱ হৈ নুঠিল বুলি উল্লেখ কৰিছে। কিন্তু নেতা কেইজনৰ কাম তেওঁ উল্লেখ কৰা নাই। লেজাৰৰ এই ভূমিকাও সুবিধাবাদৰ পৰিচায়ক বুলি ক'ব পাৰি। কোৱা বাহুল্য আঞ্চলিক দলৰ মাজত বিভাজনেই বিগত নিৰ্বাচনত আঞ্চলিক দলৰ বিপৰ্যয়ৰ মূল কাৰণ আছিল।

ক্ষমতাচ্যুত হোৱাৰ পিছতেই ৰাজনৈতিক দলৰ মাজত ভাঙোনৰ সৃষ্টি হোৱাটো নতুন কথা নহয়। সৰ্বভাৰতীয় আৰু আঞ্চলিক উভয় ৰাজনৈতিক দলতেই ক্ষমতাচ্যুত হোৱাৰ পিছৰে পৰাই হতাশা নামি আহে। ৰাজনৈতিক নেতাবোৰৰ ক্ষমতাৰ প্ৰতি থকা অদম্য লোভ এনে হতাশাই প্ৰকট কৰি দিয়ে। প্ৰয়াত ইন্দিৰা গান্ধীৰ নেতৃত্বত কংগ্ৰেছ দল ক্ষমতাচ্যুত হোৱাৰ পিছতেই কংগ্ৰছ দল কেবাটাও উপদলত বিভক্ত হৈছিল। সেইদৰে কেন্দ্ৰত জনতা চৰকাৰৰ পতনৰ লগে লগে পূৰ্বৰ জনতা পাৰ্টি কেবাটাও উপদলত বিভক্ত হৈছিল। ইয়াৰ পিছত ৰাষ্ট্ৰীয়মৰ্চা চৰকাৰৰ পতনৰ লগে লগে জনতা দল কেবাটাও উপদলত বিভক্ত হৈছে। আনহাতে ভাঙোনৰ ফলত সৰ্বভাৰতীয় ৰাজনৈতিক দলৰ তুলনাত আঞ্চলিক ৰাজনৈতিক দল বেছি নিশকতীয়া হৈ পৰে। এই ক্ষেত্ৰত পঞ্জাৱৰ আকালি দল চূড়ান্ত নিদৰ্শন। ৰাজনৈতিক দলবোৰৰ মাজত সৃষ্টি হোৱা এই ভাঙোনৰ ওপৰত মন্তব্য কৰি প্ৰখ্যাত সাংবাদিক নিখিল চক্ৰৱৰ্তীয়ে কৈছিল 'ভাৰতত ৰাতিৰ ভিতৰতে এটা ৰাজনৈতিক দল গঠন কৰিব পাৰি।'

অসমৰ আঞ্চলিক দলৰ ক্ষেত্ৰতো এতিয়া সেইটোৱেই হৈছে। প্ৰত্যেকেই

নিজাববীয়াকৈ একোটা আঞ্চলিক ৰাজনৈতিক দল গঠন কৰিছে। অথচ প্ৰত্যেকটো আঞ্চলিক দলৰ বক্তব্য, উদ্দেশ্য আৰু লক্ষ্য একেটাই। ৰাজনৈতিক আধাৰ বা ভেটিও একেটাই। আঞ্চলিক ভাবসাম্যহীনতা। বৈষম্যৰ বিৰুদ্ধে মাত মতাটোৱেই তেওঁলোকৰ প্ৰধান কৰ্মসূচী। লক্ষ্য উদ্দেশ্য যদিহে একে হয়, ইমানবোৰ আঞ্চলিক ৰাজনৈতিক দলৰেই প্ৰয়োজন কত? ক্ষমতাৰ অৰিয়া-অৰিয়েই যে ইমানবোৰ আঞ্চলিক ৰাজনৈতিক দলৰ জন্ম দিছে, সেই বিষয়ে কোনো সন্দেহ নাই।

আঞ্চলিক ৰাজনীতি পোষকতা কৰা নেতাসকলৰ এই হঠকাৰি মনোভাবে ৰাজ্যখনৰ আঞ্চলিক ৰাজনীতিৰ ওপৰতেই মাধমাৰ সোধাইছে। ইয়াৰ লগে লগে আঞ্চলিক ৰাজনীতিও যে ক্ষমতা সৰ্বস্ব ৰাজনীতি সেইটো প্ৰমাণিত হৈছে। জনসাধাৰণৰ অকুণ্ঠ সমৰ্থনৰ বাবেই অসমত আঞ্চলিক ৰাজনীতি এটা শক্তিশালী ৰাজনৈতিক ধাৰা হিচাপে উদয় হৈছিল। কিন্তু সেই ৰাজনৈতিক ধাৰা এতিয়া স্তিমিত হৈ পৰিছে। অ. গ. প নেতাসকলৰ মাজত ব্যক্তিগত অৰিয়া অৰিয়েই আঞ্চলিক ৰাজনৈতিক ধাৰাৰ গতি স্তব্ধ হৈ পৰাৰ মূল কাৰণ। ব্যক্তিগত অৰিয়া অৰিত লিপ্ত হৈ থকাৰ বাবেই শাসনক্ষমতাত থাকি অ. গ. প দলে ৰাজ্যখনৰ জটিল সমস্যা সমাধানত মনোনিবেশ কৰিব নোৱাৰিলে। আঞ্চলিক ৰাজনীতিৰ প্ৰতি ৰাইজৰ মোহভংগ হোৱাৰ এইটোও এটা অন্যতম কাৰণ। কেৱল আবেগেৰে এটা দল জীয়াই ৰাখিব নোৱাৰি। ৰাজনৈতিক দলৰ ভেটি শক্তিশালী কৰিবলৈ হ'লে তৃণ মূল পৰ্যায়ত সংগঠনৰ প্ৰয়োজন। প্ৰায় পাঁচ বছৰ ক্ষমতাত থাকিও অ. গ. প দলে যিটো আওকাণ কৰি চলিলে বুলি ক'লে ভুল কোৱা নহ'ব।

আঞ্চলিক ৰাজনৈতিক দলবোৰৰ এই অন্তৰ্কন্দলে আঞ্চলিক ৰাজনৈতিক ধাৰা প্ৰাণহীন কৰি তুলিছে। বাতৰি কাকতৰ জৰিয়তে কেৱল বিবৃতি প্ৰকাশ কৰিয়েই ৰাজনৈতিক ভেটি সুদৃঢ় কৰিব নোৱাৰি। এটা সুস্পষ্ট দৰ্শন, নিৰ্দ্ধাৰিত কাৰ্যসূচী আৰু সেই কাৰ্যসূচী ৰূপায়ণৰ বাবে অবিৰত প্ৰচেষ্টাৰ অবিহনে যে এটা ৰাজনৈতিক শক্তি আহৰণ কৰিব নোৱাৰি সেই কথাই আঞ্চলিক ৰাজনৈতিক দলৰ ক্ষেত্ৰত প্ৰমাণিত হৈছে। ■

# মুখাবোৰ খোলা সোণহঁত এতিয়া কামৰ সময়

পাৰ্থসাৰথি বেজবৰুৱা

গছত যেতিয়া বৰঘুমলা পৰে তেতিয়া নিজকে ই (গছজোপাৰ) Well wisher বুলিয়েই কয়; শেষত দেখা যায় – গছ মৰে, বৰঘুমলা হে নোদোকা হয়। ১৯৭৯ চনত অসমত যেতিয়া আলফাৰ জন্ম হৈছিল তেতিয়া নিজকে তেওঁলোকে (অসমবাসীৰ) Well wisher বুলিয়েই কৈছিল; ১৯৯২ চনত দেখা গ'ল অসমবাসী মৰিল 'আলফাৰ দাদা'হে নোদোকা হ'ল।

দ্ৰৌপদীৰ হেনো পাঁচজন পতি আছিল; তেওঁৰ হেনো আকৌ কৰ্ণলৈও হাবিয়াস আছিল। তথাপি দ্ৰৌপদী মহাসতী কাৰণ মহাভাৰতে মহাকয়। আলফাই নৰহত্যা কৰিছে; নাৰী হত্যা কৰিছে; সাংবাদিকো বাদ পৰা নাই। ড্ৰাগছৰ ব্যৱসায়, জালিয়াতি কৰাৰো প্ৰমাণ পোৱা গৈছে। তথাপি আলফা 'বিপ্লৱী'। কাৰণ সিহঁত আলফা – 'আদিত্য-সিদ্ধাৰ্থ'ৰ মুখাপিক্ষা।

অন্তৰত বিদ্বেষ ৰাখি বিচাৰত বহিলে বিচাৰ বিভ্ৰাট হোৱাৰ আশংকা থাকে। সেয়া ভাৰতীয় সেনাই হওক বা অসমীয়া আলফাই হওক। দেশৰ আভ্যন্তৰীণ বিষয়ত সেনা বাহিনী ব্যৱহাৰ কৰিবলগীয়া হোৱাটোৱেই দুৰ্ভাগ্যজনক। তথাপিও বহু সময়ত ইয়াৰ ব্যৱহাৰ হয়। কিন্তু সেনাবাহিনী বুলিলেই দেখোন ৰাইজৰ মাজত এক 'এলাৰ্জি'। প্ৰাকৃতিক দুৰ্যোগৰ সময়তো সেনাবাহিনী ব্যৱহাৰ কৰা হয়। তেতিয়াতো কোনোৱে প্ৰতিবাদ কৰা শুনা নাযায়। তেতিয়াতো 'ধৰ্ষণ'ৰ বাতৰি পোৱা নাযায়। তেনেহলে উগ্ৰপন্থী দমনৰ সময়ত সেনাবাহিনীৰ ব্যৱহাৰ কৰিলে ৰাইজৰ এলাৰ্জি হয় কিয়? এই ক্ষেত্ৰত অৱশ্যে কিছুমান দুৰ্ঘটনা অস্বীকাৰ কৰা নাযায়। কিন্তু কেইজনমান 'আলফা বিপ্লৱী'য়ে ৰাইজক প্ৰতাৰণা কৰাতে যদি সমগ্ৰ আলফা সংগঠন গৰিহণাযোগ্য নহয়, তেনেহলে কেইজনমান দুষ্ট চৰিত্ৰৰ লোকৰ কাৰণে সমগ্ৰ ভাৰতীয় সেনা গৰিহণাৰ পাত্ৰ হ'ব লাগে কিয়?

১৯৭৯ চনৰ পাছৰ এটা দশক অসমত 'আলফাৰ দশক'। কাৰণ তেতিয়া মটৰ চাইকেলৰ ওপৰৰ পৰা নিৰ্বিঘ্নে গুলি চলাই যাব পৰা চৰকাৰী গেৰাণ্টি আলফাৰ কাৰণে আছিল। কল্পনা বিলাসী অসমবাসীও স্বাধীন অসমৰ স্বপ্নত বিভোৰ। কিন্তু বহু খেলৰ অভিজ্ঞতা পুষ্ট খেলুৱৈয়ে অনুমান কৰিব পাৰে কোন মুহূৰ্তত গ'ল এটা হোৱাৰ সম্ভাৱনা প্ৰায় নিশ্চিত। সেয়ে অসমবাসীৰ কাৰণে তেনে এক ৰসঘন পৰিস্থিতিত দুই একে স্বপ্ন বিলাসী সকলৰ স্বপ্ন ভংগ কৰাৰ দুঃসাহস কৰিছিল। এই ক্ষেত্ৰত প্ৰথম ব্যক্তিজন আছিল পাৰ্থসাৰথি বেজবৰুৱা। ১৯৮৯ চনৰ জুলাই সংখ্যা বিস্ময়ত ইয়াৰ প্ৰমাণ আছে। ১৯৯০ চনৰ ১-১৫ মাৰ্চ সংখ্যা সূত্ৰধাৰত জনৈক অনিৰুদ্ধ কাশ্যপে আলফাক 'ফ্ৰেকেংষ্টাইন' বুলি অভিহিত কৰিছিল। এই বক্তব্য কিমান সত্য আছিল সেয়া লক্ষীপথাৰ-চৰাই পুঙৰ গণকবৰৰ পৰা উদ্ধাৰ হোৱা গলিত মৃতদেহ সমূহে প্ৰমাণ কৰে। অৱশ্যে দেশপ্ৰেমৰ বেশ্যাবৃত্তি কৰা সকলে মানৱতাৰ স্বাৰ্থতো সেই গলিত "ঘোল্টটা মৃতদেহ" আৰু গাঁওৰ "ঘোল্জনী" ধৰ্ষিতা মহিলাক কিয় একে দৃষ্টিৰে চাব নোৱাৰে সেয়া এক ৰহস্য।

ইয়াৰ পাছৰ ইতিহাস অতি কৰুণ। ১৯৯০ চনৰ শেষ ছোৱা; অসমবাসীৰ ওপৰলৈ ক্ৰমে নামি আহিল ৰাষ্ট্ৰপতি শাসনৰ কলুষিত হাত; কেইবাখনো ক'লা আইন তথা কেইবাটাও সামৰিক অভিযান। জনসাধাৰণৰ এই দুযোগৰ সময়ত কিন্তু "ৰবীনহুদ" বিপ্লৱী সকলক জনসাধাৰণৰ মাজত বিচাৰি পোৱা নগ'ল। সেই সময়ত তেওঁলোকক দেখা গৈছিল দিল্লী পঞ্চতাৰকাযুক্ত বিলাসী হোটেলত। বাংলাদেশৰ ছহিদ মিনাৰৰ সমুখত। কাপুৰুষৰ শেষ আশ্ৰয় যেন শিয়ালৰ গাতত! পাঁচ বছৰীয়া স্বৱনম কলিতাক, দুহাতত পাচলিৰ মোনালৈ বজাৰৰ পৰা উভতি অহা মানবেন্দ্ৰ শৰ্মাক নাইবা নিৰীহ পণবন্দী চাৰ্গেই, ৰাজু, শ্ৰীবাস্তৱক হত্যা কৰিবলৈতো কাচিনত প্ৰশিক্ষণপ্ৰাপ্ত দুৰ্দ্ধৰ্ষ সৈনিক তথা এ কে ৪৭ ৰাইফলৰ প্ৰয়োজন নহয়।

ৰাজু বৰুৱা, ভনীমাই দত্তক ধৰ্ষণ কৰি হত্যা কৰাৰ কাৰণে অসমত সামৰিক বাহিনী মেলি দিয়াৰ গণতন্ত্ৰৰ প্ৰয়োজন যেনেকৈ নাছিল; হীৰকজ্যোতি মহন্ত, অনিৰ্বাণ, মেঘ ফুকনহঁতক হত্যা কৰাৰ গণতন্ত্ৰ যিদৰে গৰিহণা যোগ্য সেই দৰে কালিপদ সেন, হৰলাকা বিৰমিয়লা নাইবা দৌলত সিং নেগীহঁতক হত্যা কৰাও 'বিপ্লৱ' আৰু গৰিহণাযোগ্য। এই ক্ষেত্ৰত হৰলাকা বিৰমিয়লাহঁতক পুঁজিপতি নহয় বুলি প্ৰতিপন্ন কৰিবলৈ যোৱা নাই। কিন্তু তেওঁলোকক হত্যা কৰাত অসমবাসীৰ মুক্তি বিপ্লৱৰ কি স্বাৰ্থ পূৰণ হ'ল সেয়া জনা নাযায়। আনহাতে হীৰকজ্যোতি মহন্তক হত্যা কৰাত যদি সামৰিক বাহিনী গৰিহণাৰ যোগ্য; কালিপদ সেন নাইবা দৌলত সিং নেগীক হত্যা কৰাৰ কাৰণে হীৰক জ্যোতি মহন্ত নিশ্চয় শাস্তি পোৱাৰ যোগ্য। কাৰণ মানৱতাৰ দৃষ্টিত ৰাজু বৰুৱা, অনিৰ্বাণ হাজৰিকা, মেঘ ফুকন, ৰাজেন শৰ্মা নাইবা গ্ৰীংচাংক চাৰ্গে, দৌলত সিং নেগী, মানবেন্দ্ৰ শৰ্মা সকলোৰে মূল্য সমান হোৱা উচিত।

ধৰা হল কালিপদ সেন, বিৰমিয়লা আদি কোনো কোনো দোষত দোষী আছিল। তেনেহলে হত্যা অবিহনে তেওঁলোকক শাস্তি দিব পৰা ব্যৱস্থাও আছিল। আৰু যদি সেই ব্যৱস্থাটোৱেই দূষিত বুলি অনুমান হয় তেনেহলে প্ৰতিবাদ ব্যৱস্থাটোৰ বিৰুদ্ধেহে হ'ব লাগিছিল। সেয়াহে মুক্তি সংগ্ৰামীৰ কাৰ্যাৱলী।

এইবাৰ আমাৰ মুক্তি বিপ্লৱী সকলক দেখা গৈছে বাংলাদেশৰ সুৰক্ষিত দুৰ্গত; ৰজা ঘৰৰ দুৱাৰ মুখত; সম্পাদকৰ সুসজ্জিত কোঠালিত। ইয়াৰে কোনটো গোটক আলফা বুলি মানি লোৱা হ'ব সেয়াও চিন্তাৰ বিষয়। কিন্তু কেইজনমান দুষ্ট চৰিত্ৰৰ লোকৰ কাৰণে যদি সমগ্ৰ ভাৰতীয় সেনা বাহিনী গৰিহণাৰ পাত্ৰ হ'ব পাৰে তেনে হলে অসমীয়া জনসাধাৰণৰ ওচৰত ৰাইজক প্ৰতাৰণা কৰাৰ দোষত আলফাৰ প্ৰত্যেকে জগৰীয়া। অসমবাসী আজি এক সংকট মুহূৰ্তত থিয় দিছে। সেয়ে অসমবাসীলৈ আহ্বান জনাইছো – উত্তিষ্ঠত, জাগ্ৰত, প্ৰাপ্য বৰেণ্যত।

আপোচ পন্থী আলফা সকললৈ প্ৰত্যাহ্বান জনাইছো – তোমালোকে আপোচ কৰি উৎকচ গ্ৰহণ কৰাৰ আগতে তোমালোকে কৰা প্ৰতিটো ভুলৰ কাৰণে ৰাইজৰ ওচৰত ক্ষমা ভিক্ষা কৰি শাস্তি গ্ৰহণ কৰা; প্ৰতিটো হত্যাৰ মূল্য দিয়া।

পৰেশ বৰুৱাক কৈছো – জন সাধাৰণৰ পৰা আঁতৰত, পা-পৰিয়ালে বাংলাদেশত বাহৰ পাতি থাকি তাৰ পৰা হোৱা দিলেই মুক্তি বিপ্লৱ সম্ভৱ নহয়। যদি মুক্তি বিপ্লৱ পৰিচালনা কৰাৰ ইচ্ছা আছে তেনেহলে জনসাধাৰণৰ মাজলৈ আহি তেওঁলোকৰ দৰে জীৱন যাপন কৰা।

মুঠকথা – নাটক বহু দীঘলীয়াই হ'ল। মুখাবোৰ খোলা সোণহঁত; এতিয়া কামৰ সময়।

উপসংহাৰ ঃ- চৰকাৰী শাসনতন্ত্ৰক যিহেতু সদায় "শোষণযন্ত্ৰ" বুলি অভিহিত কৰি অহা হৈছে, তাক কটু সমালোচনা নকৰাটো তেওঁলোকক সমৰ্থন কৰা হ'ব নোৱাৰে – যেনেকৈ কুকুৰে মানুহে কামোৰাটো কোনো উল্লেখযোগ্য ঘটনা হ'ব নোৱাৰে। ইয়াত যোৱা ১২ বছৰে আলফাই কৰা ভুল কিছুমানৰ প্ৰতি দৃষ্টিপাত কৰা হ'ল। সেয়া তেনেকুৱা সংগঠন এটাৰ প্ৰয়োজনীয়তাক অস্বীকাৰ কৰা হ'ব নোৱাৰে। যেনেকৈ মাতৃয়ে সন্তানক তিৰস্কাৰ কৰে বুলিয়েই অকল্যাণ কামনা কৰাটো হ'ব নোৱাৰে – যেন "তোৰ মংগল কামনা কৰো কাৰণেই তোৰ ভুলৰ তিৰস্কাৰ কৰিছো।" কিন্তু নিষ্পেষিত জাতি সত্তাৰ কাৰণে কিবা এটা কৰাৰ সময় সমাগত। নহলে উত্তৰ পুৰুষে আমাকেই জবাবদিহি কৰিব। ■

সূত্ৰধাৰ
ডাকযোগেও আপুনি পাব
বছৰেকীয়া বৰঙণি: ১৪৪ টকা
ছমহীয়া বৰঙণি: ৭২ টকা
ডাক মাচুলৰ পৰা ৰেহাই দিয়া হ'ল।
আপোনাৰ বৰঙণি ডিমাণ্ড ড্ৰাফ্ট অথবা চেক যোগে পুৰ্ব্বী প্ৰকাশন
প্ৰা: লি: গুৱাহাটীৰ নামত তলৰ ঠিকনালৈ পঠিয়াওক:
চাৰ্কুলেচন মেনেজাৰ
সূত্ৰধাৰ
জনজেৰা হাউচ, মতিলাল নেহৰু পথ
পানবজাৰ, গুৱাহাটী-৭৮১০০১

# আপোনাক সুধিছো, এওঁলোকক চিনি পায়নে ?

দেৱব্ৰত বৰগোহাঞি

কোনো এখন দৈনিক বা সাপ্তাহিক কাকত হাতত লৈ এমূৰৰ পৰা চাই যাওক। কি দেখিব বা কি পঢ়িবলৈ পাব, তাক আজিৰ অসমৰ প্ৰেক্ষাপটত বহলাই নকলেও আপুনি ভালদৰেই অনুমান কৰিব পাৰিব। প্ৰথম পৃষ্ঠাত যি চাম মানুহৰ বিষয়ে বাতৰি পঢ়িবলৈ পাব তেওঁলোক হ'ল সমাজৰ উচ্চস্তৰত আড়ম্বৰপূৰ্ণ জীৱন উপভোগ কৰা এক শ্ৰেণীৰ মানুহ। এই বৰ বৰ মূৰৰ মানুহচামে ক'ত কি কৰিলে, কাৰ পানী লগা জ্বৰ হ'ল, কাৰ পুতেক-জীয়েকৰ বিবাহ কেনেদৰে সম্পন্ন হ'ল আদি বাতৰিবোৰেই প্ৰতিখন কাগজৰ প্ৰথম পৃষ্ঠা ভৰ্ত্তি হৈ থাকে। আপোনাৰ বা মোৰ দৰে সমাজৰ নিম্নস্তৰত কোনোমতে পেটে-ভাতে খাই থকাসকলৰ জ্বলন্ত সমস্যাৰ কথা বাতৰি কাকতত প্ৰথম পৃষ্ঠাৰ খবৰ হ'ব নোৱাৰে। কদাপিও নোৱাৰে। কিন্তু, এটা চৰ্তত আপোনাৰ বা মোৰ কথা বাতৰি কাকতত ছপা কৰাৰ কোনো অসুবিধা নাথাকিব। চৰ্তটো কেনে হ'ব অনুমান কৰিব পাৰিছেনে ! তেনে চৰ্তটো যি জনেই পূৰণ কৰিব পাৰিব সেইজনৰ খবৰেই পিছদিনাৰ বাতৰি কাকতত ট ট কৈ জিলিকি উঠিব।–"আপুনি আপোনাৰ পিতৃক হত্যা কৰক। ১০০ ফুট ওখ গছ জোপাত তিনি মিনিটত উঠি শীৰ্ষস্থান পাওকগৈ। আপুনি বিষাক্ত সাপ একোডাল ভক্ষণ কৰক। বেংক লুট কৰক। আপোনাৰ ঘৰৰ গাইজনীয়ে দুটা মূৰৰ পোৱালি এটা জগাওক।"–এই যে নাভূত-নাশ্ৰুত কথাবোৰ দেখিছে, শুনাত বৰ অবাস্তৱ যেন লাগিছে অথচ এইবোৰেই বাতৰি কাকত এখনৰ 'হট নিউজ'। এনেধৰণৰ বাতৰিহে প্ৰকাশ পাব আপোনাৰ তথা মোৰ ক্ষেত্ৰত। আপুনি খাবলৈ নাপাই মৰি যাওক। চিকিৎসাৰ অভাৱত আপোনাৰ আত্মীয়জনে মৃত্যুক সাবটি লওক। এনেধৰণৰ হৃদয় বিদাৰক বাতৰিবোৰে কিন্তু বাতৰি কাকতৰ মুখে দেখিবলৈ নাপায়। এয়াই আমাৰ তথাকথিত ৰাইজৰ বাতৰি কাকতৰ ভিতৰৰ স্বৰূপ।]

দুখন মান সাপ্তাহিক কাকতৰ প্ৰথম পৃষ্ঠাৰ খবৰৰ নমুনা দুটা মান লক্ষ্য কৰকচোন।–প্ৰধান মন্ত্ৰীৰ ভ্ৰমণৰ তাৎপৰ্য ক'ত ?/কংগ্ৰেছ (ই)ৰ 'উৎসৱ'টো যি সময়ত অনুষ্ঠিত হৈছিল....../বিদেশী সমস্যা ঃ পানী ঘোলা কৰিছে কোনে !/অৰ্জুন সিং আৰু দূৰদৰ্শন/ৰঙা লাইটত হাত দি ইত্যাদি।–প্ৰধানমন্ত্ৰীৰ অসম ভ্ৰমণ ঃ শইকীয়া বিদ্বেষী শিবিৰ বিমৰ্ষ/শইকীয়া চৰকাৰ এবছৰ–ফেউৰাৰ অসাৰ্থক চিঞৰ-বাখৰ/প্ৰাক্তন সংসদী সদস্যৰ মুখ থেকেচা/বড়োসকলৰ স্বকীয়তা ৰক্ষাৰ নিষ্পাপ প্ৰচেষ্টা আদি। আকৌ লক্ষ্য কৰক দুখন দৈনিক কাকতৰ প্ৰথম পৃষ্ঠাৰ গৰম খবৰ।

–বাণিজ্য মন্ত্ৰী চিদাম্বৰমৰ পদত্যাগ ঃ কেলেংকাৰি তদন্তৰ বাবে যুটীয়া সংসদীয় কমিটি গঠনত চৰকাৰ সন্মত/ৰেল দুৰ্ঘটনাত ১৭ জন লোক নিহত/মন্দিৰ নিৰ্মাণ সম্পৰ্কত লোকসভাত হুলস্থূল ঃ কাম কাজ স্থগিত/আজি 'ইনছাট-২'ৰ উৎক্ষেপণ/মুখ্যমন্ত্ৰীৰ পদত্যাগ দাবী/নতুন মাৰুতি গাড়ী/বন বিষয়াক হত্যা/নিৰস্ত্ৰীকৰণ চুক্তি বৈষম্য মূলক ......।

–বড়ো সমস্যাৰ সম্ভাব্য সমাধানৰ কৰ্মশালা। সৰ্বাধিক স্বায়ত্ত শাসনত ঐক্য মত/শংকৰ দয়াল শৰ্মালৈ উঃ পূবৰ সমৰ্থন/যুটীয়া সংসদীয় কমিটিয়ে ছিকিউৰিটী কেলেংকাৰিৰ তদন্ত কৰিব/অসমত থকা বিদেশীক খেদা হ'ব ঃ বহৰিত মুখ্যমন্ত্ৰীৰ ঘোষণা/এগৰাকী বোৱাৰীৰ ৰহস্যজনক মৃত্যু/ৰাষ্ট্ৰপতিৰ নিৰ্বাচনে অসমতো বিৰোধী ঐক্য থান বান কৰিব।

–ঠিক এনেধৰণৰ বাতৰিয়েই ভৰি থাকে বাতৰি কাগজৰ প্ৰথম পৃষ্ঠা। নলবাৰীত সামৰিক আতিশয্য, লাকুৱাত চি আই এচ এফৰ গুলী চালনা, লক্ষীপথাৰত আল্‌ফা-সেনাৰ গুলীয়া-গুলি হ'লে বাতৰি কাকতৰ সাংবাদিক বুদ্ধিজীৱী সকলে তেনেবোৰ ঠাইলৈ 'হট' নিউজৰ বাবে ঘোঁৰা চেঁকুৰ দিয়া ৰাইজে নিশ্চয় দেখিছে। এই ঘোঁৰা চেঁকুৰৰ আচল ৰহস্য ক'ত আছে বাৰু ! অলপ দকৈ চিন্তা কৰিলেই কথাবোৰ ওলাই পৰে। ধৰক, শিৱসাগৰ বা গোৱালপাৰা জিলাৰ কোনো এখন ভিতৰুৱা ঠাইৰ মানুহৰ খাবলৈ ভাল পানী এটুপিও নাই। আহিন মাহত কিবা অচিন পোক এবিধে ধাননিপথাৰত প্ৰবেশ কৰি সমস্ত শস্য এমূৰৰ পৰা ধ্বংস কৰিবৰ উপক্ৰম কৰিছে। কোনো এখন বাগিচাত কৰ্তৃপক্ষৰ অমনোযোগিতাৰ ফলত শ শ মজদুৰ ভাই-ভনীয়ে গেষ্ট্ৰ এণ্টাৰাইটিছত মৃত্যু বৰণ কৰিব লগা হ'ল। এই যে বাতৰিবোৰ দেখিছে এইবোৰ বাতৰি ঠাইতে সংগ্ৰহ কৰিবৰ বাবে আমাৰ অসমৰ তথাকথিত সাংবাদিক বুদ্ধিজীৱীৰ জাকটোৱে লক্ষীপথাৰলৈ যোৱাৰ দৰে যাবলৈ ইচ্ছা নকৰে। কাৰণ এইবোৰ 'সেই প্ৰভুসকল'ৰ বাবে একেবাৰে গতানুগতিক নিউজ। মানে মানুহে নপঢ়া নিউজ। মই নলবাৰী বা লক্ষীপথাৰৰ জনসাধাৰণৰ ওপৰত সামৰিক বাহিনীয়ে চলোৱা বৰ্বৰ আতিশয্যৰ বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশৰ বিপৰীতে মত প্ৰকাশ কৰিবলৈ বিচৰা নাই। বিচাৰিছো মানুহৰ মৌলিক সমস্যাবোৰৰো ঠিক সেই গুৰুত্ব সহকাৰে প্ৰথম পৃষ্ঠাৰ খবৰ কৰাটোহে।

লক্ষীপথাৰ বা নলবাৰীৰ বিভিন্ন অঞ্চললৈ সামৰিক আতিশয্যৰ খবৰৰ বাবে হেলাই-হেঁফাই ঢাপলি মেলা সাংবাদিক-বুদ্ধিজীৱী সকলে সেই সেই অঞ্চলৰ ৰাইজৰ মৌলিক সমস্যাবোৰৰ প্ৰতি সামান্যতম নজৰ দিয়াৰ চেষ্টা কৰিছিল নে বাৰু ? ৰাইজক সুধিছিলনে আপোনালোকৰ খোৱা পানী টুপি ঠিকেই আছেনে বুলি ? লক্ষীপথাৰ ভ্ৰমণ কৰি অহা সাংবাদিক সকলৰ কোনোবা এজনে হ'লেও লিখিছিলনে সেই ঠাইৰ কিছুমান সামাজিক সমস্যাৰ বিষয়ে ? বৃহৎ লক্ষীপথাৰ অঞ্চলৰ শিক্ষিতৰ হাৰ কেনেকুৱা তাৰ গম-গতি লৈছিল নে বাৰু ? তাত বাৰু স্নাতক বা স্নাতকোত্তৰ উপাধিধাৰী কেইজন যুৱক-যুৱতী আছে তাৰো কিবা খবৰ লোৱা হৈছিলনে ? জৰাজীৰ্ণ স্কুল কেইখনৰ ফটো একপি হ'লেও কোনোবা এখন বাতৰি কাকতত ওলাইছিলনে ? ৰাইজে ইয়াৰ বিচাৰ নিজেই কৰক। চহৰৰ মাজ মজিয়াত আৰামেৰে জীৱন-যাপন কৰা বাতৰি কাকতৰ মানুহবোৰে গাঁৱৰ ৰাইজৰ ওচৰলৈ কেতিয়া আৰু কিহৰ উদ্দেশ্যে যাত্ৰা কৰে তাক সম্ভৱ ইয়াৰ পাছত বুজাই নকলেও হ'ব। দুখৰ বিষয়, অমুকাও সেই গোষ্ঠীৰেই এজন কৃতদাস।

জনতা ভৱনৰ বিষয়ে ঃ 'জনতা ভৱন'। নামটো পিছে বৰ সুন্দৰ। জনতা ভৱনলৈ মাজে-মাজে মই এনেয়ে যাওঁ। ওচৰৰ 'গণভৱন' নামৰ বৃত্তাকাৰ ঘৰটোৰ কোনোবা এখন চকীত বহুত সময় ধৰি এনেয়ে বহি থাকো। মানুহবোৰৰ ৰেহ ৰূপ চাই বৰ ভাল লাগে। কিছুমান মানুহৰ লগত উপযাচি চিনাকি হওঁ। তাৰ পিছত একেৰাহে বহুত সময় ধৰি কথা পাতো। তেওঁৰ ঘৰ ক'ত, কাক লগ কৰিবলৈ আহিছে, উদ্দেশ্যে কি আদি। প্ৰথমতে কবলৈ সংকোচ বোধ কৰে যদিও পিছত অকৃপণ ভাবে সকলোবোৰ খোলা-খুলিকৈ ব্যক্ত কৰে।–'কি শুনিব মোৰ কথা আজি এসপ্তাহ হ'ল হোটেলত থকা। মিনিষ্টাৰ নাই। টুৰত গৈছে। কেতিয়া ওভতে জানো। বৰ চিন্তা লাগিছে। তলী উদং বুজিছে।' আপোনাৰ কামটো হ'বগৈ বুলি ভাবিছেনে ? 'আশাৰে আহিছো। কামটো হ'লে ভাল লাগিব বুজিছেনে ? নহলে ঘৰত কি বুলি মুখ দেখুৱামগৈ। আজি হাতঘড়ীটো আধা দামতে বিক্ৰী কৰি দিলো। সস্তীয়া হোটেল, আৰু দুদিন মান থাকিব পাৰিম বোধহয়।' এখেতৰ দৰেই প্ৰতিদিনে অসমৰ বিভিন্ন ঠাইৰ পৰা মন্ত্ৰীক লগ পাবৰ বাবে হাজাৰ হাজাৰ দৰ্শনাৰ্থী আহে। কিছুমানে সাঁচতীয়া পইছা আন কিছুমানে ওচৰ-চুবুৰীয়াৰপৰা কাবৌ-কোকালিকৈ অনা দুটামান টকাৰে স'তে নৈশ বাছত উঠি আহি গুৱাহাটী পায়হি। 'গণ ভৱনলৈ' পোন প্ৰথম বাৰ অহাজনৰ মুখখন দেখিয়েই আপুনি অনুমান কৰিব পাৰিব। আনহাতে 'গণ ভৱন'লৈ প্ৰৱেশ-পত্ৰ সংগ্ৰহৰ বাবে সদায় অহাজনৰ মুখখন দেখিয়েই আপুনি অনুমান কৰিব পাৰিব। প্ৰথমজনৰ উজ্জ্বল মুখত দেখিব বহুতো আশাৰ ৰঙ সান-মিহলি হৈ আছে। দ্বিতীয় মানুহজনৰ ক্লান্তি আৰু অৱসাদেৰে ভৰা মুখমণ্ডলত দেখা পাব ঘৃণা-মিশ্ৰিত বিৰক্তিৰ চাপ। মুখৰ হাঁহি কৰবাত হেৰাই গৈছে। এদিন হয়তো এই দ্বিতীয় ব্যক্তি জনৰো অৱস্থা একেই হ'ব। এনেদৰেই 'জনতা ভৱন'লৈ নিতৌ হাজাৰ হাজাৰ মানুহ আহে সোণালী স্বপ্নৰ সপোন ৰচি। উভতি যোৱাৰ সময়ত লৈ যায় 'জনতা ভৱন'ৰ প্ৰতি ঘৃণা মিশ্ৰিত ভাব। ইয়াৰ বাবে দায়ী কোন ? পোনপটীয়াকৈ ইয়াৰ উত্তৰ বিচাৰিলে আমি কব লাগিব ইয়াৰ বাবে চৰকাৰেই দায়ী। কংগ্ৰেছ (ই)ৰ কিছুমান দালালৰ উপৰিও বিভাগীয় মন্ত্ৰীৰ পি. এ. আৰু আত্মীয় কুটুম্বৰ দ্বাৰাও এই দুৰ্নীতিৰ বট বৃক্ষ জুপি গজ গজীয়াকৈ ৰোপণ কৰা হৈছে। আজি দুদিন মানৰ আগতে পুৰণা এম. এল. এ. হোষ্টেলৰ ভিতৰৰ ৰেহৰূপ চাওঁ বুলি মনতে ভাবিলো। তেতিয়া নিশা ১০ মান বাজিছে। দেখিলো প্ৰতিগৰাকী মন্ত্ৰীৰ বাসভৱনৰ সমুখত বিভিন্ন ধৰণৰ চিকচিকীয়া মাৰুতী, ফিয়েট গাড়ীৰ সমাহাৰ। এওঁলোক কোন হ'ব পাৰে। মন্ত্ৰীৰ নিকট আত্মীয়, ঠিকাদাৰ, বিজিনেচ মেন নহয়তো। হাঁহি উঠিল গণ ভৱনত প্ৰবেশ পত্ৰৰ বাবে লৰা-ঢপৰা কৰা অসমৰ বিভিন্ন ঠাইৰ মানুহবোৰৰ কথা ভাবি। ভৰ দুপৰীয়াৰ গণ ভৱনৰ গ্ৰামাঞ্চলৰ ৰাইজৰ লগত এই মাৰুতী-ফিয়েট গাড়ীৰ মালিক সকলক এবাৰ তুলনা কৰি চালো। হায় মোৰ অসম দেশ ! জনতা ভৱন ! কোন চাম জনতাৰ ভৱন বাৰু এইটো।

মুখ্যমন্ত্ৰী শইকীয়া ঃ 'এই দৰ্খাস্তখনত এটা মাত্ৰ চি. এমৰ. (C.M.) চাইন হোৱা হ'লেই কামটো হৈ গ'লহেঁতেন !' নগাঁৱৰ এজন যুৱকৰ এয়া এক কৰুণ উপলব্ধি।

আপুনি নিশ্চিত নেকি যে চি. এমৰ. চাইনটো হ'লেই কামটো হৈ যাব। মই সুধিলো।

'হব লাগে চোন। নহলেও একো নাই, অন্ততঃ কব পাৰিম যে হিতেশ্বৰ শইকীয়াক মই একেবাৰে ওচৰৰ পৰা দেখি আহিছো বুলি।'

সময়ৰ কি দুৰ্বিপাক ! ইয়াতেই আছে মুখ্যমন্ত্ৰী শইকীয়াৰ এক বিৰল কৃতিত্ব। ১৯৮৩ চনত মুখ্যমন্ত্ৰী একেজনেই আছিল। তেতিয়া কিন্তু আজিৰ দৰে উত্তাল জনসমুদ্ৰৰ সমুখীন হোৱা নাছিল। আজি হৈছে। '৮৩ বেয়া আৰু '৯২ ত ভাল। মানুহজন কিন্তু একেই। ইয়াতেই সোমাই আছে চহৰীয়া মধ্যবিত্তৰ এক গোপন ষড়যন্ত্ৰ। আজি সকলোবোৰ ষড়যন্ত্ৰ ওলাই পৰিছে। অসমৰ ৰাইজেও বুজি পাইছে হিতেশ্বৰ শইকীয়াৰ ভিতৰৰ মানুহজনক। মুখ্যমন্ত্ৰীক লগ পাবৰ বাবে দূৰ-দূৰণিৰ মানুহ বাট কুৰি বাই জনতা ভৱন পায়হি। তেওঁলোকে ভাবে 'মুখ্যমন্ত্ৰীক লগ পালেই আমাৰ সকলোবোৰ যাতনা উপশম হ'ব। মনতে ভাবে 'আমাৰ অঞ্চলত চলি থকা দুৰ্নীতিৰ সকলোবোৰ মুখ্যমন্ত্ৰীক কৈ দিম। লাগিলে মোৰ কাম নহওকেই।'–এই কথাবোৰ মুখ্যমন্ত্ৰী ডাঙৰীয়ায়েও জানে। মাজতে সৰহ ভাগ জনতা ভৱনৰ দৰ্শনাথী মুখ্যমন্ত্ৰী কেন্দ্ৰিক হৈ পৰাত অতিষ্ঠ হৈয়েই সম্ভৱ মুখ্যমন্ত্ৰী শইকীয়াই ৰাইজক সাক্ষাৎ দিয়া অলপ ঢিলাই দিছে। কামৰ বোজা বঢ়াৰ বাবেও এনে হৈছে বুলি ধাৰণা কৰিব পাৰি। এই কথাবোৰ বুজাইহে বুজিব। গ্ৰামাঞ্চলৰ সহজ-সৰল ৰাইজে কথাষাৰ সিমান সহজ ভাবে গ্ৰহণ নকৰিবওতো পাৰে। 'মুখ্যমন্ত্ৰী শইকীয়াক লগ পোৱা আৰু অমৃত ভক্ষণ কৰা' একে কথা বুলি বহুতে কোৱা মেলাও কৰিছে। এইবোৰ সৰু সৰু কথা। ফল কিন্তু সুদূৰ প্ৰসাৰী ! জন সাধাৰণৰ লগত প্ৰত্যক্ষ সংযোগ মুখ্যমন্ত্ৰীয়ে শীঘ্ৰে আৰম্ভ কৰা উচিত। অসম চৰকাৰৰ উচ্চ পদস্থ বিষয়া, মন্ত্ৰী-বিধায়ক আদিতকৈ এওঁলোকৰ মূল্য বহুগুণে বেছি। হতাশাগ্ৰস্ত এই মানুহবোৰক চাকৰি দিব নোৱাৰিলেও মুখ্যমন্ত্ৰীয়ে নিশ্চয় কিছুমান উপদেশ দিব পাৰিব তাৰ বাবে অৱশ্যে মুখ্যমন্ত্ৰীৰ অমূল্য সময় কিছুমান নষ্ট হ'ব পাৰে।

জীৱন বৃতান্তত Scholar Extraordinary মেক্সমুলাৰৰ লগত থকা পত্ৰালাপ, প্ৰত্যক্ষ বা পৰোক্ষ যোগাযোগসূত্ৰে যি কেইজন ......

(অৰ্থাৎ ২টা ইংৰাজী আৰু ৮টা অসমীয়া শব্দ অন্তভূক্ত হ'ব)

# আঞ্চলিক ৰাজনীতিৰ ভৱিষ্যত

সনাতন সূত্ৰধাৰ

আৰু মাত্ৰ ৮ বছৰ ছমাহ পিছতেই আমি একবিংশ শতিকাত সোমাই পৰিম। বাকী থকা এই চাৰে আঠ বছৰ সময়ত আমাৰ অসমত ৰাজনৈতিক কিবা পৰিবৰ্তন হবনে ? কংগ্ৰেছ (ই) চৰকাৰৰ পৰিবৰ্তে অগপ অথবা অন্য কোনো আঞ্চলিক দল অথবা চি পি আই (এম) ৰ নেতৃত্বত বামপন্থী মৰ্চা (?) ক্ষমতালৈ আহিবনে ? নে কংগ্ৰেছ (ই) দলেই পুনৰ চৰকাৰ গঠন কৰিব আৰু এই দলেই একবিংশ শতিকাৰ আৰম্ভণিৰ বছৰ কেইটাত চৰকাৰ গঠন কৰি কংগ্ৰেছী ৰাজনৈতিক সংস্কৃতিৰেই ঐতিহাসিক পৰম্পৰাক ৰক্ষা কৰিব ? বিংশ শতিকাৰ প্ৰথম পাঁচটা দশকত কংগ্ৰেছে, দেশত বৃটিছ সামাজ্ৰবাদ বিৰোধী জাতীয় মুক্তি সংগ্ৰামৰ নেতৃত্ব দিছিল আৰু তাৰ পিছত মোটামুটিভাৱে প্ৰায় ৪০ বছৰ কাল দেশৰ শাসনৰ বাঘজৰিডাল হাতত ৰাখিছিল। আকৌ শতিকা সলনিত প্ৰথম কেই দশকমানতো কংগ্ৰেছ (ই) দেশৰ শাসনাধিস্থ দলৰূপে থাকি যাব নেকি ? প্ৰশ্নটোৰ উত্তৰ ইতিবাচক হ'লে আচৰিত হব লগীয়া একো নাথাকিব। বিশেষকৈ অসমৰ ক্ষেত্ৰত।

অৱশ্যে এই প্ৰশ্নৰ এক বস্তুনিষ্ঠ সমাধানৰ প্ৰয়োজনত আমি নিশ্চয় অসমৰ সাম্প্ৰতিক ইতিহাসৰ কিছু কথা বিচাৰ বিশ্লেষণ কৰিব লাগিব। প্ৰথমেই মনত ৰখা দৰ্কাৰ যে আছু–অগপৰ জাতিয়তাবাদে অসমৰ প্ৰতিটো জনগোষ্ঠীৰ মাজতে প্ৰতিৰোধবাদী জাতীয়তাবাদৰ সূচনা কৰিলে। প্ৰাকৃতিক বিজ্ঞানত মহামতি নিউটনৰ তত্ব "Every action has its oppsite and equal reaction"ৰ যি গুৰুত্ব বা তাৎপৰ্য সমাজ বিজ্ঞানতো তাৰ প্ৰয়োযোগিতা (practical utility) সমানেই অনুধাবনযোগ্য। ১৯৭৯-৮৫ৰ আছুৰ অভ্যুত্থানৰ কালছোৱাত আৰু তাৰ আগত অসমীয়া জাতীয়তাবাদৰ অৰ্থই আছিল অসমীয়া বৰ্ণ হিন্দু মধ্যবিত্ত শ্ৰেণীৰ ভাষিক জাতীয়তাবাদ তথা আধিপত্যবাদ।

কিন্তু ১৯৭৯-৮৫ৰ আছুৰ অভ্যুত্থানে তাৰ পৰৱৰ্তী কালত অতি সোনকালেই অসমৰ প্ৰতিটো জনগোষ্ঠীৰ (ethnic group) মাজতেই জাতীয়তাবাদৰ বিকাশ ঘটালে। অথবা বিকাশমান জাতীয়তাবাদক ৰাজনৈতিকভাৱে কৰ্মপটু কৰি তুলিলে। তেতিয়া অসমৰ ভৌগোলিক ৰাজনৈতিক পৰিমণ্ডলৰ ভিতৰত অতি ক্ষুদ্ৰাতি ক্ষুদ্ৰ জনগোষ্ঠী এটিৰে একোটি নিজস্ব ছাত্ৰ সংগঠন আছে। ( তাৎপৰ্যৰ কথা প্ৰবাসী নেপালী জনগোষ্ঠীৰো গোষ্ঠীগত আনছু আছে আৰু আছে বঙালী ভাষিক জনগোষ্ঠী সমূহৰ বঙালী জাতীয় যুৱ ছাত্ৰ সংগঠন।)

অসমৰ নিকট অতীতৰ ইতিহাসৰ শিক্ষাই দেখুৱাইছে যে ছাত্ৰ সংগঠনৰ আৱিৰ্ভাৱ মানেই ৰাজনৈতিক মতাদৰ্শ আৰু গোষ্ঠীগত ইচ্ছা আকাংশাৰ বাস্তৱায়নত এক সংগঠিত প্ৰচেষ্টা। কাজেই সাম্প্ৰতিক কালৰ অসমৰ বিভিন্ন জনগোষ্ঠীৰ মাজত গঢ়ি উঠা জনগোষ্ঠীভিত্তিক ছাত্ৰ সংগঠন সমূহৰ আত্মপ্ৰকাশ হ'ল গোষ্ঠীগত জাতীয়তাৰাদৰ অভিব্যক্তি আৰু নিজ নিজ

অসমৰ জনগোষ্ঠীসমূহ পৰস্পৰে পৰস্পৰৰ পৰা ইমান ব্যাপক আৰু দৃঢ়ভাৱে বিচ্ছিন্ন হৈ পৰিছে যে সেই জনগোষ্ঠীসমূহ এতিয়া আৰু নিজ গোষ্ঠীভিত্তিক জাতীয় চেতনাৰ বিপৰীতে বৃহত্তৰ অসমীয়া জাতীয়তাবাদত বিলীন হোৱাৰ কোনো বাস্তৱিক আৰু ব্যৱহাৰিক পৰিবেশ নাই।

জনগোষ্ঠীৰ ৰাজনৈতিক সাংস্কৃতিক আৰু অৰ্থনৈতিক জীৱনৰ বিকাশ আৰু সেইবিলাকৰ ওপৰত নিজ নিজ জনগোষ্ঠীৰ নিয়ন্ত্ৰণকাৰী ভূমিকা সাব্যস্ত কৰাৰ পৰিকল্পিত প্ৰয়াস। শেহতীয়াকৈ মিছিং ছাত্ৰ সংস্থাৰ দ্বাৰা "মিছিংলেণ্ড" আৰু ডিমাছা ছাত্ৰ সংস্থাৰ দ্বাৰা "ডিমাছালেণ্ড" নামে নিজ নিজ জনগোষ্ঠীৰ বাবে গৃহভূমিৰ দাবীয়ে এই প্ৰক্ৰিয়াকে সতেজ কৰি তুলিছে।

সাম্প্ৰতিক কালত অসমত যি হাৰত জনগোষ্ঠী ভিত্তিক জাতীয়তাবাদে গা কৰি উঠিছে তালৈ চাই এই সময়ছোৱাক গোষ্ঠীভিত্তিক জাতীয়তাবাদৰ যুগ বুলি সহজেই অভিহিত কৰিব পাৰি। জনগোষ্ঠীভিত্তিক জাতীয়তাবাদৰ (ethnic nationalism) প্ৰচাৰ আৰু প্ৰসাৰ যিমানেই ক্ৰিয়াশীল ব্যাপক আৰু দ্ৰুত হৈছে, সিমানেই আছু অগপ তথা অসমীয়া বৰ্ণহিন্দু মধ্যবিত্ত শ্ৰেণীৰ জাতীয়তাবাদে পূৰ্বতেই প্ৰভাৱ আৰু স্থিতি আৰু তেজস্বীয়তা বহুলাংশে হেৰুৱাইছে। ১৯৮৫ চনৰ নিৰ্বাচনে এফালে যেনেকৈ অসমীয়া বৰ্ণহিন্দু মধ্যবিত্ত শ্ৰেণীৰ জাতীয়তাবাদক অসমত প্ৰভূত্বকাৰী আঞ্চলিক ৰাজনৈতিক শক্তিত পৰিণত কৰিছিল, আনফালে সেই প্ৰক্ৰিয়াই আলফাৰ মাধ্যমত অসমত আঞ্চলিক ৰাজনীতিৰ ধ্বংসমুখী প্ৰৱণতাৰ সূচনা কৰিছিল। আন কথাত অগপৰ আমোলত (১৯৮৪-৮৯) অসমত আঞ্চলিক ৰাজনীতিয়ে শীৰ্ষবিন্দুত আৰোহণ কৰিছিল আৰু তাৰে গইনা লৈয়েই আলফাই অগপৰ ছত্ৰ-ছাঁয়াত ভাৰতৰ পৰা বিচ্ছিন্ন কৰি অসমক স্বাধীন কৰাত অৱান্তৰ প্ৰশ্নটো বাস্তৱায়িত কৰাৰ বাবে জোৰদাৰ ভূমিকাত অৱতীৰ্ণ হৈছিল। সন্ত্ৰাসবাদৰ সগোত্ৰীয়ভাবে চলা স্বাধীনতাৰ এই দাবী বৰ্ণহিন্দু অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ একাংশক বাদ দি অন্যান্যসকলৰ মনত আৰু অন্যান্য বিভিন্ন জনগোষ্ঠীৰ মনত এক অনাকাংক্ষিত স্থায়ী সন্ত্ৰাস আৰু আধিপত্যবাদৰ নীতিয়ে আঞ্চলিক ৰাজনীতিৰ প্ৰতি সংশয় আৰু



অবিশ্বাসৰ বাতাবৰণ গঢ়ি তুলিছিল। বিগত সাধাৰণ নিৰ্বাচন (জুন, ১৯৯১) ৰ প্ৰাক্ মুহূৰ্তত অসমত আঞ্চলিক ৰাজনীতিৰ কৰ্মধাৰ অগপৰ বিভাজন এই পৰিস্থিতিত আছিল এক আধাৰিত আৰু দুঃসময় পৰিণতি। অসমত পুনৰাই আঞ্চলিক ৰাজনীতিৰ অনুকূলে এই অৱস্থাৰ কিবা গুণগত পৰিবৰ্তন আশা কৰাটো পৰ্বতত কাছকণী বিচৰাৰ দৰেই হবগৈ।

অসমৰ জনগোষ্ঠীসমূহ পৰস্পৰে পৰস্পৰৰ পৰা ইমান ব্যাপক আৰু দৃঢ়ভাৱে বিচ্ছিন্ন হৈ পৰিছে যে সেই জনগোষ্ঠীসমূহ এতিয়া আৰু নিজ গোষ্ঠীভিত্তিক জাতীয় চেতনাৰ বিপৰীতে বৃহত্তৰ অসমীয়া (বৰ্ণহিন্দু অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ) জাতীয়তাবাদত বিলীন হোৱাৰ কোনো বাস্তৱিক আৰু ব্যৱহাৰিক পৰিবেশ নাই। আনহাতে জন সমৰ্থনৰ পৰা চূড়ান্তভাবে বঞ্চিত হৈ অগপকে ধৰি আঞ্চলিক ৰাজনৈতিক দলসমূহ বিভিন্ন ক্ষুদ্ৰ ক্ষুদ্ৰ গোটত বিভক্ত হৈ একোটা নেতা সৰ্বোচ্চ উপদলত পৰ্যবসিত হৈছে। তেনেহ'ল বিকল্প কি ? প্ৰতিটো জনগোষ্ঠীৰ বাবেই অসমৰ বুকুত একোখনকৈ গৃহভূমি সৃষ্টি কৰিলেই জানো গোষ্ঠীভিত্তিক জাতীয়তাবাদত মিলিত হোৱা জনগোষ্ঠীসমূহৰ ভাষা সাহিত্য সাংস্কৃতিক ৰাজনীতিক অৰ্থনৈতিক ইচ্ছা আকাংশা তথা সমস্য সমূহৰ সুষম সমাধান হ'ব ? অগপৰ আমোলত (১৯৮৫-৮৯) বৃহত্তৰ অসমীয়া জাতীয়তাবাদৰ ব্যৱহাৰিক ৰাজনীতিত প্ৰদৰ্শিত ব্যৰ্থতাই দ্বিধাহীনভাৱে দেখুৱাইছে যে ৰাজনৈতিক মতাদৰ্শ হিচাপে জাতীয়তাবাদ কেতিয়াবাই অকামিলা হৈ পৰিছে। জাতীয়তাবাদী মতাদৰ্শ যিমানেই আকৰ্ষণীয় আৰু মোহনীয় নহওঁক কিয় ই আৰু ৰাজনৈতিক আদৰ্শ হিচাপে এতিয়াও সমানেই সাজু হৈ থকা নাই। অসমত ইতিমধ্যেই পুঁজিবাদী ব্যৱস্থাই সৃষ্টি কৰা জনগোষ্ঠীৰ বিভিন্নতা আৰু জটিলতা আৰু সামাজিক উৎপাদন আৰু বিতৰণ ব্যৱস্থাৰ দ্ৰুত পৰিবৰ্তন প্ৰক্ৰিয়াৰ পৰিপ্ৰেক্ষিতত জাতীয়তাবাদী মতাদৰ্শৰ ঠাইত মাৰ্ক্সীয় মতাদৰ্শৰ ইতিবাচক তথা সদৰ্থক উপাদান সমূহৰ বাস্তৱায়নৰ প্ৰয়োজন দেখা দিছিল। বাস্তৱিকতে কবলৈ গ'লে অসমৰ জটিল সমস্যাসমূহৰ যথাৰ্থ আৰু আশু সমাধান কৰিবলৈ হ'লে মাৰ্ক্সীয় ৰাজনৈতিক মতাদৰ্শৰ বাস্তৱায়নৰ ব্যতিৰেকে এই পৰ্যন্ত কোনো গত্যন্তৰ নাই। কিন্তু বৰ পৰিতাপৰ কথা যে মাৰ্ক্সীয় আদৰ্শৰ দ্বাৰা পৰিচালিত চি পি আই আৰু চি পি আই এম এই দল দুটাই এতিয়ালৈ জনসাধাৰণৰ ওপৰত বিশেষভাৱে প্ৰভাৱ বিস্তাৰ কৰিবলৈ পৰা নাই। পাৰ্টিৰ নেতৃত্বৰ ভিতৰত, বিশেষকৈ চি পি আই (এম) জিলাপৰ্যায়ৰ নেতৃত্বৰ ক্ষেত্ৰত, শোষণ প্ৰক্ৰিয়াৰ সৈতে প্ৰত্যক্ষভাৱে জড়িত লোকৰ অনুপ্ৰবেশ ঘটিছে, ফলত নেতৃত্বৰ একাংশৰ মাজত চূড়ান্ত সুবিধাবাদী প্ৰৱণতা গঢ়ি উঠিছে। আৰু অসমৰ সকলো অঞ্চলতে নিষ্ঠাবান আৰু ত্যাগী সাহসী কৰ্মী হতাশাগ্ৰস্ত হৈ পাৰ্টিৰ ৰাজনৈতিক কাম-কাজৰ পৰা আঁতাৰি আহিছে আৰু পাৰ্টিও দ্ৰুতভাৱে জনসাধাৰণৰ পৰা বিচ্ছিন্ন হৈ পৰিছে। আনকি অসম আন্দোলনৰ তীব্ৰতাৰ সময়তো এনে অৱস্থা হোৱা নাছিল বাবেই অসমত আঞ্চলিকতাবাদ তথা আঞ্চলিক ৰাজনীতিৰ বিপৰীতে বামপন্থীদল বিশেষকৈ চি পি আই (এম) বিকল্প হব পৰাৰ কোনো সম্ভাৱনাই নাই।

আনহাতে অসম আন্দোলনৰ তথা আছু অগপই বিশেষকৈ ভাষিক আৰু ধৰ্মীয় সংখ্যালঘু জনগোষ্ঠীসমূহৰ মাজত দৃষ্টি কৰা নিৰাপত্তাহীনতাকে মূলধন হিচাপে লৈ সেই জনগোষ্ঠীসমূহক ৰাজনৈতিকভাৱে সংগঠিত কৰিবলৈ গৈ সম্পূৰ্ণৰূপে ব্যৰ্থ হোৱাত আজি চি পি আই (এম) দল চূড়ান্ত ৰাজনৈতিক বিপৰ্যয়ৰ সন্মুখীন হৈছে। তেওঁলোক এফালে সংখ্যা গৰিষ্ঠৰ পৰা এঘৰীয়া আৰু সংখ্যালঘুসকলৰ দ্বাৰাও উপেক্ষিত। এফালে ৰাজ্যিক নেতৃত্বৰ ৰাজনৈতিক সংকীৰ্ণতা আৰু মজলীয়া নেতৃত্বৰ চূড়ান্ত বৈষয়িক সুবিধাবাদী নীতি আৰু কাৰ্যপন্থাই আজি এই দলৰ বিপৰ্যয়ৰ মূল কাৰণ ৰূপে দেখা দিছে। ফলত জন সাধাৰণৰ মাজত এই দল সম্পৰ্কে ব্যাপক বিভ্ৰান্তিৰ সৃষ্টি হৈছে আৰু পাৰ্টিৰ প্ৰতি জনসাধাৰণৰ অনাস্থাও এক ঐতিহাসিক সত্যত পৰিণত হোৱাৰ পথত আগবাঢ়িছে।

অসমৰ সাম্প্ৰতিক ৰাজনীতিৰ এই পটভূমিত কংগ্ৰেছ (ই) ৰ স্থিতি বহুত মজবুত যেন অনুমান হৈছে। আঞ্চলিক দল সমূহৰ ব্যৰ্থতা আৰু বামপন্থী দল বিশেষকৈ চি পি আই (এম) ৰ চূড়ান্ত সুবিধাবাদ আৰু সংকীৰ্ণতা আৰু ৰাজনৈতিক কৰ্মসংস্কৃতিৰ প্ৰতি গঢ়ি উঠা অনিহাই আজি কংগ্ৰেছ-(ই) ক অসমত আজি অপ্ৰতিহত ৰাজনৈতিক শক্তিত পৰিণত কৰিছে। উল্লেখ কৰিব পাৰি যে অসমৰ থলুৱা আৰু প্ৰবাসী/প্ৰব্ৰজনকাৰী ভাষিক/ধৰ্মীয় সংখ্যালঘু জনগোষ্ঠীসমূহৰ মাজত কংগ্ৰেছ (ই) ৰ এক বুজন পৰিমাণৰ সমৰ্থক আছে। খিলঞ্জীয়া লোকসকল ৰাজনৈতিকভাৱে জনগোষ্ঠীভিত্তিক জাতীয়তাবাদত (ethnic nationalism) প্ৰবাসী/প্ৰদুষণকাৰীসকল ভাষিক/ ধৰ্মীয় চেতনাৰ দ্বাৰা পৰিচালিত যদিও তেওঁলোক উভয়েই কংগ্ৰেছ (ই) ৰ বিৰোধী নহয়, বৰং বিপদবন্ধুহে। আছু-অগপ আৰু অন্যান্য আঞ্চলিক ৰাজনৈতিক দলত প্ৰাদেশিক সংৰক্ষণশীলতা (provincial exclusivencess) আৰু "অসম অসমীয়াৰ" এই মতাদৰ্শই স্বাভাবিকতে অসমীয়া বৰ্ণহিন্দু মধ্যবিত্ত শ্ৰেণীৰ দ্বাৰা শোষিত নিপীড়িতসমূহৰ মাজত কংগ্ৰেছ (ই)ৰ প্ৰতি এক গভীৰ আনুগত্য আৰু অনুকম্পাৰ সৃষ্টি কৰিছে। আনহাতে আলফাৰ দ্বাৰা কংগ্ৰেছ (ই) ৰ কৰ্মীসকলৰ নিৰ্বাচনত হত্যাই বৰ্ণহিন্দু অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ একাংশৰ লগতে খিলঞ্জীয়া আৰু প্ৰবাসী ভাষিক/ধৰ্মীয় সংখ্যালঘু জনগোষ্ঠীসমূহৰ মাজতো সহানুভূতিৰ এক অনুচ্চাৰিত জোৱাৰ আনিছে। আলফা সমস্যা সমাধানত অসমৰ কংগ্ৰেছ (ই) চৰকাৰখনে হিতেশ্বৰ শইকীয়াৰ নেতৃত্বৰ যি মৃদু অথচ দৃঢ় পদক্ষেপ লৈছে আৰু এতিয়ালৈ সেই দিশত সফলকাম হৈছে যিয়ে অসমত দল আৰু চৰকাৰৰ স্থায়িত্ব সুবিন্যস্ত কৰিছে। আছু–অগপ আদি আঞ্চলিক দলে ভুল মতাদৰ্শৰে অসমৰ বিভিন্ন জনগোষ্ঠীসমূহৰ পৰস্পৰৰ মাজত বিচ্ছিন্নতাবোধ শক্তিশালী কৰাৰ জৰিয়তে আৰু বামপন্থী বিশেষকৈ চি পি আই (এম) য়ে মতাদৰ্শগতভাৱে শুদ্ধ ৰাজনৈতিকভাৱে তত্ত্বৰ অধিকাৰী হৈও ৰাজনৈতিক সুবিধাবাদ আৰু চূড়ান্ত নিষ্ক্ৰিয়তাৰ দ্বাৰা আজি তেওঁলোকৰ দ্বাৰাই চিহ্নিত স্বৈৰতান্ত্ৰিক কংগ্ৰেছ (ই)ক অসমত প্ৰথম আৰু প্ৰধান ৰাজনৈতিক শক্তিত পৰিণত কৰিছে।

বোধহয় আগন্তুক আৰু ২৫/৩০ বছৰলৈ অসমত আঞ্চলিক ৰাজনীতিৰ কোবাল বতাহজাক শক্তিশালী ৰূপত বলিয়েই থাকিব যদিও কিন্তু শাসকীয় দল হিচাপে কংগ্ৰেছ (ই)ৰ ভৱিষ্যৎ সদায়েই উজ্জ্বল হৈ থাকিব।

# মানিকবাবু সত্যজিৎ ৰায়

আবু নাছাৰ চাঈদ আহমদ

*যোৱা সংখ্যাৰ পাছৰ পৰা*

উপেন্দ্ৰকিশোৰে কলিকতাত থিতাপি লোৱাৰ কাৰণে বংগৰ সভ্যতা-সংস্কৃতিৰ জীৱনৰ সৈতে তেওঁৰ পৰিয়াল ঘনিষ্ঠভাবে জড়িত হৈ পৰিল। শিক্ষা-দীক্ষা, সাহিত্য-চৰ্চা, সংগীত-চৰ্চা, নাটক ৰচনা আৰু মঞ্চস্থ কৰা, ছবি অঁকা, কিতাপ আৰু পত্ৰিকা ছপা কৰা আদি নবন্যাস যুগৰ প্ৰতিটো দিশৰ সৈতে তেওঁৰ পৰিয়াল জড়িত হৈছিল। সাহিত্য চৰ্চাৰ লগত ওতঃ-প্ৰোত ভাবে সম্পৰ্ক থকা মুদ্ৰণ আৰু ছপাশাল উপেন্দ্ৰকিশোৰৰ অন্যতম বৃত্তি হৈ পৰিল। সেই সময়ত কলিকতাত ছপাশাল যদিও যথেষ্ট সংখ্যক আছিল তথাপি উচ্চ মানদণ্ডৰ ছপা কাম বৰ বিৰল আছিল। উপেন্দ্ৰ কিশোৰে ভাল ছপাশাল প্ৰতিষ্ঠা কৰি উৎকৃষ্ট ছপা-কাম কৰাত মনোনিবেশ কৰিলে। হৰিকিশোৰৰ জমিদাৰী সম্পত্তিৰ যি একাংশ তেওঁ লাভ কৰিছিল সেইখিনি তেওঁ বিক্ৰী কৰিলে আৰু তাৰ ধনেৰে ১৮৯৫ চনত U. Ray নাম দি এটা ছপাশাল প্ৰতিষ্ঠা কৰিলে। হৰিকিশোৰৰ তোলনীয়া পুত্ৰ কলিকতাত প্ৰতিষ্ঠিত হ'ল আৰু আনহাতে তেওঁৰ নিজৰ পুত্ৰ নৰেন্দ্ৰকিশোৰে জমিদাৰী আৰু সম্পত্তিৰ সদব্যৱহাৰ কৰিব নোৱাৰিলে। নৰেন্দ্ৰকিশোৰৰ ঐশ্বৰ্য আৰু প্ৰতিপত্তিৰ অৱক্ষয়ৰ ছবিখনকে সত্যজিতে "জলসাঘৰত" দেখুৱাইছে বুলি অনুমান কৰিব পাৰি।

ছপাশালৰ মুদ্ৰণ কাম ১৮৯৭ চনৰ পৰাই উপেন্দ্ৰ কিশোৰে আৰম্ভ কৰি দিলে। নতুন ধৰণৰ আৰু উচ্চমান বিশিষ্ট ছপাকাম U. Rayৰ ছপাশালৰ পৰা ওলাবলৈ ধৰিলে। সেই সময়ৰ মুদ্ৰণ সম্পৰ্কীয় বিখ্যাত বৃটিছ গৱেষণা পত্ৰিকা "Penrose Annual"ত মুদ্ৰণ বিষয়ৰ ওপৰত লিখা তেওঁৰ কেইবাটাও তত্ত্ব গধুৰ প্ৰবন্ধ প্ৰকাশ পাইছিল। প্ৰতিটো প্ৰবন্ধত তেওঁৰ বিজ্ঞান সন্মত দৃষ্টিভঙ্গী আৰু কৌশলৰ কথা অতি সুন্দৰ ইংৰাজীত প্ৰকাশ পাইছিল। তেওঁৰ অতিকৈ মননশীল চিন্তা-চৰ্চাত সৃষ্টিসুলভ কল্পনাৰ অদ্ভুত সংযোজন হোৱাৰ কাৰণে তেওঁ প্ৰমাণ কৰি দেখুৱাইছিল যে কল্পনা আৰু উচ্চ চিন্তাৰ প্ৰখৰতা থাকিলে কলাত বহুমুখী কৌশলৰ সুন্দৰ প্ৰয়োগ সম্ভৱ। এই কথাকে তেওঁৰে নাতি মানিক বাবুৱে দুনাই প্ৰমাণ কৰি থৈ গৈছে– কল্পনাই সৃষ্টিৰ অনাবিল উৎস আৰু কল্পনাৰ কোমলতাত বৌদ্ধিক সাধনাৰ সংযোজনত মহৎ কলাৰ সৃষ্টি হয়।

মুদ্ৰণ সম্পৰ্কীয় গৱেষণা-গধুৰ দেধাৰ প্ৰবন্ধৰ উপৰিও উপেন্দ্ৰকিশোৰে বংগত প্ৰচলিত লোক-কথাৰ নানা কাহিনী আধুনিক ৰূপত গল্পৰ সাঁচত লিখি শিশু সাহিত্যৰ এক নবজাগৰণ তুলি দিলে। অতি কম সময়ৰ ভিতৰতে তেওঁৰ লেখাই বংগৰ সাহিত্য জগতত সমাদৰ পাবলৈ ধৰিলে। বাংলা ভাষাত বিখ্যাত হৈ পৰা উপেন্দ্ৰকিশোৰৰ কেইটামান লোক-কাহিনী পিছত তেওঁৰ নাতি মানিক বাবুৱে ইংৰাজীত অনুবাদ কৰিছে। তেওঁৰে ৰচনাৰ ওপৰত নিৰ্মিত হৈছিল "গোপী গায়ন বাঘা বাইন" কথাছবিখন। উপেন্দ্ৰকিশোৰৰ সাহিত্য চৰ্চাত বিশেষ উদগনি দিছিল ৰবীন্দ্ৰনাথ ঠাকুৰে। দেশ-বিদেশৰ গল্প বাংলাত অনুবাদ কৰিবলৈ তেওঁক ৰবীন্দ্ৰনাথ ঠাকুৰে পৰামৰ্শ দিছিল। সাহিত্য চৰ্চা আৰু ব্ৰাহ্ম সমাজৰ সংস্কাৰমুখী চিন্তা চৰ্চাৰ যোগেদি উপেন্দ্ৰকিশোৰৰ পৰিয়াল ঠাকুৰ পৰিয়ালৰ লগত ঘনিষ্ঠ হৈ পৰিছিল।



দুবছৰীয়া সত্যজিত ৰায়

উপেন্দ্ৰ কিশোৰৰ লগত প্ৰায়ে সুকুমাৰ ৰবীন্দ্ৰনাথ ঠাকুৰৰ ঘৰলৈ আহিছিল। এইদৰে সুকুমাৰ ৰবীন্দ্ৰনাথ ঠাকুৰৰ ঘনিষ্ঠ সম্পৰ্কলৈ আহিছিল। বয়সত সুকুমাৰ কবিগুৰু জনাতকৈ সৰু আছিল। সুকুমাৰৰ মেধা শক্তি, হাস্যৰস, স্পষ্টবাদী কথা-বতৰা, অতি কাল্পনিক ৰচনা শৈলী, আদিকৈ বহুমুখী প্ৰতিভা দেখি ৰবীন্দ্ৰ নাথ ঠাকুৰ মোহিত হৈছিল আৰু বিশাল সম্ভাব্যপূৰ্ণ এই ডেকা মানুহজনক বৰকৈ মৰম কৰিছিল।

কেৱল ৰবীন্দ্ৰনাথেই নহয় দৰাচলতে সুকুমাৰৰ সান্নিধ্যলৈ অহা সকলো মানুহৰ তেওঁ প্ৰিয় ভাজন আছিল। লগৰ-সমনীয়া, বিদ্যালয়ত পঢ়ুৱা শিক্ষক, আৰু উপেন্দ্ৰকিশোৰক জনা প্ৰায় সকলো মানুহেই সুকুমাৰক বৰকৈ মৰম কৰিছিল। দেখাত অতি শুৱনি, কথা বতৰাত অতি মাৰ্জিত, খুহুটীয়া কথাৰে সকলোকে আনন্দ দিব পৰা, কেতিয়াও কাকো খং কৰিব নজনা, সাহিত্যানুৰাগী, স্বাধীনমনা সুকুমাৰক বেয়া পোৱা মানুহ নাছিল। নিজে সক্ৰিয়ভাবে ৰাজনীতিত অংশ গ্ৰহণ কৰা নাছিল যদিও সুকুমাৰৰ স্বাধীন-চিতীয়া মন এটা আছিল! বংগ বিভক্ত কৰা ৰাজনৈতিক সিদ্ধান্তৰ প্ৰতিবাদত যেতিয়া দেশত বিৰাট গণ-আন্দোলন হৈছিল তেতিয়া তেওঁ মাত্ৰ ১৬ বছৰ বয়সৰ ল'ৰা। এই আন্দোলনত তেওঁ সক্ৰিয় ভাবে অংশ গ্ৰহণ কৰা নাছিল যদিও তেওঁ আন্দোলনৰ পূৰ্ণ সমৰ্থক আছিল। বোৱাৰ যুদ্ধত ইংৰাজ সকলে জয়লাভ কৰাৰ বাতৰি পাই তেওঁৰ ভনীয়েক পুণ্যলতাই ৰং পোৱা দেখি সুকুমাৰে পদ্যৰ ঠাঁচত নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছিল ঃ "নিজেই আমি যেতিয়া পৰাজিত ; আনৰ পৰাজয়ত কিহৰ আনন্দ ?" এই সময়ছোৱাতে তেওঁ কবিতা ৰচনাত হাত দিলে আৰু বেছিভাগেই আছিল দেশপ্ৰেমমূলক কবিতা। লাহে লাহে তেওঁ নাটক ৰচনা কৰাত হাত দিলে। প্ৰথমখন নাটকৰ বিষয়বস্তু আছিল "ৰগা চাহাব"। খুহুটীয়া এই নাটকখনত বিদেশী চাহাবক ব্যংগ কৰা হৈছিল।

অধ্যয়নতো মেধাবী সুকুমাৰে ১৯০৬ চনত কলিকতাৰ প্ৰেচিডেন্সি কলেজৰ পৰা ৰসায়ন আৰু পদাৰ্থবিজ্ঞানত অনাৰ্চ লৈ স্নাতক ডিগ্ৰী লাভ কৰে। কিন্তু তেওঁৰ অদ্ভুত কল্পনা শক্তিয়ে সৃষ্টি কৰা ব্যংগ সাহিত্যইহে তেওঁৰ প্ৰতিভাৰ চমকপ্ৰদ ছাপ ৰাখি গৈছে। ১৯০৬ চনতে তেওঁ কলিকতাত "আবোল-তাবোল" ক্লাব প্ৰতিষ্ঠা কৰে আৰু ইয়াৰ যোগেদি সাহিত্য, নাটক আদি চৰ্চা কৰাৰ বাট কাটি ললে। এই ক্লাবৰ পৃষ্ঠপোষকতাত তেওঁ "চাৰে বয়ত্ৰিশ ভাজা" নামৰ হাতে লিখা আলোচনী এখন আৰম্ভ কৰে। ৰামায়ণৰ চৰিত্ৰসমূহ আধুনিক আৰু অতি কাল্পনিক ৰূপ দি তেওঁ ৰচনা কৰিলে ""লক্ষ্মণৰ শক্তিশেল"। আধুনিক হনুমানে চিগাৰেট হুপি ধোঁৱা উলিয়াই অথবা যমদূতে নিজৰ দৰমহা বৃদ্ধিৰ ফলত পাব লগীয়া টকালৈ ব্যস্ত হোৱা কথাবোৰৰ দ্বাৰা তেওঁ আধুনিক মানুহৰ মানৱীয় সমস্যাবোৰ ৰামায়ণৰ চৰিত্ৰৰ যোগেদি মনোৰমকৈ উপস্থাপন কৰিলে।

বহুতেই নাজানে যে সুকুমাৰ অতি সংবেদনশীল ফটোগ্ৰাফাৰ আছিল। সৰুৰে পৰা ফটো তোলাত সুকুমাৰৰ বিশেষ ৰাপ আছিল আৰু নানাধৰণৰ পৰীক্ষামূলক ফটো তুলি সুনাম অৰ্জন কৰিব পাৰিছিল। নিজে ফটো তোলাৰ উপৰিও তেওঁ ফটো সম্পৰ্কীয় সকলো বিদ্যা আহৰণ কৰি লৈছিল। নিজৰ অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰি তেওঁ যথেষ্ট সংখ্যক গৱেষণামূলক প্ৰবন্ধও লিখিছিল। ১৯২২ চনত তেওঁৰ প্ৰতিভাক স্বীকৃতি দি ইংলণ্ডৰ Royal Photographic Societyৰ সদস্য হিচাপে মনোনীত কৰে। সুকুমাৰৰ এই প্ৰতিভাৰ বহুখিনি সত্যজিতেও পাইছিল। দৃশ্যই কথা কয়, বাৰ্তা বহণ কৰে, কলা আৰু বিজ্ঞানৰ সংগমত সৃষ্টি হোৱা ফটো এখনে সমাজৰ ছবিক দৰ্শকৰ আগত মনোগ্ৰাহী কৰি দাঙি ধৰে ; মানুহৰ হিয়াত যাউতিযুগীয়া মোহৰ মাৰি থৈ যায়। দেউতাকৰ দৃশ্য গ্ৰহণৰ কলা আৰু কৌশলক সত্যজিতে কথাছবিত প্ৰয়োগ কৰি এই অভিনৱ মাধ্যমক উৎকৃষ্ট সৃষ্টিৰ কামত সফলতাৰে খটুৱাই গ'ল।

বহুমুখী প্ৰতিভাৰ সুকুমাৰক দেউতাক উপেন্দ্ৰকিশোৰে ১৯১১ চনত লণ্ডনত মুদ্ৰণ আৰু ফটোগ্ৰাফীৰ আধুনিক কৌশল অধ্যয়ন



সুকুমাৰে অঁকা অতি-কাল্পনিক ছবি

কৰিবলৈ পঠালে। সুকুমাৰে চৰকাৰী জলপানী এটাও পালে। এইজন মাথোন ২৪ বছৰীয় ডেকা ল'ৰাই আনন্দ বিনোদনত অকণো সময় খৰচ নকৰি একনিষ্ঠভাবে মূদ্রণ আৰু দৃশ্য গ্ৰহণৰ আধুনিক কৌশল অধ্যয়ন কৰিবলৈ ললে। সুকুমাৰ কেৱল প্ৰতিভাবানেই নাছিল ; তেওঁ আছিল ধহুল মনৰ, অধ্যাবসায়ী, দূৰদৰ্শী আৰু নতুন কথা শিকাৰ অসীম আগ্ৰহী। সেইবাবে লণ্ডনত থকাৰ সময়ত তেওঁ নিজৰ বিষয়ত পাৰদৰ্শিতা দেখুওৱাৰ লগতে সকলোৰে প্ৰিয়ভাজন হ'ব পাৰিছিল। সুকুমাৰৰ এই সকলোবোৰ গুণ সত্যজিতৰ চৰিত্ৰত ফুটি উঠিছিল। উল্লেখযোগ্য যে প্ৰায় চল্লিশ বছৰৰ পিছত সত্যজিতেও একে ঠাইতে কথাছবি সম্পৰ্কীয় কৌশল আৰু কলা শিকিবলৈ গৈছিল। তাত লাভ কৰা অভিজ্ঞতা নিজৰ কথাছবিত নতুন ঠাঁচত সফলতাৰে প্ৰয়োগ কৰিছিল।

লণ্ডনত থকাৰ সময়ত সুকুমাৰে ফটোগ্ৰাফী আৰু লিথুগ্ৰাফীৰ স্কুলত একান্তমনে অধ্যয়ন কৰাৰ উপৰিও তাত থকা কলা সম্পৰ্কীয় যাদুঘৰ, আৰ্ট গেলাৰী আদিলৈ সঘনে গৈ কলাৰ ওপৰত বিস্তৰ জ্ঞান আহৰণ কৰে। তাৰ ওপৰত ভিত্তি কৰি তেওঁ অতি সাবলীল ইংৰাজীত কেইবাটাও প্ৰবন্ধ লিখিছিল। তাৰে এটা অতি উচ্চ মান বিশিষ্ট প্ৰবন্ধ প্ৰকাশ হৈছিল Penrose Annual নামৰ পত্ৰিকাত। উল্লেখযোগ্য যে তেওঁৰ দেউতাক উপেন্দ্ৰকিশোৰেও এইখন পত্ৰিকাতে নিজৰ প্ৰবন্ধ প্ৰকাশ কৰিছিল। এই সময়ছোৱাত তেওঁ ৰবীন্দ্ৰনাথকো লণ্ডনতে অতি ঘনিষ্ঠভাবে লগ পাইছিল। ৰবীন্দ্ৰনাথ ঠাকুৰৰ লেখাৰ ওপৰত তেওঁ অতি উচ্চ মানবিশিষ্ট প্ৰবন্ধ এটা ইংৰাজী ভাষাত লেখে আৰু এই প্ৰবন্ধটো "Quest" নামৰ আলোচনী এখনত প্ৰকাশ পায়। W.B.Yeatsএ ৰবীন্দ্ৰনাথ ঠাকুৰৰ কবিতাক পশ্চিমীয়া পঢুৱৈৰ মাজত পৰিচিত কৰি দিয়াৰ অলপ দিনৰ পিছতেই প্ৰকাশ পোৱা সুকুমাৰৰ "The Spirit of Rabindranath Tagore" নামৰ প্ৰবন্ধটো পঢ়িলে কোনোবা ইংৰাজ পণ্ডিতে নিজ মাতৃভাষা ইংৰাজীত লিখা যেন ভাব হয়। এই প্ৰবন্ধটোৱে ৰবীন্দ্ৰনাথ ঠাকুৰৰ সৃজনী প্ৰতিভাৰ কথা বিশ্বৰ আগত জনোৱাৰ লগতে সুকুমাৰৰ গভীৰ বিশ্লেষণ আৰু চিন্তাশক্তিৰ প্ৰমাণ দিয়ে।


১৯১৩ চনত সুকুমাৰ স্বদেশলৈ উভতি আহে। স্বদেশলৈ আহোতে ৰবীন্দ্ৰনাথ ঠাকুৰ আছিল তেওঁৰ অন্যতম সহযাত্ৰী। কলিকতা আহি পোৱাৰ দুমাহৰ পিছতেই ৰবীন্দ্ৰনাথ ঠাকুৰে নোবেল পুৰস্কাৰ পোৱাৰ সংবাদ পায়। এই আনন্দৰ সময়তে সুকুমাৰে সুপ্ৰভা দাস নামৰ ব্ৰাহ্ম সমাজৰ ধুনীয়া ছোৱালী এজনী বিয়া কৰায়। সুপ্ৰভা সুগায়িকা আছিল। ৰবীন্দ্ৰ সংগীত অতি সুন্দৰকৈ গাইছিল। তেৱেঁই পিছত সত্যজিতক সংগীতৰ অনুৰাগী কৰি তুলিছিল।

সুকুমাৰ লণ্ডনত থকা সময়তে উপেন্দ্ৰকিশোৰে কলিকতাৰ ১০০ নং গড়পাৰ পথত নতুন ঘৰ লয় আৰু তাতে ছপাশাল এটা প্ৰতিষ্ঠা কৰে। ইয়াৰ পৰাই উপেন্দ্ৰকিশোৰে শিশু আলোচনী "সন্দেশ" প্ৰকাশ কৰে। ১৯১৩ চনৰ মে' মাহত ইয়াৰ প্ৰথম সংখ্যা প্ৰকাশিত হয়। এই সংখ্যাটোৰ কাৰণে কেইবাটাও চিত্ৰ সুকুমাৰে লণ্ডনৰ পৰাই আঁকি পঠাইছিল। ৰঙীন প্ৰচ্ছদচিত্ৰ আৰু সুৰুচিপূৰ্ণ মুদ্ৰণৰ কাৰণে অতি কম সময়ৰ ভিতৰতে এই আলোচনীখন জনপ্ৰিয় হৈ উঠে। ১৯১৫ চনত উপেন্দ্ৰ কিশোৰৰ মৃত্যুৰ পিছত আলোচনীখনৰ দায়িত্ব সুকুমাৰৰ হাতলৈ আহে। আৰু ১৯২৩ চনত তেওঁৰ মৃত্যুৰ আগলৈকে সুকুমাৰে এই আলোচনীখনৰ প্ৰকাশ আৰু বিকাশত গভীৰভাবে ব্যস্ত আছিল। অদ্ভুত কল্পনা শক্তি আৰু "আবোল-তাবোল" জগতৰ অনন্য দৃশ্য আৰু কাহিনীৰ স্ৰষ্টা হিচাপে সুকুমাৰে সুখ্যাতি লভিবলৈ সমৰ্থ হয়। "সন্দেশ"ত তেওঁৰ ভালেখিনি কবিতা প্ৰকাশ পাইছিল। তাৰে কিছুমান "আবোল-তাবোল" জগতৰ, কিছুমান ব্ৰাহ্ম সমাজৰ ওপৰত মন্তব্য, আন কিছুমান সমাজ সচেতনতাৰ ওপৰত ৰচ উচ্চমানদণ্ডৰ কবিতা। এই কবিতাবোৰ পিছত সত্যজিতে ইংৰাজী ভাষালৈ অনুবাদ কৰিছিল।

১৯২১ চনত সুকুমাৰ ক'লা জ্বৰত আক্ৰান্ত হয়। সেই সময়ত প্ৰায় দুৰাৰোগ্য বুলি পৰিচিত এই ৰোগৰ পৰা তেওঁ উদ্ধাৰ নাপালে। ভগ্ন স্বাস্থ্যলৈ মৃত্যুৰ সৈতে অবিৰাম যুঁজ কৰিও তেওঁ নিজৰ সৃষ্টিধৰ্মী কাম-কাজবোৰ কৰি গৈছিল। আনকি খুহুটীয়া কবিতাও ৰচনা কৰিছিল ৰুগীয়া অৱস্থাতে। জীৱনৰ শেষৰ কবিতা 'আবোল-তাবোল' তেওঁৰ সূক্ষ্ম অনুভূতিৰ পৰিচায়ক। 'মুক্ত কণ্ঠে মই গীত গাওঁ............ আৰু মোৰ সকলো গীত নিদ্ৰাতে শেষ হয়' – এই প্ৰাণস্পৰ্শী শেষ কথাখিনিৰে তেওঁ নিজৰ জীৱনৰ কথাকে কৈ গ'ল। ১৯২৩ চনৰ ১০ চেপ্তেম্বৰৰ দিনা মাত্ৰ ৩৫ বছৰীয়া অতিকৈ সম্ভাব্যপূৰ্ণ সৃজনী প্ৰতিভাৰে উজ্জ্বল ব্যক্তি সুকুমাৰে গীত গাই গাই পৃথিৱীৰ পৰা বিদায় মাগিলে। অতিকৈ নিৰ্মল চৰিত্ৰৰ, কবি, লেখক, ব্যংগৰচক, চিত্ৰকাৰ, প্ৰবন্ধকাঁৰ, নাট্যকাৰ, সুগায়ক সুকুমাৰৰ মৃত্যুত কবিগুৰুৱে কৈছিল : "জীৱনত মই বহুতো মৃত্যু দেখিছো। কিন্তু ইমান কম বয়সীয়া ডেকা এজনে স্বৰ্গীয় মনোবল আৰু নিষ্ঠাবান ব্যক্তিত্বৰে মৰণৰ আগত এনেদৰে থিয় দি ৰোৱা মই আগেয়ে দেখা নাছিলো। মৃত্যুৰ দুৱাৰডলিত থিয় দি তেওঁ চিৰন্তন জীৱনৰ প্ৰশংসাত গীত গাইছিল। তেওঁৰ মৃত্যু-শয্যাৰ কাষত মই বহি থাকোতে তেওঁ মোৰ হিয়াত সেই অমিয়া সুৰৰ ঝংকাৰ তুলি দিছিল।"

অতিকৈ শান্ত প্ৰকৃতিৰ কাৰো ওপৰত খং কৰিব নজনা (নাটকৰ দৃশ্যত ভাও লোৱাৰ দৰে কেতিয়াবা খঙৰ অভিনয় কৰিছিল) সুকুমাৰৰ চৰিত্ৰত এই অতি বিশিষ্ট ৰায় পৰিয়ালটোৰ গুণী-জ্ঞানী উপৰি পুৰুষসকলৰ সকলো ভাল গুণৰ এক বিমল সমাবেশ ঘটিছিল। সত্যজিতৰ বয়সৰ সমান সুকুমাৰেও যদি বয়স পালেহেঁতেন এই জগতত তেওঁ আৰু কিমান মহান অৱদান দি থৈ গ'লহেঁতেন কোৱা টান। কিন্তু পুত্ৰ সত্যজিতৰ চৰিত্ৰত তেওঁৰ ভালেমান গুণ এৰি থৈ গৈছিল। অকালতে বিয়োগ হোৱা সুকুমাৰৰ মৃত্যুৰ সময়ত সত্যজিতৰ বয়স আছিল মাত্ৰ দুবছৰ চাৰি মাহ। মৃত্যুৰ কেইদিনমানৰ আগতে তেওঁ শিশু মানিকক গংগাইদি গৈ থকা এখন জাহাজ দেখুৱাইছিল। এই কথাটোৰ বাহিৰে দেউতাকৰ বিষয়ে মানিকবাবুৰ আৰু একো কথাই মনত নাছিল। মাক আৰু পেহীয়েকৰ মুখতহে এইজন গুণবান পিতাকৰ কথা শুনি শুনি সত্যজিৎ প্ৰভাৱান্বিত হৈছিল। সুকুমাৰৰ সুকুমাৰ-কলাৰ ছাপ সত্যজিতৰ ওপৰত থাকি গ'ল। একেদৰেই ৰমাকান্তৰ দৈহিক আকাৰ, লোকনাথৰ পাণ্ডিত্য আৰু সংবেদনশীলতা, উপেন্দ্ৰকিশোৰৰ বহুমুখী প্ৰতিভাৰ অদ্ভুত সংযোজন হৈছিল সত্যজিতৰ চৰিত্ৰত।

ক্ৰমশঃ



# কালচক্ৰ ঃ সন্ধিক্ষণ

ডাঃ আনন্দেশ্বৰ বৰঠাকুৰ



ইতিমধ্যে আগতীয়াকৈ বতৰা পঠিয়াই নিচেই পুৱাতে কোনোবা এটা দেওবাৰত গাড়ীখন পঠিয়াই দি বৰানী, মেধিয়নী, নেওগনী তিনিওজনীকে পুৱাৰ ভাগতে ঘৰলৈ অনালে। দেওবাৰৰ দিনাখন গৃহস্থকেইজন ঘৰত থাকি ল'ৰা-ছোৱালীকেইটা চাব পাৰিব বুলি ভাবি কাকতিয়নীয়ে এই ব্যৱস্থা ল'লে। সেইদিনা মাছ পুঠি আদিৰ ব্যৱস্থা বাৰুকৈয়ে হ'ল। ঘৰৰ পৰা শ্ৰীমন্তৰ দেউতাকে পঠিয়াই দিয়া ডাঙৰ ডাঙৰ মাগুৰ মাছেৰে ভৰা টিংটো উদং কৰিলে। তৰহে তৰহে বিধে বিধে ৰান্ধিলে। মেধিয়নীহঁত আহি পোৱাৰ লগে লগে এমোকোৰা হাঁহিৰে সৈতে সাবট মাৰি প্ৰত্যেককে একোটাকৈ চুমা খাই পিছ চোতাল পোৱালে। হাঁহি হাঁহি ক'লে, "জীয়ৰী ছোৱালী কেইজনী আজি একেলগে চাবৰ মন গ'ল।" তামোলৰ বটাতো মেধিয়নীৰ আগত থৈ ইংগিত কৰিলে আটাইকেইজনীকে তামোল চালি কাটি খাবলৈ। কোনোবা এটা পাকত সাউৎকৰে ৰান্ধনি ঘৰলৈ সোমাই গৈ ৰন্ধা-বঢ়া কামখিনি শেষ কৰিবলৈ ললে। বৰানীয়ে পিছে পিছে কাকতিয়নীক মাতি সেইপিনে আগবাঢ়ি গ'ল।



"খুৰীটি, আমি কিবা কৰি দিব লাগিলে কৰি দিম। আপুনিয়ে গোটেইবোৰ জোগাৰ কৰিলে কেনেকৈ হ'ব?" বৰানী আগবাঢ়ি যোৱা দেখি মেধিয়নীয়ে টানি আনি ফুচফুচাই ক'লে – "খুৰীটিহঁত শৰণ লোৱা মানুহ। আমি চৰু চুলে ভাত-পানী নেখাব। তইঁতে কথাটো বুজিবি।" মেধিয়নী সত্ৰৰ গোসাঁয়ে পাতি দিয়া মেধিৰ ঘৰৰ বোৱাৰী। শহুৰেক-শাহুৰেক নাই যদিও গাওঁৰ ঘৰত থকা বিধৱা পেহী শাহুৰেকৰ পৰাই নিয়ম-কাৰণবোৰ সকলো শিকিছে। তেওঁ জনা বহুতো কথা বাকী কেইজনীয়ে নাজানে। সেই সময়তে চাইকেলৰ টিলিঙা বজাই শইকীয়াই জপনা খুলি ঘৰৰ আগচোতালত চাইকেলখন আওজাই থলে। হাতত টেকেলি এটা লৈ ভিতৰ সোমাই অহা দেখি মেধিয়নীয়ে তপৰাই সুধিলে – "বোপানো কেনি গৈছিলা?" আটাইকেইজনীৰ ভিতৰত মেধিয়নীৰে শইকীয়াৰ লগত অলপ ঘনিষ্ঠতা। তাতে সেউতীৰ অসুখৰ বাবে দুদিন এইখন ঘৰত থাকিবলগীয়া হোৱা বাবে আঁৰবেৰ আঁতৰিল। বাকী কেইজনী শইকীয়াৰ আগত সিমান মুকলি নহয়। "নবৌৰ মাকৰ আজি পুৱাৰে পৰা গাত গোঁসাই নাই। ৰাতি নৌপুৱাওঁতে মোক সকীয়াই দিছে। নেওগনীয়ে বোলে দৈ খাবলৈ ভাল পায়। আপোনাৰ মুখত শুনিছিল বোলে। গোটেই যোৰহাট চলাথ কৰিলো। কিবা কপালেৰে ভাল দৈ একলহ পাই তাকে লৈ আহিলো।" মনবৰ আৰু হাঁহিৰামে বাৰীত কাম কৰি থকা দেখি শইকীয়াও সেইপিনে আগবাঢ়ি গৈ সিহঁতৰ লগতে কামত হাত দিলে।

পূবফালৰ ঢাপৰ সিপাৰে এডোখৰ দুপুৰা মানৰ বাকৰি মাটি আছিল। মনে মনে ভাবিলে সেই মাটিৰ গৰাকীক বিচাৰি উলিয়াই দাম-দৰ উচিত হোৱা যেন পালে কিনি থ'ব পাৰিলে বেয়া নহয়। দমকলটো হোৱাৰ পৰা পানীৰ অভাৱ হ'ব নালাগে। দৰকাৰ হ'লে পুখুৰী এটাও খন্দাব পৰা যাব। তাতে তামোলনী এডৰা হ'লে কামত আহিব। কাম বহুত, ধনো বহুত লাগে। ক'ৰ পৰা কেনেকৈ জোৰা মৰিব আজি আৰু ভাবিবৰ মন নগ'ল। বন্ধু পত্নী কেইগৰাকী পিছ চোতালত বহি উলহ-মালহকৈ কথা পাতিলে। ৰং ৰহইচ কৰিলে। কাকতিয়নীয়ে ৰান্ধনী ঘৰত থাকোতে কথাৰ পাকতে মেধিয়নীয়ে সেউতীক, ক'লে– "সেইদিনা ইয়াৰ পৰা যাওঁতে তোৰ বৰজনাৰে মোক বৰকৈ জোকালে। মানুহটো বাহিৰতহে গহীন হৈ থাকে, মোক ক'লে তোৰ বেমাৰটো মোক নলম্ভিলে হয় এতিয়া।" এই কেইদিনৰ ঘনিষ্ঠতাত সেউতীক তই বুলি মতাৰ অধিকাৰটো মেধিয়নীয়ে নিজেই ল'লে। আটাইকেইজনীয়ে কথা শুনি গিৰ্‌গিৰকৈ হাঁহিলে। নেওগৰ ঘৈণীয়েকে ক'লে "মতা মানুহবিলাকৰ কথা এনেকুৱাই। মোকো এইকেইদিন সেইবোৰ কথা কৈ জোকাই আছে। উপায় নাপায় সেইদিনা মই ভালকৈ চিকুট দিলো। দুখ পাই চিঞৰি উঠিল। ল'ৰা-ছোৱালীকেইটা দৌৰি আহিল। 'কি হ'ল দেউতা' বুলি। পিছত পেটত হাতখন নি পেটটো কামুৰিছে বুলি কৈ সিহঁতক আভুৱা ভাবিলে। তেতিয়াৰ পৰাহে অলপমান ক্ষান্ত হৈছে।"

বৰানীয়ে ক'লে, "তই ভালেই বুদ্ধিটো দিলি, মইয়ো তাকেহে কৰিব লাগিব।"

ৰন্ধা-বঢ়া প্ৰায় হলত ইহঁতৰ লগত বহি কাকতিয়নীয়ে ঘৰুৱা কথাবিলাক পাতিলে। মাক দেউতাকৰ কথা, ল'ৰা-ছোৱালীৰ কথা। এইকেইদিনৰ ভিতৰতে এওঁবিলাক ইমান আপোন হৈ গ'ল অথচ সেইবোৰ কথা পাতিবৰ সময়কে পোৱা নাছিল। এটা পাকত মনবৰহঁতক ৰিং এটা মাৰি কাকতিয়নীয়ে ক'লে, "মোৰ ভাত হ'ল ঐ। তইঁতে তপতে তপতে ভাতমুঠি খাবলৈ আহ। বোপাকো লৈ আহিবি।"

শ্ৰীমন্তই ঘৰলৈ নাহে বুলি সেইদিনা আগতে জাননী দিছিল। দোকানৰ কামো ভালেমান পৰি আছে। পিছদিনাৰ পৰা গাড়ীখন ৰাতিপুৱাতে খুজি পঠিয়াইছিল। বজাৰত ভালেকেইটা ভাৰা বন্দবস্ত কৰি থৈছে– বস্তু কঢ়িয়াবৰ বাবে। উপাৰ্জন ভালে হ'ব যেন লাগিছে। সেইপিনৰ পৰা যদি লাভ হোৱা যেন পায় আৰু দুখনমান গাড়ী কৰি ল'ব। দিনটোত গাড়ী তিনিখন মিলাই ১০-১২ টকা লাভ থাকিলেও বহুতো হয়গৈ। শ্ৰীমন্তৰ প্ৰস্তাৱটোত শইকীয়াই অনুমোদন জনাইছিল। হাঁহিৰামেও ভাল পাইছিল। শইকীয়াহঁতৰ লগতে সুৰ আৰু কাম কৰা ছোৱালীজনীয়ে ভাত খাই ল'লে। সিহঁত হালৰ বৰ লৰালৰি। বাহিৰত কড়ি খেলিবলৈ লৈছিল। শইকীয়াহঁতে ভাত খাই উঠাৰ পিছত এওঁলোক চাৰিওগৰাকী ভাত খাবলৈ বহিল। তেওঁবিলাকক বাঢ়ি-মেলি দি পিছতহে ভাত খাব বুলি কাকতিয়নীয়ে ক'লে। কাঁহীও ইমান কেইখন নাই বাবে হাজৰিকাৰ বাৰীৰপৰা কেইখনমান কলপাত কাটি আনিছিল মনবৰে। এইবোৰ বস্তু এখন গৃহস্থীত গোট খাওঁতে সময় বহুতো লাগে। কাকতিয়নীয়ে মনে মনে ভাবিলে জীয়েকৰ সকলো সমল সময়ত হ'ব বুলি। আৰম্ভ কৰিছেহে।

ভাতখোৱাৰ পিছত তামোলৰ বটাটো লৈ কাকতিয়নীয়ে আটাইকেইজনীৰ লগত বহি আকৌ কথা পাতিবলৈ ল'লে। মেধিয়নীয়ে সুধিলে, "খুড়ীটি মই সিদিনাখন লেখি চাইছিলো, এতিয়াও পাঁচমাহলৈ আঢ়ৈমাহ বাকী আছে। আপুনি পঞ্চামৃতটো খুৱাইহে গ'লে ভাল হ'ব নেকি?"

"এৰা সেইটো কৰিবলগীয়া কাম। পিছে মই ভাবিছিলো মাজতে এবাৰ আহিমগৈ বুলি। ভতিজা বোৱাৰী এজনী কেইদিনমানৰ বাবে ইয়াতে থৈ যাম। তোমালোককেইজনী ওচৰতে থকা হ'লে মোৰ চিন্তাই নাছিল। সিফালে ঘৰখনো এৰি আহিছো। দেউতাক আপোনভোলা মানুহ। কি খাইছে, কি পিন্ধিছে একো মনকে নকৰে। সেউতী থাকোতে সেইবোৰ জেগুা তাইয়ে মাৰিছিল। এতিয়া মোৰ ঘৰত আহৰি নাই। তাইক উলিয়াই দিয়াৰ পৰা ঘৰখন যে উদং হ'ল সেইটো ভাবিবলৈকে সময় নাপাওঁ।" খন্তেক ৰৈ কাকতিয়নীয়ে আকৌ কৈ গ'ল। "তাকেহে ভাবিছো অহা বছৰলৈ শ্ৰীমন্তৰ কাৰণে পাৰিলে ছোৱালী এজনী আনিব লাগে। ভনীয়েক হৈ উপজিছা যেতিয়া তোমালোকে চাবাচোন। ছোৱালী দিয়াটো সহজ। অনাটোহে টান। মোৰ বৰ ভয় লাগে, কৰবাত জুইৰ চৰুত হাত দিওঁগৈ বুলি। বাচোঁতে বাচোতে গেলা বৰালীত হাত পৰে বুলি।"

"খুড়ীটি, ককাইদেউৰ ছোৱালীৰ কাৰণে আপুনি নাভাবিব, পূব, পশ্চিম, উত্তৰ, দক্ষিণ কেউপিনে আমি চলাথ কৰি চাম। আপোনাৰ ল'ৰাৰ উপযুক্ত ছোৱালী এজনী আমি উলিয়াই আনি দিম।"

কথাৰ মাজতে নেওগনীয়ে কেৰাহিকৈ বৰানীৰ পিনে চাই চকুৰ পিৰিকনি এটা মাৰিলে। মেধিয়নীয়েও ভাবিছিল বৰানীৰ ভনীয়েকজনী ৰূপে গুণে শ্ৰীমন্তৰ একেবাৰে উপযুক্ত হ'ব। কৰবাত ইহঁত দুজনীয়ে কথাটো ফাদিল কৰি দিয়ে বুলি মেধিয়নীয়ে কথাটো তাতে সামৰিলে। "খুড়ীটি এইবোৰ কথা আপুনি এতিয়া নাভাবিব। আগতে আমাৰ মূৰৰ বোজাটো পাতল হওক।"

হাঁহিৰামে এটা পাকত মাত লগাই ক'লেহি–"আইদেউ এতিয়া দুপৰ শেষ হ'বৰ হ'ল। এতিয়াই গাড়ী নুজুৰিলে মই আহি ঘৰ পাওঁতে নিশা দোভাগ হ'ব। চাওকচোন ইয়াৰ পৰা চোলাধৰা তাৰ পৰা তৰাজান, তৰাজানৰ পৰা ভোগদৈৰ দলং পাৰ হৈ উভতি ঘৰ পাওঁতে ভালেমান পৰ লাগিব নহয়।"

তিনিওজনীয়ে গিৰিস্‌কৈ উঠিল মেধিয়নীয়ে ক'লে "কথাটো তুমি ঠিকেই কৈছা, আমি পিছে আগতে ভোগদৈৰ দলং পাৰ হৈ বৰানীক থৈ তাৰপিছত চোলাধৰা হৈ মোক তৰাজানত থবগৈ। এইপিনে ভোগদৈৰ দলংলৈ যোৱা বাটটোৰে টোকলাইৰ দলং পামগৈ। আজি বাটত মানুহো কম হ'ব। গতিকে ককাই তুমি ভয় নাখাবা।"

কাকতিয়নীয়ে সুৰক মাতিলে লগতে কাম কৰা ছোৱালীজনী মেনকাকো মাতিলে। মেনকা নামটো নতুন। গাৱঁত থাকোতে সকলোৱেই তাইক সৰু ছোৱালী বুলি মাতিছিল। শইকীয়াই মৰমতে তাইৰ নামটো মেনকা থলে। দুবাৰমান মতাৰ পিছতহে তাই সঁহাৰি জনালে। হাজাৰ হ'লেও হাঁহিৰাম বৰানীহঁতৰ অচিনাকি। সুৰ আৰু মেনকা লগত থাকিলে ভাল হয়। শাহুৰেকক কৈ শইকীয়াইও চাইকেলখন লৈ গাড়ীৰ পিছে পিছে গ'ল। হাঁহিৰামৰ বাটত আউল লাগিব পাৰে। এইখন তাৰ আচহুৱা ঠাই। তেওঁলোক যোৱাৰ পিছত গৰখীয়া ল'ৰাটোৱে গৰুকেইজনী চৰাই লৈ আনি জপনা মুখৰ পৰা ৰিং মাৰি ক'লে "গৰু নিয়াহি" বুলি। মনবৰে দৌৰ এটা মাৰি আহি খিৰতী গাইজনী আগবঢ়াই লৈ গ'ল। পোনতে তাইক এৰালৰ খুটিত বান্ধিলে। পোৱালিটোৱে হেম্বেলিয়াবলৈ ধৰিলে মাকক দেখি। বাকী কেইজনী গৰুও গোহালিত সুমুৱাই এৰাল দিলে। গৰখীয়া ল'ৰাটোৱে গৰুজাকৰ বাকী গৰুকেইটা খেদাই ধূলি উৰুৱাই গৃহস্থবোৰৰ ঘৰে ঘৰে গতাই দিবলৈ আগবাঢ়ে। শইকীয়াৰ গৰুকেইটাৰ কাৰণে মাহে আঠ অনাকৈ দৰমহা লয়। ভিতৰৰ পৰা গাখীৰ খীৰোৱা ঘটিটো আনি পোৱালিটোক ওহাৰখনৰ পৰা কেইঢোকমান গাখীৰ খাবলৈ দি ওচৰতে এৰাল খুটা এটাতে মাকে ঢুকি পোৱাকৈ পোৱালিটো বান্ধিথৈ গাখীৰ খীৰাবলৈ ধৰিলে। দুয়োবেলা মিলাই প্ৰায় ছয়পোৱা গাখীৰ দিয়ে এই গৰুজনীয়ে। "গাভিনী কালত ভালকৈ যতন ল'লে এইজনী গৰুৱে আঠ পোৱাতকৈ বেছি গাখীৰ দিবগৈ।' মনবৰে কাকতিয়নীক তেওঁৰ বিজ্ঞ অভিমততো দি কয়, "আইদেউ এইজনী বৰ লখিমী গৰু, তাই গাখীৰ নুলুকুৱায়।"

কাকতিয়নীয়ে মনবৰক কয় "এইখিনি গৰু জোঁৱাইৰ ভাগ্যৰেহে আহিছে। গৰু ভাল হ'লে ঘৰৰ ঘৰ জেউতি সন্তোষ পায়।"

"এৰা আইদেউ, আমাৰ জোঁৱাই বোপা যে একেবাৰে মাটিৰ মানুহ। এনেকুৱা খং বিষ নোহোৱা মানুহ আজিকালি পাবলৈ নাই।"

ওপৰলৈ হাত যোৰ কৰি সেৱা এটা জনাই কাকতিয়নীয়ে কয়, "সকলো গোঁসাইৰ কৃপা। তেওঁ ইহঁতক মোৰ চুলিৰ সমান আয়ুস দিয়ক। সিহঁতৰ কুশল কৰক।" এটা তন্ময়তাৰে মন্ত্ৰমুগ্ধৰ দৰে কাকতিয়নীয়ে ঘৰৰ ভিতৰলৈ সোমাই যায়। ভালেমান পৰ সেউতীক দেখা নাই। গাটো বেয়া লাগি তাই চাগৈ বিছনাত কাতি হৈছে। নতুন ছোৱালী এইবোৰ কথাৰ ভু নেপায়।

দুদিনমান গৰুগাড়ীখনেৰে গুদামৰ পৰা খুচুৰা দোকানীৰ দোকানলৈ চাউলৰ বস্তা কঢ়িয়াওঁতে হাঁহিৰামে আপোনমনে গুদামৰ গোমোস্তা চকিদাৰৰ পৰা চাউলৰ ভাওৰ বুজ ল'লে। খুচুৰা দোকানতো বিক্ৰীৰ দৰ বুজ লৈ দেখিলে গাওঁৰ হাটত কাকতিহঁতৰ নিচিনা চহকী খেতিয়কে তেনেই পানীৰ দৰতহে চাউল বেচে। চহৰত বস্তু সেৰ হিচাপত বেচে। গাওঁত দোন হিচাপে। হাটত শালি চাউল টকাত চাৰে তিনি দোন। চহৰত খুচুৰা বেপাৰীয়ে টকাত ১১সেৰকৈ বেচে। পাইকাৰীয়ে টকাত তেৰ সেৰকৈ দিয়ে। কথাটো হাঁহিৰামৰ কেনেবা যেন লাগিল। যোগ-বিয়োগৰ ইমানবোৰ হিচাপ সি নুবুজে। সেইদিনা ঘৰলৈ ওভতাৰ আগতে শ্ৰীমন্তক লগ ধৰি ক'লে, "তই মোৰ কথাখিনি কাণপাতি শুনিবি। পিতায়ে সিদিনা কৈছিল, পুৰণি ভঁৰালটোৰ ধানখিনি মেট মাৰি আছে। এইবাৰ খেতি উভৈনদী হ'ল। নতুনকৈ সজা ভঁৰালত ধান আৰু নাটে। পথাৰৰ পৰা অনা ডাঙৰীবোৰ চোতালতে দমাই ৰাখিব লগা হৈছে। পুৰণি ভঁৰালটোৰ ধানখিনি এইবাৰ হাটত বেচিব বোলে। আগৰ ঢেঁকীদুটাৰ লগতে আৰু দুটা ঢেঁকী সজাইছে। ঢেঁকীত ধান বানিবলৈ মানুহ কেইজনীমান বন্দবস্ত কৰিছে। পিছে ইয়াত চাউলৰ দৰ যিটো দেখিলো, সেই চাউল চহৰলৈ আনি বিক্ৰী কৰিলে তই দেখোন ভালেমান পইছা পাবি। দেউতাৰ ভালেমান চিন্তা আজিকালি। ক'বলৈ ভাল নেলাগে। ছোৱালীজনীৰ বিয়াত হোৱাহোৱে খৰচ হ'ল। আমাৰ দুয়োটা ঘৰৰ মানুহ কেইজনীৰ আৰু ল'ৰা-ছোৱালীহঁতৰ কাপোৰবোৰ উৰঁলিছে। তোৰ কাৰবাৰৰ পৰা নেলাগে। ইয়াত যদি পইছা ওলায় তাৰে সৈতে আমাৰ দুটাৰ ঘৰৰ কাপোৰখিনি কিনি দিব পাৰ' দেখোন"।

হাঁহিৰামৰ কথা শুনি শ্ৰীমন্তই খং খাই উঠিল। "ককাই তোৰ মগজুত গোবৰ আছে। মই থাকো ইয়াত। বৌহঁতৰ গাৰ কাপোৰবোৰ ভালে আছেনে নাই? ল'ৰা-ছোৱালীৰ গাত চোলাবোৰ বা কেনে আছে? মইনো কেনেকৈ জানিম? বিয়াত কিনি দিয়াখিনি পেৰাত চপাই থৈছে কিজানি"।

"তই ঠিকেই ধৰিছ, বৌৱেৰে কৈছিল দেউতাৰ মন গ'লে অহা বছৰৰ ভিতৰতে শ্ৰীমন্তৰ বিয়াখনো পাতি দিব পাৰে, এইবোৰ কাপোৰ এতিয়া আৰু নিপিন্ধো। পেৰাতে সোমাই থাকক"।

"সেইবোৰ হ'ব। তইযে দৰ-দামবোৰ কৈছিলি সেইটো কচোন। ময়ো তাকে ভাবি আছো। গাওঁৰ হাটত চাউলখিনি নেবেচি চহৰলৈ আনিলে লাভ ভালেখিনি হ'ব। তই কাইলৈ ভাত মুঠি খাই সোনকালে আহিবি। বাটত যাওঁতে কেবাঠাইতো পাইকাৰীৰ পৰা নিয়া বস্তু খুচুৰা দোকান কেবাখনতো দি যাব লাগিব। ভাৰাৰ বন্দবস্ত মই কৰি থৈছো। গাড়ীখনো এনেই কেলেই খালী কৰি লৈ যাব লাগে। মধুক সুধিম তেওঁৰো ঘৰলৈ কিবাকিবি বস্তু কেইটামান পঠিয়াবলৈ বিচাৰি আছিল। তই পিতাইক ক'বি চাউল বনাৰ কাম আৰম্ভ হওক। ঘৰত থকা সিখন গাড়ী অলপ মেৰামত কৰিব লাগিব। চকাত হাল খুৱাব লাগিব। ওচৰত ভাল কমাৰ নাই। ধুৰাডাল বেয়া হৈছে যদি সেইডালৰ সৈতে চকাকেইটা ইয়ালৈকে লৈ আহিবি। দুখন গাড়ীৰে টানিলে সেইটো ভঁৰালৰ চাউল শেষ হওঁতে বেছিদিন নালাগিব। মধুৰ লগত মই কথা পাতিম। দৰ দাম ঠিক কৰিম। কিন্তু গাৱঁতকৈ যে দাম বেছি পাম তাত সংশয় নাই।"

"তই বুদ্ধি থকা ল'ৰা। ইংৰাজীও পঢ়িছ। এইটোনো কি আমাৰ দৰে মূৰ্খৰ কথা ক'লি। খুচুৰা দোকানবোৰত চিধা চিধি চাউলখিনি নিদিয় কিয়? ভাওটো অকণমান বেছি নহয় জানো? পাইকাৰীক কিয় লাভ খাবলৈ দিবি?

"ককাই, তই নাজান, ব্যৱসায়ৰ কিছুমান ধৰণ আছে। বেছিকৈ মুখ মেলিলে মুখ ফাটে। পাইকাৰীক চেৰাই খুচুৰা দোকানীক চাউল দিবলৈ গ'লে বেপাৰী ধৰমমতে অধৰম হ'ব। পিছে ঘৰৰ মালিকৰ লগত কথা পাতিম বুলি ভাবি আছো। পিছফালে তেওঁৰ মাটি বহুত পৰি আছে। দোকানখনো ডাঙৰ কৰিবলগীয়া হ'ল। লগতে তাত যদি গুদাম এটা সজাব পাৰো, গাৱঁৰপৰা চাউল, মাহ, সৰিয়হো আনিব পাৰিম। গুদামত থৈ বেচিলে লাভ কেতিয়াবা ভালেমান বাঢ়ে।" অলপ ৰৈ শ্ৰীমন্তই আকৌ কয়, "পিতাইক এবাৰ মাতি থৈ আহিবি। চাউলৰ পইছাকেইটা ইয়াতে বিক্ৰী কৰাৰ পৰা বছেৰেক মানলৈ যদি মোক ধাৰলৈ দিয়ে, গুদাম সজা কাম ততালিকে আৰম্ভ কৰিব পাৰিম। নহ'লে লাভৰ পইছা গোটাওঁতে ভালে কেইবছৰ



লাগিবগৈ।"

শ্ৰীমন্তৰ কথা শুনি হাঁহিৰামে ভেলেকি লগা মানুহৰ দৰে চাই ৰ'ল। "হেৰ বোপাই, তই চহৰলৈ আহি মানুহ বদলি হলি। পৰ হৈ গ'লি। পিতাইক গৈ ক'ব লাগিব তোক ঘৰলৈ লৈ যাওঁক বুলি। তই আমাক আৰ্জি খুৱাব নালাগে। নিজৰ ল'ৰা হৈ থাকিলেই হ'ব। তোৰ মাটি, তোৰ খেতি, তোৰ ধান, তোৰ চাউল। বিক্ৰী কৰি আনি সেই পইছাকেইটা তই পিতাইৰ পৰা ধাৰ লোৱাৰ নিচিনা হ'ব কেনেকৈ? মই বুজি নাপাওঁ।"

হাঁহিৰামৰ কথা শুনি শ্ৰীমন্তই হোঁ হোঁকৈ হাঁহিলে। "এইবোৰ কাৰবাৰৰ ভাষা। মধুৰ পৰা এইকেইদিন মই ভালেমান কথা শিকিলো। দেউতাৰ পৰা পইছা আনি কামত লগাই সেই পইছা ক'লৈ গ'ল, কি কৰিলো তাৰ হিচাপ ৰাখিব নোৱাৰিলে কাৰবাৰৰ বিনাশ হ'ব। পইছা নি ফিৰৎ দিব পাৰিলে মই নিজেই বুজি পাম কাৰবাৰত লোকচান হৈছেনে লাভ হৈছে। পিতায়ে মনত সন্তোষ পাব। কাৰবাৰত কেনেকুৱা হৈছে সেইকথা বুজিবলৈ নহ'লে টান হ'ব। কাৰবাৰ বঢ়াব লাগিলে পিতাইৰ হাতত জমা থাকিলে আকৌ সেই টকা মই ল'ম"।

এইবাৰ হাঁহিৰাম আশ্বস্ত হ'ল। "সজকথা তোৰ বিষয় বুধি হ'ল। আমাৰ বুঢ়া বয়সত আৰু কোনো চিন্তা নাই। তই খুৱাব পাৰিবি।"

শ্ৰীমন্তই হাঁহি এটা মাৰি কয়– "খুৱাব পাৰিম মানে তহঁত দুয়োটাকে মই দিনে এটাকৈ ৰৌ মাছৰ মূৰ খুৱাম।" হাঁহিৰামে হাঁহি হাঁহি গাড়ী জুৰি সৰ্বাইবন্ধাৰ ঘৰমুৱা হ'ল।

পিছদিনা পুৱা ভাত খাই গাড়ী লৈ হাঁহিৰাম দোকান পালেহি। সি আহি পোৱাৰ আগতে শইকীয়াই দোকান পাইছিলহি। আগদিনাই নন্দ ঘোষক কৈ থৈছিল এচৰু ৰসগোল্লা ভালকৈ শহুৰেকৰ ঘৰৰ বাবে কৰি দিবলৈ বুলি। শ্ৰীমন্তই পিতাকলৈ আগদিনা নিশাৰ গোটেই কথাখিনি হাঁহিৰামে খেলিমেলি কৰিব বুলি চিঠি এখনত বিতংকৈ লিখি দিছিল আৰু এবাঁৰ কাৰবাৰৰ বৈষয়িক কথাখিনি পাতিবলৈ ইয়ালৈ মাতি পঠিয়াইছিল। শ্ৰীমন্তই সেই সময়ত দোকানত নাছিল। হাতত টোপোলা এটা লৈ কেঁঞাপট্টিৰ পৰা আহি সি হাঁহিৰামৰ হাতত দি ক'লে – "বৌহঁতৰ কাৰণে এযোৰকৈ কপাহী আৰু মুগাৰ কাপোৰ দিলো। মুগাৰ কাপোৰবোৰত ৰিহাৰ লগত আশী সূতাৰ চাদৰ এখন ল'লেই হয় বুলি দোকানীয়ে ক'লে। সেইমতে কিনিলো। দুখন গৰম চেলেঙো দিছো। আমাৰ গাওঁৰ ঘৰত ইয়াতকৈ বতাহৰ জোৰ বেছি। হাত-ভৰি ঠেৰেঙা কৰি দিয়া ধৰণৰ চেঁচা। ল'ৰা-ছোৱালী কেইটাৰ কাৰণে মই চকুৰ আন্দাজমতে কাপোৰখিনি কিনি দিছো। কোনোবাটো সৰু ডাঙৰ হ'ব পাৰে। তই ওভতাই আনিবি। দোকানীয়ে সলাই দিব বুলি কৈছে।"

কথাবোৰ শুনি কপালত হাত দুখন দি হাঁহিৰাম বহি পৰিল। "তই ইমান ধোঁৱাখুলীয়া হ'লে পিতাই দেখোন দেউলীয়া হ'ব। ইমানবোৰ পইছা খৰচ কৰিবলৈ কেলেই গ'লি? বৌৱেৰহঁতে মোৰ গালি পাৰিব। পিতায়ে শুনিলে দুছোৱা কৰিব।" শ্ৰীমন্তই হাঁহিৰামৰ থিয় কৰাই লৈ বুকুত সাবটি ধৰি ক'লে, "সৰুৰে পৰা গু-মুত ধুৱাই তহঁতে জানো আমাক ডাঙৰ কৰা নাই? আগতে এইবোৰ কথা নাভাবিছিলো। এইবাৰ ভনীজোঁৱায়ে পিতাইলৈ চুৰীয়া, গৰম চোলা আৰু পাঞ্জাৱী চোলা কিনি দিয়াৰ পিছতহে মনলৈ হুঁচ আহিছে। মানুহে ললেই নহয়; দিবলৈকো শিকিব লাগে। বৌহঁতৰ কথা মই তেতিয়াৰ পৰাই ভাবি আছিলো। হাতত লাভৰ পইছা কেইটামান আছে কাৰণেহে কিনিলো। মই মূলধনৰ পইছাত কেতিয়াও হাত নিদিওঁ। তই বৌহঁতক কবি, এই কথাৰ বাবে তহঁতক এষাৰ কটু কথা কলেও মই আৰু জীৱনত ঘৰলৈ নাযাওঁ। মানুহে টকাৰে মৰম কিনিব নোৱাৰে। তহঁতে সৰুৰে পৰা যিখিনি মৰমেৰে আগুৰি ৰাখিছ তাৰ মূল্য মই পইছা খৰচ কৰি দিব পাৰিম জানো? সেইবাৰ বাৰীৰ পিছপিনে পুখুৰীৰ সিটো পাৰত বৰশী বাই থাকোতে তই জেওৰাখন জঁপিয়াই মোৰ পিছফালে ফেট তুলি ৰৈ থকা ফেটী সাপটো কেনেকৈ মাৰিছিলি মই জানো পাহৰিছো? সাপটো জোখোতে

আঠহাত হৈছিলগৈ । বৌটিয়ে দেখি চকুপানী টুকি গোঁসাইৰ আগত চাকি দিছিল । ককাই, সেইবোৰ কথা মোৰ মনত আছে । তই মোৰ ওপৰত বিশ্বাস ৰাখিবি । মই কাৰবাৰ বঢ়াম । মেট্রিক পৰীক্ষা পাছ কৰিব নোৱৰা কাৰণে পিতাইৰ মনৰ দুখ মই পাতলাম ।" হাঁচতিখনেৰে চকুপানীখিনি মোহাৰি হাঁহিৰামে পাইকাৰীৰ গাদীলৈ গাড়ী এৰি দিলে । পিছফালৈলে চাই ৰিঙিয়াই মধুক কৈ গ'ল, "জোঁৱাই বোপা, আহিলো ।"

সেই সময়ত মধুৱে বজাৰৰ সিটো মূৰে থকা জোতাৰ দোকানী নাৰায়ণ সাহাৰ লগত কথা পাতি আছিল । তেওঁৰ লগত সেইদিনাখনহে প্ৰথম চিনাকি হ'ল । ঠাকুৰীয়াৰ লগত ভাল চিনাকি আছিল । সেইসূত্ৰে তেওঁৰ ওচৰলৈ আহোতে শইকীয়াই ভালেকেইদিন দেখিছে । ঠাকুৰীয়া নথকা দেখি কথাটোনো কি বুজ লবলৈ বুলি সোমাল । নাৰায়ণ সাহা জোতাৰ দোকানী । অসমীয়া মানুহক জোতা বিক্ৰী কৰিব লাগে কাৰণে ভাষাটো ভালকৈ শিকিছিল । শইকীয়াই সুধিলে "আপুনি হঠাৎ এইপিনে আহিলে দেখোন ?"

"নাই, মই এই গাদীলৈ আহিছিলো ।"

"গাদী মানে ৰতনমল বাবুৰ গাদী ।"

"আপুনি জোতাৰ কাৰবাৰ কৰে । তেখেতৰ লগত ব্যৱসায়ৰ কি সম্পৰ্ক ? তেখেতসকলে চামৰাৰ ব্যৱসায় বুলিলে চাৰিজাঁপ মাৰিব । মাৰোৱাৰী মানুহবিলাক বৰ ধৰ্মভীৰু নহয় !"

"নহয় মানে, মোৰ দাগৰ পৰা পইছা তুলিবলৈ আহিছিলো পৰহিলৈ মোৰ ঘৰৰ মানুহজনী আৰু ল'ৰা-ছোৱালী কেইটা পুৰণি ঘৰলৈ যাব । বিয়া এখন আছে । হাতত পইছা নাছিল বাবে পইছা অলপ তুলি ল'লো ।"

শইকীয়াই অলপ আচৰিত হৈ সোধে, "ৰতনবাবুৰ পৰা আপুনি পইছা ধাৰলৈ ললে নেকি ?"

"আপুনি নতুন বেপাৰী । কথাবোৰ নেজানে । আমাৰ কাৰবাৰত পইছা সৰহ হ'লে আমি ৰতন বাবু বা আন বেলেগ এজন মহাজনৰ হাতত জমা থওঁ । দৰকাৰ মতে খৰচৰ বাবে উলিয়াই লওঁ ।"

এটা ডাঙৰ সমস্যা সমাধান হোৱা যেন পাই শইকীয়াই নাৰায়ণ বাবুক সোধে, "মই পইছা থবলৈ গলে তেখেতে ৰাখিবনে ? দৰকাৰ মতে মই তেখেতৰ পৰা ফিৰৎ পামনে ? তেখেতক বিশ্বাস কৰিব পাৰি নহয় ?"

নাৰায়ণ বাবুৱে হাঁহি শইকীয়াৰ সংশয় বিনাশ কৰিবলৈ ক'লে, "তেওঁলোক মাৰোৱাৰী মানুহ । ভীষণ হিচাপী আৰু ধৰ্মভীৰু । কড়ি ক্ৰান্তিলৈকে হিচাপ ৰাখে । আপোনাৰ পইছা তেওঁলোকৰ হাতত কেতিয়াও মৰা নাযায় । আপোনাক মই লৈ গৈ চিনাকি কৰি দিম ।"

"আগতে মনোহাৰী মালৰ দোকানখন সৰু আছিল এতিয়া সেই দোকান ডাঙৰ হ'ল । কিতাপৰ দোকানখনৰো বিক্ৰী বহুত । কেচ বাকচত পইছাবোৰ জমা হলে বুকুখন কঁপি থাকে । পোষ্ট অফিচত টকা থবলৈ গলে নানা হাঙ্গামা । সেই পইছা উলিয়াওঁতে সময় লয় । এনেকৈ গাদী এখনত যদি পইছা থৈ উলিয়াব পৰা যায় দৰকাৰ মতে, বৰ ভাল হয় ," বগামনে ইতিমধ্যে চাহ আনি দিছিল । নাৰায়ণ বাবু আৰু শইকীয়াই চাহত শোহা মাৰিলে । লগতে শ্ৰীমন্ত আহি নোপোৱাৰ কাৰণে দোকানত দুই এজন কিতাপ কিনা গ্ৰাহকৰ জেওা মাৰিবলৈ ল'লে । চাহ খোৱাৰ পিছত শ্ৰীমন্ত আহিলত শইকীয়াই নাৰায়ণ বাবুৰ লগত ৰতন বাবুৰ গাদীলৈ গ'ল । হাতত তিনিশমান টকা লৈ গৈছিল – সম্ভৱ হ'লে সেইদিনাই গাদীত পইছাৰ লেনদেনৰ হিচাপটো আৰম্ভ কৰিব বুলি ভাবি ।

পিছত গম পালে ৰতন বাবুৰ গাদীখনৰ নাম আছে । কেইবাখনো চাহবাগানে দৰমহা দিবৰ কাৰণে ৰতন বাবুৰ গাদীৰ পৰা পইছা লৈ যায়হি । মেকলিন, জনচন, স্মিথ, টমছন চাহাব আদি ভালে কেইজন চাহাবে তেওঁলোকৰ বাগিচাৰ টকা নিবলৈ আৰু জমা থবলৈ আহে । ৰতন বাবুৰ কলিকতাত গাদী আছে । চাহপাত কলিকতাৰ বজাৰত বিক্ৰী হলে সেই টকা তেওঁলোকে কলিকতাৰ গাদীত জমা দিয়ে আৰু সেইমতে ৰতন বাবুৰ ইয়াৰ গাদীত সেই হিচাপ তুলি লোৱা হয় । বাগানৰ টকা কলিকতাৰ গাদীয়ে নপঠায় যদিও তেওঁলোকৰ চেনী, দাইল, আলু আদি কাৰবাৰৰ বস্তুবোৰ সেই পইছাৰে কিনি বস্তুবোৰ জাহাজত ব্ৰহ্মপুত্ৰৰে পঠিয়াই দিয়ে । সেইবোৰ ইয়াৰ বজাৰত ৰতন বাবুৰ গুদামৰ পৰা পাইকাৰী দৰত গোটেই উজনি অসমলৈ যায় । ভালেমান পইছা তেওঁৰ তেনেকৈয়ে উপাৰ্জন হয় । সেই ধনৰ পৰাই বাগান কেইখনে আৱশ্যক মতে টকা তুলি নিয়ে । বছৰৰ শেষত হিচাপ পৰিষ্কাৰ হয় ।

শইকীয়াই তিনিশ টকাৰে হিচাপটো খুলিলে । দোকানলৈ আহি শ্ৰীমন্তক গোটেই কথাখিনি বিতংকৈ ক'লে । নিশা সৰহ টকা কেচ বাকচত নাৰাখিব বুলি ঠিক কৰিলে । শ্ৰীমন্তৰ মাজে মাজে বৰ ভয় লাগে । তাতে ঠাকুৰীয়াৰ দোকানখনৰ টকাখিনি লোকৰ টকা । এনেকুৱা এটা বন্দৱস্ত হোৱাত চিন্তা আঁতৰিল ।

পিছদিনা নামনিৰ গাড়ীৰে ঠাকুৰীয়া আহি মৰিয়নিত নামিল । জে পি আৰ ৰেলৰ সৰু লাইনেৰে লেহেম গতিত যোৰহাট আহি পাওঁতে আবেলি হ'ল । ঠাকুৰীয়া দোকানৰ আগত থিয় হোৱাৰ লগে লগে শ্ৰীমন্ত বগামন আৰু শইকীয়াই তেওঁক আনন্দত আপ্লুত হৈ আগবঢ়াই নিলে । চাহপানী আদি খোৱাৰ পিছত বগামনৰ হতুৱাই বজাৰ কৰাই ঘৰলৈ পঠিয়াই দিলে । সেউতীক বুজাই ক'বলৈ ক'লে, নিশা ঠাকুৰীয়াই শইকীয়াৰ তাতে ভাত খাব বুলি । তেখেতৰ বিছনাও কিনাৰৰ কোঠাটোতে ঠিক কৰি থবলৈ নিৰ্দেশ দিলে । শ্ৰীমন্তই বিক্ৰী বাৰ্তাবোৰ চাবলৈ ধৰোতে শইকীয়াই ঠাকুৰীয়াৰ আগত কথাটো উলিয়ালে ।

"আজি ভাগৰি জুগৰি আহিছে আপোনাৰ হিচাপ-পত্ৰবোৰ কাইলৈকে চাবলৈ ল'ম নেকি ? দোকানখন আপুনি চমজি ললে মূৰৰ পৰা বোজা এটা আঁতৰে । টকা-পইছাৰ হিচাপৰ কথা । এই হিচাপ পৰিষ্কাৰ হৈ থাকে মনৰ মাজতহে । কাকতৰ পাতত নহয় । কেনেবাকৈ আপুনি মোক ভুল বুজিলে মোৰ আৰু জীৱনলৈ উদ্ধাৰ নহ'ব । যিমান দূৰ পাৰো হিচাপ পৰিষ্কাৰকৈ ৰাখিছো । আপুনি চালেই বুজিব ।"

"বান্ধ, মই আপোনাৰ হিচাপ চাবলৈ অহা নাই । আপোনাক কাকূতি কৰি অনুৰোধ এটাহে কৰিবলৈ আহিছো । মোৰ আৰু যোৰহাটলৈ কাৰবাৰ কৰিবলৈ অহা নহ'ব । পিতাক ঘৰত এৰি অহাটো অসম্ভৱ । ময়ে ডাঙৰ ল'ৰা । ইয়াৰ পৰা মাজে মাজে পঠিওৱা পইছাবোৰেৰে পিতাই ভালেমান মাটি কিনিলে । কঠোৰ পৰিশ্ৰমী মানুহ, খেতিৰ পইছাৰে ঘৰ-দুৱাৰ একেবাৰে বেলেগ কৰি পেলালে । মই গৈহে দেখিছো । মই ঘৰ এৰি আহিম বুলি ভাবি পিতায়ে কান্দে । পিতাক কথা দিছো মই ঘৰতে থাকিম বুলি । খেতিবাতি নহলে কোনে চলাব । ভাই দুটাই স্কুলত পঢ়ি আছে । শত্ৰুৱে জোপ লৈ আছে – পিতায়ে চকু মুদিলে সংসাৰখন থানবান কৰিব বুলি । এই দোকানখন মই আপোনাক গতালো । পাঁচশ টকাৰে আৰম্ভ কৰিছিলো । এতিয়া আপুনি মোক পাঁচ হেজাৰ দিলেই হ'ব । আপুনি এতিয়াই মোক টকাখিনি দিব নালাগে । বৰ্তমান এহেজাৰমান দিব । পিতাইৰ দৃঢ় ধাৰণা হৈছে এইবাৰ আৰু নাবাচে বুলি ।



ছোৱালী চাই আঙঠি পিন্ধাই মোৰ বিয়াৰ দিনবাৰ ঠিক কৰিলে । আহিন মাহত বিয়া । বিয়ালৈ আপোনাৰ পৰিবাৰক লৈ যেনেতেনে আহিব লাগিব । ঘৰৰ আটায়ে আপোনাক চাবলৈ বিচাৰিছে ।"

কথা শুনি মধু শইকীয়াই স্তম্ভিত হৈ ৰ'ল । "টকা এহেজাৰ আপোনাক দিয়াটো ডাঙৰ কথা নহয় । কিন্তু এই দোকানখন মোক বেচিব নেলাগে । দোকান আপোনাৰে হৈ থাকক । মই চলাই থাকিম । কেতিয়াবাকৈ সুবিধা কৰিব পাৰিলে আপুনি আহি নিগাজিকৈ গাদীত বহিব । এই দোকানখনত লখিমী আছে । মোৰ মনে নপতিয়ায় । বিয়া বাৰু হৈ যাওক তাৰ সমস্যাবোৰ চিজিল কৰি আপুনি আহক ।"

মূৰ জোঁকাৰি ঠাকুৰীয়াই কয়, "বান্ধ, সেইটো নহ'ব । আপুনি কাৰবাৰ ডাঙৰ কৰক । আপোনাৰ হলে মোৰো হোৱা যেন লাগিব । কেতিয়াবা দিনকাল ভাল হলে, ভাই কেইটা মানুহ হলে, গুৱাহাটী চহৰত আমি দুয়োটাই একেলগে কাৰবাৰ কৰিম ।"

"সেইবোৰ কথা কাইলৈ পাতিম । আপুনি গাটো ধুই পিছফালৰ শ্ৰীমন্তৰ বিছনাখনতে অলপ জিৰাওক । বগামন আহিলে আমি দুয়োটাই চাইকেলেৰে ঘৰলৈ যাম । ঘৰৰ মানুহজনী অহাৰ পিছত আপুনি মোৰ ঘৰখন দেখা নাই নহয় ।"

ঘৰ আহি পাওঁতে শাহুৱেকে ৰন্ধা-বঢ়া শেষ কৰিছিল । বগামনে পাৰ দুযোৰ লৈ আহিছিল । সি কাটি কুটি যতনাই থৈহে দোকানলৈ উভতিছিল । খাবলৈ বহোতে সেউতীক শইকীয়াই কলে, "ঘৰত বান্ধৰ বিয়া পাতিছে । তোমাৰহে যোৱাটো নহ'ব । গাটো ভালে থকা হলে কথা নাছিল । মই হলে যাম ।"

ঠাকুৰীয়াই মাজতে মাত দিলে, "বান্ধ অকল আপুনিয়েই নহয় আই-পিতায়েও যাব লাগিব । আমাৰ ফালৰ বিয়া বাৰুবোৰ আপোনালোকে দেখাই নাই নহয় ।"

ওৰণিৰ মাজৰ পৰা কাকতিয়নীয়ে সুধিলে, "বিয়াৰ দিন-বাৰ কেতিয়াকৈনো ঠিক হৈছে ।"

"আহিনৰ বাইশ তাৰিখ ।"

"নামনিৰ ফালে যোৱাৰ ইচ্ছা ভালেমান দিনৰ পৰা আছিল । বিয়াখনৰ গইনা লৈ যাব পৰা হলে ভাল আছিল, পিছে জীয়ৰীক এতিয়া এৰি যাব নোৱাৰিম ।"

"আই, মই গৈ পোনেই চিঠি দিম, বিয়াখন ফাগুনলৈ পিছুৱাবলৈ চেষ্টা কৰিম । আপোনালোক যাবই লাগিব ।"

"নহয় বোপাই, সেইটো নকৰিবা । কইনা ঘৰৰ কি বা অসুবিধা ওলায় । দেউতাৰৰ গাটো বাৰু নহয় বুলি কৈছা, তেখেতৰ মনোবাঞ্ছা পূৰ্ণ হওক । চিনাকি হ'লো যেতিয়া আমি তোমাৰ ঘৰ চাই আহিমগৈ । আৰু এনেইও তোমাৰ কাৰবাৰখন ইয়াত থাকিল যেতিয়া ছোৱালী ইয়ালৈ আহিব নহয় ? আমাৰ জীয়ৰীৰ লগতে যিমানদিন বিচৰা ৰাখিব পাৰিবা । দুয়ো কাণ সমনীয়া ছোৱালী – বৰ বঢ়িয়া হ'ব, ইজনী-সিজনীৰ লগ হ'ব ।"

"সময় আহক, তেওঁক লৈ ইয়ালৈ আহিবই লাগিব । ইয়াৰ মানুহবোৰক মাতি এসাজ খুৱাবও লাগিব । পিছে কাৰবাৰ মই বান্ধক সম্পূৰ্ণকৈ গতালো । এই কাৰবাৰ এতিয়াৰ পৰা তেওঁৰ হ'ল । ঘৰ এৰি অহাটো মোৰ পক্ষে অসম্ভৱ ।"

"এইবোৰ নো কি কথা কৈছা বোপা, তোমাৰ জঞ্জাল নমৰালৈকে আমাৰ জোঁৱায়ে তোমাৰ কাৰবাৰ চাই থাকিব । তুমি আহিলে সকলো চমজি ল'বা । তোমাৰ মুখৰ গৰাহ কাঢ়ি লৈ খালে জোঁৱাইৰ পাপ হ'ব ।"

"আই, আশীৰ্বাদ কৰিব । মোৰ তাত খেতি-খোলাখন পিতাই বৰ ডাঙৰকৈ পাতিলে । সেইবোৰ এৰি আহিব নোৱৰা হলো । আৰু বান্ধই মোৰ মুখৰ গৰাহ কেনেকৈ কাঢ়িব । তেওঁৰে মোৰে মুখ একেখন নহয় জানো ? ঈশ্বৰে দিলে কেতিয়াবাকৈ দুয়ো একেলগে ডাঙৰ কাৰবাৰ কৰিম । মই ইয়াৰ কাৰবাৰটো সেই কাৰণে বান্ধক গতালো ।"

সেই দিনা ভাত খাই উঠি দুই বন্ধুৱে ভালেমান পৰলৈকে কথা পাতিলে । পিছদিনা ৰাতিপুৱাই সোনকালে ভাত মুঠি খাই দুয়ো দোকানলৈ বুলি ওলাল । যাবৰ সময়ত ঠাকুৰীয়াই সেউতীলৈ বুলি অনা শুৱালকুছীয়া পাটৰ কাপোৰযোৰ টোপোলা এটাৰ পৰা উলিয়াই দিলে । শইকীয়াৰ শাহুৱেকক সেৱা কৰি ক'লে, "মই আবেলিৰ গাড়ীতে ঘৰমুৱা হ'ম । আকৌ আহিবলৈ সময় নহ'ব । আপুনি নিজৰ ল'ৰা বুলি মনত ৰাখিব ।" সেউতীলৈ চাই অনুৰোধ জনালে, "দুয়োখন ঘৰৰ বান্ধটো যেন নিকপকপীয়াকৈ ৰাখে ।"

ঘৰৰ পৰা ওলাই চাইকেলত উঠি ৰুমালেৰে চকুপানী মচিলে । দোকানলৈ আহি চিনাকি দোকানবোৰত মাত লগালেগৈ । ঘৰৰ বৃত্তান্ত কলে । ঘৰৰ মালিকক দোকানলৈ মাতি দোকানৰ ভাড়াৰ মালিক এতিয়াৰ পৰা শইকীয়া বুলি লিখা-পঢ়া কৰা অনাৱশ্যক বুলি কোৱা সত্বেও ঠাকুৰীয়াই নেৰিলে । আচলতে দোকানৰ স্বত্বাধিকাৰটো শইকীয়াৰ ওপৰত সাব্যস্ত হ'ল । সেইটো দহজনে দেখাকৈ লিপিবদ্ধ কৰিবলৈ বিচৰাটোৱেই ঠাকুৰীয়াৰ উদ্দেশ্য আছিল ।

ৰতন বাবুৰ গাদীৰ পৰা টকা এহেজাৰ আনি ঠাকুৰীয়া যোৱাৰ আগতে শইকীয়াই হাতত তুলি দিলে । "আপোনাৰ বিয়াৰ আগতে মই বা শ্ৰীমন্তই বাকীখিনি টকা দি আহিমগৈ । ঘৰৰ কুশল বতৰা দি থাকিব চিঠি পত্ৰৰ মাজেৰে ।" দুই বন্ধুৱে এৰা এৰি হ'বৰ সময়ত চকু চলচলীয়া হ'ল । কিন্তু সময়ৰ নিৰ্দেশ নেওচিব কোনেও নোৱাৰে ।

পিছদিনা পকামূৰাৰ পৰা ঘৰত পৰি থকা গাড়ীখনৰ চকা দুটাৰে ঢুৰা এডাল লৈ কাকতি আহি ওলাল । দোকানতে সেইখিনি নমাই থৈ সৰ্বইবন্ধাৰ ঘৰলৈ গ'ল । যোৱাৰ আগতে শ্ৰীমন্তক কৈ গ'ল, "আৰু এহাল নতুন চকা আৰু ঢুৰাৰ যোগাৰ কৰিবি, গাড়ী দুখন নহয়, তিনিখন হ'ব ।" জেপৰ পৰা টকা এহেজাৰ শ্ৰীমন্তৰ হাতত উলিয়াই দিলে । "টকাখিনি ভালকৈ ৰাখিবি । কাৰবাৰ কৰিব লাগিলে হাতত পইছা লাগে । চাৰিটা ঢেকীত চাউল বনা আৰম্ভ হৈছে । ডাঙৰীৰ ধানবোৰ মৰণা মাৰি ভঁড়াল ঘৰত সুমুৱাব নোৱাৰিলে বিপদ । অকণমান বৰষুণ দিলেই গোটেইবোৰ ধান নষ্ট হ'ব ।" শ্ৰীমন্তই তলমূৰ কৰি দেউতাকক আগবঢ়াই দি ক'লে, – "পিতাই এইবোৰ কথা কাইলৈ পাতিম । তই দোকানলৈ আহিবি, ঘৰত কথা পাতি লাভ নাই ।" টকাখিনি ৰতন বাবুৰ গাদীত জমা দি শ্ৰীমন্ত আৰু মধুৱে দোকান স্নামৰিবলৈ ললে । গাদীত বহি শ্ৰীমন্তই কলে, "ৰাতিপুৱাই মাটিৰ মালিকক কৈ ঘৰটো পিছফাললৈ বঢ়োৱাৰ সিদ্ধান্ত কৰি আহিছো । তেখেতক বুজাই থৈ আহিছো ভাড়া বাঢ়িব আৰু ঘৰ সজা খৰচখিনি সেই ভাড়াৰ পৰা কাটি ল'ব পাৰিব । এইবোৰ কথা মধুক পৰিষ্কাৰকৈ পাতিবলৈ ক'লে – কি ভাড়া দিব লাগিব আৰু কিমানকৈ কাটিব লাগিব । লিখা-পঢ়া হলেও বেয়া নহয় । লগতে শ্ৰীমন্তই পিছদিনা পুৱাতে ৰতিমিস্ত্ৰিক আহিবলৈ কৈ অহাৰ কথাও ক'লে । খৰখেদাকৈ কামত হাত দিলে গুদামটো তিনি চাৰি সপ্তাহতে হৈ যাব বুলি শ্ৰীমন্তই ভাবে । সেইকথা মধুক বুজালে । মধুৰ মনটো সন্তোষেৰে ভৰি পৰিল ।

(ক্ৰমশঃ)

## ক্লেশজ অনুভৱ

কাব্যশ্ৰী মহন্ত

হেৰোৱা সপোনৰ খেও ধৰি জানো কোন বাটে আহিছিল তেওঁ !
কপালত চুই পালো নান্দনিক সংবেদন,
আলিঙ্গনত পুৱাৰ ৰ'দৰ দৰে উমাল আশীষ ভৰা
আৰ্দ্ৰ অৱয়ৱ ।
কিমান যে মোহনীয় লগন লুকাই আছে
আধাগঢ়া নিসৰ্গৰ নিঃসীম বুকুত
কিমান নিযুতবাৰ জীৱনে শিকাব আৰু
পৃথিৱী সুন্দৰ বুলি, প্ৰেম অমৰত্ব বুলি ?

ময়ো সেই নিসৰ্গক কিবা এটা কব খোজো,
অনাবিল আকাশকো উপহাৰ দিব খোজো
খিৰিকিৰে মই দেখা একণিকা ভাগ,
মই প্ৰেমৰ মাজত বুৰ মাৰি মাৰি
যাতনাকে বিচাৰিব খোজো,
শৰতৰ আকাশ বসন্তৰ আবেলি, বৰ্ষাৰ হৰ্ষোল্লাস,
আধাগঢ়া আৰু বহুতো অনুভৱৰ মাজেদি
পাৰ হৈ যাওক মোৰ প্ৰেম,
পৰিভ্ৰমণৰ অন্তত মোলৈ কঢ়িয়াই আনক অলপ অতৃপ্তি

ওমলা কুঠৰীত জুলীয়া হেপাঁহ লৈ মই বাট চাই ৰ'ম
চাইৰ'ম........................ ।
আকাশেদি বৈ আহিব হাহাকাৰ, বতাহত দীৰ্ঘশ্বাস........
জোনাকত অসীম যাতনা.................... ।
মই ক্ৰমাৎ ওপৰলৈ উঠি যাম, উঠি যাম........
ডাৱৰৰ মাজে মাজে দুহাতেৰে খেপিয়াই ধৰিম যন্ত্ৰণা ।
হৃদয়ৰ প্ৰতি লোমকূপ যন্ত্ৰণাৰে ভৰাই তুলি
অহৰহ কম ........... প্ৰেম তুমি সঁচাই সুন্দৰ !!□

## তৃষ্ণা ঘাটত আজি

যতীন কোঁৱৰ

এটা প্ৰেমিক শঁকাই তাৰ জীয়া-গাৰ
কোনটো পাবত বুলালে আঙুলি
দিন-দুপৰতে দেখি জোন আৰু
স্বাতী নক্ষত্ৰৰ ৰূপালী কাৰেং
মোক আহি কোৱাহি কথা
আজি
ইৰিণা বিৰিণা নামৰ দুডাল নলে
ম'হৰ শিঙৰ বুকুৰে বিনাই কেনেকৈ কৰে
বহাগৰ দিন-ৰাতি হিয়ালি-জিয়ালি
মোক আহি কোৱাহি কথা
আজি
সোণ-পিঠিয়া এজাক সোবন-উঁৰিকণাই
সুৱনসিৰিৰ কোন ঘাটত দেখা পালে
অজৰ-অমৰ কেঁচা-স্বৰ্ণৰ একুৰি-এখন খনি
মোক আহি কোৱাহি কথা
আজি
আৰু অসীম নামৰ সেই গঙ্গাচিলাটোৱে
এহেজাৰ জোন জ্বলা এখন দেশৰ খাটাং ঠিকনাটো
আজিয়েই,
আজিয়েই মোক আহি দিয়াহি
কথা
মই নগৈ কেনেকৈ থাকো
কাচন্মতী কামনা নদীৰ
তৃষ্ণা ঘাটলৈ
আজি !□



# গ্ৰন্থজগত

ৰাজেন শইকীয়া

## স্বাগত আনন্দতৰঙ্গ

আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা, ইংৰাজীত Anundoram Borooah Institute of Language, Art and Culture চমুকৈ ABILAC (এবিলাক) অনুষ্ঠানটি ১৯৮৯ চনত প্ৰতিষ্ঠিত হয় । প্ৰস্তুতি অৱশ্যে তাৰ কেইবাবছৰৰো আগৰ পৰাই চলিছিল । সম্প্ৰতি গুৱাহাটীৰ পৰা কাৰ্যনিৰ্বাহ কৰি থকা এই সংস্থাৰ স্থায়ী কাৰ্যালয়, গ্ৰন্থাগাৰ, গবেষণাকক্ষ, মিউজিয়াম আদি মূলভৱনসমূহ আনন্দৰাম বৰুৱাৰ জন্মস্থান উত্তৰ গুৱাহাটীৰ ৰজাদুৱাৰত নিৰ্মাণ হ'ব ধৰিছে । বৰ্তমান ৰাজ্য চৰকাৰৰ পৰা পাই থকা অনুদানেই সংস্থাৰ সম্বল হলেও, এবিলাক এটি স্বশাসিত অনুষ্ঠান । গতিকে, এই সংস্থাই আন ব্যক্তি, ৰাজহুৱা বা চৰকাৰী প্ৰতিষ্ঠানৰ পৰাও সা-সম্পত্তি দান, অনুদান-মঞ্জুৰী আদি গ্ৰহণ কৰাত বাধা নাই । সময়ত এই সংস্থা স্বাৱলম্বী হ'বগৈ পাৰে ।

সংস্থাৰ ঘোষিত লক্ষ্য আৰু উদ্দেশ্যসমূহ হ'ল ঃ– অসমৰ সকলো থলুৱা ভাষা, কলা-সংস্কৃতিৰ উন্নতিসাধন আৰু এই ক্ষেত্ৰত প্ৰশিক্ষণপ্ৰাপ্ত ব্যক্তি আৰু আবয়বিক দিশৰ আন অভাৱসমূহ চিহ্নিত কৰি প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা, সংস্কৃতজ্ঞ আনন্দৰামৰ অৱদান আৰু আৰ্হিৰ সোঁৱৰণত ভাৰতবিদ্যা আৰু সংস্কৃত চৰ্চাৰ প্ৰতি উৎসাহদান, অসম আৰু ইয়াৰ চৌপাশৰ ভাষা, লোককথা, মৌখিক সাহিত্য বা আন আন ৰূপত থকা কলা-সংস্কৃতিৰ প্ৰবাহমান অভিজ্ঞতাপ্ৰসূত দলিল, দস্তাবেজ, পাণ্ডুলিপি সংগ্ৰহ আৰু সুৰক্ষা, ওপৰত উল্লেখ কৰা সংস্থাৰ কৰ্মসূচী ৰূপায়ণৰ বাবে তথ্যপ্ৰস্তুত আৰু প্ৰকাশ কৰা, জাতীয় আৰু আন্তৰ্জাতিক পৰ্যায়ত সমধৰ্মী গবেষণা সংস্থা আৰু বিশ্ববিদ্যালয়সমূহৰ লগত যোগসূত্ৰ স্থাপন আৰু ভাব আদান-প্ৰদানৰ ব্যৱস্থা কৰা আৰু অসমৰ ভাষা-কলা-সংস্কৃতি সম্বন্ধীয় গবেষণা কাৰ্যসূচীৰ নীতিৰ বিষয়ে ৰাজ্য চৰকাৰক পৰামৰ্শ দিয়া ।

স্বাভাৱিকতেই অসমৰ ভাষিক জৰিপ, ভাষা শিক্ষা, সকলো প্ৰয়োজন পূৰণ কৰিব পৰাকৈ অসমীয়া আৰু আন থলুৱা ভাষাসমূহ সামৰি দ্বিভাষিক আৰু বহুভাষিক অভিধান ৰচনা, থলুৱা ভাষা-সাহিত্য সম্পদসমূহৰ পৰস্পৰৰ মাজত অনুবাদ আৰু সংস্কৃত সাহিত্যৰ অনুবাদ আঁচনি যুগুত কাৰ্যও এবিলাক-ৰ অন্তৰ্ভুক্ত হ'ব ।

আনন্দৰ খবৰ এই যে সংস্থাই ছটা খণ্ডত বহু প্ৰবন্ধ সম্বলিত অসমীয়া সাহিত্যৰ বুৰঞ্জী প্ৰণয়ন আৰু প্ৰকাশৰ আঁচনি ইতিমধ্যেই হাতত লৈছে । প্ৰস্তাবিত অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ সাধাৰণ সম্পাদক হ'ল ড° প্ৰফুল্লদত্ত গোস্বামী । প্ৰতিখণ্ডই সামৰি লোৱা সময়সীমা আৰু সেইবোৰৰ সম্পাদকসকল হ'ল ক্ৰমে – ১ম খণ্ড – আৰম্ভণিৰ পৰা ১৪৭০ খৃষ্টাব্দলৈ, সম্পাদক শ্ৰীবিশ্বেশ্বৰ হাজৰিকা; ২য় খণ্ড – ১৪৭০ খৃষ্টাব্দৰ পৰা ১৬৩০ খৃষ্টাব্দলৈ, সম্পাদক – ড° শিৱনাথ বৰ্মন; ৩য় খণ্ড – ১৬৩০ খৃষ্টাব্দৰ পৰা ১৮১৩ খৃষ্টাব্দলৈ, সম্পাদক – ড° গোলোক চন্দ্ৰ গোস্বামী; ৪ৰ্থ খণ্ড – ১৮১৩ খৃষ্টাব্দৰ পৰা ১৮৮৯ খৃষ্টাব্দলৈ, সম্পাদক – শ্ৰীযোগেন্দ্ৰনাৰায়ণ ভূঞা; ৫ম খণ্ড ১৮৮৯ খৃষ্টাব্দৰ পৰা ১৯৩৯ খৃষ্টাব্দলৈ, সম্পাদক – শ্ৰীৰঞ্জিৎ কুমাৰ দেৱগোস্বামী আৰু ৬ষ্ঠ খণ্ড – ১৯৩৯ খৃষ্টাব্দৰ পৰা বৰ্তমানলৈকে, সম্পাদক – শ্ৰীহোমেন বৰগোহাঞি ।

এবিলাক-ৰ সঞ্চালক হ'ল অধ্যাপক টাবু টাইদ । অতি কম সময়ৰ ভিতৰত অধ্যাপক টাইদে তেওঁৰ সংগঠন প্ৰতিভা আৰু ঐকান্তিকতাৰ পৰিচয় দিছে । মনকৰিবলগীয়া কথা হ'ল সংস্থাৰ সকলো আশু কৰ্মসূচী যিসকল ব্যক্তিৰ সক্ৰিয় সহযোগৰ ওপৰত নিৰ্ভৰশীল তেওঁলোক প্ৰায় সকলোৱেই, ড° প্ৰফুল্লদত্ত গোস্বামীৰ বাদে, আংশিক সময়ৰ কৰ্মীহে । আনকি সম্পাদকসকলৰ পূৰ্ণকালীন সেৱা দাবি কৰিব পৰা আৰ্থিক সঙ্গতিও এবিলাক-ৰ নাইকিয়া । এনেবোৰ সীমাবদ্ধতা সত্ত্বেও শ্ৰীটাইদে প্ৰমাণ কৰিছে যে তেওঁ ইংৰাজীৰ নিপুণ শিক্ষক হোৱাৰ উপৰিও ডাকোৱাল-ছপাশালকৰ্মী-মালিক-কেৰাণী-সম্পাদক-সাহিত্যিক – এই প্ৰবল প্ৰতাপী নক্ষত্ৰনিচয়ক, প্ৰাৰ্থিত কক্ষপথেদি চলাই নিব পৰা তেওঁ এজন পাৰ্গত পাইলট ।

* * * * *

## "তাহে তৰঙ্গ উঠে সঘন আনন্দ নন্দ নন্দ ৰে'

আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থাই এতিয়ালৈকে দুখন গ্ৰন্থ প্ৰকাশ কৰিছে । প্ৰথমখন ইংৰাজী ভাষাত লিখা – Anundoram Borooah By Professor Mukunda Madhava Sharma, M. A., Ph. D., D. Litt., Kavyatirtha (May 1992, Rs. 125.00) আৰু দ্বিতীয়খন আনন্দৰাম ঢেকিয়াল ফুকনৰ অসমীয়া লৰাৰ মিত্ৰ, সম্পাদক অধ্যাপক শ্ৰীযোগেন্দ্ৰনাৰায়ণ ভূঞা (জুন ১৯৯২, মূল্য – ষাঠি টকা ।) উনবিংশ শতিকাৰ আনন্দৰাম নামধাৰী অসমৰ দুই আনন্দকন্দৰ বিষয়ে উক্ত গ্ৰন্থদুখনৰ ভিত্তিত এটি সংক্ষিপ্ত আলোচনা ইয়াত আগবঢ়োৱা হ'ল ।

যিজনাৰ নামত ভাষা-কলা-সংস্কৃতি সংস্থাটি প্ৰতিষ্ঠিত তেওঁৰ জীৱন-কীৰ্তি প্ৰকাশ যে সংস্থাৰ প্ৰথম কাম হোৱা উচিত সেই বিষয়ে সন্দেহ নাই । গতিকে, প্ৰথমখন গ্ৰন্থ কেৱল প্ৰকাশনেই নহয়, ই সংস্থাৰ এটি প্ৰণতি ।

পোন প্ৰথম লম্বোদৰ বৰাই আনন্দৰামৰ এখন জীৱনীৰচনাৰ কাম হাতত লৈছিল । এই কথা আজি ভাবি কেৱল দুখ অনুভৱ হয় যে আনন্দৰামৰ দৰে লম্বোদৰকো ভৰ-বয়সতে মৃত্যুয়ে গ্ৰাস নকৰা হ'লে হয়তো আনন্দৰামৰ এখন সমসাময়িক আৰু পূৰ্ণাঙ্গজীৱনী আমি লম্বোদৰ বৰাৰ পৰাই পালোহেঁতেন ।

ড° সূৰ্য্যকুমাৰ ভূঞাৰ আনন্দৰাম



OKDISCD

বৰুৱা প্ৰথম প্ৰকাশ হয় ১৯২০ চনত; ১৯৭১ চনত সপ্তম তাঙৰণ প্ৰকাশ হৈছিল। খুব সম্ভৱ তাৰ পিছত কিতাপখনৰ পুনৰমুদ্ৰণ হোৱা নাই। শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰীয়ে ইংৰাজী ভাষাত লিখা Anundoram Barooah সাহিত্য একাডেমিৰ ভাৰতীয় সাহিত্যকাৰ জীৱনীমালাৰ অন্যতম গ্ৰন্থৰূপে প্ৰকাশ হয় ১৯৮৪ চনত। কিতাপ কেইখন এতিয়াও দুৰ্লভ হোৱা নাই।

সূৰ্য্যকুমাৰ ভূঞাই আনন্দৰামৰ জীৱনী লিখিবলৈ ওলোৱাৰ পূৰ্বেই আনন্দৰামৰ বিষয়ে উত্তম-পুৰুষত ক'ব পৰা কেবাজনো চৰকাৰী বিষয়া, অসমীয়া আৰু বঙালী ভদ্ৰলোক, তেওঁৰ শিক্ষক আৰু সহাধ্যায়ী সুহৃদৰ লোকান্তৰ ঘটে অথবা সূৰ্য্যকুমাৰে ঢুকি নোপোৱা দূৰত্বলৈ গুচি যায়। কিন্তু এই নিৰুৎসাহজনক পৰিস্থিতিৰ সকলো বাধা অতিক্ৰম কৰি, এক কথাত ক'ব লাগিলে, সূৰ্য্যকুমাৰে অসাধ্যসাধন কৰিলে। এতিয়া উভতি চাই ক'ব পাৰি যে সেই কাম কৰিবলৈ সূৰ্য্যকুমাৰৰ কোনো বিকল্প নাছিল।

ড° মুকুন্দ মাধৱ শৰ্মাৰ গ্ৰন্থখন হাতত লৈয়েই হয়তো যিটো স্বাভাৱিক প্ৰশ্ন পাঠকৰ মনলৈ আহিব সেইটো হ'ল – ড° ভূঞা বা শ্ৰীশাস্ত্ৰীৰ কিতাপ দুখনতকৈ কি কি নতুন তথ্য বা ব্যাখ্যা বিশ্লেষণৰ গুণত ড° শৰ্মাৰ কিতাপখনে বিশেষত্ব দাবি কৰিব পাৰে ?

আমাৰ ধাৰণা, ড° শৰ্মাই কিতাপখন ৰচনা কৰিবলৈ গৈ পাঠকৰ এই সম্ভাৱ্য প্ৰশ্নটো মনলৈ অনা নাছিল। আনন্দৰাম ড° শৰ্মাৰ হিৰ' নহলেও আকস্মিক আকৰ্ষণবিন্দু নহয়। পাতনিত উল্লেখ কৰা মতে যোৱা ওঠৰ বছৰ ধৰি লেখকে দেশৰ বিভিন্ন ঠাইত বিদ্বৎ সমাজত আনন্দৰামৰ বিষয়ে ভাষণ দিছে। গতিকে, সেই বিষয়ে তেওঁ যথেষ্ট চিন্তাচৰ্চা যে কৰিছিল সন্দেহ নাই। ড° শৰ্মাই গ্ৰন্থৰ মূলপাঠ তিনিটা অংশত বিন্যস্ত কৰিছে, প্ৰথম – আনন্দৰামৰ জীৱনৰ এটি পৰিচয়সূচক বিৱৰণ, দ্বিতীয় অংশত তেওঁৰ সংস্কৃত সাধনাকৰ্মৰ পৰিচয় আৰু তৃতীয় অংশৰ আলোচ্যবিষয় আনন্দৰামৰ ব্যক্তিত্ব। মূলপাঠৰ শেহত বিব্লিওগ্ৰাফি আৰু ছটা সুনিৰ্বাচিত পৰিশিষ্ট সংযোজন কৰা হৈছে। ড° শৰ্মাৰ tour de force ফুটি উঠিছে কেৱল গ্ৰন্থখনৰ দ্বিতীয় অংশত।

ৰসিক ফৰাচীসকলৰ মাজত এটা প্ৰবচন প্ৰচলিত, তাৰ ইংৰাজী অনুবাদ এনেকুৱা – The best is the enemy of good. সৰ্বোত্তমৰূপে এটা কাম কৰিবলৈ গৈ কেতিয়াবা তাক সাধাৰণভাৱে সম্পূৰ্ণ কৰিবলৈকো মানুহ বিফল হয়। এবিলাকে-ও অতি আশাৰে আনন্দৰামৰ জীৱন আৰু কৃতিত্ব নতুন ৰূপত উন্মোচন কৰিবলৈ ড° শৰ্মাৰ ওপৰত ভাৰসা কৰিছিল। ড° শৰ্মাৰ নামটোৱে পাঠকৰ যিমান প্ৰত্যাশা জগাব পাৰে, গ্ৰন্থখনৰ পৰা পাঠকৰ সিমান প্ৰাপ্তি হ'ব বুলি ডাঠি ক'ব নোৱাৰি।

কিতাপখনৰ আৰম্ভণিতে উনবিংশ শতিকাৰ হাইস্কুলীয়া শিক্ষাৰ বিষয়ে আলোচনা কৰি তেওঁ কৈছে যে ১৮৭৩ চনলৈ অসমত মাত্ৰ দুখনহে হাইস্কুল আছিল। কথাটো শুদ্ধ নহয়। 'স্বদেশপ্ৰেম' আৰু 'অসমৰ প্ৰতি ভালপোৱা' উপ-শিৰোনামা দি লেখা কথাখিনিয়ে যথোচিতভাৱে বিষয় দুটা ফুটাই তোলাৰ পৰিৱৰ্তে অসম, অসমীয়া মানুহ, ভাষা আৰু সংস্কৃতিৰ পৰা আনন্দৰাম দূৰৈত থকাৰ যুক্তিযুক্ততা প্ৰতিপন্ন কৰাতহে ড° শৰ্মা সফল হ'ল। অসমীয়া ভাষাৰ স্বতন্ত্ৰতা সম্পৰ্কে বঙ্গৰ ৰমেশচন্দ্ৰ দত্তই দিয়া অনুকূল মত উল্লেখ প্ৰসঙ্গত – 'I have known an educated young Assamese for many years......' এই শিক্ষিত অসমীয়া ডেকাজন দেখদেখকৈ ('obviously') আনন্দৰাম বুলি ড° শৰ্মাই উল্লেখ কৰিছে। আমাৰ বোধেৰে এই অসমীয়া ডেকাজন পিছলৈ ৰমেশচন্দ্ৰৰ জোঁৱায়েক হোৱা বলীনাৰায়ণ বৰাও হ'ব পাৰে। বিশ্বনাৰায়ণ শাস্ত্ৰীয়ে তেওঁৰ গ্ৰন্থত উল্লেখ কৰা এটা উদ্ধৃতিত দত্তই আনন্দৰামৰ বিষয়ে উল্লেখ কৰিছে '.....my learned friend Mr. Anundoram Barooah' বুলি। ৰমেশচন্দ্ৰ দত্তৰ কলমত বিশেষ্য বিশেষণ কেইটাৰ অমিল একেবাৰে তাৎপৰ্যহীন বুলি ভাবিব পাৰিনে ?

আনন্দৰামৰ গুণগ্ৰাহীসকলৰ মাজত এই কথা অবিদিত নহয় যে তেওঁৰ জীৱনতো Zest for life আৰু Zest for scholarship একেটা বিন্দুতে মিলি যোৱা নাছিল। ড° শৰ্মাৰ পিউৰিটান নৈতিকতাই বোধহয় আনন্দৰামৰ ব্যক্তিত্বৰ সকলো দিশ উন্মোচন কৰাত বাধা দিলে। ড° শৰ্মাই একেটা ক্ৰিয়াপদকে তেওঁ বুজাব বিচৰা ভিন ভিন অৰ্থত কৰা ব্যৱহাৰ, সহজে সন্তুষ্ট নোহোৱা পাঠকে হয়তো পছন্দ নকৰিব পাৰে। দুটামান ছপাশালৰ ভুলে গ্ৰন্থখনৰ অতি সুন্দৰ মুদ্ৰণ আৰু অলংকৰণ ম্লান কৰিব পৰা নাই যদিও এবিলাকে এতিয়াও এটা শুধৰণি পৃষ্ঠা সংযোজন কৰিব পাৰে।

সংস্কৃত ভাষা-সাহিত্যৰ সাধকৰূপে আনন্দৰামৰ তুলনা পাবলৈ বৰ বেছি ভাৰতীয় নাই। কে. এম. পানিক্কৰে ভাৰতৰ Age of Recovery বোলা যুগটোৰ আনন্দৰাম শ্ৰেষ্ঠতম অসমীয়া প্ৰতিনিধি। আনন্দৰামৰ সেই মহিমা আজিও সম্পূৰ্ণৰূপে প্ৰকাশ নোহোৱাত আনন্দৰাম এতিয়াও উপেক্ষিত। কেৱল দুটা উদাহৰণ দিলেই যথেষ্ট হ'ব। শ্ৰীনীৰদ চন্দ্ৰ চৌধুৰীয়ে লেখা ফেড্ৰিখ্ মেক্সমুলাৰৰ মনোৰম আৰু নিৰ্ভৰযোগ্য (বৃটিছ ঐতিহাসিক হিউগ ট্ৰেভৰ ৰোপাৰৰ মত) জীৱন বৃত্তান্তত যি কেইজন ভাৰতীয় সংস্কৃতজ্ঞই স্থান পাইছে, যেনে – ৰাধাকান্ত দেৱ, ৰাজেন্দ্ৰলাল মিত্ৰ, পণ্ডিতা ৰামা বাঈ আদি, তেওঁলোকৰ তুলনাত আনন্দৰামৰ কৃতি কোনো গুণেই হীন নহয়। অথচ গ্ৰন্থখনত আনন্দৰামৰ কোনো উল্লেখ নাই। সেইদৰে সাহিত্য একাডেমিয়ে যোৱা বছৰ (১৯৯১) প্ৰকাশ কৰা অধ্যাপক শিশিৰ কুমাৰ দাসৰ A History of Indian Literature (Vol. VIII, 1800-1910) গ্ৰন্থত আমাৰ দেশৰ ভাষা-সাহিত্য সাধক পোন্ধৰশৰো অধিক লোকৰ নাম অন্তৰ্ভুক্ত হৈছে। সংস্কৃত ভাষা-সাহিত্য চৰ্চাকাৰী বহু ব্যক্তিৰ নামো অৱশ্যেই ভাৰতীয় সাহিত্যৰ বুৰঞ্জীত অন্তৰ্ভুক্ত হৈছে। অথচ আঠশ পোন্ধৰ পৃষ্ঠাৰ সুবৃহৎ গ্ৰন্থখনত আনন্দৰাম বৰুৱাৰ নামটোৱে ঠাই নাপালে! (এই ত্ৰুটিয়ে গ্ৰন্থকাৰ হিচাবে অধ্যাপক শ্ৰীদাসৰ কৃতিত্বও খৰ্ব কৰিছে) সেইবাবেই ড° শৰ্মাৰ গ্ৰন্থখনত উনৈশ শতিকাৰ দ্বিতীয়াৰ্ধত ভাৰতীয় সংস্কৃতজ্ঞসকলৰ অধ্যয়ন আৰু অৱদানৰ এটি সংক্ষিপ্ত তুলনামূলক বিৱৰণ থাকিব লাগিছিল। তাতে প্ৰকাশ পালেহেঁতেন, আনন্দৰামৰ স্থান ক'ত। মৃতদেহ আগতলৈ আনন্দৰাম কৰা গৌৰৱ – অসম, বঙ্গ নে ভাৰতৰ, সেই বিতৰ্কৰ apocryphal গল্পত নহয়।

আমি আশা কৰোঁ বিষয় আৰু গ্ৰন্থকাৰৰ নিজ নিজ গুণতে গ্ৰন্থখন ৰাজ্যৰ বাহিৰে ভিতৰে সমাদৃত হ'ব। গুণা গুণজ্ঞেষু গুণা ভৱন্তি।

* * * * *



মোহনদাস কৰমচাঁদ গান্ধীয়ে 'মহাত্মা' ৰূপে আত্মপ্ৰকাশ কৰাৰ কেইবাবছৰৰো পূৰ্বেই বেজবৰুৱাই আমাক পৰিচয় কৰাই দিয়া 'মহাত্মা' আছিল মাত্ৰ এজন – আনন্দৰাম ঢেকিয়াল ফুকন। বেজবৰুৱাই তেওঁৰ অক্ষয় শব্দভাণ্ডাৰৰ পৰা সেইটি বিশেষণ হজুগতে বুটলি অনা নাছিল। আধুনিক অসমৰ জাতীয় স্বাৰ্থক সৰ্বপ্ৰথম সম্যকভাৱে হৃদয়ঙ্গম কৰি আৰু তাক সুৰক্ষিত কৰিবৰ বাবে অহোপুৰুষাৰ্থ কৰি ভৱিষ্যত সমৃদ্ধিৰ সপোন দেখা ঢেকিয়াল ফুকনৰ মহত্ত্ব বেজবৰুৱাই মৰ্মে মৰ্মে উপলব্ধি কৰিছিল।

ডেৰশ বছৰৰো আগতে সেইজন ঢেকিয়াল ফুকনে ৰচনা আৰু প্ৰকাশ (১৮৪৯) কৰা অসমীয়া লৰাৰ মিত্ৰ-ৰ পুনৰমুদ্ৰণ এবিলাক-ৰ অভিনন্দনীয় কাৰ্য। কেৱল পুনৰমুদ্ৰণ নহয়, – গ্ৰন্থসংস্কৃতিৰ আপুৰুগীয়া সম্পদ editio princeps – প্ৰথম সংস্কৰণৰ পুনৰমুদ্ৰণ। ঢেকিয়াল ফুকনৰ ৰচনা-সংগ্ৰহৰ সংকলক-সম্পাদক স্বৰ্গীয় নন্দ তালুকদাৰেও ভাবিছিল সেই সংস্কৰণটি কিজানি দেবতাৰো দুৰ্লভ, গতিকে সেই গ্ৰন্থৰ গুণাভিৰামৰ দ্বাৰা সম্পাদিতৰূপতে তেওঁ সন্তুষ্ট থাকিব লগা হৈছিল। পিছে, এদিন সেই দেবদুৰ্লভ ভাণ্ডাৰটি আৱিষ্কৃত হ'ল আৰু এক হ্ৰস্ব পৰিক্ৰমাৰ অন্তত সি পোহৰলৈ আহিল। বৰ্তমান সম্পাদক শ্ৰীভূঞাই সেই কাহিনী তেওঁৰ 'ভূমিকা'ত উল্লেখ কৰিছে। সেই 'ভূমিকা'তে ঢেকিয়াল ফুকনৰ যুগ, তেওঁৰ ৰচনা আৰু সাহিত্যৰ সন্দীপনমন্ত্ৰ সোমাই আছে। শ্ৰীভূঞাৰ 'ভূমিকা' পঢ়িলেহে ফুকনৰ ৰচনাৰ পূৰ্ণ ৰসাস্বাদন সম্ভৱ। গ্ৰন্থ-সম্পাদনা-নৈপুণ্যৰ বাবে শ্ৰীভূঞাৰ টুপিত আৰু এটি মহামূল্য পাখি !

আন এটি কথা, শ্ৰীভূঞাৰ ভূমিকা পঢ়িলে বুজিব পাৰি আমাৰ ভাষা-সাহিত্যৰ বুৰঞ্জীৰ ভালেমান কথা এতিয়াও উদ্ধাৰ হবলৈ বাকী। নগৈ গড়গাৱঁৰ বতৰা কোৱা বুৰঞ্জীবিদেও জানো কম আহুকালখন কৰে ?

অসমত অসমীয়া ভাষা পুনৰ্বসিন হোৱাৰ পিছতো ৰামেশ্বৰ সেন নামৰ হাইস্কুলৰ হেড্‌মাষ্টৰ এজনে অসম উপত্যকাৰ কমিশ্যনাৰ জি. গড্‌ফ্ৰেক অসমীয়া ভাষা বঙলা ভাষাৰ ৰূপান্তৰ বুলি মত প্ৰকাশ কৰা কথাৰ ভিত্তিতে 'অসমীয়া ভাষাৰ বিৰুদ্ধে এচাম বঙালীৰ ষড়যন্ত্ৰ চলিয়েই আছিল' বুলি শ্ৰীভূঞাৰ সিদ্ধান্তৰ লগত আমি একমত হ'ব পৰা নাই। ৰামেশ্বৰ সেন হয়তো এক অসংশোধনীয় ব্যক্তি-চানেকি, তেওঁৰ মতপ্ৰকাশক ষড়যন্ত্ৰ বুলিব নোৱাৰি, সি খুব বেছি সক্ৰিয় বৈৰিতা।

অসমীয়া লৰাৰ মিত্ৰ-ৰ মূলপাঠৰ গুণাগুণ সম্বন্ধে মতামত দিয়াৰ অৱকাশ নাই। সেইবোৰৰ সৰহখিনিয়েই ইংৰাজীৰ পৰা অনুবাদ বা মৰ্মানুবাদ। আনন্দৰামৰ কৃতিত্ব হ'ল তেওঁৰ বিষয়বস্তু নিৰ্বাচন। সূচীপত্ৰ চালেই ধৰিব পাৰি যে লেখকৰ মূল উদ্দেশ্য আছিল তিনিটা – (১) পৰিয়াল আৰু সমাজ জীৱনক এটা নৈতিক ভেটিৰ ওপৰত প্ৰতিষ্ঠা কৰা, (২) অসমীয়া মানুহক বাহিৰৰ পৰিৱৰ্তনশীল পৃথিবীখনৰ লগত পৰিচয় কৰাই দিয়া আৰু (৩) তেওঁলোকক বিদ্যা, শ্ৰম আৰু সময়ৰ মূল্যৰ বিষয়ে শিক্ষা দিয়া।

কাসিনাথ তামুলি ফুকন কৰ্ত্ৰিক ৰচিত ১৮৪৪ চনত প্ৰকাশিত আসাম বুৰন্‌জি পুথি আৰু অসমীয়া লৰাৰ মিত্ৰ প্ৰকাশৰ (১৮৪৯) ব্যৱধান মাত্ৰ পাঁচ বছৰৰ। অথচ ঢেকিয়াল ফুকনৰ গদ্যশৈলীৰ নতুনত্ব চকুতলগা। কথাগুৰুচৰিতৰ গদ্যৰ পিছত প্ৰায় জঠৰ হোৱা অসমীয়া গদ্যক ঢেকিয়াল ফুকনে এক নতুন গতি আৰু দিক্‌নিৰ্দেশনা দিলে। আনন্দৰামৰ লেখাৰ সৰ্বোত্তম গুণ হ'ল Urbanity.

ভাষা-সাহিত্য, ইতিহাস-সমাজতত্ত্ব অনুৰাগী সকলোলোকেই অসমীয়া লৰাৰ মিত্ৰ পঢ়ি বিশেষ তৃপ্তি পাব বুলি আমাৰ বিশ্বাস। সূ

পূৰবী প্ৰকাশনৰ পৰা

অসমৰ সংবাদ জগতত সংযোজন নতুন আৰু বৰ্ণাঢ্য সাপ্তাহিক

জনক্ৰান্তি

প্ৰতি দেওবাৰে

সকলো ধৰণৰ প্ৰবন্ধ-পাতি পঠোৱাৰ ঠিকনা-
সম্পাদক,
জনক্ৰান্তি
মনজেৰা হাউচ, মতিলাল নেহৰু পথ
পানবজাৰ, গুৱাহাটী- ১

(এজেন্সিৰ বাবে চাৰ্কুলেচন মেনেজাৰৰ লগত যোগাযোগ কৰক)

# আপুনিও ভাবক

মনোৰমা বৰুৱা

আজি কেইদিনমান আগতে উদ্‌যাপিত হ'ল অসমীয়া সংবাদ-পত্ৰৰ জন্ম-জয়ন্তী। নানান আলৈ আহুকাল উত্থান-পতনৰ মাজেৰে আহি সংবাদ-পত্ৰই ডেৰশ বছৰত ভৰি দিব পৰাটো সঁচাকৈয়ে আনন্দ আৰু গৌৰৱৰ কথা। অসমীয়া সংবাদ-পত্ৰৰ এই ডেৰশ বছৰীয়া পথ পৰিক্ৰমাৰ ইতিহাস অসমীয়া জাতিৰ বাবে বিশেষ তাৎপৰ্যপূৰ্ণ। আজি কিছু বছৰৰ আগলৈকে দেশৰ অন্যান্য ৰাজ্যসমূহৰ তুলনাত অসমীয়া সংবাদ-পত্ৰৰ সংখ্যা তেনেই নগণ্য আছিল। কিন্তু ক্ৰমাত অৱস্থাৰ পৰিবৰ্তন হবলৈ ধৰিলে। সত্তৰৰ দশকৰ শেষৰফালে এই দিশত যথেষ্ট পৰিবৰ্তন ঘটিল আৰু আশীৰ দশকত এই পৰিবৰ্তনে বৰ তীব্ৰ গতিবেগ ধাৰণ কৰিলে। য'ত এখন বা দুখন বাতৰি কাকত লৈ আমি হা-হুতাশ কৰি থাকিব লগা হৈছিল তাৰ ঠাইত প্ৰতি দিনে বা প্ৰতি নিশাতে একোখন নতুন সংবাদ-পত্ৰই জন্ম লবলৈ ধৰিলে।

ৰাতিপুৱাৰ দৈনিক কাকতখন হাতত ললেই আপুনি দেখিব এখন 'নিৰ্ভীক; নিৰপেক্ষ সংবাদ-পত্ৰৰ আত্মপ্ৰকাশৰ জাননী। ওপৰে ওপৰে চালে বিজ্ঞাপনটোৱে এটা সুখৰ অনুভূতিকে কঢ়িয়াই আনিব। আনিব মনলৈ এক নতুন প্ৰত্যাশা বা প্ৰতিশ্ৰুতি।

এটা জাতিৰ সভ্যতা, সংস্কৃতিৰ পৰিচয় দাঙি ধৰে সাহিত্য সংস্কৃতিয়ে; গতিকে সেইফালৰ পৰা চাবলৈ গলে এইদৰে সংবাদ-পত্ৰৰ সংখ্যা বৃদ্ধি বৰ সুখৰ কথা। কাগজ বেছি হোৱা মানে পঢ়ুৱৈ বৃদ্ধি পোৱা, পঢ়ুৱৈ বৃদ্ধি পোৱা মানে লেখক, সমালোচক বৃদ্ধি পোৱা। অৰ্থাৎ সমগ্ৰ বৌদ্ধিক বাতাবৰণটোতে নিয়মমতে এটা পৰিবৰ্তন হ'ব লাগে। একোখন সংবাদ-পত্ৰই মানুহৰ চিন্তা ভাবনাত নতুনত্ব আনিব লাগে। মানসিক উৎকৰ্ষ সাধন হ'ব লাগে। হোৱাটো উচিত। মানুহক এই দিশত আগবঢ়াই নিয়াটো সংবাদ-পত্ৰৰ এটা দায়িত্ব। কিন্তু দিনে ৰাতিয়ে জন্ম হোৱা অজস্ৰ কাকত আৰু আলোচনীয়ে সেইটো কৰিব পাৰিছে জানো ? বৌদ্ধিক জগতত এই সংবাদ-পত্ৰ সমূহৰ কিবা সুদূৰ প্ৰসাৰী প্ৰভাৱ পৰিছে বুলি ৰাইজে ভাবে নে ? সঁচা কথা কবলৈ গলে বৰ্তমান সংবাদ-পত্ৰই জনমানসত নিজৰ বিশ্বাসযোগ্যতা হেৰুৱাইছে। চৰিত্ৰ হেৰুৱাইছে। আৰু ইয়াৰ বাবে দায়ী সংবাদ-পত্ৰৰ প্ৰকাশক, সংবাদসেৱী আৰু কিছু পৰিমাণে ৰাইজ। একেদিনাৰ একেটা বাতৰি বিভিন্ন বাতৰি কাকতত প্ৰকাশ হয় বিভিন্ন ৰূপত বাতৰি কাকতখনৰ আৰু বাতৰি পৰিবেশক জনৰ ৰুচি আৰু স্বাৰ্থ অনুযায়ী। ফলস্বৰূপে বাতৰিকাকত সমূহৰ পঢ়ুৱৈসকল বিভ্ৰান্ত হৈছে। পথভ্ৰষ্ট হৈছে। পাঠক বা ৰাইজক এইদৰে ভুলপথে পৰিচালিত কৰাটো সমাজৰ বাবে ক্ষতিকাৰক। নিৰ্ভীক সুষ্ঠ সাংবাদিকতাৰ সলনি সস্তীয়া, মনোৰঞ্জনৰ আমোদজনক ঘটনাৰ অসুস্থ পৰিবেশনে মানুহৰ ৰুচিবোধ বিকৃত কৰিছে। ইয়াৰ দ্বাৰা ক্ষতিগ্ৰস্ত হৈছে উঠি অহা তৰুণচাম। আৰু সঁচাকৈয়ে এইটো দুৰ্ভাগ্যজনক। একোখন সংবাদ-পত্ৰ একোটা জাতিৰ চলন্ত এক সত্যাশ্ৰয়ী ইতিহাস হোৱা উচিত। হোৱা উচিত জনগণৰ বিশ্বাসযোগ্য যোগসূত্ৰৰ সুষ্ঠ মাধ্যম। কিন্তু আজিৰ বাতৰিকাকত সমূহৰ প্ৰায়বোৰেই এইবোৰ দিশ অৱহেলা কৰিছে। ফলত নতুন নতুন সংবাদ-পত্ৰই আমাৰ উপকাৰতকৈ অপকাৰ কৰাৰ সম্ভাৱনা অধিক হৈছে। সমাজ আৰু জাতিৰ ওপৰত বাতৰি কাকতৰ অসীম প্ৰভাৱ আছে। কিন্তু দুখেৰে লক্ষ্য কৰা হৈছে যে এই বৃত্তিৰ সৈতে ওত-প্ৰোতভাবে জড়িত ব্যক্তিসকলে তেওঁলোকৰ দায়বদ্ধতা পাহৰি যাবলৈ ধৰিছে। একোখন বাতৰি কাকতে জাতিৰ বৌদ্ধিক বিকাশৰ সলনি ইয়াক ব্যৱসায়ৰ মাধ্যম হিচাপে গ্ৰহণ কৰিছে। বিজ্ঞাপন সংগ্ৰহেই একমাত্ৰ লক্ষ্য হৈ পৰিছে। শিক্ষা, সাহিত্য সংস্কৃতিক ব্যৱসায়ৰ পণ্য হিচাপে গ্ৰহণ কৰাটো এক ক্ষমাহীন অপৰাধ। কোনখন ' কাকতে কিমান পঢ়ুৱৈ সংখ্যা বৃদ্ধি কৰিলে, লেখক বৃদ্ধি কৰিলে অন্যায়ৰ বিৰুদ্ধে জনজাগৰণ ঘটালে সেইবোৰ হোৱা উচিত বিচাৰ্য বিষয়। কোনে কিমান বিজ্ঞাপন পালে কোনে কিমান চৰকাৰী সুবিধা ল'ব পাৰিলে সেইটো মূলকথা হ'ব নেলাগে। ইয়াৰ দ্বাৰা মুষ্টিমেয় এচাম মানুহ লাভবান হ'ব। তাৰে মাজত এনে এচাম অসাধু ব্যৱসায়িক চৰিত্ৰৰ লোক থাকিব যাৰ অসমীয়া জাতি বা ভাষাৰ প্ৰতি কোনো দায়বদ্ধতা বা শ্ৰদ্ধা নাই। কিন্তু ইয়াৰ দ্বাৰা ক্ষতিগ্ৰস্ত হ'ব আমাৰ ৰাইজ। আমাৰ ভৱিষ্যত। সুষ্ঠ নিৰপেক্ষ বাতৰি পৰিবেশনৰ প্ৰতিশ্ৰুতি সকলোৱে দিয়ে কিন্তু সততাৰে পালন কৰিছে কোনে ? ৰাইজে সেইবোৰৰ প্ৰতিও সজাগ থাকিব লাগে। অসুস্থ, পক্ষপাতমূলক বাতৰিৰ প্ৰচাৰ বৃদ্ধি হোৱা যেন লগা নাইনে ? অথচ সংবাদ-পত্ৰ আৰু সংবাদসেৱীৰ আছে নিজস্ব ধৰ্ম। অতি মাৰ্জিত পৰিশীলিত কিছু নিয়মকানুন আছে। আছে দায়িত্ব। সংবাদসেৱী সকলৰ নিষ্ঠাৰ অভাৱ, পৰিশ্ৰম বিমুখিতা ইত্যাদিও সংবাদপত্ৰ একোখনৰ অশুভ লক্ষণ। সংবাদ-পত্ৰৰ সৈতে জড়িত প্ৰতিজন ব্যক্তিয়েই হ'ব লাগে সংযমী। থাকিব লাগে সত্য অন্বেষণৰ যোগ্যতা আৰু তাকে সৎভাবে প্ৰকাশ কৰাৰ সাহস। বাস্তৱ পৰিস্থিতিক সৰল সহজভাবে বিশ্লেষণ কৰাৰ মনোবৃত্তি। প্ৰতিজন সংবাদসেৱীয়ে প্ৰচুৰ অধ্যয়ন কৰা উচিত।

সংবাদ-পত্ৰৰ লক্ষ্য হ'ব লাগে জনগণৰ স্বাৰ্থৰক্ষাৰ দায়িত্ব লোৱাটো। সংবাদ-পত্ৰৰ স্বাধীনতা এইটো বিষয়ত যথেষ্ট বেছি। একোখন চৰকাৰ, একোটা শাসন যন্ত্ৰক নতি স্বীকাৰ কৰাব পাৰে একোখন সাহসী কাকতে, একোজন প্ৰতিবাদী সাহসী সাংবাদিকে। সেই কাৰণেই মাজে মাজে



'চেঞ্চৰচিপ্'ৰ দৰে আইন কৰি সংবাদ-পত্ৰৰ টেঁটু চেপিব খোজা হয়। কোনো ব্যক্তিবিশেষ বা ৰাজনীতিৰ মতাদৰ্শক ৰক্ষণাবেক্ষণ দিয়াটো সংবাদ-পত্ৰৰ দায়িত্ব নহয়। সংবাদ-পত্ৰৰ কণ্ঠ হোৱা উচিত সাহসী। নিজস্ব মতামত বা নীতিৰ ওচৰত শ্ৰদ্ধাশীল। কিন্তু অতি দুৰ্ভাগ্য আৰু পৰিতাপৰ বিষয় যে বৰ্তমান ইয়াৰ ওলোটা কথাবোৰ হে ঘটি থাকিব ধৰিছে।

একোখন কাকতে একোটা যুগৰ জন্ম দিয়ে একোটা জাতিৰ উত্তৰণত অৰিহণা যোগায়। কালজয়ী ইতিহাস সৃষ্টি কৰে। 'জোনাকীযুগ' 'আৱাহনযুগ' 'অৰুণোদয়যুগ' এইটোকে প্ৰমাণ কৰে কিন্তু বৰ্তমান সংবাদ-পত্ৰৰ এই মানসিকতা ক'ত ?

সংবাদ-পত্ৰ আৰু সংবাদসেৱী সহজ পণ্য হ'ব নেলাগে। যাৰে যেতিয়াই প্ৰয়োজন বা সামৰ্থ্য সংবাদসেৱীক কিনা-বেচা কৰিব নেলাগে। কিন্তু বেজাৰৰ কথা, বৰ্তমান সময়ত এনে প্ৰৱণতাই অধিক।

এইক্ষেত্ৰত ৰাইজে নিজ দায়িত্বৰ প্ৰতি উদাসীন হৈ থকাটোও অনুচিত। কাৰণ দেশ আৰু সমাজৰ প্ৰতি দায়িত্ব সকলোৰে সমান। কাৰো কম কাৰো বেছি নহয়। সংবাদ-পত্ৰৰ ওপৰত সকলো জাপি বহি থকাৰ কথা নহয়। জোৰ পুৰি হাত পোৱাৰ আগতে ৰাইজ সজাগ হ'ব লাগে। মুখৰ আগত কোনোবাই কিবা এটা সঁচাই মিছাই পৰিবেশন কৰিলে গো-গ্ৰাসে গিলিব লাগিব বুলি কথা নাই; কাৰো যদি কতো কোনো প্ৰতিবাদ নাই; অসন্তোষ নাই তেন্তে যাৰ যি মন যায় কৰিতো থাকিবই। সেয়েহে সময় থাকোতেই অপসংস্কৃতিৰ বাট ভেটা উচিত। সংবাদ-পত্ৰৰ সংখ্যা কমি যাওক কিন্তু গুণগত মূল্য বৃদ্ধি হওক। কিন্তু আপুনি মই সকলোৱে যদি নিৰ্বিকাৰ হৈ থাকো আমাৰ অপৰাধো কম নহ'ব। "এইখন মোৰ দেশ" 'এইটো মোৰ ভাষা' বুলি কোৱাৰ জন্মস্বত্ব অধিকাৰতে মাত্ৰ আত্মসন্তুষ্টি লাভ নকৰি ৰাইজে এই মাটিত জন্ম গ্ৰহণ কৰাৰ ঋণ পৰিশোধ কৰাৰ প্ৰতি অন্ততঃ কিছু দায়িত্ব লওক। প্ৰতিবাদ কৰক অন্যায়ৰ। প্ৰশংসা কৰক যোগ্যজনৰ যোগ্য কাৰ্যৰ। ৰাইজৰ আৱেগ, অনুভূতি আদৰ্শক মূলধন হিচাপে লৈ ব্যৱসায় কৰিবলৈ কোনোবাই বিচাৰিলে ৰাইজে মাত মাতক। কাৰণ এইখন মোৰ দেশ! আপোনাৰ দেশ। আমাৰ দেশ। ■



# অসমৰ সাহিত্যত শিশুৰ বঞ্চনা

এটি মুকলি চিন্তা

ভাৰতী বৰুৱা

শিশু সাহিত্যৰ ওপৰত প্ৰবন্ধটি লিখিবলৈ লওঁতেই থিতাতে মনলৈ আহিল তাহানি আমাৰ বালিকা কালৰ কথা। সেই সময়ত সাধু পুথি বুলিলে বুঢ়ী আইৰ সাধুৰ কথাই বুজিছিলো যদিও, স্বৰ্গীয় শ্ৰদ্ধেয় অতুল হাজৰিকা দেৱৰ গ্ৰীমৰ সাধু, এণ্ডাৰচনৰ সাধু আৰু নীলা চৰাই আদিয়েও মন মুহি থৈছিল। সেই সময়ত আমাক সততে মুগ্ধ কৰি থোৱা আন এখন শিশু পুথি হ'ল–হৰিপ্ৰসাদ বৰুৱাৰ 'মইনা'। মইনাৰ প্ৰতিটো সাধুৱে আমাক এখন অলৌকিক ৰহস্যময় জগতলৈ লৈ গৈছিল। ছাল চিগা ভিকহুৰ 'এতিয়া দে' বুলি কোৱা ছবি খনৰ কথা ৰাতি সপোনতো বাওনা ভিকহুৰ ভয়ত আইৰ বুকুৰ মাজত সোমোৱাও বাৰুকৈয়ে মনত আছে।

দোকান বজাৰত অসমীয়া শিশুপুথি তেতিয়া দুখ লগাকৈ কম আছিল; অথচ চুবুৰীয়া বংগদেশৰ শিশু সাহিত্য চহকী আছিল–তেতিয়াই এতিয়াৰ। দৰে কিতাপ কমিকেৰে তেতিয়াৰ দোকান বজাৰ ভৰি থকা নাছিল। মাহটোৰ একো একোটা বিশেষ দিনলৈ আমি তেতিয়া গভীৰ উৎকণ্ঠাৰে ৰৈ থাকো–সেই দিনকেইটাত আমাৰ ঘৰলৈ আহে চকু থৰ হৈ যাব খোজা দুখন বঙালী আলোচনী। শিশু সাথী আৰু শুকতাৰা। ঠাকুৰ মাৰ ঝুলিখনো তেতিয়া পাইছিলো; পিছে এইবোৰ কিতাপ আলোচনীৰ মৌ ৰস পান কৰাৰ পৰা আমি তেতিয়া বঞ্চিত আছিলো। ঘৰৰ ডাঙৰ সকলৰ ওচৰত জেউৰ ধৰিছিলো–সেইবোৰ সাধু কৈ শুনাবলৈ আৰু প্ৰবেশ কৰিছিলো ৰূপ কথাৰ অন্য এক অলৌকিক অথচ মনোময় ৰহস্যময় জগতত। ভাবি কষ্ট পাইছিলো–যি সময়ত বংগীয় শিশুসকল সাধু সাহিত্যৰ ক্ষেত্ৰত ইমান চহকী অথচ আমাৰ শিশু পুথি কিমান সীমিত! তেনেকুৱা সময়তে এদিন আয়ে হাতত তুলি দিলে–কেইখনমান তেনেই পুৰনি অসমীয়া আলোচনী : কাঁচিজোন আৰু ৰংঘৰ। তাৰপিছতে পালো গৌৰীকান্ত তালুকদাৰ সম্পাদিত : দীপক। তাকে গিলিলো গোগ্ৰাসে। ৰিণিকি ৰিণিকিকৈ মনত আছে–দীপক ছপা হোৱাৰ সময়ত উৎকণ্ঠিতহৈ আমি লাৱণ্য প্ৰেছৰ ককাৰ কোঠাত জুমা জুমি কৰি থকাৰ দৃশ্যটো।

অসমীয়া ভাষাৰ লগতে তেতিয়াই শিকি পেলালো বঙলা ভাষা–সাধু পুথি পঢ়াৰ লোভত। আৰু আহৰণ কৰিলো সেইবোৰ সুৱদী সাধুৰ সুধা। প্ৰবেশ কৰিলো সেই মনোৰম চিৰ ৰহস্যময় জগতখনত–যত বৰ আপোনভাবে শিশুৰে সৈতে কথা পাতে গছ-লতা, ফুল-ফলে, সুবিশাল নদী আৰু পশুপখীয়ে; যত সৰলমতি শিশুৱে হৃদয়ৰ সৰলতাৰে অকাতৰে বনৰ বিৰিখক সুধিব পাৰে : বৃক্ষ তুমি কাৰ ? সেইবোৰ ৰাজ্যৰ পখীয়ে বেহেলা বজাব পাৰে; নিজান দুপৰবেলা পদুম ফুলৰ আলফুল পাপৰিত উঠি অপেচৰী ছোৱালীয়ে নাও বাই বাই অচিন সুৰত গীত গায়, পখীৰাজ ঘোঁৰাত উঠি ৰাজকুমাৰ নিমিষতে দিক্‌চৌবন পায়গৈ। সপোনতে লগ পাওঁ–ৰোহঘৰত বিৰহ বিহবল কাতৰ সেই ৰাজতনয়; হাতত দীঘল এডাল চুলি–দুচকু বিষাদ সনা–চুলিৰ গৰাকী কোন ?

চকু চাট্ মাৰি ধৰা ৰংবিৰঙৰ ছবিৰে সাজোন কাচোন কৰি ঠিক তেতিয়াই আমাৰ আগত ধৰা দিলেহি এওঁৱচনে। ধৰা দিলে গ্ৰীম ভাতৃদ্বয়ে। খৰধৰকৈ শিকি পেলালো ইংৰাজীৰ প্ৰথম পাঠ। চকুৰ আগতে তাপলি পৰা চোলা পিন্ধি দিনৰ দিনটো চিঞৰিলাই বান্দীৰ বন কৰে। নিৰল পৰত তাকে ভাবি আমাৰ চকুৰ পিৰঠি গধুৰ হয়। তেজীমলাজনীৰ বাবে শেতেলিতো সৰাওঁ চকুলো। পিতকলি এবেগেতীয়াই মন পৰশে। চোতালৰ কাপোৰ মেলা ডোল ডালত কাউৰী এটা দেখিলেই মনত পৰে সুকুমাৰ ৰায়ৰ হযবৰলা। সমানে অভিভূত কৰিলে উপেন্দ্ৰ কিশোৰ আৰু এখুদ 'কাইদেৱে। এখুদ কাইদেউৰ শিয়লি পালেগৈ ৰতনপুৰ আৰু আখৰৰ জখলা মুখস্থ হৈ গ'ল। চকুৰ আগতে দেখা যেন পালো ভৰদুপৰীয়া কবিতা গোৱা ভাটৌটো। সেই যে মাখন? সেই মাখনৰ ভাটৌটোৱে গ্ৰীষ্মৰ ছাটি ফুটি গৰম দুপৰ বেলা শুৱলাকৈ গাই আছে অবিৰাম–'কেনেনো জোনাক নিশা চোৱাচোন ভাই, দেখিলেই দেহা মন জুৰ পৰি যায়।' এখুদ কাইদেউৰ কল্পনাৰ বৰটোকোলাই লোৱা জোলোঙাটো আৰু হাঁহৰ পিঠিত উঠি পুখুৰী পাৰ হোৱা সেই কুকুৰাটি দেখিলেই যেন চিনি পাম!

তাৰপিছতেই পালো স্বৰ্গীয় শ্ৰদ্ধেয় প্ৰেমধৰ দত্ত ককাইদেউৰ মন পৰশা সেই সাধু বোৰ। সুদীৰ্ঘকাল নৰীয়া পাটীত পৰি দুৰাৰোগ্য বেমাৰৰ সতে যুজঁ বাগৰ কৰিও তেখেতে শিশু আৰু কিশোৰ-কিশোৰীহঁতৰ বাবে লিখিলে অপূৰ্ব সাধু কথা, নাটক নক্স আদি। সাধুকথাৰ জনপ্ৰিয় বান্দৰ-শিয়াল দুটিকলৈ তাতে নতুনৰ বোল সানি তেখেতে ল'ৰাছোৱালীহঁতক উপহাৰ দি থৈ গ'ল অনুপম সাধুৰ সম্ভাৰ।

॥একেই দৈন্য॥

এইখিনি কথা পটভূমি হিচাপে এই কাৰণেই লিখিবলগীয়া হ'ল যে অসমীয়া শিশু সাহিত্য এতিয়াও প্ৰায় তাহানিৰ দৰেই হৈ আছে বুলিব পাৰি। আমাৰ ল'ৰা-ছোৱালীৰ বাবে শিশু পুথি কিনিবলৈ গলে এতিয়াও দোকানত দেখা পাওঁ তাহানিৰ দৰেই দৈন্য। সম্প্ৰতি সস্তীয়া ৰংচঙীয়া কিছুমান কিতাপ নাইবা কমিকেৰে বজাৰ ওপচি পৰিছে যদিও সিবিলাক ভুল ব্যাকৰণ, ভাষা আদিৰ অশুদ্ধ প্ৰয়োগ আৰু আসোঁৱাহেৰে ভৰা। তদুপৰি বৰ্তমান জ্ঞান বিজ্ঞানৰ যুগত শিশুহঁতৰ উপযোগীকৈ লিখা কিতাপ পত্ৰৰ অভাৱ। দুই এখন ওলাইছে যদিও সংখ্যাত নিশ্চয় সামান্য। বৰ্তমান সময়ত আমাৰ অকণিহঁতক ৰহস্য ৰোমাঞ্চ আৰু এড্ভেঞ্চাৰৰ সোৱাদ দিবলৈ যিবোৰ কিতাপ প্ৰকাশ পাইছে তাৰ বেছিভাগেই সস্তীয়া উপকৰণেৰে ভৰা। এইবোৰে কোনোমতেই শিশুৰ মানসিক উৎকৰ্ষ সাধিব নোৱাৰে। শিশু উপযোগী কিতাপ পত্ৰ যথেষ্ট সংখ্যক আমাৰ ভাষাত প্ৰকাশ পোৱা হ'লে বোধকৰো ভুল তথ্য সম্বলিত কমিক বা তেনে নিম্ন খাপৰ পুথি সমূহেৰে বজাৰ ভৰি নপৰিলহেঁতেন। উপায়বিহীন অভিভাৱক সকলে তেনে কিতাপ পত্ৰক কিনি আনি ল'ৰা ছোৱালীৰ হাতত দিবলৈ বাধ্য হৈছে। সামগ্ৰিকভাবে অৱস্থাটো বৰ হতাশজনক।

এই সমস্যাটো অন্য এটা দিশৰ পৰাও চাব পাৰি। অসমৰ সকলো ধৰণৰ সাহিত্য সৃষ্টিৰ এদনীয়া দায়িত্ব নগৰ অঞ্চলত থকা এচাম লেখকৰ ওপৰত। তেওঁলোকৰ সৰহ ভাগেই ডাঙৰৰ কাৰণে গল্প উপন্যাস আদি লেখাতে ব্যস্ত। তদুপৰি এওঁলোকৰ বহুতৰে নিজৰ ল'ৰা-ছোৱালী ইংৰাজী মাধ্যমত পঢ়ে–আৰু ইংৰাজী মাধ্যমৰ শিশুৰ বাবেতো কিতাপৰ অভাৱ নাই, গতিকে সেইসকল লেখকে এই সমস্যাটো অৰ্থাৎ শিশু সাহিত্য ৰচনা কৰাৰ কথাটো অনুভৱ নকৰে যেন লাগে। এতিয়া সমস্যাটো হ'ল অসমীয়া মাধ্যমত পঢ়া নাইবা গাওঁভুই অঞ্চলত থকা গৰিষ্ঠ সংখ্যক অকণিহঁতৰ। সাহিত্য সৃষ্টিৰ দায়িত্ব যি সকলৰ হাতত তেওঁলোক নিস্পৃহ হ'লে এইবোৰ শিশুৱে কাৰ পৰা কি আশা কৰিব? এনেকুৱা কথাইয়ো সংকটৰ পৰিধি বঢ়াইছে।

ভাৰতৰ অন্যান্য ভাষাত প্ৰকাশিত, দেখিলেই থপিয়াই লবৰ মন যোৱা শিশু আলোচনী বোৰ দেখিলে সঁচায়ে দুখ লাগে। আমাৰ শিশুহঁতৰ বাবে যেন কোনেও ভবা নাই। অত তত দুই এখন শিশু নাইবা কিশোৰ-কিশোৰীৰ আলোচনীয়ে মাজে মাজে ভুমুকি মাৰি আছে যদিও দুই এখনৰ বাহিৰে সেইবোৰ স্থায়ী হ'ব পৰা নাই। এইক্ষেত্ৰত কেৱল যোৰহাটৰ 'মৌচাক' নামৰ শিশু আলোচনী খনহে এতিয়া অকণিহঁতৰ আশাভৰসাৰ স্থল বুলি কব পাৰি।

আঠ/ন বছৰে নিয়মীয়াকৈ শান্তনু তামুলীৰ সম্পাদনাত প্ৰকাশ হোৱা এই মৌচাকে নিচেই কণ কণ শিশুৰ পৰা কিশোৰ কিশোৰী হঁতৰো মন মুহিছে।

॥ এই দায়িত্ব কাৰ ॥

অসমৰ বৰ্তমানৰ এই অৱস্থাত শিশু উপযোগী যথেষ্ট পৰিমাণৰ কিতাপ পত্ৰ প্ৰকাশৰ ওপৰত আমি গুৰুত্ব দিব লাগে। এই ক্ষেত্ৰত প্ৰধান দায়িত্ব লব লাগিব অসম সাহিত্য সভা আৰু প্ৰকাশন পৰিষদৰ দৰে চৰকাৰী পৃষ্ঠপোষকতাত চলা অনুষ্ঠানবোৰে। শিশু উপযোগী কিতাপ পত্ৰবোৰ যথাসম্ভৱ নিৰ্ভুল প্ৰয়োজনীয় তথ্যপাতি সম্বলিত আৰু আকৰ্ষণীয়কৈ প্ৰকাশ হ'লেহে আমাৰ উঠি অহা চাম উপকৃত হ'ব।

এই ক্ষেত্ৰত আমাৰ পুথি প্ৰকাশক সকল নিচেই নিস্পৃহ যেন লাগে। দুই এক প্ৰকাশকে অৱশ্যে এনেকৈয়ো কব খোজে যে–শিশু পুথি বুলিলেই জাকজমক বেটুপাত, পাতে পাতে ছবি আদিৰে প্ৰকাশ কৰোতে খৰচ যথেষ্ট পৰে যাৰ তুলনাত বিক্ৰী নিচেই তাকৰ।

এইখিনিতে আমাৰ ব্যক্তিগত কথা এষাৰ কওঁ ঃ যোৱা তেৰ/চৈধ্য বছৰে আমি নিজেও শিশু সাহিত্য চৰ্চাত একাণপতীয়াকৈ লাগি আছো; ভালেমান নাটক, নক্সা; সাধুপুথি আদিও যুগুতাই থৈছো কিন্তু এতিয়া প্ৰকাশকৰ অভাৱত সেইবোৰ থোৱা ঠাইতে মলঙি যায়হে লাগে। অথচ যি কেইখন প্ৰকাশ পাইছে সেইকেইখনৰ বিক্ৰী আৰু চাহিদা ভাল বুলিও জানো। ব্যক্তিগত ভাবে পুথি প্ৰকাশ কৰিব পাৰিলেও বিক্ৰী বিতৰণ আদিত আমি অপাৰগ।

এইক্ষেত্ৰত প্ৰকাশন পৰিষদৰ দৰে অনুষ্ঠানৰ দায়িত্ব সম্পৰ্কে দোহাৰিব খোজো। আমি জানিব পৰা মতে অসম চৰকাৰে সুকীয়াকৈ এটি শিশু ন্যাস খুলি তাৰ জৰিয়তে কিতাপ পত্ৰ প্ৰকাশ কৰাৰ ঘোষণা কৰিছিল। উদ্দেশ্যৰ ফালৰ পৰা এনে এটি সিদ্ধান্ত নিঃসন্দেহে মহৎ; কিন্তু ইয়াৰ কাম কাজৰ নমুনা আমি বিশেষ দেখিবলৈ পোৱা নাই। তথাপি এই কথা দোহাৰিব খোজো যে বৰ্তমানৰ এই হতাশজনক অৱস্থা এটাত চৰকাৰী অনুদানেৰে টনকিয়াল প্ৰকাশন পৰিষদ আৰু ইয়াৰ দ্বাৰা সৃষ্ট শিশু ন্যাসে বাটকটীয়াৰ ভূমিকা লব লাগিব। এই পৰিষদে শিশু পুথিৰ বাবে পুৰস্কাৰ ঘোষণা কৰাটো নিশ্চয় উৎসাহজনক; কিন্তু তাকেই যথেষ্ট কৰা বুলি ভাবি আত্মসন্তুষ্টি লাভ কৰিলে আমাৰ শিশু সাহিত্যৰ এই অন্ধকাৰ আঁতৰিবনে? এই কথা আমি আটায়ে মনত ৰখা ভাল যে–জাতি এটাৰ ভৱিষ্যতৰ গঢ় গতি নিৰ্ভৰ কৰে শিশুৰ উৎকৰ্ষ সাধনত। এইক্ষেত্ৰত অৱহেলাই আমাৰ সমগ্ৰ ভৱিষ্যতকে অন্ধকাৰৰ ফালে ঠেলি নিদিবনে?





# কৰ্ম-সংস্কৃতি

ৰসানন্দ অভাজন



অনমনীয় মনোভাৱ আৰু আদেশ অমান্য কৰাৰ অভিযোগত অফিচৰ পিয়ন ৰূপেন কলিতাক যিদিনা হঠাতে ডিৰেক্টৰে তাৰ বিৰুদ্ধে কিয় অনুশাসনমূলক ব্যৱস্থা লোৱা নহব বুলি 'শ্ব-কজ্ নোটিচ' জাৰি কৰি দিলে, সেইদিনা অফিচৰ সমূহ কৰ্মচাৰী আচৰিত হৈ গ'ল। মিছলীয়া, ফাঁকিবাজ বুলি ৰূপেনক সকলোৱে জানে। অৱশ্যে তাৰ তজ্বজীয়া স্বভাৱ, তৎপৰতাৰে কাম সম্পন্ন কৰা গুণ, চালাক-চতুৰ-বুদ্ধিমান, মন ভালে থাকিলে সকলোকে সহায় কৰা মনোভ্ৰব ইত্যাদিবোৰ ভাল গুণ আছে যদিও ডিৰেক্টৰে তাক নিলম্বিত কৰিব খোজা প্ৰক্ৰিয়াটোত সকলোৱে কম বেছি পৰিমাণে পেটে পেটে ভাল নোপোৱাকৈ নেথাকিল। কাৰণ কেতিয়াবা পিয়ন হিচাপে তাৰ সীমা চেৰাই যোৱা কাণ্ড-কাৰখানাই অশান্তিৰ সৃষ্টি কৰে। তাৰোপৰি তাৰ গাঁৱত সি হেনো অলপ নেতা ধৰণৰ মানুহ। কিবা কিবি দুই এটা অনুষ্ঠানৰ সম্পাদক নে সহকাৰী সম্পাদক। তাৰ বলতেই সি মাজে মাজে অফিচত দম্ভালি মৰা কথা কয়। সেইবোৰ বহুতে সহ্য কৰিব নোৱাৰে। আজি কিছুদিনৰ আগতে তাৰ গাঁৱত গঠন হোৱা মাছমৰীয়া সমবায়ৰ অনুষ্ঠানটোৰ ৰূপেন সম্পাদক হৈছে। তাৰপিছৰ পৰা যোৱা ২/৩ মাহৰ ভিতৰত তাৰ ফক্ফকনিত অফিচৰ মানুহবোৰৰ কাণ ঘোলা হোৱাৰ উপক্ৰম হৈছে।

ইতিমধ্যে ৰূপেনে এটা দোষণীয় কাম কৰি পেলালে। তাৰ মতে কিন্তু একো দোষ লগা কথা নহয়। এমাহমানৰ আগতে অফিচৰ চকিদাৰৰ সৰু ঘৰটোৰ বাৰাণ্ডাত টুল এখনত বহি অফিচৰ কামত অলপমান সুৰুঙা পালেই মাছ মৰা জাল এখন গুঠিবলৈ লাগি গৈছে। কেতিয়াবা এনেকুৱাও হৈছে যে ডিৰেক্টৰে বেল বজাই থাকিলেও তাৰ কাণত নোসোমায়। সি ইমানেই একাণপতীয়াকৈ জাল গুঠাত মগ্ন। এদিন বাকী তিনিটা পিয়ন নাই। ভালে ভাগে কামত গৈছে। একমাত্ৰ ৰূপেন আছে, জাল গুঠাত ব্যস্ত হৈ। তেনেতে ডিৰেক্টৰে বাৰে বাৰে বেল বজাই আছে। তাৰ আৱাজ তাৰ কাণত সোমোৱা নাই। অতীষ্ঠ হৈ ডিৰেক্টৰে চিঞৰি দিলে। বৰবাবু ৰূপেনৰ ওচৰ পাই তাক ভালকৈ খৰা দাবি এটা দিলে। তেতিয়া ৰূপেনে থৰকাচুতি হেৰুৱাই ডিৰেক্টৰৰ ওচৰ পালেগৈ। কেতিয়াও খং-ৰাগ প্ৰকাশ নকৰা নম্ৰ স্বভাৱৰ ডিৰেক্টৰে সেইদিনা খণ্ডত ৰূপেনক প্ৰচণ্ডভাৱে ধমকি দি ভৱিষ্যতৰ বাবে সতৰ্ক কৰি দিলে।

নিয়মমতে তাৰ পিছদিনাৰ পৰাই ৰূপেন সাৱধান হব লাগিছিল। কিন্তু

নহল। বৰং সি এনে এটা ধৃষ্টতা আৰু দুঃসাহস দেখুৱালে যে তাত সকলোৱে অবাক নৈহে নোৱাৰিলে। সি চকিদাৰৰ বাৰাণ্ডৰ পৰা তাৰ জাল গুঠা সা-সঁজুলি উঠাই আনি পিছদিনাই অফিচৰ ভিতৰত ডিৰেক্টৰৰ কোঠাৰ কাষত থকা সৰু বাৰাণ্ডাখনত জালখন তৰি টুল এখন পাৰি ল'লে। এতিয়া কোনো চিন্তা নাই। বেল বজাৰ লগে লগে তাৰ জাল গুঠা এৰি এক চেকেণ্ডত ডিৰেক্টৰৰ ৰুমত হাজিৰ হ'বগৈ পাৰিব। ৰূপেনৰ এই কৰ্মশালা তিনিদিনমান ডিৰেক্টৰৰ চকুত পৰা নাছিল। এদিন হঠাৎ চকুত পৰাত ডিৰেক্টৰে বিশেষ উচ্চবাচ্য নকৰি ভালেৰেই তাক তেনে কাম কৰিবলৈ মানা কৰি দিলে। এনেবোৰ বাহিৰা কাম অফিচৰ ভিতৰত সকলোৱেই দেখকৈ কৰিলে অফিচৰ অনুশাসন নাইকিয়া হৈ যাব, পাব্‌লিকে সমালোচনা কৰিব। বাতৰি কাকতৰ মানুহে পালেতো সৰ্বনাশ ঘটি যাব। ডিৰেক্টৰেহে চৰকাৰৰ ওচৰত জবাব দিব লাগিব। ডিৰেক্টৰৰ কথা শুনি সি শলাগিলে, একো নেমাতিলে। কিন্তু তাৰ পিছদিনাও একেই অৱস্থা। সেইদিনা ডিৰেক্টৰে কঠোৰ ভাৱে তাক ৱাৰ্ণিং দিলে আৰু আধা গুঠা জালখন তৎক্ষণাত উঠাই নিবলৈ আদেশ দিলে। কিন্তু ক'ৰপৰা সি ইমান গাফিলিতি আৰু মগৰামি কৰাৰ দুঃসাহস পালে কব নোৱাৰি। পিছদিনাও ৰূপেনে একেটা দৃশ্যৰ অৱতাৰণা কৰি তাত জালখন তৰি কৰ্মত ব্যস্ত হৈ পৰিল।

দেখি ডিৰেক্টৰে সেইদিনা মুখেৰে একো নক'লে। কিন্তু বৰবাবুক মতাই নি লগে লগে ৰূপেনৰ জবাব বিচাৰি এখন 'শ্ব-কজ্‌ নোটিচ দিলে। লগতে এইটোও লিখিলে অহা ৪৮ ঘণ্টাৰ ভিতৰত বিশ্বাসযোগ্য আৰু পতীয়মান হব পৰা উত্তৰ নেপালে তাক চাচ্‌পেণ্ড কৰা হব। ৰূপেন যে এইবাৰ নিলম্বিত হব এইটো খাটাং বুলি অফিচৰ ষ্টাফে কোৱা মেলা কৰিলে।

কিন্তু আচৰিত ধৰণে ৩৬ ঘণ্টাৰ ভিতৰতে ৰূপেনে লিখিতভাৱে তাৰ জবাব দাখিল কৰি দিলে আৰু তাৰ বক্তব্যখিনি এনেধৰণৰ নিজা যুক্তিৰে আৰু সুন্দৰ ভাষাৰে পেচ্‌ কৰিলে, দেখি ডিৰেক্টৰ চাহাবৰ চকু থিয় হৈ গ'ল। নিশ্চয় সেইখন কোনোবা পকা উকিলে লিখি দিছে। খুব সম্ভৱ ইয়াৰ আগতে এনেধৰণৰ জাল ফাতি যাব নোৱাৰা যুক্তিৰে দীঘলীয়া জবাব কোনো অধনস্ত চাকৰিয়ালে কেতিয়াও দিয়া নাছিল।

ৰূপেনৰ জবাব কেনেদৰে লিখা হৈছিল তাৰ হুবহু বৰ্ণনা দিয়াটো বাহুল্য হব। সেয়ে সাৰমৰ্ম আছিল এয়ে– কাৰ্যালয়ৰ ভিতৰত মাছ মাৰিবৰ কাৰণে জাল গুঠাটো দোষণীয় বুলি সি নেভাবে। কিয়নো কাৰ্যালয়ৰ তৃতীয় শ্ৰেণীৰ মহিলা কৰ্মচাৰীসকলে কাম নোহোৱা অৱস্থাত নিজ নিজ আসনত বহি যদি নিৰ্বিঘ্নে আৰু নিৰ্ভয়ে ছুৱেটাৰ বনাবৰ কাৰণে উল গুঠি থাকিব পাৰে, তেন্তে কাম নোহোৱা অৱস্থাত এজন চতুৰ্থ শ্ৰেণীৰ পুৰুষ কৰ্মচাৰীয়ে জাল গুঠিলে আপত্তিৰ কি কাৰণ থাকিব পাৰে, ৰূপেন কলিতাই বুজা নাই। দ্বিতীয়তে, মহিলাসকলে যি গুঠে সেয়া তেওঁলোকৰ গিৰিহঁত বা ল'ৰা বা আত্মীয় কুটুম্বই পিন্ধাৰ কাৰণে চুৱেটাৰ। কিন্তু চতুৰ্থ শ্ৰেণীৰ ৰূপেনে যি মাছমৰা জাল গুঠিছে তাৰ উদ্দেশ্য মহৎ আৰু ইয়াৰ লগত ৰাজহুৱা স্বাৰ্থ জড়িত হৈ আছে। তৃতীয়তে, আজি তিনিমাহৰ আগতে ফিচাৰী মন্ত্ৰী গাঁৱলৈ গৈ যথেষ্ট পয়োভৰেৰে মাছমৰীয়াসকলৰ এখন সমবায়ৰ শুভ উদ্বোধন কৰি ৰূপেন কলিতাক তাৰ সম্পাদক পাতিলে। তেনে এটা সমবায় অনুষ্ঠানত চৰকাৰী চাকৰিয়াল হ'লেও ৰূপেন কলিতাই অবৈতনিকভাৱে আৰু তাকো আজৰি পৰত সম্পাদক হিচাবে দায়িত্ব পালন কৰাত চৰকাৰৰ কোনো আপত্তি নাই বুলি জনাৰ পিছত সঞ্চালকে জাৰি কৰা ব্যাখ্যা-তলৱখন এফালৰ পৰা অপমানসূচক বুলি কব পাৰি। অনুশাসন ৰক্ষাৰ নামত চৰকাৰৰ প্ৰতিনিধি হিচাপে সঞ্চালকৰ সমবায় আন্দোলনৰ প্ৰতি আক্ৰোশমূলক দৃষ্টিভঙ্গী প্ৰকাশ পাইছে। চতুৰ্থতে, জালখন গুঠা হৈ গ'লে ৰূপেন কলিতাৰ জালে ব্ৰহ্মপুত্ৰ আৰু বিলবোৰত যিবোৰ মাছ ধৰিব, সেই সকলোবোৰ সমবায়ৰ যোগিদি বজাৰলৈ চালান হব আৰু তেনেকুৱা বহুত সমবায় জালত ধৰা লোকেল মাছে বজাৰত উভৈনদীভাৱে ওলোৱা অন্ধ্ৰপ্ৰদেশৰ চালানী মাছৰ লগত কৃতিত্বৰে ফেৰ মাৰিব পাৰিব। ডিৰেক্টৰে বুজা উচিত আছিল, ৰূপেন কলিতাই তাৰ জালখনেৰে যি মাছ ধৰিব, ভাল ভাল চাই তাৰে দুই এটা মাজে সময়ে ডিৰেক্টৰলৈ নিদিয়াকৈ নেথাকিলহেঁতেন। পঞ্চমতে, আজিকালি কৰ্মসংস্কৃতি বোলা শব্দটো বৰকৈ শুনা যায়। কিন্তু এনেধৰণৰ সমবায় মনোভাৱৰ ভিত্তিত ডিৰেক্টৰ আৰু কৰ্মচাৰীৰ মাজত এৰা ধৰা মানসিকতাইহে যে কৰ্মসংস্কৃতিৰ এনাজৰিডাল বেছি কটকটীয়া কৰিব, এই কথা আজিৰ যুগৰ চৰকাৰী কাৰ্যালয়ৰ মুৰব্বীসকলে হৃদয়ঙ্গম কৰা উচিত।

শেষত জবাব মোখ'নি মাৰি ৰূপেন কলিতাই লিখিলে– কাৰ্যালয়ৰ কাম চলি থকা অৱস্থাত কাৰ্যালয়ৰ ভিতৰত নিজ নিজ আসনত বহি মহিলা কৰ্মচাৰীসকলে ছুৱেটাৰ গুঠি থকা কাৰ্য যদি আপুনি বন্ধ কৰিব পাৰে, তেন্তে আপোনাৰ অনুগত এই অভাজনেও কাৰ্যালয়ৰ ভিতৰত জাল গুঠা কাৰ্যৰ পৰা নিজকে বিৰত ৰাখিব।

ৰূপেন কলিতাই দাখিল কৰা জবাবী কাগজখন পায়ে হঠাতে হেনো ডিৰেক্টৰে অফিচ এৰি গুচি গ'ল। পিছদিনা অফিচলৈ আহিল নে নাহিল সেইটো অৱশ্যে জনা নগ'ল।

ইয়াৰ পিছৰেপৰা নিয়মমতে অফিচত ৰূপেন কলিতাৰ প্ৰতাপ বাঢ়ি যাব লাগিছিল। কিন্তু আচৰিত ধৰণে ৰূপেন গহীন-গম্ভীৰ হৈ গ'ল। সি জানে, সি উত্তৰ হিচাবে যিখন কাগজ দাখিল কৰিছে, সেইখনকে ভিত্তি কৰি চৰকাৰে ইচ্ছা কৰিলে তাক তৎকালে নিলম্বিত কৰিব পাৰে। কিন্তু এইটোও সি জানে, এনে অকাট্য যুক্তিৰ পিছত তাক চাচ্‌পেণ্ড কৰিবলৈ ডিৰেক্টৰৰ সাহসে নুকুলায়। তেহেলৈ তাৰ জবাবৰ ভাষা যিমানেই অমাৰ্জিত, কটু আৰু ৰূঢ় নহওঁক। ৰূপেনে এইটোও জানে, মহিলাসকলৰ উলগুঠা কাৰ্যৰোধ কৰাৰ সাধ্য কাৰো নাই। গতিকে সিও নিৰ্বিঘ্নে ডিৰেক্টৰৰ ৰুমত কাষৰ বাৰাণ্ডাত বহি জাল গুঠি থাকিব পাৰিব। কিন্তু আচৰিত কথা যে ৰূপেনে সেই কামটো নকৰিলে। জবাব দাখিল কৰাৰ পিছদিনাই সি সেইখন আঁতৰাইহে পেলালে। একো কাম নেথাকিলে সি এতিয়া ভাল ল'ৰাটোৰ দৰে টুল এখনত বহি থাকে। কৰ্ম-সংস্কৃতি বৰ্ষটোত জাল আৰু উলৰ কাজিয়া লগাই অফিচৰ সুন্দৰ পৰিবেশটো নষ্ট কৰাত তাৰ কোনো অধিকাৰ নাই বুলি সি বুজিলে। চতুৰ্থ শ্ৰেণীৰ হ'লেও তাৰোতো দায়িত্ব আছে।





# চীনৰ বৈদেশিক নীতিৰ আমূল পৰিৱৰ্তন

যামিনী ফুকন

দেশ এখনে অনুসৰণ কৰা বৈদেশিক নীতিৰ প্ৰকৃত ভেটি হ'ল সেই দেশৰ ভৌগোলিক অৱস্থান। বিশ্বৰ অন্যতম সমৰ কৌশলী নেপোলিয়নৰ মতে এখন দেশৰ ভৌগোলিক অৱস্থানে সেই দেশৰ বৈদেশিক নীতি নিৰ্ধাৰণত আটাইতকৈ বেছি প্ৰভাৱ বিস্তাৰ কৰে। ('Nehru: A political Biography' By Michael Brecher : A bridged Edition P. 212)। চীনৰ বৈদেশিক নীতি আলোচনা কৰিবলৈ হ'লে সেই দেশৰ ভৌগোলিক অৱস্থানৰ কথা মনত ৰাখিব লাগিব। এই দেশৰ সীমাৰ দৈৰ্ঘ হ'ল ১২৪০০ মাইল। ইয়াৰ চাৰিসীমাত আছে ১২খন দেশ। দেশবোৰ হ'ল হংকং, ভিয়েটনাম, লাওছ, ব্ৰহ্মদেশ, ভাৰত, ভুটান, নেপাল পাকিস্থান, আফগানিস্থান, ছোভিয়েত ইউনিয়ন অৰ্থাৎ বৰ্তমান ৰাছিয়ান ফেডাৰেশ্যন, মংগোলিয়া আৰু উত্তৰ কোৰিয়া। এখন সাগৰৰ ব্যৱধানত আছে আন এখন শক্তিশালী ৰাষ্ট্ৰ জাপান। ফৰ্মোচা প্ৰাণালীৰ সিফালেই হ'ল টাৱাইন। ভৌগোলিক অৱস্থানৰ পিছতেই আহে দেশখনৰ আত্মস্বাৰ্থৰ কথা। কোনো এখন দেশৰ বৈদেশিক নীতি আলোচনা কৰিবলৈ যাওঁতে সদায় মনত ৰাখিব লাগিব ফৰাচী ৰাজনীতিজ্ঞ দি গলৰ সেই বিখ্যাত উক্তি : 'আন্তৰ্জাতিক ক্ষেত্ৰত কোনো চিৰস্থায়ী বন্ধু আৰু চিৰস্থায়ী শত্ৰু নাই, আছে মাথো চিৰস্থায়ী আত্মস্বাৰ্থ। দি গলৰ উক্ত উক্তি মনত ৰাখিও কব লাগিব যে নিজ দেশৰ বিভিন্ন অৱস্থাৰ সঘন পৰিৱৰ্তন আৰু সমসাময়িক বিশ্বৰ বিভিন্ন ঘটনাৱলীৰ মিলিত প্ৰক্ৰিয়াৰ স্বাভাৱিক ফলাফলৰ কাৰণে প্ৰতিখন দেশে নিজৰ বৈদেশিক নীতি আৰু তাৰ পৰিৱৰ্তন সাধন কৰি থাকিবলৈ বাধ্য। চীন তাৰ ব্যতিক্ৰম নহয়।

১৯৪৯ চনৰ ১ অক্টোবৰত মাও চে তুঙে চীন প্ৰজাতন্ত্ৰ প্ৰতিষ্ঠাৰ কথা ঘোষণা কৰিলে। ২ অক্তোবৰৰ দিনা ছোভিয়েত ৰাচিয়াই চীন প্ৰজাতন্ত্ৰক স্বীকৃতি দিয়ে। উল্লেখ কৰা ভাল যে ৰাছিয়া আৰু চীনৰ আভ্যন্তৰীণ অৱস্থা আৰু ব্যৱস্থা, ধৰ্ম আৰু জীৱন দৰ্শনৰ মাজত স্বাভাৱিকতেই আকাশ পাতাল পাৰ্থক্য আছিল। ৰুচ কমিউনিষ্ট দলৰ সাহায্য কমিউনিষ্ট দলৰ কাৰণে অতি অপৰিহাৰ্য আছিল যদিও নিজ দেশৰ বিশেষ অৱস্থাৰ পৰিপ্ৰেক্ষিতত চীনৰ কমিউনিষ্ট দলে কিছুমান নিজা নীতি, কিছুমান নিজা তত্ত্ব গ্ৰহণ কৰিব লগা হৈছিল। চীনৰ প্ৰতি সহানুভূতিশীল আন্না লুই ষ্ট্ৰং (Anna Louis Strong ) নামৰ আমেৰিকাৰ এগৰাকী বিশিষ্টা সাংবাদিকাই চীন ভ্ৰমণ কৰিছিল। ১৯৪৬ চনত দলৰ এজন উল্লেখযোগ্য নেতা লিউ চাও চিয়ে (Liu Shao Chi ) শ্ৰীমতী ষ্ট্ৰঙক কৈছিল 'মাও চে তুঙৰ দ্বাৰা সম্পাদিত এটা ডাঙৰ কাৰ্য হ'ল মাৰ্ক্সবাদৰ ইউৰোপীয় ঠাচ্‌ পৰিৱৰ্তন কৰি তাক এছিয়াৰ ঠাচত গঢ়ি তোলা। চীনৰ অৱস্থাৰ লগত দক্ষিণ এছিয়াৰ অন্য দেশৰ সামঞ্জস্য আছে। চীনে গ্ৰহণ কৰা পথে এই সকলোবোৰ দেশত প্ৰভাৱ পেলাব। ("The Thought of Mao Tse Tung" By Anna Louis strong) ষ্টেলিনে এই কিতাপখন ৰাছিয়াত প্ৰকাশ হ'বলৈ দিয়া নাছিল।

সাম্ৰাজ্যবাদী শক্তি হিচাপে আমেৰিকাই চীনৰ জনসাধাৰণক নানা ধৰণেৰে শোষণ আৰু দমন কৰি আহিছিল। আমেৰিকাই বিভিন্ন ধৰণে চীনক কৰা অপমান মাও চে তুঙৰ নিচিনা ৰাজহাড় পোন চীনা নেতৃবৃন্দই সহ্য কৰিব পৰা নাছিল। ১৯৪৬ চনৰ আগষ্ট মাহত শ্ৰীমতী ষ্ট্ৰঙে মাওৰ লগত এটা সাক্ষাৎ গ্ৰহণ কৰে। সেই সাক্ষাতত মাওৱে তেওঁৰ বিশ্ব বিখ্যাত "কাগজৰ বাঘ" তত্ত্বটো প্ৰকাশ কৰে। মাওৱে কৈছিল, 'আণৱিক বোমা হ'ল আমেৰিকাৰ প্ৰতিক্ৰিয়াশীল শক্তিয়ে মানুহক ভয় খুৱাবৰ কাৰণে ব্যৱহাৰ কৰা 'কাগজৰ বাঘ' (The Atom Bomb is a paper tiger which the U.S reactionaries use to scare people') আৰু 'আণৱিক বোমা ব্যাপক নৰহত্যাৰ অস্ত্ৰ হব পাৰে কিন্তু এখন যুদ্ধৰ পৰিণতি মানুহহে নিৰ্ণয় কৰে, নতুন ধৰণৰ এবিধ দুবিধ অস্ত্ৰই নহয়। (The atom bomb is a weapon of mass slaughter, but the outcome of a war is decided by the people not by one or two types of weapon— 'selected works of Mao Tse Tung'-vol. iv-P-100) আমেৰিকাই কৰা অপমানৰ কথা মনত ৰাখিয়েই ১৯৪৯ চনৰ ২১ ছেপ্তেম্বৰৰ পৰা ৩০ ছেপ্তেম্বৰলৈ বহা 'চাইনিজ পিপ'লছ্‌ প'লিটিকেল কনচালটেটিভৰ কনফাৰেন্স'ত মাওৱে জাতীয় গৌৰৱত শিহৰিত হৈ কৈছিল যে চীনাজাতি এতিয়া 'থিয়' (Stood Up) হৈছে আৰু ভৱিষ্যতে কেতিয়াও পুনৰ অপমানিত জাতি নহ'ব। ('Never agian be an insulted nation')উল্লেখ কৰিব পাৰি যে নানা আলৈ আহুকাল সত্ত্বেও চীন প্ৰজাতন্ত্ৰই আজি পৰ্যন্ত আন্তৰ্জাতিক ক্ষেত্ৰত বুকু ফিন্দাই আছে।

১৯৪৯ চনৰ ১৬ ডিচেম্বৰত মাও মস্কোত উপস্থিত হয়। ২২ ডিচেম্বৰত ষ্টেলিনৰ ৭০তম জন্মদিৱসৰ কাৰ্যাৱলীত অংশ গ্ৰহণ কৰে। ১৯৫০ চনৰ ১৭ ফেব্ৰুৱাৰীৰ দিনা মস্কো এৰাৰ আগে আগে মাওৱে ঘোষণা কৰিলে যে চীন আৰু ৰাছিয়াৰ বন্ধুত্ব হ'ল 'চিৰন্তন আৰু ধ্বংসাতীত (eternal and indestructible') কিন্তু ষ্টেলিনৰ মনত যেন সন্দেহ হৈছিল যে কমিউনিষ্ট দেশ হ'লেও চীনক নিয়ন্ত্ৰণত ৰখাটো ৰাছিয়াৰ পক্ষে সম্ভৱপৰ নহ'ব। (Mao Tse Tung' by s. schram-pelican publication পৃঃ ২৫৪)

চীনাসকলৰ মাজত এটা প্ৰৱাদ বাক্য আছেঃ এখন আকাশত দুটা সূৰ্য থাকিব নোৱাৰে' (There cannot be two Suns in the Sky') চীন প্ৰজাতন্ত্ৰৰ ৰাষ্ট্ৰপতি লিউ চাও চিয়ে ক'বলৈ ধৰিলে যে 'চীনত হোৱা বিপ্লৱটোৱেই .অনুন্নত দেশসমূহৰ উন্নতিৰ বাবে গ্ৰহণ কৰিব পৰা আদৰ্শ। 'The Struggle for the third World' By Biran Crozier' -পৃঃ ২৭) কিন্তু গোটেই পৃথিৱীয়ে বুজিছিল যে একে ধৰণৰ মতাদৰ্শত আৰু ৰাষ্ট্ৰ ব্যৱস্থাত বিশ্বাস কৰা চীন আৰু ৰাছিয়াই যেই কোনো আন্তৰ্জাতিক পৰিস্থিতিৰ এক গোট হিচাপে থিয় দিব। সাম্যবাদ আৰু পুঁজিবাদ উভয়ে পৰস্পৰ বিৰোধী মতবাদ হোৱা কাৰণে বিশ্বত নিজৰ মতবাদৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিবৰ কাৰণে সকলো ধৰণৰ পৰিস্থিতিৰ বাবে উভয় শিবিৰ সদা প্ৰস্তুত হৈ থাকিব লগা হ'ল।

১৯৫০ চনত উত্তৰ কোৰিয়াই দক্ষিণ কোৰিয়াক আক্ৰমণ কৰিলে। দক্ষিণ কোৰিয়াৰ সাহায্যাৰ্থে আগবাঢ়ি অহা আমেৰিকাই ১৯৫০ চনৰ ২৫ জুনত উত্তৰ কোৰিয়া আক্ৰমণ কৰিলে। এই সুযোগতে আমেৰিকাই চীন প্ৰজাতন্ত্ৰৰ আভ্যন্তৰত প্ৰৱেশ কৰিবহি বুলি চীনে বৰকৈ ভয় খাইছিল। কমিউনিষ্ট চীনে কমিউনিষ্ট কোৰিয়াক সহায় কৰিছিল। ১৯৫৩ চনৰ ২৭ জুলাইত উভয়পক্ষৰ মাজত যুদ্ধ বিৰতি ঘটিল। ১৯৫০ চনৰ ২৭ জুনৰ দিনা আমেৰিকাই ঘোষণা কৰিলে যে টাৱাইনক 'নিৰপেক্ষ' কৰি ৰখা হ'ব। চীনে বুজি পালে যে টাৱাইন দখল কৰিবলৈ গ'লেই আমেৰিকাৰ লগত চীনৰ যুদ্ধ হব আৰু চীনৰ বিৰুদ্ধে আমেৰিকাই টাৱাইনক ঘাটি হিচাপে ব্যৱহাৰ কৰিব।

১৯৫৪ চনৰ জেনেভা সম্মিলনত এই কথা স্পষ্ট হৈ পৰে যে এক বিশ্ব শক্তি হিচাপে চীনে আত্মপ্ৰকাশ কৰিব ধৰিছে। সেই স্মম্মিলনত ভাৰত আৰু চীনে এঁকে ধৰণৰ মত প্ৰকাশ কৰিছিল। ১৯৫৪ চনত ভাৰত আৰু চীনৰ মাজত 'পঞ্চশীল' নীতিৰ ভিত্তিত এক চুক্তি স্বাক্ষৰিত হয়। 'হিন্দী চীনি ভাই ভাই' ধ্বনিৰে ভাৰতবৰ্ষ খলকণি লাগিল। কিন্তু সেই খলকণিৰ মাজতে বৌদ্ধধৰ্মৰ গুৰু তিব্বতৰ দলৈ লামা আহি ১৯৫৯ চনত ভাৰতত উপস্থিত হ'ল। তেওঁ আহি বমডিলা পোৱাত কোনোবা এজন ভাৰতীয়ই দলৈ লামাৰ হাতত এখন টেলিগ্ৰাম দিলে ঃ

("My colleagues and I welcome you and send greetings on your safe arrival in India . We shall be happy to afford the necessary facilities to you, your family and entourage to reside in India. The people of India, who hold you in great veneration, will no doubt accord their traditional respect to your personage. Kind regards to you, Nehru" ) ( দলৈ লামাৰ আত্মজীৱনী 'Freedom in Exile'১৯৯১ চনৰ ভাৰতীয় সংস্কৰণৰ ১৫৮ পৃষ্ঠাত উদ্ধৃত ) দলৈ লামাৰ ভাৰতত আশ্ৰয় দিয়া কথাটোত চীন বৰকৈ ক্ষুদ্ধ হ'ল। ১৯৫৭ চনমানৰপৰা ভাৰত আৰু চীনৰ মাজত সীমা বিবাদ লৈ দুই চাৰিটা কেতেৰা আৰু কাণত হুলেৰে বিন্ধা যেন লগা শব্দবো ব্যৱহাৰ হৈ আছিল। ১৯৬২ চনত সেইলৈয়ে ভাৰত আৰু চীনৰ মাজত তীব্ৰ সংঘৰ্ষ হয়। হিমালয়ৰ ডাঠ বৰফৰ মাজত 'পঞ্চশীল' একে কোবত পোত খাই গ'ল। চীনৰ সন্মুখত ভাৰত কিমান নিশকতীয়া সেইটো দুখ লগাকৈ প্ৰমাণিত হল। বোমা বিধ্বস্ত ইংলেণ্ডৰ অৱস্থা দেখি ইংলেণ্ডৰ প্ৰধানমন্ত্ৰী ছাৰ্চিলে ১৯৪১ চনৰ নৱেম্বৰ মাহত কৈছিল 'I have never given any assurances of a speedy or cheap victory. on the contrary, as you know, I have never promised anything but the hardest conditions, great disappiontment and many mistakes. but I am sure that at the end all will be well for us in our island home, all will be better for the world and there will be that crown of honour to those who have endured---" ('Science and its background' By H. D. Anthony উক্ত কিতাপখনত উদ্ধৃত–পৃঃ–২৭১) কিন্তু ডাঙৰ ডাঙৰ শব্দৰে বিশ্ব জয় কৰা জৱাহৰলাল নেহৰুৱে চীনা সৈন্যই বমডিলা দখল কৰোতেই আৰু অসমত এটাও চীনা সৈন্যই প্ৰৱেশ কৰি গুলি এটা ফুটোৱাৰ আগতেই my heart goes with the people of Assam বুলি পাৰ্লামেণ্টত বিবৃতি দিলে। এনে বিবৃতি শুনি চীন নিশ্চয় উল্লাসিত হৈছিল। কৃষ্ণ মেননে পিছত নেহৰুৰ কথা লিখিছিলঃ 'I think he collapsed... it demoralized him completely because everything he had built up in his life was going...('India's China War' By Neville Manwell পৃঃ ৪৪২)। ভাৰতৰে এই অৱস্থা দেখি হিমালয়স্থ চীনৰ অন্যান্য চুবুৰীয়া দেশে ভাৰতৰ প্ৰতি থাউতি এৰি চীনৰ প্ৰতি প্ৰণিপাত কৰিবলৈ ধৰিলে। দুৰ্বলে দুৰ্বলৰ ওপৰত ভৰসা নকৰি সৱলৰ সেও হোৱাটো মানুহৰ স্বাভাৱিক নিয়ম। উল্লেখযোগ্য যে ভাৰতৰ যি অঞ্চল চীনে দখল কৰিলে, আজি পৰ্যন্ত সেই অঞ্চল চীনৰ দখলতে আছে। চীনৰ হাতৰ পৰা ভাৰতে এক ইঞ্চি মাটিও উদ্ধাৰ কৰিব নোৱাৰিলে। ইয়াকে বোলে, 'বলে নোৱৰা শিলক পৰি নমস্কাৰ।'

১৯৪৫ চনৰপৰা ১৯৫৩-৫৪ চন পৰ্যন্ত আমেৰিকা ইউৰোপত ব্যস্ত হৈ থাকিব লগা হৈছিল। ১৯৫৩-৫৪ চনৰ পৰা আমেৰিকাই এচিয়াৰ প্ৰতি পুনৰ দৃষ্টিপাত কৰে। ১৯৫৩ চনত চিয়াংকাইচেকক আমেৰিকাই দেখদেখকৈ সাহায্য কৰিবলৈ ধৰে। তেতিয়া টাৱাইনৰ 'নিৰপেক্ষ নীতি' কৰ্পূৰ বতাহত মিলি নোহোৱা হোৱাৰ দৰে অদৃশ্য হৈ গ'ল। চীনৰ সম্ভাৱ্য 'আক্ৰমণৰ" পৰা দক্ষিণ-পুব এচিয়াক ৰক্ষা কৰিবলৈ আমেৰিকাৰ উদ্যোগত ১৯৫৪ চনৰ ছেপ্তেম্বৰ মাহত মেনিলা চহৰত চিয়াটৈ (SEATO) সংগঠন কৰা হ'ল। ১৯৫৪ চনৰ ডিচেম্বৰ মাহত আমেৰিকা আৰু টাৱাইনৰ মাজত এখন চুক্তি হয়। চীনে এতিয়া বুজিলে যে চীনৰ যেই কোনো অঞ্চলত বাৰিষাৰ বৰষুণৰ দৰে বোমাৰ বৰষুণ হ'ব পাৰে।

১৯৪৫চনৰ ২১ জুলাইত জেনেভা চুক্তি স্বাক্ষৰিত হয়। সেই চুক্তি অনুসৰি ১৭ অক্ষাংশত (17th Paralled latitude) ভিয়েটনাম দুভাগত ভাগ হয়। অক্ষাংশৰ উত্তৰখণ্ড হ'ল উত্তৰ ভিয়েটনাম আৰু দক্ষিণাংশ হ'ল .দক্ষিণ ভিয়েটনাম। এই চুক্তি চহী হোৱাৰ ১৫ দিন আগতেই আমেৰিকাই দক্ষিণ ভিয়েটনামত প্ৰৱেশ কৰি নিগ ডিন ডিয়েমৰ (Ngo Dinh Diem) চৰকাৰ প্ৰতিষ্ঠা কৰে। দক্ষিণ ভিয়েটনাম হৈ পৰিল আমেৰিকাৰ এক উল্লেখযোগ্য ঘাটি। ভিয়েটনাম যুদ্ধত চীনে উত্তৰ ভিয়েটনামক স্বাভাৱিকতেই সহায় কৰিছিল।

১৯৫৮চনৰপৰা টাৱাইনত আমেৰিকাৰ সমৰ বিশেষজ্ঞসকলে অৱস্থান কৰিবলৈ ধৰিলে। এতিয়া এই কথা শৰতৰ আকাশৰ জোনৰ দৰেই স্পষ্ট হৈ পৰিল যে টাৱাইনৰ গাত হাত দিয়া মানেই আমেৰিকাৰ গাত হাত দিয়া। ১৯৬২চন পৰ্যন্ত চীনে টাৱাইন সমস্যা সমাধানৰ কাৰণে চেষ্টা কৰে।

১৯৫৪ চনৰ জেনেভা চুক্তিৰ পৰা আৰম্ভ কৰি ১৯৬১-৬২ চনৰ লাওছ সন্মিলন পৰ্যন্ত কোৰিয়া যুদ্ধৰ পিছত সৃষ্টি হোৱা সমস্যাসমূহৰ সমাধানৰ কাৰণে চীনে বিশেষ চেষ্টা কৰি 'আদান-প্ৰদান'ৰ দুৱাৰ মুকলি কৰে। এইমতে চীনে দৰ্শনাৰ্থীক চীন দৰ্শন কৰিবলৈ অনুমতি দিয়ে আৰু বেণ্টন বাণিজ্য মেলাৰ ব্যৱস্থা কৰে। এই সময়ছোৱাতেই ৰাছিয়াৰ কক্ষপথৰপৰা আঁতৰি চীনে স্বকীয় সত্ত্ব স্পষ্টভাৱে প্ৰকাশ কৰিবলৈ ধৰিলে।

চীন আৰু ৰাছিয়াৰ মতভেদ বা অৰিয়াঅৰিৰ কথা বুজিবলৈ পোৱাৰ আগতে এইখিনি কথা মনত ৰখাটো অতি প্ৰয়োজন যে আমেৰিকাৰ প্ৰতি ৰাছিয়াৰ বিৰোধিতাৰ তীব্ৰতা কমি আহে আৰু যি পৰিমাণে এই তীব্ৰতা কমি আহিছিল ঠিক সেই পৰিমাণে চীন আৰু আমেৰিকা আৰু ৰাছিয়াৰ মাজত বিৰোধৰ তীব্ৰতা বাঢ়ি আহিছিল।

১৯৫৩ চনৰ ৬ মাৰ্চত ৭৪ বছৰ বয়সত ষ্টেলিনৰ মৃত্যু হয়। ৰাছিয়াৰ নতুন নেতা ক্ৰুশ্চেভৰ নেতৃত্বত ৰাছিয়াই 'সংগ্ৰাম'ৰ পথ ত্যাগ কৰিবলৈ সিদ্ধান্ত কৰে। ক্ৰুশ্চেভৰ বিভিন্ন বিবৃতিৰ ভিত্তিত আমেৰিকাৰ 'ৰাছিয়াৰ লগত সহযোগিতা' ('co-operation with Russia') সম্ভৱপৰ হব পাৰে বুলি ঘোষণা কৰে। মাও আছিল ষ্টেলিনৰ মহান ভক্ত। ৰাছিয়াত ষ্টেলিনক মুৰ্দাবাদ কৰা কাৰ্য মাওৱে একোবাৰে সহ্য কৰিব পৰা নাছিল। ১৯৫৬ চনৰ ৫ এপ্ৰিলত ষ্টেলিনৰ সমৰ্থনত মাওৱে লিখা 'on the Historoial Experience of the Dictatorship of the proletariat বুলি লিখা প্ৰৱন্ধ এটা প্ৰকাশ পায়। মাওৰ এই সমালোচনাৰ উত্তৰত ৰাছিয়াই কৈছিল যে "ব্যক্তি পূজা"ৰ (personality cult) ওপৰত হোৱা আক্ৰমণ মাওৱে স্বাভাৱিকতেই সহ্য কৰিব নোৱাৰে কাৰণ মাওৰ প্ৰতি কাৰ্যতেই তাৰ লক্ষণ সুস্পষ্ট।

১৯৫৭ চনৰ নৱেম্বৰ মাহত মস্কোত বিশ্বৰ কমিউনিষ্ট দলসমূহৰ সভা এখন অনুষ্ঠিত হয়। এই উদ্দেশ্যেই ২য় বাৰৰ কাৰণে মাওৱে মস্কোত ভ্ৰমণ কৰে। ইয়াতেই ৰাছিয়াৰ পৰিবৰ্তিত নীতিক মাওৱে মুকলিকৈ সমালোচনা কৰে। এই সভাৰ পিছৰ পৰাই মাওৱে ৰাছিয়াৰ "সংশোধনবাদী" বুলি মুকলিকৈ সমালোচনা কৰে। ১৯৫৮ চনত মাও আৰু ক্ৰুশ্চেভৰ পুনৰ সাক্ষাৎ ঘটে। এই সাক্ষাতত চীনৰ সামৰিক গুৰুত্বপূৰ্ণ স্থানসমূহত ৰাছিয়াৰ সৈন্য ৰাখিব লাগে বুলি ৰাছিয়াই আগবঢ়োৱা প্ৰস্তাৱ চীনে একে আষাৰতে প্ৰত্যাখান কৰে। এই চনৰে ডিচেম্বৰ মাহত ক্ৰুশ্চেভে ৰাজহুৱাভাৱেই চীনৰ কমিউন ব্যৱস্থাকে ধৰি বহুতো নীতিৰ মুকলি সমালোচনা কৰাত মাও চে তুঙ খণ্ডত জ্বলি-পকি উঠিল। ১৯৫৯ চনৰ জানুৱাৰী মাহত ক্ৰুশ্চেভে চীনৰ আভ্যন্তৰীণ অৰ্থনৈতিক পৰিকল্পনাক তীব্ৰ সমালোচনা কৰে আৰু এই চনৰে ২০ জুনত ১৯৫৭ চনৰ শৰৎকালত হোৱা এছিয়া আৰু চীনৰ আণৱিক সাহায্য সম্পৰ্কীয় চুক্তিখন একপক্ষীয়ভাৱে ৰাছিয়াই বাতিল কৰি দিয়ে। "চীনামন"ৰ ("the Chinese mind) বিষয়ে বিশেষভাৱে অজ্ঞ হোৱা বাবেই ক্ৰুশ্চেভে একপক্ষীয়ভাৱে এই কাৰ্য কৰিছিল। ১৯৫৯ চনৰ ৯ চেপ্তেম্বৰত ছোভিয়েত ৰাষ্ট্ৰ নিয়ন্ত্ৰিত "টাছে" (TASS) চীনে ভাৰতৰ সীমা সংঘৰ্ষৰ বাতৰি এটা প্ৰকাশ কৰাত চীন ৰাছিয়াৰ ওপৰত খণ্ডত জ্বলা জুইত ঘিউ ঢলাৰ নিচিনা হয়। এই বাতৰিটো প্ৰকাশ হোৱা দিনৰপৰাই ৰাছিয়া আৰু চীনৰ মাজত মুকলি ভাৱে বিৰোধ হোৱা বুলি উভয়দেশে স্বীকাৰ কৰে। (Mao Tse Tung' by Sturat Schram, penguin Books, 1971 edition, p. 301)

১৯৫৯ চনত ক্ৰুশ্চেভে আমেৰিকা ভ্ৰমণ কৰি সেই চনৰে ৩০ চেপ্তেম্বৰত তেনেত পিকিঙত উপস্থিত হয়। সেই দিনাৰ ভোজসভাত 'পুঁজিবাদী ব্যৱস্থাৰ দৃঢ়তা শক্তিৰদ্বাৰা পৰীক্ষা' ('test by force the stability of the Capitalist system') কৰিব খোজা লোকসকলক ক্ৰুশ্চেভে কঠোৰ সমালোচনা কৰে। চীনে টাৱাইনৰ সুকীয়া অস্তিত্বক স্বীকৃতি দিবলৈ ৰাছিয়াই চীনক উপদেশ দিয়ে। এই সময়ৰ পৰাই উভয়দেশৰ মাজত বিৰোধ প্ৰৱল আৰু খোলাখুলিভাৱে হ'বলৈ ধৰে।

১৯৬০ চনৰ জুন মাহত ৰুমানিয়া কমিউনিষ্ট দলৰ অধিবেশন বহিছিল। ক্ৰুশ্চেভে এই অধিবেশনত কয় যে "উন্মাদ" চীনাসকলে আণৱিক যুদ্ধ আৰম্ভ কৰিছে আৰু ভাৰতৰ লগত সংঘৰ্ষ আৰম্ভ কৰি নিজকে "সম্পূৰ্ণ জাতীয়তাবাদী" ("pure nationalists") হিচাপে পৰিচয় দিছে। ভৱিষ্যতৰ আন্তৰ্জাতিক সম্পৰ্ক ৰাছিয়া আৰু আমেৰিকাৰ সম্পৰ্কৰ ওপৰত ভিত্তি কৰিহে নিৰ্ণীত হ'ব বুলি ক্ৰুশ্চেভে মত প্ৰকাশ কৰে। এই সন্মিলনত উপস্থিত থকা আলবেনিয়াৰ দলক বাদ দি সকলো দেশৰ কমিউনিষ্ট দলে ক্ৰুশ্চেভৰ দৰেই চীনক তীব্ৰ ভাষাত আক্ৰমণ কৰিলে। এই চনৰে জুলাই মাহত ৰাছিয়াই কোনো সাৱধান বাণী আগতীয়াকৈ নজনাই ১৩৯০ জন ছোভিয়েট বিশেষজ্ঞ হঠাতে চীনৰ পৰা লৈ গ'ল আৰু ৩৪৩খন সাধাৰণ চুক্তি আৰু ২৫৭খন কাৰিকৰী চুক্তি একপক্ষীয়ভাৱে বাতিল কৰে। ৰাছিয়াৰ এই কাৰ্যত চীনে ঠিক কৰিলে যে নিজৰ সামৰ্থৰে নিজৰ দেশ গঢ়ি তুলিব লাগিব।

১৯৬০ চনৰ ডিচেম্বৰ মাহত মস্কোত বিশ্বৰ ৮১টা কমিউনিষ্টদলৰ এখন সভা বহে। তাতেই চীন আৰু ৰাছিয়াৰ আদৰ্শগত বিভাজনৰ ওৰ পেলাবলৈ সৰ্বসন্মতিক্ৰমে প্ৰস্তাৱ এটা লোৱা হয়। প্ৰস্তাৱ। প্ৰস্তাৱ হৈয়ে থাকিল। ১৯৬২ চনৰ আগষ্ট মাহত ৰাছিয়াই ভাৰতৰ 'মিগ' বিমানৰ যোগান ধৰিম বুলি ঘোষণা কৰাত চীন একেবাৰে জকি উঠে আৰু ৰাছিয়াৰ হতবুদ্ধি আৰু নেহৰুক অপমানিত কৰিবৰ কাৰণে সেই চনৰ অক্টোবৰ মাহৰপৰা ভাৰত-চীন সীমান্ত বিবাদ তীব্ৰতৰ কৰি তোলে। কিউবাৰ সংকটত ৰাছিয়াৰ ভূমিকা দেখি মাও একেবাৰে হতাশ হ'ল। ১৯৬৩ চনৰ ৫ আগষ্টত মস্কোত আণৱিক পৰীক্ষা বন্ধ সম্পৰ্কত এখন চুক্তি ইংলেণ্ড, আমেৰিকা আৰু ৰাছিয়াই চহী কৰে। চীনে ইয়াত চহী কৰিবলৈ মান্তি নহ'ল। ইতিমধ্যে চীনৰ মাৰ্কিন সাম্ৰাজ্যবাদ বিৰোধী নীতি উত্তৰ কোৰিয়া, উত্তৰ ভিয়েটনাম, জাপান আৰু ইন্দোনেচিয়া, ব্ৰহ্মদেশ, থাইলেণ্ড আৰু মালয়ৰ কমিউনিষ্ট দেশসমূহে সমৰ্থন কৰাত এচিয়াত চীনৰ আধিপত্য বাঢ়িল।

১৯৬৩ চনৰ ৭ জানুৱাৰীৰ "প্ৰাভদা"ত (pravda) (ৰাছিয়াৰ কমিউনিষ্ট দলৰ মুখপত্ৰ) পোন প্ৰথমবাৰৰ বাবে চীনক "বাওঁপন্থী অন্ধবিশ্বাসী" বুলি গালি গালাজ পৰা হ'ল। পৃথিৱীৰ মহাপৰাক্ৰমী আৰু দুই বৃহৎ শক্তি আমেৰিকা আৰু ৰাছিয়া চীনৰ শত্ৰু যে হ'ল সেই কথাত ভয়

খোৱা দূৰৰ কথা বৰং এই কথাত মাও উল্লাসিত হ'ল। এই সময়ত মাওৱে এটা কবিতা লিখিছিল।

"—only the hero dares pursue the tiger still less dose any brave fellow fear the bear"

(Tiger মানে "কাগজৰ বাঘ" আমেৰিকা আৰু তাতোকৈ কম ভয়ৰ কাৰণ হ'ল "ভালুক" অৰ্থাৎ ৰাছিয়া)

১৯৫৮ চনটো আন্তৰ্জাতিক ৰাজনীতিৰ কাৰণে এটা উল্লেখযোগ্য বছৰ আছিল। ৰাজনীতিৰ ক্ষেত্ৰত চীন, আমেৰিকা আৰু ৰাছিয়া লৈ এটা ত্ৰিভুজ গঠন হৈছিল আৰু ত্ৰিভুজটোত আৰম্ভ হ'ল ৰাছিয়া আৰু আমেৰিকাৰ পৰস্পৰৰ আকৰ্ষণ আৰু উভয়ৰে চীনৰ প্ৰতি তীব্ৰ বিকৰ্ষণ। প্ৰবল আত্মসন্মানবোধ সম্পন্ন মাওৰ নেতৃত্বাধীন চীন যেই কোনো পৰিস্থিতিৰ কাৰণে সাজু হ'ল।

১৯৬৩-৬৪ চনত ভিয়েটনাম যুদ্ধত আমেৰিকা সম্পূৰ্ণ ভাৱে জড়িত হ'ল। ১৯৬৩ চনত মস্কো আৰু বাছিংটনৰ মাজত এটা 'হট লাইন' প্ৰতিষ্ঠা হয়। ১৯৬৪ চনৰ পৰা ভিয়েটনাম যুদ্ধই তীব্ৰ আকাৰ ধাৰণ কৰে। এই সময়তে উল্লেখযোগ্য আলোচনীত প্ৰৱন্ধ প্ৰকাশ হৈছিল যে আমেৰিকা আৰু ৰাছিয়া উভয়ে চীনৰ আক্ৰমণ কৰি দুয়োদলে চীনক 'ভাগ' কৰি লব। (China in the year 2001'—By Hansuyin P ২৯৬)

১৯৬৪ চনৰ ১৬ অক্টোবৰৰ দিনা চীনে ঘোষণা কৰে সেই দেশৰ আণৱিক অস্ত্ৰৰ সফল পৰীক্ষাৰ কথা। কোনো পশ্চিমীয়া শক্তিৰ পৰা সহায় নোলোৱাকৈ চীন মাৰাত্মক আণৱিক অস্ত্ৰৰ অধিকাৰী হ'ল আৰু পৃথিৱীৰ যেই কোনো দেশত প্ৰয়োগ কৰিব পৰাকৈ ক্ষেপণাস্ত্ৰ উদ্ভাৱন কৰাত সফল হ'ল। নিজৰ শ্ৰেষ্ঠত্বৰ ভেমত ওফন্দি থকা আমেৰিকা আৰু ৰাছিয়াৰ কাৰণে ই আছিল এক মৰ্মান্তিক আঘাত।

আণৱিক অস্ত্ৰৰ গৰাকী হিচাপে চীনৰ প্ৰতিপত্তি বেলেগ হ'ল আৰু ৰাছিয়া আৰু আমেৰিকাই নিজ নিজ দেশৰ পৰৰাষ্ট্ৰ নীতি নতুনকৈ বিন্যাস কৰিবলৈ বাধ্য হ'ল। দুয়ো দেশে সন্ত্ৰস্ত দৃষ্টিৰে চীনক চাবলৈ ধৰিলে। ভাৰত ভয়ত পেপুৱা লাগিল।

১৯৬৯ চনৰ পৰা চীন আৰু ৰাছিয়াৰ সম্পৰ্কই অৱণতিৰ নিম্নতম বিন্দু চুইছিলগৈ। সীমা সম্পৰ্কীয় নীতিত চীনৰ 'দৃঢ়তা' আছিল। পূৰ্বৰ চুক্তিসমূহ অনুযায়ী যদি অন্য কোনো দেশৰ অঞ্চল চীনে পাইছিল তেন্তে সেই চুক্তিসমূহ ঠিকেই আছে আৰু যদি কেনেবাকৈ সেই চুক্তিসমূহৰ ফলত চীনে কোনো অঞ্চল অন্য দেশক এৰি দিব লগা হৈছে তেন্তে সেই চুক্তিবোৰ হ'ল 'সাম্ৰাজ্যবাদীৰ চক্ৰান্ত' আৰু চীনে এতিয়া সেইবোৰ মানি লব নোখোজে। আজি পৰ্যন্ত চীনৰ সেই নীতিৰ পৰিৱৰ্তন ঘটা নাই।

১৯৬৯চনৰ ২ মাৰ্চত সীমাৰ প্ৰশ্নত উছুৰি (Ussuri) নদীৰ উভয় পাৰৰ পৰা চীন আৰু ৰাছিয়া উভয়পক্ষই গুলিচালনা কৰিলে। ১৯৬৯ চনৰ ৮ জুলাইত আমুৰ নদীৰ বাছা দ্বীপত (Bacha Island) উভয়দেশৰ সৈন্যৰ মাজত এটা উচ্চ পৰ্যায়ৰ সংঘৰ্ষ হয়। ঘটনাৰ গতি দেখি চীনৰ সীমান্তত ৰাছিয়াই ৫০ ডিভিজন অতি শক্তিশালী সৈন্যৰ সমাবেশ কৰি ৰাখিলে। পিৰিঙে এতিয়া প্ৰশান্ত মহাসাগৰৰ সিফালে থকা 'সাম্ৰাজ্যবাদীবোৰতকৈয়ো সীমান্তৰ উত্তৰত থকা 'সমাজবাদীসকলৰ'পৰাহে সন্ত্ৰস্ত হ'ব লগা হ'ল। চীন আৰু ৰাছিয়া উভয় দেশে উভয় দেশকে শত্ৰু বুলি গণ্য কৰা হ'ল। অৱশ্যে ৰাছিয়াৰ ৰাজনৈতিক মঞ্চত গৰ্বাচভৰ আগমণৰ লগে লগে চীন আৰু ৰাছিয়াৰ সম্পৰ্কৰ উন্নতি পৰিলক্ষিত হৈছিল।

'সাম্যবাদী চীন' আৰু পুঁজিবাদী সাম্ৰাজ্যবাদী আমেৰিকা' বন্ধুত্বৰ ডোলেৰে যে এদিন বান্ধ খাই পৰিব পাৰে সেই কথা এসময়ত সাম্ৰাজ্যবাদত বিশ্বাস কৰা নকৰা আৰু পুঁজিবাদত বিশ্বাস কৰা নকৰা সকলোৰে কাৰণে কল্পনাৰ অগোচৰ আছিল।

১৯৬৭ চন মানৰ পৰাই আমেৰিকাই অনুভৱ কৰিলে যে এছিয়া আফ্ৰিকাত তেওঁলোকে ভুল নীতি অনুসৰণ কৰি আছে আৰু বিলিয়নৰ পিছত বিলিয়ন ডলাৰ অনৰ্থক খৰচ কৰি কেৱল আমেৰিকাৰ মতবাদৰ বিৰোধী মানুহৰ সংখ্যা দ্ৰুত হাৰত বৃদ্ধি কৰিছে। এই কৰুণ উপলব্ধিৰ ফলশ্ৰুতিয়ে হ'ল চীনৰ প্ৰতি আমেৰিকাৰ সদয়ভাৱ উদয় হোৱাৰ কাৰণ। বিশ্বৰ এক পঞ্চমাংশ মানুহ একেলগে থকা এখন দেশৰ কোনেও চিৰকালৰ কাৰণে শত্ৰুতা কৰি থাকিব নোৱাৰে। আমেৰিকাই ভিয়েটনামকে ধৰি এচিয়াৰ বহুতো ঘাটিৰ পৰা টালি-টোপোলা বান্ধি আঁতৰি যোৱাত আমেৰিকাৰ প্ৰতি চীনৰ বিদ্বেষভাৱ কমিবলৈ ধৰিলে। ১৯৬৮ চন মানৰ পৰাই চীনৰ ভিতৰতো গুৰুতৰ পৰিবৰ্তন ঘটিবলৈ ধৰিলে। প্ৰযুক্তিবিদ্যাত উন্নত বৃহৎ শক্তি এটাৰ লগত বন্ধুত্ব কৰাটো চীনৰ কাৰণে এই সময়ত অপৰিহাৰ্য আছিল। ইফালে ৰাছিয়াৰ লগতো চীনৰ সম্পৰ্ক একেবাৰেই বেয়া হ'ল। সাতে-পাঁচে মিলি আন্তৰ্জাতিক ৰাজনীতিৰ ত্ৰিভুজটোত আকৌ পৰিবৰ্তনে দেখা দিলে। উভয় দেশৰ বৈদেশিক নীতিত ওলোটা খৰ মৰা আৰম্ভ হ'ল।

আমেৰিকাৰ ফালৰ পৰাই বন্ধুত্বৰ হাত প্ৰথমে আগবঢ়োৱা হ'ল। ১৯৬৯ চনৰ ২১ জুলাইত চীনৰ লগত বাণিজ্য সম্পৰ্কত যিবোৰ বাধা নিষেধ আছিল সেইবোৰ ঢিলাই দিয়া হৈছে বুলি আমেৰিকাই ঘোষণা কৰিলে। 'ঘোৰ শত্ৰু'ৰ পৰা 'নতুন মিতিৰলৈ ৰূপান্তৰিত হোৱা চীনে এই অৰ্ঘ্য দুয়ো হাতেৰে গ্ৰহণ কৰিলে। ১৯৭১ চনৰ ১৫ মাৰ্চত আমেৰিকাই চীন ভ্ৰমণ সম্পৰ্কত যিবোৰ বাধা নিষেধ আৰোপ কৰিছিল সেইবোৰ একেবাৰে উঠাই দিলে। ১৯৭১ চনৰ ১০-১৭ এপ্ৰিলত আমেৰিকাৰ টেবল টেনিছৰ দল এটাই চীন ভ্ৰমণ কৰে। ১৪ এপ্ৰিলৰ দিনা সেই দলটোৰ আগত চীনৰ প্ৰধানমন্ত্ৰী চৌ এন লাইয়ে ক'লে "আপোনালোকৰ বৰ্তমানৰ এই ভ্ৰমণ দুয়োখন দেশৰ জনসাধাৰণৰ মাজত বন্ধুত্বপূৰ্ণ আদান প্ৰদানৰ বাবে দুৱাৰখন মুকলি কৰি দিলে।"

দুৱাৰখন সঁচাকৈয়ে একেবাৰে মুকলি হ'ল। ১৯৭১ চনৰ ৯-১১ জুলাইত চৌ এন লায়ে আৰু ডঃ হেনৰীয়ে কিছিংগাৰ পিকিঙত মিলিত হ'ল। চৌ এন লাইয়ে আমেৰিকাৰ ৰাষ্ট্ৰপতি নিক্সনক চীন ভ্ৰমণ কৰিবলৈ নিমন্ত্ৰণ জনালে। ১৯৭২ চনৰ ২১-২৮ ফেব্ৰুৱাৰীৰ ভিতৰত আমেৰিকাৰ ৰাষ্ট্ৰপতি নিক্সনে চীন ভ্ৰমণ কৰিলে। ১৯৭২ চনৰ পৰা দুয়োখন দেশৰ মাজত বাণিজ্যিক সম্পৰ্ক প্ৰতিষ্ঠা হৈ নানা ব্যৱসায়ৰ আদান প্ৰদান বাৰিষাৰ নদীৰ কোৱাল সোঁতৰ দৰে আগবাঢ়িবলৈ ধৰিলে। নিক্সনৰ ভ্ৰমণত চীনে সন্তুষ্টিৰ হাঁহি মাৰিলে কাৰণ আমেৰিকাইহে প্ৰথমে চীনলৈ সেও ভাৱত আহিছে, চীন আমেৰিকালৈ যোৱা নাই। গড়গক্ৰা মিতিৰ হেন আমেৰিকাৰ এই ভাও দেখি টাৱাইন হ'ল অতি সন্ত্ৰস্ত আৰু থাইলেণ্ড হ'ল অতি সন্তুষ্ট। কাৰণ শক্তিশালী চীনৰ আমেৰিকাৰ লগত মিত্ৰতা মানে সীমান্তৱৰ্তী ক্ষুদ্ৰ থাইলেণ্ডৰ নিৰাপত্তা প্ৰায় নিশ্চিত।

ইমান দিনে চীনে আমেৰিকা আৰু ৰাছিয়াৰ ষড়যন্ত্ৰৰ কথা কৈ আছিল। এতিয়া ৰাছিয়াই চীন আৰু আমেৰিকাৰ ষড়যন্ত্ৰৰ কথা ক'বলৈ ধৰিলে। এই 'ষড়যন্ত্ৰৰ লক্ষ্য হ'ল ৰাছিয়া। চীন আৰু ৰাছিয়াৰ মাজত এই সময়ত দ্ৰুতগতিত বেয়া হৈ অহা সম্পৰ্কৰ সুবিধা লৈ চীনক হাত কৰি ৰাছিয়াক বিপাঙত পেলোৱাটোৱেই আছিল এই সময়ৰ আমেৰিকাৰ নীতি। অন্যহাতেদি এই বৃহৎ শক্তিৰ লগত বন্ধুত্ব কৰি ৰাছিয়াক লেঠাত পেলোৱাটো আছিল চীনৰ উদ্দেশ্য। চীন আৰু ৰাছিয়াৰ মাজত শত্ৰুতা চলি থাকিল আৰু উভয় দেশৰে নিজা পদ্ধতিত আমেৰিকাৰ লগত বন্ধুত্ব গাঢ় হ'বলৈ ধৰিলে। ১৯৭১ চনৰ পিছত জাপানৰ পাছতেই চীনৰ লগতেই আমেৰিকাৰ আটাইতকৈ বেছি ব্যৱসায় হ'বলৈ ধৰিলে। চীন এখন 'বৃহৎ বজাৰ' বুলি বিবেচিত হ'ল। বাকীবোৰ পুঁজিবাদী দেশেও যাতে ৰাছিয়াৰ লগত নিবিড় সম্পৰ্ক স্থাপন কৰিব নোৱাৰে তাৰ বাবে চীনে বাণিজ্যিক কৌশল প্ৰয়োগ কৰিবলৈ ধৰিলে। নতুন মিতিৰ চীনৰ আঠা এৰিব নোৱাৰি আমেৰিকাই এদিন টাৱাইন এৰি গৈ পুৰণি মিতিৰৰ মনত বিনা দ্বিধাই গভীৰ মনোকষ্ট দিলে। ১৯৮৮ চনৰ কমিউনিষ্ট পাৰ্টিৰ সাধাৰণ সম্পাদক ঝাও ঝিয়াঙে (Zhao Ziyang) চীন আৰু আমেৰিকাৰ বন্ধুত্ব যোৱা ১০ বছৰত কেনেকৈ বৃদ্ধি পাইছে সেই কথা উল্লেখ কৰিলে। ১৯৮৮ চনৰ মাৰ্চত পিকিঙত আৰম্ভ হ'ল এখন আলোচনা চক্ৰ। তাত সমবেত হোৱা ২০০০চীন আৰু আমেৰিকা উদ্যোগ, ব্যৱসায় আৰু অৰ্থনৈতিক উন্নয়নৰ বিষয়ে চাৰিদিন ধৰি আলোচনা কৰিলে।

১৯৮৬ চনৰ গ্ৰীষ্মকালত গৰ্বাচভে চীনক 'a great socialist country' বুলি ক'বলৈ ধৰিলে আৰু সুদীৰ্ঘ চীন আৰু ৰাছিয়াৰ সীমান্তত প্ৰায় এক দশক ধৰি সমাবেশ কৰি ৰখা ৰাছিয়াৰ সৈন্যৰ সংখ্যা কমাবলৈ ধৰিলে। ('Gorbachev' by Gail Sheehy P. 211)

চীনৰ এতিয়া নীতি হ'ল বৃহৎ শক্তি হিচাপে স্বীকৃতি লাভ কৰা। এই উদ্দেশ্যেই পূৱৰেই হওক, বা পশ্চিমৰেই হওক, পুঁজিবাদীয়েই হওক, বা সমাজবাদীয়েই হওক, যেই কোনো ৰাষ্ট্ৰৰ লগত বন্ধুত্ব স্থাপন কৰা, নিজৰ ব্যৱসায় বাণিজ্য আৰু উদ্যোগৰ শ্ৰীবৃদ্ধি কৰা, তত্ত্বৰ গোড়ামি একেবাৰে নিঃশেষ হ'ল।চীনৰ সাম্প্ৰতিক নীতিৰ ওপৰত Xing Hua (জিং হুৱা) নামৰ এজনে অলপতে এটা প্ৰৱন্ধ লিখিছে। তেওঁৰ মতে ১৯৯১ চনত সমগ্ৰ বিশ্বত তুমুল পৰিবৰ্তন ঘটোৱা ঘটনাৱলী ঘটিছিল। উপসাগৰীয় যুদ্ধ, যুগোশ্লো-ভিয়াত হোৱা গৃহযুদ্ধ, ছোভিয়েত ইউনিয়নৰ বিলুপ্তি ইত্যাদি বিশ্বত কপনি তুলোৱা ঘটনাৱলীৰ মাজতো চীনে নিজৰ স্বতন্ত্ৰ বৈদেশিক নীতি বজাই ৰাখি এচিয়াৰ প্ৰশান্ত মহাসাগৰীয় অঞ্চলত শান্তিপূৰ্ণ অৱস্থা বাহাল ৰখাত কৃতকাৰ্য হ'ল বুলি গৌৰৱ বোধ কৰিছে। চীনত আধুনিকীকৰণৰ যি প্ৰচেষ্টা চলিছে সেই প্ৰচেষ্টাৰ কৃতকাৰ্যতাৰ কাৰণেই চীনে এতিয়া চুবুৰীয়া ৰাষ্ট্ৰসমূহৰ লগত বন্ধুত্বপূৰ্ণ সম্পৰ্ক চলাই ৰখাত বিশেষ গুৰুত্ব আৰোপ কৰিছে।

ছোভিয়েত ৰাষ্ট্ৰ ভংগ হৈ কমনৱেলথ্ অৱ ইণ্ডিপেণ্ডেণ্ট হোৱাৰ পিছত চীনৰ কমিউনিষ্ট পাৰ্টিৰ সাধাৰণ সম্পাদক জিয়াং জেমিন (Jiang Zemin) ৰাছিয়ালৈ যায় আৰু উভয় দেশৰ মাজত থকা চাৰি হেজাৰ কিলোমিটাৰ দৈৰ্ঘৰ সীমাৰেখাৰ ক্ষেত্ৰত পূৰ্বৰ চুক্তিসমূহ মানি চলিব বুলি নতুনকৈ চুক্তি কৰে। দুয়োখন দেশে বন্ধুত্বপূৰ্ণ সম্পৰ্ক বজাই ৰাখিব বুলিও চুক্তিত চহী কৰে। ১৯৬৭ চনৰপৰা চীন আৰু মংগোলিয়াৰ মাজত মনোমালিন্য ঘটি আছিল। ১৯৯১ চনত চীনৰ ৰাষ্ট্ৰপতি যাং চাংগকুনে (Yang Shangkun) মংগোলিয়া ভ্ৰমণ কৰি দ্বিপাক্ষিক সম্পৰ্কৰ উন্নতি সাধন কৰে। চীনৰ প্ৰধানমন্ত্ৰী লি পেং আৰু উত্তৰ কোৰিয়াৰ ৰাষ্ট্ৰপতি কিম ইল চাঙে (Kim Il Suns) পাৰস্পৰিক ভাৱে উভয়ৰ দেশ ভ্ৰমণ কৰে। জাপানৰ সম্পৰ্কৰ উন্নতি সাধন কৰে। লাওছৰ লগত বহুদিন ধৰি চীনৰ সীমাবিবাদ আছিল। এই সীমাবিবাদৰ সম্পৰ্কত লাওছ আৰু চীনৰ মাজত এখন চুক্তি হয়। ভিয়েটনামৰ কমিউনিষ্ট পাৰ্টিৰ সাধাৰণ সম্পাদক দু মুৱই (Do Muoi ) আৰু প্ৰধানমন্ত্ৰী ভ' ভান কিয়েটে (Vo Van Kiet) চীন ভ্ৰমণ কৰাত দুয়োখন দেশৰ মাজত যোৱা ১০ বছৰ ধৰি গাঢ় হৈ অহা ভাৱ ক্ৰমশঃ কমি আহিছে। প্ৰধানমন্ত্ৰী লি পেঙৰ (Li Peng) ভাৰত ভ্ৰমণে ভাৰত আৰু চীনৰ সম্পৰ্ক উন্নত কৰিব বুলি আশা কৰা হৈছে। চীনে নেপাল, মিয়ানমাৰ আৰু বাংলাদেশৰ লগতো সম্পৰ্ক উন্নত কৰিছে। বিশ্ব শান্তিৰ নিশ্চয়তাৰ কাৰণে তৃতীয় বিশ্বৰ দেশ সমূহৰ মাজত ঐক্য অতি প্ৰয়োজন বুলি চীনে এতিয়াও বিশ্বাস কৰে বুলি ঘোষণা কৰিছে আৰু তৃতীয় বিশ্বৰ দেশসমূহৰ স্বাৰ্থত চীনে সদায় মাত মাতিব বুলি আশ্বাস দিছে। চীনে পাৰ্যমানে এইবোৰ দেশক অৰ্থনৈতিক সাহায্যও দিছে আৰু আফ্ৰিকাৰ দেশসমূহক ১৯৯১ চনৰ শেষত ৪.১২ বিলিয়ন ডলাৰ (Us 4.12) সাহায্য দিবৰ বাবে চুক্তি কৰিছিল।

পৰিবৰ্তিত অৱস্থাত পূৱ ইউৰোপৰ দেশসমূহৰ লগত বন্ধুত্বপূৰ্ণ সম্পৰ্ক বজাই ৰাখি সেইবোৰ দেশৰ আভ্যন্তৰীণ বিষয়ত হস্তক্ষেপ নকৰিবলৈ চীনে সিদ্ধান্ত কৰিছে। ইংলেণ্ড, ইটালি, মাল্টা, ফ্ৰান্স, ফিনলেণ্ড ইত্যাদি দেশৰ লগতো চীনৰ সম্পৰ্ক ভাল হৈছে। এইবোৰ দেশৰ লগত চীনৰ বাণিজ্য বহু পৰিমাণে বৃদ্ধি পাইছে। আন্তৰ্জাতিক বহু সমস্যাৰ সম্পৰ্কত আমেৰিকাই এতিয়া চীনৰ লগত আলোচনা কৰে বুলি চীনে গৌৰৱবোধ কৰিছে আৰু উভয়দেশৰ বাণিজ্য ১৯৯০ চনৰ তুলনাত ১৭%ভাগ বৃদ্ধি পাই এতিয়া তাৰ পৰিমাণ ১৪.২ বিলিয়ন আমেৰিকান ডলাৰ পাইছেগৈ। ১৯৯১ চনৰ শেষলৈকে আমেৰিকাই চীনত পাঁচ বিলিয়ন আমেৰিকান ডলাৰ বিনিয়োগ কৰিছে।

২য় মহাযুদ্ধৰ পিছত হোৱা বিশ্ব বিন্যাসৰ (World Order) অন্ত পৰিছে বুলি চীনে বিশ্বাস কৰিছে। নতুন বিশ্বত উল্লেখযোগ্য স্থান লাভ কৰিবৰ কাৰণে চীন বদ্ধপৰিকৰ হৈছে। চীনৰ জনসংখ্যা এতিয়া প্ৰায় ১১০ কোটি। ইমান জনসংখ্যা থকা কৰ্মঠ মানুহৰ দেশ এখনক কোনেও আওহেলা কৰিব নোৱাৰে। হুৱাই (Hua) তেওঁৰ প্ৰৱন্ধটো এনেকৈ শেষ কৰিছে। --- "In its foreign activities China does not define its stand according to the ideologies and social systems of other countries, but entirely on the basis of the merits of the matters themselves...."(news From China Supplement" June 10, 1992) । তত্ত্ব নহয়, আত্মস্বাৰ্থহে চীনৰ বৈদেশিক নীতিৰ চালিকা শক্তি হৈ পৰিছে। ■

# পৰম্পৰাগত জাপানী থিয়েটাৰ

# নো

তড়িৎ চৌধুৰী

জাপানৰ 'নো' নাট্যশৈলী লোকজীৱনৰ পৰা উদ্ভূত হৈছিল। আৰম্ভণিতে ই ৰাজহুৱাভাৱে অনুষ্ঠিত হৈছিল। কিন্তু পৰৱৰ্তীকালত এই নাট্যকলা ৰাজকাৰেঙৰ অভিজাতসকলৰ মাজত আৱদ্ধ হৈ পৰিছিল আৰু সাধাৰণ প্ৰজাবোৰক ইয়াৰ ৰসাস্বাদনৰ পৰা বঞ্চিত কৰা হৈছিল। সংস্কৃত নাটকৰ দৰে 'নো' নাটকৰ পৃষ্ঠপোষক আছিল কেৱল অভিজাতসকলেই। সাধাৰণ মানুহৰ সৈতে প্ৰকৃততে ইয়াৰ সম্পৰ্ক আছিল ক্ষীণ। কিন্তু এই দুয়োৰে মাজত প্ৰধান পাৰ্থক্য হ'ল, যদিও সংস্কৃত নাটকৰ বিশিষ্ট অভিনয়ৰীতি আমাৰ দেশত প্ৰায়- অবলুপ্ত হৈ পৰিছে, কিন্তু নো-নাট্যই বৰ্তমানলৈ নিজৰ অস্তিত্ব বাহাল ৰাখিবলৈ সক্ষম হৈছে। অকল সেয়া নহয়, নো- নাট্যই সকলো লোকনাট্যকলাৰ আগত ঠাই লৈ পৃথিৱীৰ চুকে-কোণে বিয়পি পৰাৰ উপৰিও বিভিন্ন দেশৰ নাট্যকাৰসকলৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হৈছে। নো নাটকৰ প্ৰতীকধৰ্মিতা আৰু সাংগীতিক মাধুৰ্যৰে মুগ্ধ হৈ আইৰিছ নাট্যকাৰ ইয়েটচে কেউখন নো নাটক ৰচনা কৰিছিল। জাৰ্মান নাট্যকাৰ বেৰ্টল্ট ব্ৰেখটে নো নাটকৰ প্ৰতি বৰকৈ আকৃষ্ট হৈছিল। নো নাটকৰ অনুৰাগী আছিল টি.এছ.এলিয়ট আৰু এজৰা পাউণ্ডে। সংহত সংযম পূৰ্ণ চিন্তাৰে ভৰপূৰ ব্যঞ্জনাগৰ্ভ নো নাট্যই সংগীত আৰু নৃত্যৰ মাদকতাৰে চিৰন্তন ৰসিকৰ মন সদায় জয় কৰি আহিছে।

জাপানৰ সাহিত্য সংস্কৃতি আদিৰ ওপৰত চীনদেশৰ প্ৰভাৱ স্পষ্টকৈ পৰিলক্ষিত হয়। চীনা কবিতাৰ উপাদানৰ পৰাই জাপানৰ থলুৱা কাব্যৰীতি 'হাইকু', 'তঙ্কা', 'ছেনৰিয়ু' আদিৰ সৃষ্টি হৈছিল। ইয়াৰ আঁৰত বৌদ্ধধৰ্মই মুখ্য ভাও লৈছিল।



'নো' নাটক 'হিম আত্মজা'

চীনদেশৰ পৰা বৌদ্ধধৰ্মই জাপানত প্ৰৱেশ কৰিছিল আৰু শ্বিন আৰু নিচিৰেন নামে দুটা ধৰ্মসম্প্ৰদায়ৰ সৃষ্টি হৈছিল। চীনদেশৰ 'চেন' দৰ্শন ক্ৰমে 'জেন' দৰ্শন ৰূপে জাপানী মানুহৰ মনত দৃঢ়কৈ বহিবলৈ ধৰিছিল। 'জেন' দৰ্শনৰ লগত নব্য- কনফুছিয়াচবাদৰ ধৰণ-ধাৰণ মিহলি কৰি ইয়াক যুদ্ধবিদ্যাৰ উন্নতিৰ হকে প্ৰয়োগ কৰা হৈছিল।

দশম শতিকাৰ পৰা ত্ৰয়োদশ শতিকালৈকে এই কালছোৱাত জেন দৰ্শনৰ উৎপত্তি আৰু বিকাশ হৈছিল চীনদেশত। সংস্কৃত 'ধ্যান' শব্দটো জাপানী ভাষাত 'জেন' শব্দৰূপে ৰূপান্তৰিত হৈছে। ইয়াৰ মূল ভেটি হল, মানুহৰ সকলো কাম ধ্যান বা সাধনাৰ মাজেদি কৰিব লাগিব। নিয়মিত মানসিক অনুশীলনৰ জৰিয়তে মানুহে সাধনাৰ স্তৰলৈ উন্নীত হ'ব পাৰিব। জেন শিক্ষক সকলো আছিল প্ৰকৃত জ্ঞানী। মধ্যযুগীয়া 'ছামুৰাই' বা 'বুশিদো' যোদ্ধবৃন্দৰ উন্নতিৰ বাবে জেন মতবাদৰ দুটা উল্লেখনীয় দিশ– অভিজ্ঞতা আৰু শৃঙ্খলাৰ তাৎপৰ্যপূৰ্ণ প্ৰয়োগ কৰা হৈছিল। কষ্টসহিষ্ণুতা, স্বদেশানুৰাগ আৰু আত্মসন্মান ৰক্ষা কৰাই আছিল ছামুৰাই যোদ্ধবৃন্দৰ বৈশিষ্ট্য। তেওঁলোকৰ সংযম, আনুগত্য আৰু কৰ্তব্যবোধ 'জেন' দৰ্শনৰ সূতাৰে গঁঠা হৈছিল। লগতে আনুষ্ঠানিক চা-পান পৰ্বৰ প্ৰচলন হৈছিল। ধ্যান আৰু স্বাস্থ্যৰ বাবে চা-পান অনুষ্ঠান আছিল অপৰিহাৰ্য। এই চা-পান অনুষ্ঠানৰ বীজৰ পৰা মৃৎশিল্পৰ অঙ্কুৰ গজি উঠিছিল। ধ্যানৰ পৰিবেশ সৃষ্টিৰ বাবে পুষ্প-বিন্যাস বা 'ইকেবানা' পদ্ধতিৰ জন্ম হ'ল, আৰু ফুলৰ বাবে জাপানীসকলৰ মাজত বাগিচা তৈয়াৰীৰ প্ৰবণতাই দেখা দিলে। প্ৰত্যেক গৃহৰ সৈতে সংলগ্ন বাগিচাবোৰ সৃষ্টি কৰোতে জাপানীসকলে জেন মতবাদৰ দ্বাৰা প্ৰভাৱিত হৈছিল। জাপানী বাগিচা অকল গৃহৰ শোভাবৰ্দ্ধনেই নকৰে, ই প্ৰকৃতিৰ সৈতে মানুহক একাত্ম কৰে। মানসিক প্ৰশান্তি দান কৰে। আধ্যাত্মিকতাৰ প্ৰতি অনুৰক্তি জন্মায় আৰু জীৱনলৈ সঞ্জীৱনীশক্তি সঞ্চাৰ কৰে। একে চিন্তাধাৰাই অভিনয়কলাক সাধনাৰ স্তৰলৈ উন্নীত কৰিছে। নো নাটকত ইয়াৰ চৰমোৎকৰ্ষ সাধিত হৈছে।

জাপানী ভাষাত 'নো' বা 'নোহ' শব্দৰ অন্তৰ্নিহিত অৰ্থ হ'ল 'অলৌকিক শক্তি'। নো নাটকৰ আঙ্গিক আৰু বিষয়বস্তুই অলৌকিকতা তথা দেৱতা বা অপদেৱতাৰে ঢাক খাই থকা বাবে এই শ্ৰেণীৰ নাটকক নো বুলি কোৱা হৈছিল। আচলতে, দৰ্শকৰ মনলৈ অলৌকিক ৰহস্যৰ সঞ্চাৰ নাইবা 'য়ুগেন' সৃষ্টিৰ ওপৰতেই নো নাটকত অভিনেতাৰ সাফল্য নিৰ্ভৰ কৰে। অৰ্থাৎ অভিনয়ৰ যোগেদি দৰ্শকসকলক আধ্যাত্মিকতাৰ মাজলৈ কঢ়িয়াই লৈ যোৱাটোৱেই হ'ল নো নাটকৰ মুখ্য উদ্দেশ্য।

গতিকে নো নাটক একান্তভাৱে অভিনেতাৰ নাটক। কিছুমান বিশেষজ্ঞৰ মতে, ইয়াৰ একশ্বনবিহীন মুহূৰ্তকেইটা হ'ল আটাইতকৈ উপভোগ্য আৰু অৰ্থবহ। প্ৰধান অভিনেতা গৰাকীৰ অভিনয় নৈপুণ্যৰ ওপৰতেই এই প্ৰতীক্ষিত মুহূৰ্তবোৰৰ সাফল্য নিৰ্ভৰ কৰে। এই বিশেষ মুহূৰ্তটোত নাচ-গান অভিনয়ৰ সকলো বাহ্যিক ক্ৰিয়া স্তব্ধ হৈ পৰে, অভিনেতাই টেনশ্বন আঁৰ কৰিবলৈ প্ৰয়াসী হয় আৰু নট-নাট্য-দৰ্শক সকলোৱে একাত্ম হৈ পৰে। নো নাটকৰ অন্যতম স্ৰষ্টা আৰু ভাষ্যকাৰ জিআমি মতোকিঅ'ৰ মতে, নো নাটকৰ অভিনেতাই যদি চতুৰালিৰ সৈতে তেওঁৰ অনুভূত টেনশ্বন দৰ্শকৰ চকুৰ আঁৰ কৰিব নোৱাৰে, একশ্বনবিহীন জটিল মুহূৰ্তবোৰত স্বকীয় নাট্যক্ৰিয়াৰ লেকাম দৃঢ়ভাৱে সংহত কৰিব নোৱাৰে, তেনেহ'লে ই নো নাটক নহৈ সাধাৰণ নাটকৰূপে পৰিগণিত হ'ব। বস্তুতঃ অভিনেতাৰ ৰূপদক্ষ মনটোৱেই নো নাটকৰ নাটকীয় আৰু একশ্বনবিহীন মুহূৰ্তবোৰক একেডাল সূতাৰে গাঁঠি ৰাখে। এই অন্তৰ্লীন জৰিডাল ছিন্ন হ'লেই নো নাটক ব্যৰ্থ হয়।

খ্ৰীঃ ৭৯৪-ৰ পৰা ১১৮৫ লৈ এই কালছোৱাত হেইয়ান বা কিয়োতো আছিল জাপানৰ ৰাজধানী। হেইয়ান ৰাজসভাৰ পৃষ্ঠপোষকতা লাভ কৰিছিল 'তঙ্কা' কবিতাই। জাপানী ঐতিহ্য অনুসৰি ৩১টা সংক্ষিপ্ত আৰু স্বয়ংসম্পূৰ্ণ ৰীতিত 'তঙ্কা' ৰচিত হৈছিল। এই সময়ছোৱাত নোধৰ্মী নাটকৰ আৰম্ভণি হৈছিল। কিন্তু মধ্যযুগত খ্ৰীঃ ১১৮৫– ১৬০০ৰ ভিতৰত প্ৰণিত নো নাটকত কবিতাৰ চমকপ্ৰদ প্ৰয়োগ হৈছিল। এই সময়তে অৰ্থাৎ চতুৰ্দশ- পঞ্চদশ শতিকাত এই নাট্যকলাই চৰমোৎকৰ্ষ লভিছিল।



'ছাগিমাঁই'

খ্ৰীঃ নৱম শতিকাত আমাৰ দেশৰ জগন্নাথৰ ৰথযাত্ৰাৰ দৰে জাপানতো 'গিয়ন' উৎসৱ অনুষ্ঠিত হৈছিল। উৎসৱৰ পিছদিনা ইয়াচাকা মন্দিৰত অনুষ্ঠিত হৈছিল 'ছাগিমাঈ' বা বকনৃত্য। এই নৃত্যৰ পৰাই একাদশ শতিকাত 'তেনগাকু' বা ধানৰ সঁচ ৰোৱাৰ নাচ আৰু 'ছাৰুগাকু' নৃত্যৰ উদ্ভৱ হৈছিল। ব্যায়াম, মূকাভিনয় আৰু ভেলেকী-বাজীৰে গঢ়ি উঠা ছাৰুগাকু নৃত্যৰ উদ্ভৱ হৈছিল। ব্যায়াম মুকাভিনয় আৰু ভেলেকী-বাজীৰে গঢ়িউঠা ছাৰুগাকু নৃত্যৰ দ্বাৰা সাধাৰণ মানুহৰ মনোৰঞ্জন কৰা হৈছিল। ছাৰুগাকু নৃত্যই ক্ৰমাৎ ৰূপান্তৰিত হৈ নো নাটকত পৰিণত হৈছিল। মধ্যযুগীয় অভিজাতসকলৰ মাজত ই অত্যন্ত জনপ্ৰিয় হৈছিল। নো নাট্যকলাই ৰাজসভাৰ পৃষ্ঠপোষকতা লাভ কৰিছিল আৰু সৰ্বসাধাৰণক ইয়াৰ ৰসাস্বাদন কৰিবলৈ দিয়া হোৱা নাছিল। নো নাটকৰ অন্যতম নাট্যকাৰ কান আমি কিয়োৎচুগু (১৩৩৩–৮৪) আৰু তেওঁৰ পুতেক জি আমি মতোকিঅ'য়ে (১৩৬৩–১৪৪৩) আদিম সংগীত আৰু নৃত্যযুক্ত নাটকবোৰক শৈল্পিক উৎকৰ্ষ দান কৰিছিল। বৌদ্ধদৰ্শনৰ ওপৰত ভিত্তি কৰি লিখা এওঁলোকৰ নাটকৰ ভাষা আছিল সূক্ষ্ম আৰু জটিল। বিষয়বস্তুৰ ফালৰ পৰাও এইবোৰ আছিল ট্ৰেজেদি শ্ৰেণীৰ নাটক। অৱশ্যে অভিনয়ৰ সময়ত দুই পৰ্বৰ মাজৰ সময়ছোৱাত 'কিঅ'গেন' অভিনয়ৰ যোগেদি কৌতুক ৰসৰ সৃষ্টি কৰা হৈছিল। ইয়াৰ বাহিৰে এইবিধ নাটকত কোনোধৰণৰ ধেমেলীয়া উপাদান ব্যৱহাৰ নকৰিছিল। প্ৰথম অৱস্থাত সাধাৰণ মানুহৰ দ্বাৰা নো নাটক লিখা হৈছিল। কিন্তু সময় বাগৰি যোৱাৰ লগে লগে ইয়াৰ জটিলতাই ইয়াক ৰাজসভাৰ চৌহদত আৱদ্ধ কৰি ৰাখিছিল।

নো নাটকবিলাক লৌকিক উপকথা, পুৰাণ বা মিথ, গল্পসংকলন বা মনোগাতাৰি আৰু বৌদ্ধ সাহিত্যৰ ওপৰত ভিত্তি কৰি



OKDISCD

লিখা হৈছিল । বৰ্তমান যুগলৈ বাচি থকা ভালে সংখ্যক ধ্ৰুপদী নো নাটকৰ উৎস হ'ল মুৰাছাকি শ্বিকিবু নাম্নী লেখিকাৰ 'গেনজী মনোগাতাৰি' (অনুঃ ১০১০ খ্ৰীঃ) আৰু ত্ৰয়োদশ শতিকাৰ 'হেইকি মনোগাতাৰি' নামৰ গদ্য-গ্ৰন্থ দুখন । সময়ৰ চকৰি ঘূৰাৰ লগে লগে নো নাটকলৈ বিভিন্ন পৰিৱৰ্তন আৰু বিৱৰ্তন আহিছিল । এতিয়ালৈকে প্ৰাপ্ত প্ৰায় দুই হেজাৰ নো নাটকত প্ৰধানতঃ পাঁচোটা ধাৰা দেখিবলৈ পোৱা যায় । প্ৰথম পৰ্যায়ত নো নাটক আছিল সম্ভ্ৰান্তসকলৰ অৱসৰবিনোদনৰ সামগ্ৰী । সেয়ে বিষয়বস্তু হিচাপে ডা-ডাঙৰীয়াৰ কাহিনীয়েই প্ৰাধান্য লাভ কৰিছিল । দ্বিতীয় পৰ্বৰ নো নাটকত বীৰত্বৰ কাহিনীসমূহ বিবৃত কৰা হৈছিল । ইয়াৰ পৰৱৰ্তী পৰ্যায়ত সুন্দৰী ৰমণী কেন্দ্ৰিক নাটক ৰচিত হৈছিল । চতুৰ্থ পৰ্বত বুৰঞ্জীমূলক চৰিত্ৰ আৰু মানসিক সংঘাত প্ৰাধান্য লাভ কৰাৰ লগতে ৰচনাশৈলীতো উল্লেখযোগ্য পৰিৱৰ্তন আহিছিল । পঞ্চম পৰ্বত সমাজত বণিক শ্ৰেণীৰ প্ৰাধান্য থকাৰ বাবে নো নাটকতো লৌকিক দেৱ-দেৱী আৰু ভূত-প্ৰেত দানৱ আদি অনুপ্ৰৱেশ কৰিছিল । এই লৌকিক নো নাটকবিলাকৰ প্ৰধান দেৱতা আছিল ৰণদেৱ শিন্তো-ই । ইয়াৰ উপৰি বৌদ্ধধৰ্মৰ প্ৰভাৱত নো নাটকত বিভিন্ন সময়ত নতুন চেতনা, পৰিশীলিত ভাবধাৰা আৰু বহুৰ্থবোধক সাংকেতিকতাৰ বহুল প্ৰয়োগ কৰা হৈছিল ।

নো নাটকৰ কেন্দ্ৰীয় চৰিত্ৰক 'শ্বিতে' আৰু পাৰ্শ্ব চৰিত্ৰক 'ওৱাকি' বুলি কোৱা হয় । এই চৰিত্ৰ দুটাই নাটকীয় ঘটনাক আগুৱাই লৈ যায় । কেতিয়াবা প্ৰধান চৰিত্ৰৰ সৈতে দুজন সহযোগীও থাকে । পাৰ্শ্ব চৰিত্ৰৰূপে সদায় এগৰাকী সন্যাসী নাইবা পথচাৰী এজনক স্থান দিয়া হৈছিল । সাধাৰণতে সঙ্গিনীৰ সৈতে মঞ্চলৈ 'ওৱাকি'ৰ প্ৰথম আৱিৰ্ভাৱ হয় । কোনো ধৰ্মস্থান নাইবা বুৰঞ্জীপ্ৰসিদ্ধ ঠাইত ওৱাকি আৰু শ্বিতেৰ সাক্ষাৎ হয় । মুখ্যচৰিত্ৰই প্ৰস্থান কৰে আৰু মুখা আৰু পোছাক সলনি কৰি প্ৰকৃত ৰূপত আৱিৰ্ভূত হয় । মুখ্য চৰিত্ৰই কোৰাছৰ সৈতে যোগ দিয়ে, বৰ্তমান জীৱনৰ দোষত্ৰুটিবোৰ প্ৰকাশ কৰে, আৰু বিগত জীৱনৰ আকাংক্ষা বা উদ্দেশ্য ব্যাখ্যা কৰে । সন্যাসীয়ে তেওঁলৈ মুক্তি বা নিৰ্বাণৰ বাট দেখুৱাই দিয়ে । অৰ্থাৎ পাপবোধৰ বিনাশ আৰু শুভবোধৰ উদয়–



'নো' নাট্যৰ এটা দৃশ্য

চমুতে এয়ে নো নাটকৰ মূল বিষয় । ভূমিকা অনুযায়ী মানুহ, গছ, জন্তু, চৰাই আদি ব্যৱহাৰ কৰা হয় যদিও, গল্পৰ কাঠামো একেই থাকে । সেয়ে বিষয়বস্তুতকৈ অভিনয় সাধনাই ইয়াতে মুখ্য হৈ উঠিছিল ।

নোৰ মঞ্চ আড়ম্বৰহীন হ'লেও মঞ্চ পৰিকল্পনাত অভিনৱত্ব আৰু চিন্তাশীলতাৰ চানেকি বহণ কৰি আহিছে । দৰাচলতে গাম্ভীৰ্যপূৰ্ণ অধ্যাত্ম পৰিৱেশৰ সৃষ্টি কৰাটোৱেই আছিল নো মঞ্চসজ্জাৰ প্ৰধান উদ্দেশ্য । মূল মঞ্চ ওঠৰ ফুট বহল আছিল । চতুষ্কোণাকৃতি এই মঞ্চটিক জাপানী ভাষাত 'বুতাই' বুলিছিল । ইয়াৰ চাৰি চুকত আছিল চাৰিটা স্তম্ভ বা 'বাচিৰা' । এইবিলাকৰ গুৰিত বেলেগ বেলেগভাবে বহিছিল মঞ্চাধ্যক্ষ, বাঁহীবাদক, গোসাঁই আৰু দানৱৰ মুখা পিন্ধা অভিনেতাই । মূল মঞ্চ ঢাকি থোৱা আছিল । ইয়াক দেখিবলৈ ঘৰৰ মাজত ঘৰ যেন লাগিছিল । কোনো আঁৰকাপোৰ নাছিল আৰু মঞ্চৰ তিনিওফালে মানুহ বহিছিল । মূল মঞ্চৰ পাছফালে আছিল 'আতোজা' বা ৰিয়াৰ ষ্টেজ । আতোজা আছিল আয়তাকাৰ মঞ্চ । আতোজা আৰু ছোঁঘৰক সংযোজিত কৰিছিল এখন দলঙে । ৬ ফুট বহল আৰু ৩৩–৫২ ফুট দীঘল এই দলংখনক হাচিগাকাৰি বুলিছিল । ছোঁঘৰৰ পৰা প্ৰধান চৰিত্ৰবিলাকে এই দলংখনেৰে মঞ্চলৈ প্ৰৱেশ কৰিছিল । দলংখনৰ সমান্তৰালভাবে তিনিজোপা পাইনগছ পুতি থোৱা আছিল । মূলমঞ্চ আৰু অতিৰিক্ত মঞ্চৰ সংযোগস্থলীত বায়ন বহিছিল । আৰু মূলমঞ্চৰ বাওঁফালে দুটা স্তম্ভৰ মাজত আছিল কোৰাছৰ স্থান । মঞ্চ আচবাব-পত্ৰবিহীন আছিল । কোনোধৰণৰ দৃশ্যপট ব্যৱহাৰ নকৰিছিল । প্ৰয়োজন অনুসৰি প্ৰতীকি দৃশ্যসজ্জাৰ ব্যৱহাৰ হৈছিল ।

তিৰোতাবোৰক অভিনয়ৰ পৰা বিৰত ৰখা হৈছিল । মতা মানুহে স্ত্ৰী চৰিত্ৰৰ ৰূপায়ণ কৰিছিল ।প্ৰধান চৰিত্ৰ আৰু তেওঁৰ লগৰীয়াই মুখা পিন্ধিছিল । পোছাক আছিল ঐতিহ্যানুসাৰী । ভাৱৰীয়াই ডাঠ কাপোৰৰ পোছাক পিন্ধিছিল । কেতিয়াবা আঠ তৰপৰ পোছাক আৰু মুখা পিন্ধা চৰিত্ৰবোৰক অ-মানৱীয় যেন লাগিছিল । আচলতে অভিনেতাৰ ব্যক্তিত্বক আঁৰ কৰিবলৈ এই ৰীতি গ্ৰহণ কৰা হৈছিল । নাটকৰ শেষত এই অপাৰ্থিৱ চৰিত্ৰটি সন্যাসীৰ সৈতে হাচিগাকাৰিৰ ওপৰেৰে গুচি যায় । যেন, পৃথিৱীৰ পৰা মুক্তিলাভ কৰি কোনো অজান অচিন দেশত গমন কৰে ।

নো নাটকৰ মঞ্চকলাৰ পৰা অভিনয় ৰীতিৰ প্ৰতিটো ক্ষেত্ৰ এটি সুনিৰ্দ্দিষ্ট ঠাঁচেৰে গঢ়া হৈছিল । অভিনেতাই কেতিয়াবা বিচনী নাইবা জাপি ব্যৱহাৰ কৰিছিল । এইবোৰ এনেদৰে ব্যৱহাৰ কৰা হৈছিল যাতে বিশেষ অৰ্থ ফুটি উঠিছিল । গধুৰ সাজ-পোছাকৰ বাবে অভিনেতাৰ চাল-চলন আছিল লেহেম গতিৰ । হাতৰ মুদ্ৰা আৰু মস্তক সঞ্চালনৰ জৰিয়তে গান-সংলাপ আৰু শূন্যতাৰ মাজেদি অভিনেতাই দৰ্শকৰ মন জয় কৰিছিল ।

নো নাট্যাভিনয়ৰ ৰসাস্বাদন সহজ নোহোৱা বাবে ইয়াৰ দৰ্শক সংখ্যাও তেনেই তাকৰ । চৰকাৰী পৃষ্ঠপোষকতাৰে মধ্যযুগীয় অভিনেতাৰ বংশধৰসকলে এতিয়াও এই নাট্যকলাক জীয়াই ৰাখিছে । কিন্তু সাধাৰণ মানুহৰ চিত্ত জয় কৰিবলৈ অক্ষম হোৱা সত্বেও টকিঅ' আৰু কিয়োতোত নিয়মিতভাবে আৰু নাগোৱা আৰু ওচাকা-ত অনিয়মিতভাবে নো নাটক বৰ্তমানলৈ অভিনীত হৈ আছে । আৰু নো নাটকৰ বাস্তৱোত্তৰ ৰীতিয়ে বুদ্ধিজীৱীসকলক একেদৰে মোহিত কৰি ৰাখিছে । ■





# টিউনিচ-শ্বেল

মুখলেছুৰ ৰহমান

বীৰবল, আমাৰ নিঙনি ভাওৰা বা ইৰাণৰ মোল্লা নাচিৰুদ্দিনৰ একে পৰ্যায়ৰ দুই বন্ধু হ'ল জাৰ্মানৰ টিউনিচ-শ্বেল । এইবাৰ এই দুই বন্ধুৰ দুটামান কাহিনী ক'ম । সংগ্ৰহ চৈয়দ মুজতবা আলীৰ ।

(১)

টিউনিচ আৰু শ্বেল দুই বন্ধু । সিহঁতে প্ৰায়ে বাটত পৰি থকা পইছা পায় । এবাৰ তেনেকৈ সিহঁতে বাটত দহ টকা পালে ।

টিউনিচে ক'লে "বল এই টকাৰে ভাল খানা এটা খোৱা যাওক ।"

দুই বন্ধু দামী ৰেস্তোৰাঁ এখনত সোমাই দুটা কাটলেটৰ অৰ্ডাৰ দিলে ।

ৱেটাৰে দুখন প্লেটত কাটা-চামুচ আৰু এখন ডাঙৰ থালত দুটা কাটলেট দি গ'ল ।

এতিয়া কাটলেট দুটাৰ এটা অলপ ডাঙৰ আছিল । টিউনিচে লগে লগে ডাঙৰ কাটলেটটো নিজৰ প্লেটত লৈ ল'লে । শ্বেল মনে মনে ঘটনাটো চাই আছিল । তাৰ পিছত লাহেকৈ সৰু কাটলেটটো নিজৰ প্লেটলৈ নি টিউনিচক কলে, "টিউনিচ, তই আদপ-কায়দা একদম নাজান" ।

"কেলেই, কি হ'লনো ?" টিউনিচে সুধিলে ।

"নিয়ম হ'ল থালৰ পৰা প্ৰথম যি জনে ল'ব, তেওঁ সদায় সৰু টুকুৰাটো লব লাগে ।"

"অ, ঠিক আছে বাৰু, তই প্ৰথমে লোৱা হ'লে কি কৰিলিহেঁতেন ?" টিউনিচৰ প্ৰশ্ন ।

"অৱশ্যেই সৰু কাটলেটটো ললোহেঁতেন ।" শ্বেলে ক'লে ।

"এতিয়াওতো সেইটোৱেই পাইছ, তেনেহ'লে পেক পেকাই আছ কিয় ?" টিউনিচে এইবুলি কৈ খোৱাত মন দিলে ।

(২)

টিউনিচৰ ধনী মোমায়েক এজন নিউইয়ৰ্কত আছিল আৰু তাতে ঢুকায় । টিউনিচে মোমায়েকৰ উকিলৰ পৰা চিঠি পালে যে তাত সোশৰীৰে উপস্থিত হৈ নিজৰ ভাগৰ উইলৰ ধন খিনি লৈ আহিব লাগে । ইফালে টিউনিচে অকলে যাবলৈ ভয় কৰিছে । বন্ধু শ্বেলক লগ ধৰিলে নিউইয়ৰ্কলৈ । শ্বেলেও বিনা পইছাত আমেৰিকা চাবলৈ পাব বুলি যাবলৈ ওলাল ।

সিহঁত নিউইয়ৰ্ক পালেগৈ খৃষ্টমাচৰ দিনাখন । যুক্তৰাষ্ট্ৰৰ সকলো মানুহ সেইদিনা আহি জমা হৈছে নিউইয়ৰ্কত খৃষ্টমাচ পালন কৰিবলৈ । হোটেলত তিল ধৰণৰো ঠাই নাই । কৰিডৰতো বিছনাৰ ব্যৱস্থা কৰা হৈছে ।

মহা চিন্তা হ'ল দুই বন্ধুৰ । ডিচেম্বৰৰ জাৰত আশ্ৰয় এটা নাপালে ঠাণ্ডাতে সিফলীয়া হ'ব লাগিব । অৱশেষত এখন হোটেলত ডাবল ছিটৰ ৰুম এটা পালে সিহঁতে, কিন্তু ব্যৱস্থাটো শুনিহে সিহঁতৰ চকু কপালত উঠি গ'ল ।





"ৰুম পঞ্চাশ মহলাত, লিফ্‌টো বেয়া হৈ আছে ।" মেনেজাৰে কলে ।

টিউনিচ আৰু শ্বেল তাতে মান্তি হ'ল । কি কৰিব উপায় তো নাই । চিৰি বগায়ে যাব সিহঁত ।

শ্বেলে ক'লে, "এটা কাম কৰিলে কেনেকুৱা হয় ? আমি চিৰি বগোৱাৰ সময়ত তই প্ৰতি মহলাতে এটা এটা গাজা কবি আৰু তাতেই মচগুল হৈ আমি কেতিয়া পঞ্চাশ মহলা পামগৈ গমেই নাপাম । তইতো ঢেৰ গাজা জান ।"

টিউনিচে ক'লে, "ঠিক কৈছে, সেই কাৰণেইতো তোক লগত আনিছো । শুন তেনেহ'লে ..........."

টিউনিচে গাজা কোৱা আৰম্ভ কৰি দিলে । পঁচিশ মহলা কেতিয়া পালেগৈ সিহঁতে কবই নোৱাৰিলে । টিউনিচৰ গাজাৰ ভঁৰালো উদং হ'ল ।

শ্বেলে ক'লে,"কোনো কথা নাই, ময়ো কেইটামান গাজা জানো"–এইবুলি সিও গাজা কবলৈ আৰম্ভ কৰিলে । শ্বেলৰো গাজাৰ ভঁৰাল শেষ । এতিয়া কি কৰা যায় ? এটা মহলা উঠিবলৈ বাকী এতিয়াও । গাজা শুনি থাকিলে কি হ'ব ভৰিয়ে তো আৰু গাজা নামানে; ক্লান্তিত সিহঁত ভাগি পৰিল ।

তেতিয়া টিউনিচে ক'লে, "কুছ পৰোৱা নহী । মোৰ এইমাত্ৰ এটা গাজা মনত পৰিছে, একেবাৰে সঁচা গাজা ভাই । আমি ৰুমৰ চাবি আনিবলৈ পাহৰিলোঁ তলতে এৰি আহিলো ।

(৩)

শ্বেলে সাঁতোৰ শিকিব বুলি চুইমিংপুললৈ গ'ল । তাত পানীত নামি তাৰ যিহে অৱস্থা হ'ল কথমপি মৰণৰ পৰা বাচিলে । ককবকাই থকা অৱস্থাৰ পৰা মানুহে যেতিয়া তাক উদ্ধাৰ কৰি আনিলে তেতিয়া টিউনিচে শ্বেলক কলে, "ভালকৈ সাঁতোৰ নিশিকাকৈ আৰু কেতিয়াও পানীত নেনামিবি ।" ■



OKDISCD

ভূপেন্দ্ৰনাৰায়ণ ভট্টাচাৰ্য

# দিল্লী ভ্ৰমণ (দ্বিতীয় খণ্ড)

ৰাতি জৈন মন্দিৰৰ আলোক উদ্ভাসিত প্ৰাঙ্গনৰ ৰূপ চাই থাকোতে কেতিয়া যে এঘাৰটা বাজিল কবই নোৱাৰিলো। হোটেল পাবলৈ এতিয়াও বহু দূৰ বাকী। ব্ৰীজৰ তলেদি পাৰ হৈ গৈ মই এটা ওখ ৰাস্তাৰে উঠি পুনৰ তললৈ নামিলো। বাওঁহাতে ফুটপাথটো। ফুটপাথৰ ওচৰত প্ৰায় তিনিশমান মানুহৰ এটা 'কিউ'। ৰাতি এঘাৰ বজাত আকৌ কিহৰ 'কিউ'? এনেতে কেইজনমান শ্ৰমিকৰ নিচিনা মানুহে ট্ৰাক এখনৰ পৰা কিছুমান অস্থায়ী বিছনা নমাব লাগিছে আৰু আন দুজনমানে বিছনাবোৰ ফুটপাথৰ ওপৰত পাৰি গৈছে। কাক সোধা যায়? কাৰণ, দিল্লীত বিনা স্বাৰ্থত আপোনাৰ উত্তৰো নাপায়। সেয়ে ভাবিলো, ফলৱালাটোৰ পৰা আঙুৰ কিনিলে নিশ্চয় সেই স্বাৰ্থতে মোৰ প্ৰশ্নৰ উত্তৰ দিব। আঙুৰ আঢ়ৈশগ্ৰাম তিনিটকাত লৈ তাক সুধিলো - ইয়াত কি হৈছে? সি মোৰ উত্তৰ দিয়াৰ সলনি অলপ কাঢ়া সুৰতেই কলে - আগতে পইছা নাঢাল কিয় (দিল্লীত সাধাৰণতে মান্য অৰ্থত সম্বোধন নহয়)? লাজতে তাক মই পইছাখিনি তৎক্ষণাৎ উলিয়াই দিলো। পইছাখিনি সুমুৱাই থৈ দি কলে - মোক যে সুধিছ, অনুসন্ধান কৰি নলৱ কিয়?

এনেকৈ কেইবাজনৰো অপমান সহ্য কৰি গম পালো সেইবোৰ 'মোবাইল বিছনা।' সদায় ৰাতি ফুটপাথত পৰা হয় আৰু দোকমোকালিতে ট্ৰাক আহি উঠাই লৈ যায়। বিছনা ২টকা, গাৰু ১ টকা, কম্বল ১ টকা আৰু বিছনা-চাদৰ ললে আৰু এটকা বেছি। লগতে ফুটপাথৰ ভাড়া আছে। তাৰ কাৰণে দুটকা অতিৰিক্ত। সাত টকা দি মই এনিশাৰ বাবে বিছনা এখন ডাক দি ললো আৰু শুই শুই আঙুৰ চোবাবলৈ ধৰিলো। মোৰ বাওঁফালে এজন জোতত ৰং দি দৈনন্দিন জীৱিকা চলোৱা মুচিয়াৰ আৰু সোঁফালে থাকিল ৰিক্সাচালক এজন। মুচিয়াৰ জনক সুধিলো - তুমি বাৰু সদায় ইয়াত শোৱা নেকি? সি কাঢ়া ভাষাত মোক কলে - "আৰে, ইয়াত নুশুই কি ৰাষ্ট্ৰপতি-ভৱনত শুম? চুপ-চাপ শুই থাক, দিগদাৰি নকৰিবি। আৰু যদি কথা পতাৰ ইচ্ছা আছে তেনেহলে সোনকালে কাষৰ পৰা উঠি যা।"

## পূজা-অৰ্চনা ইত্যাদি

বিশাল কন্নাট-প্লেচৰ আলিবাটবোৰৰ মাজত এবিধ নতুন বস্তু দেখিলো। এচলা টিনত কটা ত্ৰিশূল আৰু ত্ৰিশূলৰ তলত এটা মানুহৰ মূৰ (সম্ভৱত এইবোৰেই ভগৱান শিৱ)। মূৰটো ঘেৰখোৱা। বোধহয় সেই বাবেই ত্ৰিশূলপাত বাগৰি নোযোৱাকৈ থিয় হৈ থাকে। ত্ৰিশূল, সেন্দুৰ, ফুলৰ মালা, ধূপ আৰু মাটিৰ চাকিও তাতেই ৰাখিব পাৰি। ৰাস্তাৰ একোণত থকা পানীৱালা এজনে হঠাৎ দেখিলো নিজৰ পানী বিক্ৰী কৰা বন্ধ কৰি ৰাস্তাৰ মাজলৈ পাৰ হৈ গৈছে আৰু ভগৱানৰ লগতে থকা বাটিটোৰ পৰা পইছা বুটলি লৈ আহিছে। ভাবিলো, আচল কথাটো কি জানি যোৱা ভাল। গতিকে ত্ৰিশ পইছা দি তাৰ পৰা পানী এগিলাছ কিনি সুধিলো - সিনো বাৰু কিয় তেনেকৈ দৌৰি গৈছিল? পানীৱালাজনে কলে - পানীৰ ব্যৱসায়ৰ উপৰিও সেইটো এটা তাৰ চাইদ-বিজিনেছ। ভাবিলো, কথাটো বেয়া নহয়।

## ৩৫তম ৰাষ্ট্ৰীয় চিত্ৰ-কলা ভাস্কৰ্য্য প্ৰদৰ্শনী

'মাণ্ডী হাউচ' ভাৰত বিখ্যাত। ইয়াতেই ললিত কলা একাডেমীৰ এটা আহল বহল আৰ্ট গেলেৰী আছে। প্ৰতি বছৰে এইখিনি সময়ত ৰাষ্ট্ৰীয় পৰ্যায়ত এখন চিত্ৰ-ভাস্কৰ্য আৰু গ্ৰাফিকচ্‌ৰ প্ৰদৰ্শনী উদ্‌যাপিত হয়। অসমৰ পৰা আহি আমাৰ চিত্ৰ শিল্পী আৰু ভাস্কৰসকলে নিজৰ শিল্পকৰ্মসমূহ ইয়াত প্ৰদৰ্শন কৰিবলৈ টান পায়। বিশেষকৈ, ললিত কলা একাডেমীৰ কোনো আঞ্চলিক কেন্দ্ৰ নথকা বাবেই আমাৰ শিল্পীসকলৰ মনত



সুজিৎ বৰাৰ গ্ৰাফিক চিত্ৰখনি আৰু শিল্পীগৰাকী (চিত্ৰৰ মাজত)

ইচ্ছা থাকিলেও দিল্লী নাপায়হি। বৰ্তমান এইবিষয়ে চিন্তা কৰিবলৈও অসমত কোনো সদাশয় ব্যক্তি নাই। বৰ্তমানৰ শুকান লঠঙা ভংগুৰ জীপালহীন এজোপা গছৰ দৰে যিটো সাংস্কৃতিক বাতাবৰণ - তাত আমি হতাশ হোৱাতকৈ আনন্দিত হোৱা উচিত আৰু তাৰ বাবে নিজকে ব্যংগ কৰি নতুনকৈ কামত লাগি যোৱাটোৱেই বোধহয় আমাৰ একমাত্ৰ আশা হ'ব বুলি ধাৰণা হয়।

প্ৰদৰ্শনী চাই থাকোতে হঠাৎ গ্ৰাফিক্ বিভাগত এজন অসমীয়া ল'ৰাৰ নাম পাই তেওঁৰ শিল্পকৰ্ম চাই আনন্দিত হলো। ল'ৰাজনৰ নাম সুজিৎ বৰা। জন্ম ১৯৬৬ চনত। ঘৰ মাকুমত। প্ৰথমে তেওঁ গুৱাহাটীৰ চৰকাৰী কলা মহাবিদ্যালয়ৰ পৰা ডিগ্ৰী লৈ বৰ্তমান বৰোদাৰ এম এচ বিশ্ববিদ্যালয়ত গ্ৰাফিকচ্‌ত অধ্যয়ন কৰি আছে। ১৯৯১ চনত মণিপুৰত হোৱা সপ্তম ৰাষ্ট্ৰীয় চিত্ৰ-ভাস্কৰ্য আৰু গ্ৰাফিকচ্‌ৰ উপৰিও বোম্বে আৰ্ট চচাইটিৰ উদ্যোগত উদ্‌যাপিত হোৱা প্ৰদৰ্শনীত অংশ গ্ৰহণ কৰিছে।

শ্ৰীবৰাৰ চেষ্টা আৰু শিল্পকৰ্ম উভয়কে মই শলাগিলো। ❧

অহা সংখ্যাৰ একপৃষ্ঠা
প্ৰচাৰবিহীন অসমীয়া সমাজৰ অস্তিত্ব



